# কৰ্ষণ

২০১৭ - ২০১৮ বৰ্ষ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী



তত্বাৱধায়িকা
ড° পুণ্য লতা গোহাঁই

সম্পাদিকা
ৰাফিনা বেগম

## মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



**বাঁওফালৰপৰা (বহি) অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে ঃ**

ড° কমল চন্দ্ৰ শইকীয়া, ড° গায়ত্ৰী গোপ, ড° নকুল চন্দ্ৰ শৰ্মা, মঃ আব্দুল হাছেম, শ্ৰীহিতেশ্বৰ লস্কৰ (মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি), ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ), শ্ৰীবিপুল চক্ৰৱৰ্তী, শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীশান্তনু বৰদলৈ, ড° সোমনাথ বৰা

**বাঁওফালৰপৰা (থিয় হৈ) অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে ঃ**

শ্ৰীহিমাদ্ৰী ৰয়, শ্ৰীধৃতিস্মিতা বৰ্মণ, শ্ৰীমণীযা শৰ্মা, শ্ৰীধৰিত্ৰী বৰুৱা, শ্ৰীশ্ৰদ্ধাঞ্জলি ভট্টাচাৰ্য, শ্ৰীসন্দীপ শৰ্মা, শ্ৰীঅনুৰূপা বৰা, শ্ৰীমল্লিকা বৰা, শ্ৰীদেৰিতা কেম্প্ৰাই, শ্ৰীবিজু বৰা, শ্ৰীআকাশী ভূঞা, শ্ৰীবিশাল শইকীয়া, শ্ৰীজাহাঙ্গীৰ হুছেইন আলম, ড° যতীন শৰ্মা, শ্ৰীলালপিংময়ী ছাংচান, শ্ৰীসীমা শোভিতা দাস, ড° আচ্ছাদুজ জামান, ড° অবিনাশ ভৰালী, ড° পন্য লতা গোহাঁই

# কৰ্ষণ

# KARSHAN

### ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ আলোচনী

২০১৭-২০১৮ বৰ্ষ

তত্বাৱধায়িকা
ড° পুণ্য লতা গোহাঁই

সম্পাদিকা
ৰাফিনা বেগম

# কৰ্ষণ

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ

## আলোচনী ঃ ২০১৭-১৮


**সম্পাদনা সমিতি**

**সভাপতি**
ড° নৃপেন চন্দ্ৰ দাস
*অধ্যক্ষ, ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়*

**তত্ত্বাৱধায়িকা**
ড° পুণ্য লতা গোহাঁই

**সম্পাদিকা**
ৰাফিনা বেগম

**শিক্ষক সদস্য**
ড° কমল চন্দ্ৰ শইকীয়া
ড° সোমনাথ বৰা

**ছাত্ৰ সদস্য/সদস্যা**
কংকনা বৰা
চিৰঞ্জীৎ মেধি
মৌচুমী গায়ন

**প্ৰচ্ছদ পৰিকল্পনা**
ড° পুণ্য লতা গোহাঁই

**প্ৰকাশক**
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শিল্পসজ্জা**
হেমন্ত কুমাৰ বৰা

**অক্ষৰ বিন্যাস**
নিউ অজন্তা প্ৰেছ, এম.জি. ৰোড, নগাঁও- ১

**মুদ্ৰক**
অজন্তা প্ৰেছ, নগাঁও- ২


**ঘোষণা**

'কৰ্ষণ'ত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিসমূহ মৌলিক বুলিয়েই প্ৰকাশ কৰা হৈছে। এইক্ষেত্ৰত কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।

সম্পাদনা সমিতি
কৰ্ষণ



## উচৰ্গা

২১ ডিচেম্বৰ, ২০১৮ বৰ্ষত ইহসংসাৰ
ত্যাগ কৰা অসমৰ স্বনামধন্য
কোকিল্ কণ্ঠী দিপালী বৰঠাকুৰৰ
পবিত্ৰ স্মৃতিত এই সংখ্যাৰ কৰ্ষণ উচৰ্গা কৰা হ'ল।

MESSAGE

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY




Dr. Mridul Hazarika

Vice Chancellor
Phone : +91-361-257012 (O);
2570408(R) Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com


# MESSAGE

I am happy to learn that Dr. B.K,B. College, Nagaon is going to publish its Annual College Magazine entitled "KARSHAN" for the session 2017 - tB very soon. College Magazine is an important publication as it provides scope for manifestation of hidden literary talent of students in particular. I believe that the college should take initiative to encourage students in developing writing skills and a creative mind through such publications. Contributors to the magazine, deserves appreciation for their efforts

I wish all success in their mission and hope the Magazine will be well accepted by the readers.

Date :26.12.2018

(Mridul Hazarika)


Address :Gopinath Bardoloi Nagar, Phone: 0361257 412 Web : www.gauhati.ac.in
Jalukbari, Guwahati,
Assam 781014



# অধ্যক্ষৰ একলম

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কৰ্ষণ' মহাবিদ্যালয়ৰ পৰা প্ৰকাশ হৈ আহিছে। ইংৰাজী ভাষাৰ লেখা-মেলা দুই-এটা প্ৰকাশ হ'লেও আলোচনীখন প্ৰধানতঃ অসমীয়া ভাষাৰ বাৰ্ষিক আলোচনী। এইবাৰৰ 'কৰ্ষণ'ৰ সম্পাদিকা আৰু তত্ত্বাৱধায়কে 'অধ্যক্ষৰ একলম' বুলি এটি নতুন শিতান আৰম্ভ কৰিব খুজিছে। তেওঁলোকৰ উৎসাহক উদ্‌গনি জনাই দুটিমান কথা ক'ব বিচাৰি কলম হাতত তুলি ল'লোঁ।

মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ, চিন্তা-ভাবনাৰ উৎকৰ্ষতাৰ থলি হ'ল মহাবিদ্যালয় আলোচনীখন। অসমৰ বোধহয় এনে এখন মহাবিদ্যালয় নাই য'ত বাৰ্ষিক আলোচনী এখন নাই। অসমৰ কিজানি এনে এজন সাহিত্যিক নাই যাৰ সাহিত্য চৰ্চাৰ প্ৰথম পোখা মেলা নাই মহাবিদ্যালয়ৰ আলোচনীৰ পাতত। অসমত যদিও বৰ্তমান সাহিত্যিকৰ সংখ্যা কমা নাই মহাবিদ্যালয় আলোচনীৰ কিন্তু পূৰ্বৰ গুণগত মানদণ্ড অটুট থকা নাই।

প্ৰথমতে এটা প্ৰশ্ন মনলৈ আহিছে আজিকালি ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় আলোচনীৰ পাতত 'চিৰিয়াচ' সাহিত্য চৰ্চা কৰেনে? আকৌ 'চ'চিয়েল মিডিয়া'ক লৈ ব্যস্ত আজিৰ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় আলোচনীখননো কিমান গুৰুত্ব সহকাৰে পঢ়ে? আমি আশাবাদী যে মহাবিদ্যালয় আলোচনীখন মহাবিদ্যালয় এখনৰ বৌদ্ধিক প্ৰতিফলন হিচাপে উত্তৰণ হ'ব আৰু ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক অগ্ৰগতিত অৰিহণা যোগাব।

মহাবিদ্যালয়বোৰ হ'ল ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ এক বহল পথাৰ। মহাবিদ্যালয়ৰ ছাত্ৰ-আলোচনী একোখনে দৰাচলতে মহাবিদ্যালয় এখনৰ শৈক্ষিক মানৰ প্ৰতিফলন ঘটায়। এনে আলোচনীৰপৰাই মহাবিদ্যালয় এখনৰ বুৰঞ্জী উদ্ধাৰ কৰিব পাৰি।

এতিয়া ICT উত্থানৰ যুগত কিতাপ আলোচনীৰ প্ৰকাশন আৰু মুদ্ৰণৰ ক্ষেত্ৰত যথেষ্ট প্ৰগতি ঘটিছে। মহাবিদ্যালয়সমূহে আলোচনী প্ৰকাশৰ ক্ষেত্ৰত আগতকৈ বেছি ধন খৰচ কৰিব পৰা হৈছে বা কৰিছেও। কিন্তু আলোচনী সম্পৰ্কত ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বা লেখনিৰ মানদণ্ড কোনোগুণে বঢ়া নাই, বৰঞ্চ কমা যেনহে আমাৰ অনুভৱ হয়। এনে হোৱাৰ কাৰণ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক দৈন্যতা নে শিক্ষা ব্যৱস্থাৰ কেৰোণ নে অইন কিবা ই এক বিচাৰ্য বিষয়!

আমাৰ গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আজিকালি মহাবিদ্যালয় আলোচনীতো দূৰৰ কথা অইন কিবা আলোচনীও যে পঢ়ে আমাৰ মনে নধৰে। তেওঁলোকৰ পঢ়াৰ প্ৰতিয়ে আগ্ৰহ দ্ৰুতভাৱে হ্ৰাস পাইছে। পাঠ্যক্ৰমৰ কিতাপৰ বাহিৰে অইন কিতাপ (বাহিৰা কিতাপ) পঢ়িবলৈ সমূলি বাদ দিছে। ই আমাৰ জাতিটোৰ বাবে শুভ লক্ষণ নহয়। বৌদ্ধিক চৰ্চা নহ'লে জাতি এটা ওপৰলৈ উধাব নোৱাৰে। ইংৰাজ, ফৰাচী আদি জাতিক আচলতে মহান কৰিছে বৌদ্ধিক বিকাশেহে।

আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'কৰ্ষণ'ত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সাহিত্যক কৰ্ষণ কৰি অসমীয়া ভাষা সাহিত্যৰ লগতে আমাৰ জাতিটোক মহান কৰিব বুলি আশা ৰাখিলে নিশ্চয় দুৰাশা নহ'ব। শেষত আলোচনী 'কৰ্ষণ'ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি কলম সামৰিলোঁ।

ড° নৃপেন চন্দ্ৰ দাস

# সূচীপত্ৰ

## প্ৰবন্ধ / নিবন্ধ


দেৱেন্দ্ৰনাথ আচাৰ্যৰ অন্য যুগ অন্য পুৰুষ ঃ এটি আলোচনা ▶ **টুম্পা বৰা ১৩**
মহিম বৰাৰ এধানি মাহীৰ হাঁহিত গাঁৱলীয়া সমাজ জীৱনৰ প্ৰতিফলন ▶ **পূজাশ্ৰী হাজৰিকা ১৭**
পাহাৰ আৰু ভৈয়ামৰ তিৱাসকলৰ কথিত ভাষাৰ পৰম্পৰা আৰু পৰিৱৰ্তন ▶ **সেৱা বৰদলৈ ১৯**
অসমীয়া লোক-সাহিত্য ▶ **নিকি বহ্বা ২১**
লক্ষ্মীনাথ বেজবৰুৱাৰ হাস্যৰসৰ প্ৰকৃতি ▶ **পৰী বৰা ২৪**
ড° ভূপেন হাজৰিকাৰ 'ব'হাগ মাথোঁ এটি ঋতু নহয়' ঃ এটি বিশ্লেষণ ▶ **পংখী শইকীয়া ২৬**
মুণ্ডা সমাজৰ কৰম পূজা ঃ বামুণী ধনতোলা অঞ্চলৰ চাহ জনগোষ্ঠীৰ লোক-উৎসৱ ▶ **দিব্যজ্যোতি মুৰা ২৮**
অসমীয়া লিপিৰ ইতিহাস ▶ **নয়নমণি গায়ন ৩০**
ঐতিহাসিক স্থান শিলঘাট ঃ কিছু ইতিহাস আৰু সম্ভাৱনীয়তা ▶ **প্ৰাণজিৎ বৰা ৩২**
আধুনিক অসমীয়া কবিতালৈ যতীন্দ্ৰনাথ দুৱৰাৰ অৱদান ঃ এটা চমু আলোকপাত ▶ **নীহাৰিকা বৰা ৩৪**
বিমুদ্ৰাকৰণ ▶ **আনাকুল হুছেইন ৩৬**
বিজ্ঞান, বৈজ্ঞানিক মানসিকতা আৰু আধুনিক সমাজ ▶ **নাজিমুল আলম ৩৯**
শিখ ধৰ্ম কি? ▶ **মনপ্ৰিত কৌৰ ৪২**
'ৰুক্মিণী হৰণ' কাব্যৰ মূল আৰু শংকৰদেৱৰ মৌলিক প্ৰতিভা ▶ **সাগৰিকা ৰাজখোৱা ৪৩**
ডেৰ জি বিৰ ডাটাত বন্দী জীৱনশৈলী আৰু হেৰাই যোৱা কিছুমান সেউজীয়া অনুভৱ ঃ
এটি পৰ্যালোচন ▶। **খিজুমণি শইকীয়া ৪৫**
আত্মীয় সম্পৰ্ক আৰু গোলকীয় সভ্যতা ▶ **নীলাক্ষি কলিতা ৪৭**
অন্ধবিশ্বাস ▶ **নাজিৰা আহমেদ ৪৯**
কিতাপ পঢ়াৰ উপযোগিতা আৰু ইয়াৰ আনন্দ ▶ **শিল্পীশিখা বৰা ৫০**
ছাত্ৰ-ছাত্ৰীৰ জীৱনত সময়ৰ গুৰুত্ব ▶ **লনি শইকীয়া ৫১**


## ভ্ৰমণ


বাণ ৰজাৰ নগৰলৈ গৈছিলোঁ ▶ **দিশাৰাণী বৰা ৫২**


## নাটক


অকাল মৃত্যু ▶ **জ্ঞানদ্বীপ হাজৰিকা ৫৪**

## কবিতা

পিতাইলৈ চিঠি ▸ বিশাল শইকীয়া ৬০।। পানীৰ উঁহ ▸ শান্তনু বৰদলৈ ৬০
কবিতা ▸ শৰ্মিষ্ঠা দেৱী ৬১।। নিষ্ঠুৰ নিয়তি ▸ বিকাশ বৰকাকতি ৬১
অকলশৰীয়া ▸ নিজাৰতদ্দিন ৬২।। শেৱালি ফুলৰ সুবাস ▸ দৃষ্টি শইকীয়া ৬২
তুমি তুমি ভাবনা ▸ আজ্ৰবিন বেগম ৬৩।। বৰষুণৰ স্তৱক ▸ কুকিল বৰা ৬৩
প্ৰেম ▸ বৰ্ণালী বৰা ৬৩ ।। পখিলা ▸ ৰিয়া পাল ৬৩
আশা ▸ আব্দুল মুবিন হাজৰিকা ৬৪।। এজুপি গছ ▸ ভৈৰৱী শইকীয়া ৬৪
বিমুদ্ৰাৰ পৃথিৱী ▸ তহ্ছমিনা বেগম ৬৫।। ধুমুহা ▸ ৰশ্মিৰেখা গগৈ ৬৫
মানৱ ▸ ৰমজান আলী ৬৬।। ঋতুৰাণী বসন্ত ▸ ৰাধা খাখলাৰী ৬৬
সময় ▸ ভাৰতী নাথ ৬৬।। জীৱন ▸ উৰমিলা গায়ন ৬৬
বন্ধুত্ব ▸ নীহাৰিকা বৰা ৭১।। হাত ▸ জিমলি কাকতি ৭১
তুমি শ্বহীদ ▸ মুন মুন গায়ন ৭১।। কবিতা আৰু যৌৱন ▸ অনন্ত কায়স্থ ৭০
এটা সপোন ▸ দিব্যজ্যোতি মুৰা ৭০।। চোৰৰ গতি ▸ ৰাফিনা বেগম ৭০
মৃত্যু ▸ গায়ত্ৰী বৰুৱা ৬৭।। মুকুতা মণি ▸ জ্ঞানদ্বীপ হাজৰিকা ৬৭
স্মৃতি ▸ প্ৰিয়ঙ্কা বৰা ৬৭।। আজি আকৌ তোমাক বিচাৰি আহিছোঁ ▸ টুমণি ৰাভা ৬৮
যাতনা ▸ মুন্মী বৰা ৬৮।। মন যায় ▸ তৃষ্ণা বৰা ৬৯
উপজা পুৱা ▸ জিৎজয় বৰা ৬৯।। জীৱন যন্ত্ৰণাৰ বাট-ঘাট ▸ ভাস্কৰজ্যোতি ভূঞা ৬৯
ফাগুন ▸ মৃদুপৱন শইকীয়া ৭৩।। গভীৰতা ▸ বৰ্ণালী দাস ৰাভা ৭৩
নিৰপেক্ষ ▸ মিলন কুমাৰ শইকীয়া ৭৪।। জীৱন ▸ সঙ্গীতা দাস ৭৪

## গল্প


হেঁপাহ ▸ শৰ্মিষ্ঠা দেৱী ৭৫
মৃত্যু সময়ৰ উপলব্ধি ▸ ৰিংকী দাস ৭৬
ভুলৰ বুকুৰ এপাহি ফুল ▸ টুটুমণি ৰাভা ৭৭

বিবিধ ▸ ৮১-৮৬
কুইজ
জানানে?
মহৎ লোকৰ বাণী
সাঁথৰ

## English

Regionalism in Northeastern India : Facts and Scenario ▸ **Sidhartha Sankar Das** ৬

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন ▸ ৯২-১০৬






# দেৱেন্দ্ৰনাথ আচাৰ্যৰ অন্য যুগ অন্য পুৰুষ এটি আলোচনা

**টুম্পা বৰা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

চেঙেৰীৰ মুখখন আছিল লাওপাত কচুপাত। এনেয়ে কামে-কাজে দলিয়াই পেলাব পৰা ছোৱালী নহয়, পিছে মুখখনৰ কাৰণেই তাইক খুজি-বাঢ়ি নিওঁতা মুনিহ এটা নোলাল। বাপেক তেৰাহি কানিয়া, ছোৱালীৰ ভৰ বয়সত কাণসাৰ নকৰিলে, আয়েকো শয্যাগত ... সিহঁতে কিন্তু তাইৰ মন নাপালে, চেঙেৰীৰ মাকেও এনে পদূলি শুঙাৰ দলক প্ৰশ্ৰয় নিদিলে।

অসমীয়া উপন্যাস সাহিত্যত অতি কম সময়ৰ ভিতৰতে উজ্জ্বল সম্ভাৱনাৰে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হোৱা ঔপন্যাসিকসকলৰ ভিতৰত দেবেন্দ্ৰনাথ আচাৰ্য আছিল অন্যতম। ঔপন্যাসিক দেবেন্দ্ৰনাথ আচাৰ্য আছিল এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন, ক্ষণজন্মা প্ৰতিভাধৰ কথাশিল্পী। অসমৰ বৌদ্ধিক তথা সাহিত্য-জগতৰ ঔপন্যাসিক আচাৰ্য আছিল এক বিৰল আদৰ্শ, যাৰ ঐকান্তিক প্ৰচেষ্টা, অধ্যয়নপুষ্ট মন, সৃজনীশীল প্ৰতিভাৰ পৰিচয় তেওঁৰ সৃজনীশীল সাহিত্যৰ প্ৰতিটো লেখাৰ মাজেদি ফুটি উঠিছে।




জীৱনৰ মাত্ৰ চৌচল্লিছটা বসন্ত গৰকি আকস্মিকভাৱে মৃত্যুক সাৱটি লোৱা আচাৰ্যই, গল্প, উপন্যাসৰ লগতে শিশু সাহিত্য, প্ৰবন্ধ আদি ৰচনা কৰি অসমীয়া সাহিত্যলৈ অনবদ্য বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত উপন্যাস তিনিখন— 'অন্যযুগ অন্য পুৰুষ' (১৯৭০), 'কালপুৰুষ' (১৯৭৬) আৰু 'জংগম' (১৯৮২)।

'অন্যযুগ অন্য পুৰুষ', 'কালপুৰুষ' আৰু 'জংগম' আচাৰ্যৰ এই তিনিওখন উপন্যাসতে ইতিমধ্যে অতীতৰ বুকুত কুঁচি-মুচি সোমাই পৰা তিনিটা বিশেষ ঐতিহাসিক সময়ৰ বাঙ্ময়চিত্ৰ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। তেওঁৰ 'অন্যযুগ অন্য পুৰুষ' আৰু 'জংগম' ক্ৰমে বিগত সমাজ জীৱনৰ এক নিৰ্ভেজাল ৰূপ আনখন বিপন্ন মানৱৰ নিৰুদেশ যাত্ৰাৰ এক প্ৰামাণ্য দলিল।

'অন্যযুগ অন্য পুৰুষ' উপন্যাসে অসমীয়া উপন্যাস সাহিত্যক এক নতুন মাত্ৰা দান কৰিবলৈ সমৰ্থ হৈছিল। দৰাচলতে আচাৰ্যৰ প্ৰথম উপন্যাসখনেই কঢ়িয়াই আনিছিল লেখকৰ পৰিপক্ক ঔপন্যাসিক প্ৰতিভাৰ স্বাক্ষৰ আৰু ভৱিষ্যৎ উজ্জ্বল সম্ভাৱনাৰ প্ৰতিশ্ৰুতি। উপন্যাসখনত সূত্ৰধাৰৰূপী কথক চৰিত্ৰ বেংবেলেষ্টাৰ চৰিত্ৰৰ অতীত ৰোমন্থনৰ মাজেদি মূৰ্ত হৈ উঠিছে কুৰি শতিকাৰ অসমৰ প্ৰাক্ স্বাধীনতা কালৰ সামাজিক ব্যৱস্থা, অৰ্থনৈতিক, ঔদ্যোগিক আৰু ৰাজনৈতিক জীৱনৰ দীনপঞ্জী। এই উপন্যাসখনৰ পটভূমি অতীতৰ সামাজিক পটভূমি আৰু ই এক ভৌগোলিক অঞ্চলতে সীমাবদ্ধ। মানৱ আক্ৰমণ প্ৰতিহত কৰাৰ অচিলা লৈ ইষ্ট-ইণ্ডিয়া কোম্পানী অসমত খুঁটিপুতি থকাৰ দিনৰেপৰা প্ৰথম মহাযুদ্ধৰ সময়ত বুৰঞ্জীৰ পটভূমিত উপন্যাসৰ কাহিনীটো ৰচনা কৰা হৈছে।

যোৰহাট নগৰৰ সমীপৱৰ্তী গৰখীয়া দ'ল অঞ্চলক কেন্দ্ৰ কৰি কাহিনীয়ে গঢ় লৈছে। সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে গৰখীয়া দ'লৰ ইতিহাসৰ এই বিশেষ সময়ছোৱাত অহা পৰিৱৰ্তনবোৰ এই একে সময়ৰ ভিতৰতে দেশৰ ঘাইকৈ উজনি অসমৰ, অন্যান্য ঠাইলৈকো আহিছিল। উপন্যাসখনৰ আৰম্ভণিভাগ আঞ্চলিক উপন্যাসৰ দৰে লাগিলেও কিন্তু এই বৈশিষ্ট্য শেষ পৰ্যন্ত ৰক্ষা কৰা হোৱা নাই। বেং-বেলেষ্টৰে চৰিত্ৰ হিচাপে উপন্যাসৰ আগভাগত পাঠকৰ মনোযোগ আকৰ্ষণ কৰে, কিন্তু পিছলৈ ক্ৰমান্বয়ে নিষ্প্ৰভ হৈ গৈ গৈ চৰিত্ৰ হিচাপে স্বকীয়তা হেৰুৱাই পেলাই। এক প্ৰকাৰ চাবলৈ গ'লে সমগ্ৰ উপন্যাসখনকে বিগত যুগৰ সমাজ জীৱনৰ এক প্ৰামাণ্য আলেখ্য বুলি ক'ব পাৰি।




বেং-বেলেষ্টাৰৰ মুখেদি কাহিনীটো উপস্থাপন কৰাত ইয়াৰ ঐতিহাসিক বস্তুনিষ্ঠতা সহজতে ৰক্ষা পৰিছে। বেং-বেলেষ্টাৰ যেন এক নিৰপেক্ষ দৰ্শনঃ তেওঁ কৈ গৈছে আৰু পাঠকে শুনি গৈছে, মাত্ৰ শুনি যোৱাই নহয় বিগত যুগৰ ছবিখন যেন তেওঁ দেখিবলৈকো পাইছে। 'সেই যুগটোৰ দ্ৰষ্টা আৰু বক্তা বেং-বেলেষ্টৰত সেই যুগৰ ব্যাপক জ্ঞান থকা ব্যক্তিৰ অস্তিত্ব অনুভৱ কৰে। বেং-বেলেষ্টৰৰ বৰ্ণনাত ৰম্য-ৰচনাৰ আস্বাদন আৰু ঠায়ে ঠায়ে চুটিগল্পৰ নিৰ্যাসো পোৱা যায়।'[১]

বিগত দিনৰ অসমৰ গাঁও-ভূঁইবোৰৰ নদন-বদন অৱস্থাৰ কথা, নদ-নদী, খাল-বিল আদি প্ৰাকৃতিক পৰিৱেশৰ কথা, সমাজৰ নানা বং-বহইচৰ কথা আৰু বিভিন্ন জনবিশ্বাস আদিক কাহিনীৰ অন্তৰ্ভুক্ত কৰা হৈছে। উপন্যাসখনত বিভিন্ন প্ৰকৃতিৰ চৰিত্ৰই ভূমুকি মাৰিছে। গাখীৰত আধাপানী দিয়া বৰ গুৱাল পুনাই, দুপাত কাণীয়া ময়ৰাম, গভাইত চোৰ কণটিলৌ ঢোলৰ চাপৰত কেৰামতি প্ৰদৰ্শন কৰা নিতাই আৰু নবীন ওজা, বহু চাহ বাগান বাগৰি ফুৰা টিকৰি বৰমহৰি, হিন্দু গঞ্জাৰ মন আদায় কৰিব পৰা মুছলমান ফুলু দৰ্জী আদি বহু চিত্ৰ বিচিত্ৰ চৰিত্ৰৰ সমাগম ইয়াত দেখা যায়। উপৰুৱা দৃষ্টিত উপন্যাসখনত সন্নিবিষ্ট হোৱা সৰু সৰু ঘটনা বা কাহিনীবোৰৰ পৰস্পৰৰ সম্পৰ্ক নাই, অথবা চৰিত্ৰবোৰৰ কাৰ্যাৱলীৰ অন্তৰ্লীন সম্পৰ্ক দেখা নাযায় 'কিন্তু দেখা যায় এই আটাইবোৰ ঘটনা, এই আটাইবোৰ ছবি, এই আটাইবোৰ অৱস্থা— এজন তৈল চিত্ৰকাৰে তেওঁৰ তৈল চিত্ৰত যেনেভাৱে বিভিন্ন ৰঙৰ সমাহাৰত এটা 'tone' এটা সুৰ সৃষ্টি কৰি উলিয়াই ঠিক তেনেকৈ দেৱেন্দ্ৰনাথ আচাৰ্যয়ো বিভিন্ন বিষয়ৰ সমাহাৰত এটা 'tone' সৃষ্টি কৰিছে— যিটোক E.M. Forster এ-প্ৰফেচী' (Prophecy) বুলি কৈছিল।'[২]

ফলত উপন্যাসখন হৈ পৰিছে এখন বহুৰঙী ফুলাম বাগিচা সদৃশ।

এই উপন্যাসখন অসমৰ অৰ্থনৈতিক অগ্ৰসৰণৰো কাহিনী, কৃষিজীৱী অৰ্থনৈতিক ব্যৱস্থা উদ্যোগমুখী বিকাশৰ পথত আগবঢ়াৰ কাহিনী, গাঁৱলীয়া সমাজ চহৰ অভিমুখী হোৱাৰ কাহিনী। কোন চাহাব কোনখন বাগানলৈ কেতিয়া আহিল, ডিগবইত তেল কোনে উলিয়ালে, তাত তেল কোম্পানী কেতিয়া আহিল, অসমত ৰে'ল কেতিয়াৰপৰা চলিল, ইত্যাদিৰ কথাৰ সৰস বিৱৰণে উপন্যাসখন সমৃদ্ধ





কৰিছে। নতুন অৰ্থনৈতিক ব্যৱস্থাত মানুহৰ চাল-চলন, দা-দস্তুৰ, পিন্ধন-উৰণ, খাৱন-বোৱনৰ অভ্যাস কিদৰে ক্ৰমাৎ সলনি হ'বলৈ ধৰিলে তাৰো বিৱৰণ কাহিনীত সুমুওৱা হৈছে।

লিখকৰ ভাষা শৈলী, বেং-বেলেষ্টৰে কোৱা ক্ষুদ্ৰ কাহিনী আৰু হাস্যৰস— ঘাইকৈ এই তিনিওটাৰ সহজ-সমাহাৰে উপন্যাসখনক আদিৰপৰা অন্তলৈকে সৰস কৰি ৰাখিছে। এই কথা স্বীকাৰ কৰিবই লাগিব যে 'অন্য যুগ অন্য পুৰুষ'ৰ উপস্থাপন ৰীতি, বাক্যবিন্যাস, পৰিস্থিতি বৰ্ণনা আৰু বিভিন্ন গুৰুত্বপূৰ্ণ ঘটনাৰ আৰু বিষয়ৰ উল্লেখে ইয়াক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। এই প্ৰথমখন প্ৰকাশিত উপন্যাসেই অসমীয়া সাহিত্য জগতত ঔপন্যাসিক হিচাপে আচাৰ্যৰ প্ৰতিষ্ঠা আৰু যশস্যা দুয়োটাৰে পথ মুকলি কৰি দিছিল। বিশিষ্ট সমালোচক ড° গোবিন্দ প্ৰসাদ শৰ্মাই মন্তব্য কৰিছে যে দেবেন্দ্ৰনাথ আচাৰ্যই যদি মাত্ৰ 'অন্যযুগ অন্য পুৰুষ' উপন্যাসখনহে ৰচনা কৰি থৈ গ'লহেঁতেন, তথাপি তেওঁৰ যশস্যাৰ হেৰফেৰ নহলহেঁতেন।'[৩]

'অন্য যুগ অন্য পুৰুষ' উপন্যাসখনৰ বিষয়বস্তু, বৰ্ণনাশৈলী তথা সামৰণিলৈ লক্ষ্য কৰি ইয়াক এখন আধুনিক উপন্যাস বুলি ক'ব পাৰি। ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ ভাষাত প্ৰাচীন যুগৰ এটি বিশেষ অধ্যায়ৰ স্বকীয়ত্ব চিত্ৰণ কৰা বিলীয়মান কাল এছোৱাৰ এটি বাতাৱৰণ জাগ্ৰত কৰি তোলা বিষয়বস্তুৰ এই উপন্যাসখন ইয়াত চুৰৰিয়েলিজিম (বা অতিবাস্তৱবাদ) আংগিকৰ এখন আধুনিক উপন্যাস।'[৪]

দেৱেন্দ্ৰনাথ আচাৰ্যৰ আলোচ্য উপন্যাসখন কলা-কৰ্মৰ ফালৰপৰা সম্পূৰ্ণ দোষমুক্ত নহয় যদিও এনে ধৰণৰ দুই-এটা সৰু-সুৰা ত্ৰুটি-বিচ্যুতিয়ে মহৎ উপন্যাস এখনৰ কলাগুণ বিশেষ হ্ৰাস কৰিব নোৱাৰে। অসমীয়া উপন্যাস সাহিত্যকো সমৃদ্ধি কৰা দেৱেন্দ্ৰ আচাৰ্যৰ অন্য যুগ অন্য পুৰুষে ভাবতীয় উপন্যাস সাহিত্যকো সমৃদ্ধি কৰি আমাক গৌৰৱান্বিত কৰিছে। উপন্যাসখনত বিভিন্ন চৰিত্ৰৰ সমাৱেশ ঘটিছে। ইতিমধ্যে ইতিহাস হৈ পৰা অতীত অসমৰ এটা যুগৰ সমাজ জীৱনৰ এক অপূৰ্ব দস্তাৱেজ হিচাপে উপন্যাসখনত আচাৰ্যই সৰু সৰু কেবাটাও কাহিনীৰ টুকুৰা কলাজৰ দৰে সংযোজন কৰিছে আৰু বিভিন্ন চৰিত্ৰৰ সহায় লৈছে। কোৱা বাহুল্য যে আটাইবোৰ ঘটনা, বিভিন্ন চৰিত্ৰ আৰু পৰিস্থিতি বেং-বেলেষ্টৰ নামৰ সূত্ৰাধাৰৰূপী চৰিত্ৰটোৰ জৰিয়তে ব্যক্ত কৰা হৈছে। উপন্যাসখনত বেং-বেলেষ্টৰ এটা প্ৰধান পুৰুষ চৰিত্ৰ। উপন্যাসৰ আদিতে তেওঁৰ পৰিচয় এনেদৰে দিয়া হৈছে— "বেং-বেলেষ্টৰৰ আচল নাম অৰ্থাৎ জন্মতে পিতাক-আয়েকে দিয়া নামটো হ'ল নন্দীৰাম। তেওঁ গৰখীয়াদ'ল গাঁৱৰ পুৰণা গাঁওবুঢ়া দণ্ডিৰাম ওৰফে 'পেটুৱা' গাঁওবুঢ়াৰ আদৰুৱা সৰু পুতেক। দণ্ডিৰামৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰথম পুত্ৰ কণ্ঠিৰাম গাঁওবুঢ়া হ'ল আৰু নন্দীৰাম ঘৰবাৰী এৰি বনৰীয়া হ'ল, বনৰীয়া হ'ল মানে যে ঘৰ দুৱাৰ সকলো এৰি ব'বাগী হ'ল এনে নহয়, ঘৰত গৃহস্থ পৰিয়ালৰ মাজতে থাকিয়েই নন্দীৰামে সকলো মায়া মোহ, আশা-ভৰসা ত্যাগ কৰি ফকীৰৰ দৰে হ'ল। ... বেলেষ্টৰৰ একমাত্ৰ কাম আছিল বৰশী বোৱা। বৰশী বাই তেওঁ এখন গাঁৱৰপৰা আনএখন গাঁৱলৈ যায়। এনেদৰে খোজ কাঢ়ি গৈ গৈ তেওঁ যোৰহাটৰ পৰা ডিব্ৰুগড় পায়গৈ। য'তে ৰাতি ত'তে কাতি।'[৫]

নন্দীৰাম 'বেংবেলেষ্টৰ' নামেৰে পৰিচিত হোৱাৰ কাৰণ হ'ল— তেওঁ পোৱালি বেংবোৰ মাৰি তাৰে টোপ দি বৰশী বাইছিল আৰু সেয়েহে গাঁৱৰ ল'ৰাবোৰে তেওঁক 'বেংবেলেষ্ট'ৰ বুলি জোকাইছিল। উপন্যাসখনত সন্নিৱেশিত অন্যান্য বিৱৰণৰ জৰিয়তে বেংবেলেষ্টৰ এটি ৰহস্যময় চৰিত্ৰৰূপে চিত্ৰিত হৈছে। উপন্যাসখনৰ চৰিত্ৰবোৰ পূৰ্ণ দৈৰ্ঘ্যৰ নহয়, ৰৈখিক চিত্ৰৰ দৰেহে। উপন্যাসখনত কোনো নাৰী চৰিত্ৰই পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হোৱা নাই। তাৰে ভিতৰত মুখচোকা চেঙেৰীৰ চৰিত্ৰটোৰ বিৱৰণত পোৱা হাস্যৰস গ্ৰাম্য। 'চেঙেৰীৰ মুখখন আছিল লাওপাত কচুপাত। এনেয়ে কামে-কাজে দলিয়াই পেলাব পৰা ছোৱালী নহয়, পিছে মুখখনৰ কাৰণেই তাইক খুজি-বাঢ়ি নিওঁতা মুনিহ এটা নোলাল। বাপেক তেৰাহি কানিয়া, ছোৱালীৰ ভৰ বয়সত কাণসাৰ নকৰিলে, আয়েকো শয্যাগত ... সিহঁতে কিন্তু তাইৰ মন নাপালে, চেঙেৰীৰ মাকেও এনে পদূলি শুঙাৰ দলক প্ৰশ্ৰয় নিদিলে। গতিকেই ভৰ ডেকা কালতেই এজনীৰ মূৰ খোৱা ........ চকু নপৰালৈকে চেঙেৰী আবিয়ৈ হৈ ঘৰতে না-চো কৰি থাকিল।'[৬] উপন্যাসখনৰ কেইবাটাও চৰিত্ৰই অকালতে মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। লেখকৰ কলমত এইসমূহ মৃত্যুৰ চেতনা মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ পাইছে।

প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া গাঁৱলীয়া সমাজ তথা জীৱনধাৰাৰ জীৱন্ত আৰু স্বপ্নীল চিত্ৰ এখন উপন্যাসখনত ফুটাই তুলিবলৈ ঔপন্যাসিক আচাৰ্যই অসমীয়া লোক-সংস্কৃতিৰ অন্তৰ্ভুক্ত বিবিধ আচাৰ-নীতি, লোক উৎসৱ, লোক ধৰ্ম, নানান খেল-ধেমালি, লোক ঔষধ, নানা শিল্পজাত সা-সঁজুলি, বাচন বৰ্তন, ঘৰ-দুৱাৰ, নিৰ্মাণ প্ৰণালী আদিৰ বিৱৰণ, বিভিন্ন প্ৰসংগত দাঙি ধৰিছে বেং-বেলেষ্টৰৰ কথাৰে। অসমীয়া লোক সমাজত পৰম্পৰাগতভাৱে শাও-শপনি, যাদু-মন্ত্ৰ, ভূত-প্ৰেত, মংগলামংগল, জৰা-ফুঁকা আদিৰ ওপৰত বিশ্বাস স্থাপিত হৈ আহিছে। উপন্যাসখনত সিবোৰৰ উল্লিখন বৰ্ণন অতি

চমৎকাৰ অসমীয়া লোক পৰিৱেশ্য কলাৰ অন্তৰ্ভুক্ত ভাওনা, গীত-মাত, আদিৰো আভাস উপন্যাসখনত পোৱা যায়। অৱশ্যে চহৰমুখী সভ্যতা-সংস্কৃতিৰ সম্প্ৰসাৰণে আমাৰ সমাজৰ পৰম্পৰাগত ৰীতি-নীতি, ধ্যান-ধাৰণা, দৃষ্টিভঙ্গী, কথা-কৰ্ম আদিলৈ কিদৰে পৰিৱৰ্তন নমাই আনিছিল, সিবোৰ উপন্যাসখনত পৰিদৃষ্ট হয়।

'অন্য যুগ অন্য পুৰুষ' উপন্যাসখনৰ ভাষাশৈলী ইয়াৰ অন্যতম আকৰ্ষণীয় দিশ। ইয়াৰ উপস্থাপন ৰীতি, বাক্য-বিন্যাস প্ৰণালী তথা পৰিস্থিতিৰ সৰস বৰ্ণনাই পাঠকক এনেদৰে মোহাচ্ছন্ন কৰি তোলে যে উপন্যাসখন এবাৰ পঢ়িব ল'লে শেষ নকৰাকৈ এৰিবলৈ টান। সুখপাঠ উপন্যাস এখনৰ মোহনী শক্তি। 'দেবেন্দ্ৰনাথ আচাৰ্যই উপন্যাসখনত ভাষাক বিভিন্ন অভিজাত সৃষ্টিৰ কাৰণে প্ৰয়োগ কৰিছে।'[৭] ভাষা-ৰীতিৰ আলোচনাৰ প্ৰসংগত ইয়াৰ প্ৰয়োগ হোৱা অসমীয়া লোকভাষাৰ গঠন ভংগিমালৈয়ো আঙুলিয়াবলগীয়া হয়। উপন্যাসখনত উপস্থাপিত অসমীয়া লোকসমাজ গঠন, ভংগিমা, ফকৰা-যোজনা, খণ্ডবাক্য আদি যথাৰীতি প্ৰয়োগ কৰিছে। ফলস্বৰূপে উপন্যাসখনে লাভ কৰিছে এক অভিনৱ মাত্ৰা।

**লোক ভাষাৰ গঠন ভংগিমা**

১) "সিফালে ৰান্ধনী বেলি ডুবিবৰ হওঁ হওঁ। চৰুলৈ জাল নিবলৈ ওলোৱা আইতাই 'এই কালসন্ধ্যা'খন ডবাত কোব পৰোঁতেই এইপাট ওলালহি আৰু বুলি মুখতে ভোভোৰাই পিতলৰ চাউল ধোৱা-খৰাহীত আৰু এমুঠি চাউল বঢ়াই দিলে, কাৰণ বেংবেলেষ্টৰ আহিল যেতিয়া থাকিবই।'[৮] গাঁৱলীয়া হোজা লোকৰ সৰলতাৰে সমৃদ্ধ বেলেষ্টৰৰ মুখত ইংৰাজী আৰু হিন্দী ভাষাৰ ভালেমান শব্দৰ অপভ্ৰংশ ৰূপ শুনিবলৈ পাওঁ, যেনে— ইক্তিন্দিং কোম্পানী, পচেছন, ৰেচকৰা, নন্ কোপাৰেচন, বন্দে মাত্ৰম, ইত্যাদি। স্থানবিশেষে উপন্যাসখনত হাস্যৰসে গ্ৰাম্য, সূক্ষ্ম আৰু বিদ্ৰূপাত্মক ৰূপ পৰিগ্ৰহ কৰিছে। প্ৰকৃত পৰিৱেশ সৃষ্টি কৰিবলৈ ঔপন্যাসিকে ভালেমান খণ্ডবাক্য আৰু আপ্ত বাক্যৰ ব্যৱহাৰ কৰিছে। এইবোৰে সমাজখনত যুগ যুগ ধৰি সঞ্চিত হৈ থকা জীৱন চৰ্যাক আমাৰ সন্মুখত তুলি ধৰিছে। ইয়াত সংযোজিত প্ৰতিটো ঘটনাই অসমৰ জনজীৱনৰ এছোৱা কালৰ একোটা দিশ প্ৰতিফলিত কৰিছে। সমালোচকৰ ভাষাত— 'উৰলি যোৱা অতীতটোৰ প্ৰতি এক কৰুণ মোহ আৰু অক্ষম বৰ্তমানৰ ওপৰত ক্ৰোধমিশ্ৰিত অভিমান উপন্যাসখনত প্ৰকাশ পাইছে।'[৯] উপন্যাসখনত খাচ অসমীয়া ভাষাৰ ব্যৱহাৰে আমি পাহৰি যোৱা এশ এবুৰি খাঁটি অসমীয়া মাত-কথাই যেন পুনৰ জীৱন পালে। এনে শব্দৰ প্ৰয়োগে উপন্যাসখনৰ আঞ্চলিক বাস্তৱানুগতা দৃঢ় কৰিছে। উল্লেখিত আলোচনাৰ পৰা দেখা যায় যে দেবেন্দ্ৰ নাথ আচাৰ্যৰ 'অন্য যুগ অন্য পুৰুষ' উপন্যাসৰ মাজেদি এৰি থৈ অহা যুগ যুগ সাপক্ষে চিন্তাধাৰা, ব্যক্তি চৰিত্ৰৰ কোমল কঠিন ৰূপ, ব্যক্তিত্বৰ উজ্জ্বলতা-দুৰ্বলতা, ঐতিহাসিক ঘটনাক্ৰম আৰু অসমীয়া গ্ৰাম্য সমাজৰ পৰম্পৰাগত জীৱনৰ যি দৃষ্টিপাত সি স্পষ্ট আৰু উপাদেয় ৰূপত প্ৰকাশ পাইছে।

**পাদটীকা**

১) সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া উপন্যাসৰ গতিধাৰা ২০০০ (পুনৰমুদ্ৰণ) পৃঃ ১৯৯
২) নগেন শইকীয়া ঃ সৃষ্টিশীল লেখক হিচাপে দেবেন্দ্ৰ আচাৰ্য ঃ সৃষ্টি আৰু চেতনা, সম্পা ঃ প্ৰফুল্ল ৰাজগুৰু, ২০০৭, পৃ. - ৬।
৩) গোবিন্দ প্ৰসাদ শৰ্মা ঃ অসমীয়া উপন্যাসৰ ধাৰা (১৯৩৯-১৯৮৯) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড, সম্পা, হোমেন বৰগোহাঞি, ১৯৯৩, পৃ. ১৫০
৪) গোবিন্দ প্ৰসাদ শৰ্মা ঃ উক্ত গ্ৰন্থ পৃ. ১৫১
৫) দেৱেন্দ্ৰ নাথ আচাৰ্য ঃ অন্য যুগ অন্য পুৰুষ, দ্বিতীয় সংস্কৰণ, ১৯৮৪, পৃঃ ৩
৬) দেবেন্দ্ৰ নাথ আচাৰ্য, উক্ত গ্ৰন্থ, পৃঃ ৭
৭) অৰ্পণা মহন্ত ঃ অন্য যুগ অন্য পুৰুষৰ মাজেৰে দেবেন্দ্ৰনাথ আচাৰ্য ঃ সৃষ্টি আৰু চেতনা, পৃ. ২২
৮) দেবেন্দ্ৰ নাথ আচাৰ্য ঃ পূৰ্বোক্ত গ্ৰন্থ ঃ পৃষ্ঠা. ৫
৯) প্ৰফুল্ল কটকী, স্বাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা, ১৯৭৯, পৃ. ২০৭

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) আচাৰ্য দেৱেন্দ্ৰ নাথ ঃ অন্য যুগ অন্য পুৰুষ ঃ দ্বিতীয় সংস্কৰণ, ১৯৮৪, পৃ. ৩, ৫, ৭, ২২, ৪৭, ৫৭
২) কটকী প্ৰফুল্ল ঃ স্বাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা ঃ প্ৰথম প্ৰকাশ, ১৯৭৯, পৃ. - ২০৭
৩) বৰুৱা প্ৰদীপ কুমাৰ ঃ দেবেন্দ্ৰনাথ আচাৰ্যৰ উপন্যাস, প্ৰথম প্ৰকাশ নবেম্বৰ, ২০০০ সম্পা. নগেন ঠাকুৰ এশবছৰৰ অসমীয়া উপন্যাস, পৃ. ৫৭৫
৪) মহন্ত অৰ্পণা ঃ অন্য যুগ অন্য পুৰুষৰ মাজেৰে দেবেন্দ্ৰনাথ আচাৰ্য ঃ দেবেন্দ্ৰনাথ আচাৰ্য ঃ সৃষ্টি আৰু চেতনা, পৃষ্ঠা ঃ ২২
৫) শইকীয়া নগেন ঃ সৃষ্টিশীল লেখক হিচাপে দেৱেন্দ্ৰ আচাৰ্য ঃ প্ৰথম দেৱেন্দ্ৰনাথ আচাৰ্য সৃষ্টি আৰু চেতনা, প্ৰকাশ, - ২০০৭, পৃ. - ৬, সম্পা. প্ৰফুল্ল ৰাজগুৰু
৬) শৰ্মা গোবিন্দ প্ৰসাদ ঃ অসমীয়া উপন্যাসৰ ধাৰা (১৯৩৯-১৯৮৯), অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠখণ্ড, প্ৰথম প্ৰকাশ, সম্পা, হোমেন বৰগোহাঞি, নৱেম্বৰ ১৯৯৩, পৃ. ১৫০, ১৫১
৭) শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া উপন্যাসৰ গতিধাৰা ঃ ২০০৪ (পুনৰ মুদ্ৰণ) পৃ. ১৯৯








# মহিম বৰাৰ এধানি মাহীৰ হাঁহিত গাঁৱলীয়া সমাজ জীৱনৰ প্ৰতিফলন

পূজাশ্ৰী হাজৰিকা
স্নাতক তৃতীয় যাণ্মাসিক

উপন্যাসখনৰ শেষৰ ফালে আমাৰ সমাজৰ বিভিন্ন ৰেমেজালিবোৰ উল্লেখ আছে। আমাৰ গাঁওবিলাকত বিভিন্ন ধৰণৰ খেল সৃষ্টি হোৱা দেখা যায়। বিয়া, সকাম, শ্ৰাদ্ধ আদি পাতিলে এটা খেলৰ মানুহ ইটো খেললৈ নাযায়। মৃতকৰ কাজ-কৰ্ম বা আদ্য-শ্ৰাদ্ধ আদি কোনোৰে এঘাৰ দিনত আৰু কোনোৰে এমাহত পাতিছিল।

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য জগতৰ এগৰাকী বিশিষ্ট সাহিত্যিক হ'ল মহিম বৰা। মহিম বৰাৰ ৰচনাৰাজিৰ যোগেদি সমসাময়িক সমাজ জীৱনৰ চিত্ৰ অংকন হৈছে। মহিম বৰাৰ সাহিত্যত অসমীয়া সমাজ জীৱনৰ সাধাৰণ সৰু-সুৰা ঘটনা, পৰিস্থিতি আৰু ৰীতি-নীতিবোৰ পৰিস্ফুত হৈ উঠিছে। তেওঁ ৰচনাৰাজিৰ ভিতৰত বিংশ শতিকাৰ ত্ৰিশ-চল্লিশ দশক মানৰ ভিতৰত ৰচিত এখন সামাজিক উপন্যাস হ'ল 'এধানি মাহিৰ হাঁহি'। এই কাহিনীভাগত গাঁৱলীয়া সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কৰ্ম-সংস্কৃতি আদিৰ সুস্পষ্ট প্ৰতিফলন হৈছে।



উপন্যাসখনত ঔপন্যাসিকে এজন ল'ৰা (দেউকণ)ৰ জীৱনৰ কিছু চিত্ৰ অংকন কৰিছে, দেউকণ নামৰ ল'ৰা এজনৰ নাম উল্লেখ কৰিছে। তেওঁ এল. পি. স্কুলৰ ডেওনা পাৰ কৰি ঘৰৰ পৰা পাঁচ মাইলমান দূৰত থকা এম. ভি স্কুলত পঢ়িব বিচাৰিছে। মাকৰ ইচ্ছা আছিল ল'ৰাটোৱে মাইনৰ স্কুলত দুশ্ৰেণীমান পঢ়ি চাহ বাগানত কোনো মতে মূৰটো গুঁজি চলি থাকক। এম.ভি স্কুলত পঢ়িবৰ বাবে দেউকণে ককাক-আইতাকৰ ঘৰত থাকিবলৈ লয়। বুঢ়ী আইতাকৰ লগত দেউকণৰ মাহী আইতাকৰ জীয়েক এধানী মাহী নিগাজীকৈ

আছিল। এধানী মাহিয়ে দেউকণক মাকৰ দৰে মৰম-স্নেহ শাসনৰ মাজত ৰাখিছিল। এধানী মাহীৰ বিয়াৰ উপযুক্ত বয়স হোৱাত বিয়াৰ বাবে যো-জা চলালে। মাহীয়েকৰ সন্মতি ক্ৰমে দেউকণৰ এম. ভি. স্কুলৰ পৰীক্ষাৰ পিছতে বিয়াৰ আয়োজন কৰিলে। বিয়াৰ পিছতে দেউকণৰ মোমায়েকৰ চাহ বাগানত ওলোৱা মহৰী চাকৰিত যোগদান দিয়ে। বিয়াৰ পিছতো দেউকণৰ খবৰ মাহীয়েকে প্ৰায়েই ৰাখিছিল। কেইবছৰমান যোৱাৰ পিছত দেউকণৰ বিয়াৰ বয়স হোৱাত মাহীয়েকেই বিয়াৰ সকলো ব্যৱস্থা কৰিছিল। কিন্তু বিয়াৰ কেইমাহমান যোৱাৰ পিছতেই কলেৰা ৰোগত এধানি মাহীৰ মৃত্যু হয়।

উপন্যাসখনৰ দ্বিতীয় খণ্ডত ককাদেউতা আৰু আইতাকৰ বৰ্ণনা দিওঁতে অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। উপন্যাসখনত উল্লেখ আছে যে 'বুঢ়ী আইৰ মুখখন তামোলেৰে ৰাঙলী হৈ থকা আৰু ওঁঠৰ দুয়োকাষে বিয়পি পৰা, বোৱাৰী কালতে শাহুৰ দ্বাৰা লা লগাই ক'লা কৰা দাঁতকেইটা'ৰ কথা উল্লেখ আছে। অসমীয়া সমাজত তামোলৰ এক বিশেষ স্থান আছে। ৰাগি লগাবলৈ তামোলৰ লগত মলা-ধঁপাত আদি মিলাই খাইছিল।

ককাদেউতাক আছিল গাঁৱৰ এজন আগশাৰী ভকত। অসমীয়া সমাজত ভকতীয়াল লোকসকলৰ মাজত থকা-খোৱা, ৰীতি-নীতি, চলা-ফুৰা আদিৰ বিষয়ে উপন্যাসখনত উল্লেখ পোৱা যায়। ককাদেউতাকৰ নাম আছিল থানুৰাম শইকীয়া। গাঁৱৰ লোকসকলে ভকত শইকীয়া বুলিয়েই সম্বোধন কৰিছিল। আগৰ দিনত মানুহে কাপোৰ চাফা কৰিবলৈ চৌদাখাৰ ব্যৱহাৰ কৰিছিল আৰু কাপোৰ সিজাই চিক্‌চিকীয়া কৰি ৰাখিছিল। মূৰ ধুবলৈ ধোঁৱা চাঙত তুলি থোৱা ভীমকলৰ বাকলি কেইটামান জুইত পুৰি ছাই কৰি তাত পানী ঢালি দি খাৰণী প্ৰস্তুত কৰি লৈছিল। আৰু সেই খাৰণী আঞ্জাতো ব্যৱহাৰ কৰিছিল। মূৰ ধুবৰ বাবে মাটি মাহ এটা বাটিত তিয়াই থৈ ওটেঙা বীজৰ লগত বটি মূৰত ঘঁহিছিল।

উপন্যাসখনৰ শেষৰ ফালে আমাৰ সমাজৰ বিভিন্ন বেমেজালিবোৰ উল্লেখ আছে। আমাৰ গাঁওবিলাকত বিভিন্ন ধৰণৰ খেল সৃষ্টি হোৱা দেখা যায়। বিয়া, সকাম, শ্ৰাদ্ধ আদি পাতিলে এটা খেলৰ মানুহ ইটো খেললৈ নাযায়। মৃতকৰ কাজ-কৰ্ম বা আদ্য-শ্ৰাদ্ধ আদি কোনোৱে এঘাৰ দিনত আৰু কোনোৱে এমাহত পাতিছিল।

গাঁৱলীয়া মানুহে কেনেদৰে জীৱন-যাপন কৰিছিল। গাঁৱৰ ৰাস্তা-পদূলি কেনেকুৱা আছিল, খোৱা পানীৰ ব্যৱস্থা কেনে আছিল, খাদ্য-সম্ভাৰ কেনেকুৱা আছিল, বিয়া-বাৰুৰ নিয়ম-নীতি কেনেধৰণৰ আছিল, সাজ-পাৰ কেনেধৰণৰ আছিল, সেয়া উপন্যাসখনৰ জৰিয়তে অনুমান কৰিব পাৰি।

উপন্যাসখনৰ জৰিয়তে এখন নিভাঁজ অসমীয়া গাঁৱলীয়া সমাজৰ চিত্ৰ ফুটি উঠিছে।

উপন্যাসখনৰ দ্বিতীয় খণ্ডত ককাদেউতা আৰু আইতাকৰ বৰ্ণনা দিওতে অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। উপন্যাসখনত উল্লেখ আছে যে 'বুঢ়ী আইৰ মুখখন তামোলেৰে ৰাঙলী হৈ থকা আৰু ওঁঠৰ দুয়োকাষে বিয়পি পৰা, বোৱাৰী কালতে শাহুৰ দ্বাৰা লা লগাই ক'লা কৰা দাঁতকেইটা'ৰ কথা উল্লেখ আছে। অসমীয়া সমাজত তামোলৰ এক বিশেষ স্থান আছে। ৰাগি লগাবলৈ তামোলৰ লগত মলা-ধঁপাত আদি মিলাই খাইছিল।









# পাহাৰ আৰু ভৈয়ামৰ তিৱাসকলৰ কথিত ভাষাৰ পৰম্পৰা আৰু পৰিৱৰ্তন

**সেৱা বৰদলৈ**
স্নাতক তৃতীয় ষাণ্মাসিক

**অৱতৰণিকা ঃ**

অসম তথা উত্তৰ-পূব ভাৰতলৈ অহা মঙ্গোলীয় প্ৰজাতিৰ অন্যতম জনগোষ্ঠী হৈছে তিৱাসকল। তিৱাসকল আগতে তিব্বত মালভূমিত অৱস্থান কৰিছিল। বসবাসৰ উপযোগী তথা খেতি-বাতিৰ সুবিধাৰ বাবেই হয়তো চামে চামে এটা সময়ত তিৱাসকলে তিব্বত মালভূমি এৰি গিৰিপথেদি আহি অসমত বসতি কৰিবলৈ লয়। তিৱাসকলৰ বৰ্তমান অৱস্থিতি অসমৰ মৰিগাঁও, নগাঁও, কামৰূপ, কাৰ্বি আংলং আৰু কম-বেছি পৰিমাণে ধেমাজি, শিৱসাগৰ, লখিমপুৰ, তিতাবৰ জিলাত দেখিবলৈ পোৱা যায়। ২০০১ চনৰ লোকপিয়ল অনুসৰি অসমৰ তিৱাসকলৰ মুঠ জনসংখ্যা ১,৭০,৬২২ জন। শিক্ষাৰ ক্ষেত্ৰত এই জনগোষ্ঠীটো পিছপৰা তথাপিতো কিছু শিক্ষিত লোকৰ সংখ্যা বাঢ়িছে যদিও সি সন্তোষজনক নহয়। তিৱাসকল কৃষিৰ ওপৰ নিৰ্ভৰশীল বাবে পাহাৰ আৰু ভৈয়ামত বাস কৰে। পাহাৰীয়া অঞ্চলত বাস কৰা লোকসকলক হাজোৱালী আৰু ভৈয়ামত বাস কৰা লোকসকলক দাঁতিৱালী বুলি কোৱা হয়।

এই তিৱাসকলৰ লিখিত বুৰঞ্জী পাবলৈ নাই। অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, সাতসৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, মৌখিক সাহিত্য, জনশ্ৰুতি, ধৰ্মীয়, বিশ্বাস, লোকাচাৰ, উৎসৱ-অনুষ্ঠান, পূজা-পাৰ্বণ, ৰীতি-নীতি আদিৰ জৰিয়তে যি তথ্য পোৱা হৈছে, তাৰ ওপৰত ভিত্তি কৰি তেওঁলোক যে অসমৰ আদি বাসিন্দা এই কথাৰ প্ৰমাণ পোৱা যায়। পাহাৰ আৰু ভৈয়ামত বসবাস কৰা তিৱাসকলৰ কথিত ভাষাৰ সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে দুয়োখন ক্ষেত্ৰতে কথা-বতৰাৰ ভিন্নতা দেখিবলৈ পোৱা যায়। প্ৰধানকৈ পাহাৰৰ তিৱাই কোৱা ভাষাটো ভৈয়ামৰ তিৱাই নকয়। ঠিক তেনেদৰে ভৈয়ামৰ ভাষাটো পাহাৰবিলাকে ব্যৱহাৰ কৰা দেখা নাযায়। পাহাৰীয়াসকলে কোৱা ভাষাৰ সুৰ দীঘলীয়া আৰু ভৈয়ামৰ তিৱাসকলে কথা-বতৰা পাতিলে খুব চমুকৈ পতা শুনিবলৈ পোৱা যায়। গীত-মাতৰ সুৰ ভিন্ন ভিন্ন হোৱাৰ লগতে তেওঁলোকৰ কথিত ভাষাটোও ভিন্নতা দেখিবলৈ পোৱা যায়। এই আলোচনাত পাহাৰ আৰু ভৈয়ামৰ তিৱাসকলৰ মাজত প্ৰচলিত কথিত ভাষাৰ পৰম্পৰা আৰু পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বিষয়বস্তু উপস্থাপন ঃ**

বসতি স্থান অনুসৰি তিৱাসকলক দুটা ভাগত ভগোৱা হৈছে। সেয়ে পাহাৰৰ আৰু ভৈয়ামৰ তিৱাসকলৰ ভাষা বেলেগ বেলেগ। ভৈয়ামত বাস কৰা প্ৰায় ৯৫ শতাংশই অসমীয়া ভাষাক মাতৃভাষা স্বৰূপে গ্ৰহণ কৰিছে। তাৰ বাদে কিছু সংখ্যাকেহে তিৱা ভাষা কয়, কিন্তু পাহাৰীয়া তিৱাসকলৰ মাতৃভাষাই হৈছে তিৱা। পাহাৰীয়া তিৱা আৰু ভৈয়ামত কোৱা তিৱা ভাষাৰ মাজত সেয়ে ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশত কিছু কিছু বৈসাদৃশ্য দেখিবলৈ পোৱা যায়। বৰ্তমান তিৱা ভাষাৰ অভিধান, ব্যাকৰণ আদি ছপা হৈ ওলোৱা দেখা গৈছে।

পাহাৰীয়া তিৱাসকলে সম্পূৰ্ণ তিৱা ভাষাত ইজনে-সিজনৰ লগত বাৰ্তালাপ কৰা দেখা পোৱা যায়। অতীতৰে পৰা তেওঁলোকে তিৱা ভাষাত সকলো কথা-বতৰা পাতে। পাহাৰীয়া তিৱাসকলৰ কথিত ভাষা শুনিলে তাত যেন কোনো অসমীয়া ভাষাৰ মিশ্ৰণ দেখা নাযায়।তেওঁলোকৰ কথাৰ সুৰ দীঘলীয়াকৈ কয় সেয়েহে ভৈয়ামৰ তিৱাৰ সৈতে সম্পূৰ্ণ বেলেগ বুলি ক'লেও ভুল কোৱা নহ'ব।

ভৈয়ামৰ তিৱাসকলে ব্যৱহাৰ কৰা কথিত ৰূপতেওঁলোকৰ ভাষাৰ শব্দও নহয়, আৰু সম্পূৰ্ণ অসমীয়া ভাষাৰ শব্দও নহয়। বহু দশক ধৰি তিৱাসমাজত তেনেধৰণৰ শব্দ ব্যৱহাৰ কৰিয়ে ইজনে-সিজনৰ লগত ভাৱৰ আদান-প্ৰদান কৰি আহিছে। প্ৰকৃততে তিৱাসকলৰ নিজস্ব ভাষাতেই অতীজতে কথোপকথন চলিছিল কিন্তু নিজকে অসমীয়া সংস্কৃতিত বিলীন কৰিছিল অসমীয়া ভাষাক আঁকোৱালি লৈ অসমীয়া ভাষাত কথোপকথন কৰি নিজৰ ভাষাটো ক্ৰমান্বয়ে ক'বলৈ এৰে। তিৱাসকলে তিৱা ভাষা সম্পূৰ্ণকৈ এৰিব নোৱাৰিলে তাৰ ফলত তিৱা সমাজত এনেধৰণৰ কিছুমান শব্দ শুনিবলৈ পোৱা যায় যিবোৰ শব্দত তিৱা ভাষাৰ উচ্চাৰণো থাকে। আৰু অসমীয়া ভাষাৰ উচ্চাৰণো থাকে তাৰ ফলত কিছুমান নতুন শব্দ বা ভাষা সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। যেনে অসমীয়াত যোৱাটোক কোৱা হয়— 'যাওঁ' — এই শব্দটোকে তিৱাসকলে কয় যাং বা যৌ বুলি। পাহাৰ আৰু ভৈয়ামৰ মাজত প্ৰচলিত হৈ অহা তিৱাৰ কথিত ভাষাৰ পৰিৱৰ্তন সম্পৰ্কে এমুঠিমান সংগৃহীত শব্দ সদাশয় পাঠকসকলৰ আগত তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

| পাহাৰীয়া তিৱা ভাষা | ভৈয়ামৰ তিৱা ভাষা | অসমীয়া ভাষা |
|---|---|---|
| মা, বাই | মা | মা |
| পাবা | বাবা | দেউতা |
| পাগেন্ | ভাগিন | ভাগিন |
| চুগী | চুঘি | সখী |
| মাঘুৰী | আচি'মা | মাহীমা |
| মাৰ্গীকৰ্ঘ্যা | মাৰ্গীপিচা | ছোৱালী |
| মেৱাকঘ্যা | মেৱাপিচা | ল'ৰা |
| ছাৰুপাৰী | হাতাপাৰী | হেতা |
| ছাগুণি | ছাকণি | চেকনি |
| মিড়ু | মেড | চৰু |
| হাড়ঘামি | ধামিহাড় | কামিহাড় |
| টেংঘা | টেংঘীয়া | ঢেঁকীয়া শাক |
| থাকুঠি | থাকুতি | আলু |

**সামৰণি ঃ**

তিৱাসকল মধ্য অসমৰ অন্যতম জনগোষ্ঠী হিচপে পৰিগণিত। পাহাৰ আৰু ভৈয়ামৰ তিৱাসকলৰ মাজত প্ৰচলিত হৈ থকা কথিত তিৱা ভাষাৰ সম্পৰ্কে আলোচনা কৰি দেখা পোৱা গ'ল যে পাহাৰীয়া অঞ্চলৰ তিৱাসকলৰ কথিত ভাষাটো সম্পূৰ্ণ শুদ্ধ তিৱা ভাষা হয়। কিন্তু ভৈয়ামৰ তিৱাসকলৰ কথিত ভাষা অসমীয়া মিশ্ৰিত বাবে শুদ্ধ তিৱা ভাষা বুলি ক'ব নোৱাৰি। ইয়াৰ ক্ষেত্ৰত ভৈয়ামৰ উঠি অহা নৱপ্ৰজন্মই তিৱা ভাষাৰ অভিধান, ব্যাকৰণ আদি পঢ়ি লাভৱান হ'ব পাৰিব। যিহেতু তিৱা ভাষাটো নিৰ্দিষ্টভাৱে বিপদজ্জনক হৈ পৰিছে। তিৱাসকলৰ জাতীয় চেতনা খুউব অনুকৰণ প্ৰিয়। আনক অনুকৰণ কৰি বেছি ভাল পায় যাৰ বাবে নিজক চিনি নাপায় সেইবোৰেই তেওঁলোকৰ দুৰ্বলতা। তেওঁলোকে নিজৰ মাতৃভাষা তিৱা ভাষাটো ভাৱ বিনিময় কৰাটো লাজৰ কথা নহয়। আনৰ ভাষাৰে ভাব বিনিময় কৰাহে লাজৰ কথা। নিজৰ মাতৃক ভাল পোৱাটোৱে আনৰ মাতৃক বেয়া পোৱাটো নুবুজায়। সেয়ে তিৱাসকলে সচেতন হ'ব লাগে। যি কি নহওক পাহাৰৰ আৰু ভৈয়ামৰ তিৱাসকলৰ কথিত ভাষাৰ পৰিৱৰ্তন সম্পৰ্কে আৰু অধিক গৱেষণাৰ প্ৰয়োজন আছে।



**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। ধীৰাজ পাটৰ ঃ তিৱা লোক-সংস্কৃতিৰ আভাস, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০১৩।

২। পৱিত্ৰকুমাৰ লাড়ু ঃ থালাচ, জানুৱাৰী, ২০১৬।







# অসমীয়া লোক-সাহিত্য

**নিকি বছা**

স্নাতক তৃতীয় যাণ্মাসিক

সাহিত্যৰ ভেটি মানৱ জীৱনৰ অভিজ্ঞতা। অসমীয়া সাহিত্য জগতলৈ মন কৰিলে দেখা যায় গদ্য ৰচনাতকৈ কাব্য ৰচনাই প্ৰাচীন। কাব্য সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতেই মানুহৰ মুখে মুখে মৌলিক গীত-মাত, প্ৰবচন, সাধুকথা থকাৰ প্ৰমাণ পোৱা যায়। সকলো জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক সাহিত্যই বা গীতি-সাহিত্যই প্ৰচলিত আছিল। সাহিত্যই লিখিত ৰূপ পোৱাৰ পিছতো আনকি এতিয়াও নিৰক্ষৰ জন-সমাজত মুখে মুখে গীত-পদ ৰচনা কৰি মৌখিকভাৱেই প্ৰচলন হোৱাৰ ৰীতি চলি আছে। এনে ধৰণৰ পুৰুষানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ অহা লোক গীতসমূহে বিভিন্ন যুগৰ পৰিৱেশৰ প্ৰভাৱত পৰি মোট সলায়, ভাষাই আধুনিক গঢ় লয়, সাজ-সজ্জা নতুন হয়। মৌখিক লোক-সাহিত্য বা গীতি-সাহিত্যৰ ৰচনা কাল সঠিককৈ নিৰ্ণয় কৰা বৰ কঠিন। ইয়াৰোপৰি ৰচকৰ পৰিচয় পোৱা নাযায়, মানুহৰ মুখে মুখে প্ৰচলিত সাহিত্যসমূহক লোক-সাহিত্য বুলি ক'ব পাৰি। লোক-সাহিত্য লোক-মনোধৰ্মী। লোক-সাহিত্যৰ অন্তৰালতো মানৱজীৱনৰ যুগ যুগ সঞ্চিত অভিজ্ঞতা থুপ খাই আছে। লোক-সাহিত্যৰ সময়সীমা নাই, ৰক্ষণশীলতাৰ চাপ নাই, গতিহীনতাৰ ধৰ্ম নাই।

জনসাধাৰণৰ নিভাঁজ মনৰ মধুৰ ভাৱৰাজিৰ মুকলি প্ৰকাশেই লোক-সাহিত্য। সভ্যতাৰ চকৰিত আগবাঢ়ি আহি বৈজ্ঞানিক যুগৰ মানুহ নগৰমুখী হৈ আধুনিকতাৰ ৰূপ লোৱাৰ লগে লগে লোক-সাহিত্যক সাধাৰণভাৱে উপলুঙাও কৰা হয়। বাস্তৱতে জন-জীৱনৰ স্বৰূপ প্ৰকাশ পাই লোক-সাহিত্যতে। লোক-সাহিত্যত প্ৰকৃতিৰ সম্বন্ধ গভীৰ। জান-জুৰি, বিবিধ বিৰিখ, বাৰেবৰণীয়া চৰাই-চিৰিকটি, সেউজীয়া ধাননি পথাৰৰ সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰিছে লোক-সাহিত্যই।

অসমীয়া লোক-সাহিত্যত মন্ত্ৰ সাহিত্য, সাঁথৰ, ডাকৰ বচন, যোজনা-পটন্তৰ, বিয়ানাম, ধাইনাম, আইনাম, দেহ বিচাৰৰ গীত, বিহুগীত, টোকাৰী গীত, বনঘোষা, মালিতা, মহখেদা গীত, বৰফুকনৰ গীত আদিয়ে অসমীয়া জনজীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

'মাকে শলাগে জী  
বাপেকে শলাগে জী,  
চা-চুবুৰীয়াই যাক শলাগিব  
সেয়েহে মাকৰ জী।'

লোক-সাহিত্যত যোজনা-পটন্তৰসমূহত আদিম জীৱনৰ প্ৰত্যক্ষ জ্ঞানৰ উমান পোৱা যায়। সেয়েহে যোজনা-পটন্তৰ

লোক-সাহিত্যৰ এটি অমূল্য সম্পদ। অসমীয়া জীৱনৰ ভিতৰ চ'ৰাত থুপ খোৱা জ্ঞান আৰু অভিজ্ঞতাৰ ভেটিত ৰচিত পটন্তৰবিলাকত অসমীয়া জীৱনৰ বহুতো কথা পোৱা যায়। লোক-সাহিত্যৰ প্ৰসূতি হৈছে লোকপ্ৰজ্ঞা। লোকপ্ৰজ্ঞাৰ স্বতঃস্ফূৰ্ত অভিব্যক্তিয়েই হ'ল পটন্তৰ। যোজনা-পটন্তৰবোৰক বহুতো ক্ষেত্ৰত নীতি-বচন বুলিব পাৰি। যোজনা-পটন্তৰবিলাক প্ৰকৃততে জ্ঞানী আৰু বুদ্ধিয়ক মানুহৰ ৰচনা বুলিব পাৰি। যোজনা-পটন্তৰসমূহ অসমীয়া লোক-সাহিত্যৰ বহুমূলীয়া সম্পত্তি।

সৃষ্টিৰ পাতনি মেল খায়, যুৰীয়া জীৱনৰ আৰম্ভণি হয় বিবাহ অনুষ্ঠানৰ জৰিয়তে। সেয়েহে বিয়া বা বিবাহ মানৱ জীৱনৰ এটি স্মৰণীয় ঘটনা। বিয়া সৃষ্টিৰ অতি পুৰণি সত্য। যুগ-যুগান্তৰ বাগৰি আহিলেও সেই সত্যৰ ব্যতিক্ৰম আজিও হেৰাই যোৱা নাই। বিয়া এখনৰ আৰম্ভণিৰেপৰা শেষলৈকে ভালেমান সৰু-বৰ অনুষ্ঠান আছে। লোক-সাহিত্যৰ অন্যতম অংশ বিয়ানামত এই আটাইবোৰ অনুষ্ঠান ফুটি উঠিছে।

'মাৰে তুলিছে কতবা দুখেৰে
লোকৰ ঢাপৰ কচু খায়,
বাপেৰ বিলনীয়া বিলাই পঠিয়ালে
লোকৰ কটা তামোল খাই।'

বিয়া নামবোৰত নাৰী হৃদয়ৰ চিত্ৰ ফুটি উঠিছে। বিয়া নামৰ উৎস হ'ল নাৰী হৃদয়। সেই বাবেই বিয়া নামবোৰত নাৰীসুলভ ৰচনা নৈপুণ্য, শব্দৰ যোজনা, ভাষা-সৌষ্ঠৱ, চিত্ৰ-প্ৰাচুৰ্য আৰু ভাষাৰ মাধুৰ্যই সাৰ্বজনীনতা প্ৰকাশ পাইছে। বিয়া নামত ভাষাই সাৱলীল গীত আৰু মধুৰ ছন্দস্পন্দই যাদুকৰী পৰশ পেলাইছে। বিয়ানামত নাৰী জীৱনৰ বহুতো কথাই নিৰ্মমভাৱে ফুটি উঠিছিল। সেয়ে অসমীয়া সমাজ-জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত বিবাহ অনুষ্ঠানত বিয়ানামবোৰে লোক-সাহিত্যত এক সুকীয়া আসন দখল কৰিছে বুলি ক'ব পাৰি। বিয়া নাম অসমীয়া লোক-সাহিত্যৰ অতি আপুৰুগীয়া সম্পদ।

'শিয়ালী এ নাহিবি ৰাতি,
তোৰে কাণ কাটি লগামে বাতি।'

সাধাৰণতে লোক-সাহিত্যত এনে ধৰণৰ গীতবোৰকে ধাইনামৰ লগত তুলনা কৰিছে। ধাইনাম বা মাকে নিজৰ শিশু সন্তানটিক নিচুকাবলৈ গীত ব্যৱহাৰ কৰা দেখা যায়। এই গীতবিলাককে ধাইনাম বা নিচুকনি গীত বুলি কোৱা হয়। ধাইনামত বা নিচুকনি গীতবিলাকত শিশুৰ উদ্দাম কল্পনা, মাকৰ উজ্জ্বল আশা আৰু বিশ্বাস-অবিশ্বাসৰ কিছু ছবি ফুটাই তুলিব বিচাৰে। কৃষিজীৱী সমাজৰ মাতৃয়ে বুকুৰ এবুকু চেনেহ দি কেঁচুৱা নিচুকাওঁতে যিটো সপোন দেখিছিল সি মাটিৰ সপোন, পৃথিৱীৰ সপোন। মাতৃস্নেহৰ পৰশত সিক্ত হৈ উঠা ধাইনামবোৰ অসমীয়া লোক-সাহিত্যৰ এটি অনুপম চানেকি বুলি আখ্যা দিব পাৰি।

দেহ বিচাৰ গীতসমূহ দেহ সম্পৰ্কীয় এবিধ গীত। দেহ বিচাৰ গীতবোৰ আধ্যাত্মিক আৰু দৰ্শনৰ অভিব্যক্তি হ'লেও প্ৰকৃততে ই এবিধ গীত বুলি ক'ব পাৰি। দেহ বিচাৰ গীতবিলাকত দেহৰ ক্ষণস্থায়িত্ব, আত্মাৰ অবিনশ্বৰতা, কাম-ক্ৰোধ, লোভ-মোহ, মনৰ সুখ-দুখ আদিয়েই দেহবিচাৰৰ গীতৰ বিষয়বস্তু। দেহ বিচাৰ গীতত দেহটোক প্ৰতীকৰ যোগেদি উপলব্ধি কৰাবলৈ চেষ্টা কৰা দেখা যায়। দেহটোক ঘৰ, নাও, গছ আদি প্ৰতীকৰ লগত তুলনা কৰা হয়। দেহ বিচাৰ গীতৰ এটি চিত্ৰ দাঙি ধৰা হৈছে—

'ধন-জন পুত্ৰ ভাৰ্যা মিছা মায়া জৰী।
মিছাতে মৰিছে জীৱ আহঙ্কাৰ কৰি।।
দেহকে কৰিছোঁ আশা যাব মাটি জুই।
লগত সাৰথি যাব পাপ পুণ্য দুই।।

দেহবিচাৰ গীতৰ লক্ষণ যদিও নৈব্যক্তিকতা, কিন্তু ইয়াৰ লগত জড়িত হৈ আছে দৰ্শন আৰু আদৰ্শৰ চিন্তনশীল মনৰ পৰিচয়। দেহবিচাৰ গীতসমূহে লোক-সাহিত্যত এক সুকীয়া স্থান অধিকাৰ কৰি আছে বুলি ক'ব পাৰি। সেই কাৰণে ই এক বহুমূলীয়া সম্পদ।

বিহুৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা ছন্দে ছন্দে গীতে গীতে ফুটি ওলাইছে। প্ৰকৃতিৰ পৰশত, সময় বালিত আনন্দমুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছ্বাস আনি দিয়ে বিহুগীতে। আনন্দৰ অনুভূতি প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাধ্যমেদি। মন ৰাই-জাঁই কৰে, গা নাচি উঠে। সেয়ে অসমীয়া সমাজত ডেকা-গাভৰু ঢোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ আৰু নচুৱাবলৈ মন যায়। নাচনী নহ'লে বিহু নহয়, নাচনীয়ে পখিলা উৰাদি উৰিবই লাগিব। সেয়ে বিহুগীতবিলাকত নাচনীৰ চিত্ৰ উজ্জ্বল হৈ উঠিছে।

'নৈৰ পাৰে পাৰে নলৰে গজালি
তাতে ক'লা গৰু চৰে,
নাচনীৰ মূৰত ঘগুটি ফুলৰ গামোচা
পখিলা উৰাদি উৰে।
ঢোলে বাই ঢুলীয়া খোলে বাই খুলীয়া
কাৰে ঘৰ নাচনী নাচে,
ওচৰ চাপি চাপি নাহিবি নাচনী
তোমাৰ গাত মোহনী আছে।'

বিহু জাতীয় জীৱনৰ আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতিৰ উৎসৰ। সেয়ে বিহুগীতসমূহ অসমীয়া





সমাজত অতি আপোন। বিহুগীতৰ ভাষা সৰল, ভাৱ কোমল আৰু বিহুৰ প্ৰতি থকা অসমীয়া লোক-সাহিত্যৰ এটি বহুমূলীয়া অমূল্য সম্পদ বুলি ভবাৰ যথেষ্ট থল আছে। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। বিহুগীতৰ ভাষা সৰল, ছন্দ সাৱলীল মনোমোহা সুৰ আজিও অসমীয়া সমাজৰ প্ৰত্যেকজন মুনিহ-তিৰোতাৰ, ডেকা-গাভৰুৰ অন্তৰত বিদ্যমান হৈ আছে।

'চৰাই হৈ চৰিমগৈ ছঅৰা পুখুৰীত
লাও হৈ লাগিমগৈ চালত,
মাখিৰূপ ধৰি চুমা খাই আহিমগৈ
তোমাৰ কুমলীয়া গালত।'

এই বনঘোষা ফাকিত আছে উৰণীয়া মনৰ অসীম কল্পনা। বনঘোষাবোৰ যৌৱনৰ গীত, ই পীৰিতিৰো গীত বুলিব পাৰি। বনঘোষাবোৰ 'বতৰৰ গীত'। মানুহৰ জীৱনৰো বতৰ, প্ৰকৃতিৰো বতৰ। বনঘোষা উদ্যাম যৌৱনৰ গীত ব্যঞ্জক। যৌৱনৰ জোৱাৰত উটি অহা বনৰীয়া ভাব-ভাষাত বনৰীয়া ভাব ভাষাৰ এই গীতবোৰক মানুহে বনঘোষা বোলে। বনঘোষাৰ ভাষাত



বনৰীয়া ভাব আৰু মুক্ত ৰীতি দেখিবলৈ পোৱা যায়। ইয়াৰ প্ৰণয়াত্মক গীতৰ প্ৰাচুৰ্যও অধিক আছে। আলঙ্কাৰিক দিশৰপৰা চালে দেখা যায় যে বনঘোষা গীতসমূহত সৰলতা, পবিত্ৰতা আৰু প্ৰতীকধৰ্মী হিচাপে অসমীয়া লোক-সাহিত্যত স্থান দখল কৰি আহিছে। বনঘোষাৰ ভাষা আৰু কথনৰীতি অতুলনীয়। বনঘোষাৰ বুকুত অসমীয়া মন-প্ৰাণ স্পন্দিত হৈ আছে আৰু থাকিবও। সেয়ে সাহিত্যিকসকলৰ দৃষ্টিত বনঘোষা আপুৰুগীয়া আৰু অসমীয়া লোক-সাহিত্যৰ আকৰ। লোক-সাহিত্যৰ বুকুত বুৰঞ্জীবিদে নিলিখা বা লিখিবলৈ পাহৰা কথাও সোমাই আছে। অন্য কথাত ক'বলৈ গ'লে লোক-সাহিত্য হৈছে সামাজিক বুৰঞ্জীস্বৰূপ। সৰলতা হৈছে লোক-সাহিত্যৰ এটা প্ৰধান লক্ষণ। ভাবৰ স্বচ্ছতা, ভাষাৰ সৰলতা আৰু শব্দৰ কোমলতা গীতি-সাহিত্যৰ মূল বস্তু। লোক-সাহিত্য হৈছে অসমীয়া সমাজৰ জনসাধাৰণৰ সম্পদ। নিৰক্ষৰ চহা মানুহৰ মনৰ কথাৰে তেওঁলোকক লৈয়ে ৰচনা কৰা হয় এই সাহিত্য। সেইবাবেই এই সাহিত্যত জটিলতাৰ সাঁচ দেখিবলৈ পোৱা নাযায়। সেয়ে বিষয়বস্তু অনুযায়ী ভাষাই নিজস্ব ৰূপ লয়।

লোক-সাহিত্যৰ ব্যৱহাৰিক দিশটো অসমত যিমান প্ৰকট হৈ ৰৈছে, আন ঠাইত হয়তো তেনে নহয়। কিন্তু অতি পৰিতাপৰ বিষয় যে লোক-সাহিত্যসমূহ বিজ্ঞানৰ জনপ্ৰিয়তাৰ কৰাল গ্ৰাসত পৰাৰ বাবে লোক-বিশ্বাসৰ অনেক কথা পাহৰণিৰ গৰ্ভত লাহে লাহে বিলীন হৈ যোৱাৰ পথত আগবাঢ়িছে। সেয়ে অসমত থকা বড়ো, ৰাভা, চুতীয়া, মৰাণ, মিৰি, মিচিমি আদি বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ আপুৰুগীয়া গীতসমূহ উদ্ধাৰ কৰি অসমীয়া লোক-সাহিত্যত অন্তৰ্ভুক্ত কৰিলে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হ'ব। ইয়াৰ লগে লগে অসমীয়া জনসমাজত লোক-সাহিত্যই ভাতৃত্বৰ বান্ধোন সুদৃঢ় কৰি গঢ়ি তোলাত সহায় হ'ব। অসমীয়া জনজীৱনৰ লোক-সাহিত্যই জাতীয় চেতনাৰ দাপোণস্বৰূপ হিচাপে অসমীয়া সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰি বিশ্ব সাহিত্যৰ দৰবাৰত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হ'ব।

গ্ৰন্থৰ সহায়লৈ



# লক্ষ্মীনাথ বেজবৰুৱাৰ হাস্যৰসৰ প্ৰকৃতি

**পৰী বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল— 'স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।' এখন দেশৰ এটা জাতিৰ মাতৃভাষাৰ যিমান মানদণ্ড উন্নত হ'ব সিমানেই স্বজাতিৰ গৌৰৱ বৃদ্ধি হ'ব। তেখেতে আমাক বহু বছৰৰ আগতেই সকীয়াই থৈ গৈছে এনেকৈ—

'আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম,
সকলো আছিল সকলো আছে
নুবুজো নলওঁ গম।
বাজক ডবা বাজক শঙ্খ
বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।

অসমীয়া জাতিৰ বিভিন্ন দিশত থকা দুৰ্বলতাবোৰ বেজবৰুৱাৰ চকুত পৰিছিল, যিবোৰ আছিল এটা জাতিৰ বাবে যথেষ্ট ক্ষতিকাৰক। সেয়েহে তেখেতে বহুতো হাস্য-ব্যঙ্গ ৰচনাৰে জাতিটোক সচেতন কৰিবলৈ চেষ্টা কৰিছিল। আমাৰ নিজৰ গাত যিবোৰ দোষ আছে যিবোৰ মলি আছে সেইবোৰ গুচাবলৈ কুসংস্কাৰৰ ভিকাচন্ ভাঙিবলৈ তেখেতে যত্ন কৰিছিল। অপ্ৰিয় হ'লেও সত্য কথা ক'বলৈ তেখেত কেতিয়াও সংকোচ নকৰিছিল। বাহিৰত তেখেতে হাস্যৰসিক হ'লেও অলপ ভালকৈ গমি চালেই গম পোৱা যায় যে মূলতে বেজবৰুৱা দেশপ্ৰেমিক, চিন্তাশীল এজন ব্যক্তিহে অসমীয়া সাহিত্যৰ অসমীয়া সংস্কৃতিৰ যুগনায়ক।

বেজবৰুৱাই নিজে হাঁহিছিল, হঁহুৱাইছিল। তদুপৰি খুচিছিল, বিন্ধিছিল, ঠাট্টা-বিদ্ৰূপ কৰিছিল— বেজবৰুৱা সম্পৰ্কে এইখিনি কথা কৈছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। বেজবৰুৱাই 'বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি'ত নিজেই কৈছে— 'এই পৃথিৱীত মাত্ৰ তিনিজন মানুহেহে হাঁহিব জানিছিল। প্ৰথমজন গ্ৰীচদেশৰ এৰিষ্ট ফেনিচ দ্বিতীয়জন স্পেইনৰ 'ছাৰ ভোল্টাচ' আৰু তৃতীয়জন আছিল কুল দেশৰ ছুইফ্‌ট।


বেজবৰুৱাৰ হাস্যৰসৰ আগতো অসমীয়া সাহিত্যত যেনে— বৈষ্ণৱ যুগ প্ৰাক-বৈষ্ণৱ যুগৰ সাহিত্যত হাস্যৰসৰ উদাহৰণ বহুতো আছে। এইক্ষেত্ৰত নাৰদ, শিৱ, ভীম আদিৰ চৰিত্ৰবোৰৰ কথা উল্লেখ কৰিব পাৰি। হেমচন্দ্ৰ বৰুৱাৰ বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী, কানীয়া কীৰ্তন, গুণাভিৰামৰ 'ৰাম নৱমী' কঠিন শব্দৰ ৰহস্য ব্যাখ্যা আৰু লম্বোদৰ বৰাৰ সদানন্দৰ কলাঘুমটি আদি বেজবৰুৱাৰ আগৰ ব্যঙ্গ আৰু হাস্যৰসাত্মক ৰচনা বেজবৰুৱাই হয়তো কিঞ্চিৎ অনুকৰণ কৰিছিল। তাৰ দুটামান উদাহৰণ হ'ল— লম্বোদৰ বৰাৰ 'সদানন্দৰ কলাঘুমটি'ত এটা বাক্য আছে এনেধৰণৰ— 'বাতৰি কাকত নপঢ়িলে মানুহক ভেৰা বোলে, শিক্ষিত নোবোলে। এই কাৰণতে মই অনেক বাতৰি কাকত লওঁ কিন্তু কাৰো বেচ নিদিও।' বেজবৰুৱায়ো 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ত লিখিছে— 'অসমীয়াই কাকত নপঢ়ে, অসমীয়াই কাকত পঢ়ি পইচা নিদিয়ে।' হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী'ত কোৰখনীয়া সত্ৰৰ গোবৰ্দ্ধন দেউ অধিকাৰৰ যি ব্যঙ্গৰ চিত্ৰ বেজবৰুৱাৰ 'নোমল' নাটত দেখুওৱা আঠীয়াবাৰীৰ সত্ৰাধিকাৰৰ চৰিত্ৰৰ সৈতে একেধৰণৰ। তাৰোপৰি গুণাভিৰাম বৰুৱাৰ কঠিন শব্দৰ ৰহস্য ব্যাখ্যা নামেৰে এলানি প্ৰবন্ধ তাহানিৰ বিজুলি কাকতত প্ৰকাশ হৈছিল। বৰুৱাই তাত শব্দৰে বিকৃত ব্যাখ্যা কৰি হাস্যৰসৰ সৃষ্টি কৰিছিল। যেনে— নাজীৰ





শব্দটো তেওঁ ব্যাখ্যা কৰিছিল এনেদৰে— নাই জিৰণি যাৰ সেয়ে নাজীৰ। আকৌ 'বঙালি'ৰ ব্যাখ্যা কৰিছিল 'বঙ্গৰ অলি' বুলি। ঠিক তেনেকৈ বঙ্গ সাহিত্যতো বঙ্কিমচন্দ্ৰই কমলাকান্তৰ Utility (উপযোগিতা)ৰ অৰ্থ দাঙি ধৰিছিল এনেকৈ— 'you tell-itye' ঠিক তেনেকৈ বেজবৰুৱাইয়ো কাঠিন শব্দৰ ৰহস্য ভাঙনি কৰিছিল ব্যঙ্গাত্মক ভাৱে। তেওঁ বন্দে মাতৰম্‌ৰ অৰ্থ ভাঙনি কৰিছিল 'বোন্দা সাতৰৎ' বুলি। কল্পতৰু অৰ্থ কৰিছিল 'কেলেপতৰু' বুলি আৰু 'হিষ্টৰী'ৰ ভাঙনি কৰিছিল— 'হিষ্টৰীয়া' বুলি।

আমি জানো যে কলিকতা আৰু সম্বলপুৰতেই বেজবৰুৱাই বহুদিন কটাবলগীয়া হৈছিল। হয়তো তেতিয়াই বাংলা আৰু ইংৰাজীৰ কিছুমান ব্যঙ্গাত্মক ৰচনাৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰিছিল। ডিকেন্সৰ 'The pick wick paper' ফিল্‌ডিঙৰ 'Tom Thumb' ৰ ধেমেলীয়া ৰচনাৰ প্ৰভাৱ তেওঁৰ ৰচনাত পৰিছিল। গোল্ডস্মিথৰ 'Citizen of the world'ৰ কলা পোছাক পিন্ধা মানুহ 'The man in black' লেখক নিজেই। কলিকতাত থাকোঁতে তেতিয়াৰ কলিকতাত বেজবৰুৱাৰ ওপৰত নিশ্চয়কৈ বাংলা আৰু ইংৰাজী সাহিত্যৰ প্ৰভাৱ পৰিছিল।



এইদৰে দেশী-বিদেশী অনেক হাস্য ৰচনাৰ ভিতৰত বেজবৰুৱাৰ হাস্য ৰসৰ উঁহ নিশ্চয় আছে। বেজবৰুৱাযদিও এইবিলাক সাহিত্যৰ দ্বাৰা প্ৰভান্বিত হৈছিল তথাপিও কিন্তু বেজবৰুৱা নিজ সত্তাৰে মহীয়ান হৈ উঠিছিল। ভাবৰ বাহন ভাষা, প্ৰকাশভঙ্গী, শব্দৰ বাছনি আৰু তাৰ গাঁঠনি— এইবোৰ বেজবৰুৱাৰ সম্পূৰ্ণ নিজা।

বেজবৰুৱা হাস্য ৰসৰ বিভাগ তিনিটা— ১) সৰল হাস্যৰস, ২) ব্যঙ্গ হাস্যৰস, ৩) বুদ্ধিনিষ্ঠ হাস্যৰস।

বেজবৰুৱাই সৰল হাস্য ৰসবোৰৰ সৃষ্টি বিভিন্ন ধৰণেৰে কৰিছিল— ক) শব্দ ৰূপৰ ৰূপান্তৰ কৰি, খ) সংস্কৃতৰ বিকৃত ৰূপেৰে, গ) বলেৰে সন্ধি কৰি আৰু ঘ) বাহুল্যভাৱে কথা প্ৰকাশ কৰি। শব্দৰূপৰ ৰূপান্তৰ কৰিছিল এনেকৈ — ইংৰাজী gregary শব্দৰ ৰূপান্তৰ কৰিছিল 'গেৰগৰি' বুলি combellৰ শব্দ ৰূপান্তৰ কৰিছিল 'কম্বল' বুলি। সংস্কৃতৰ বিকৃত ৰূপৰ উদাহৰণ হ'ল— খচুৰ, মচুৰ মাটি খোৰোঃ, কুচুটি-মুচুটি বহি কিং কৰায়। বলেৰে সন্ধি কৰি হাস্যৰসৰ সৃষ্টি কৰিছে এনেকৈ 'ভেকুলি + অৱয়ব = ভেকুল্যবয়'। চক্ষু + উৎপাটন = চক্ষুৰং পাটন ইত্যাদি। নিৰৰ্থক শব্দ ব্যৱহাৰ কৰিও হাঁহিৰ খোৰাক যোগাইছিল। যেনে ফ্লাইট ফোল্ট আদি। তাৰোপৰি বাহুল্যভাৱে কথা প্ৰকাশ কৰিও হাস্যৰসৰ সৃষ্টি কৰিছিল। যেনে 'মানুহজন কানীয়া, ভঙুৱা'। এওঁৰ পেটটো কিমান যে ডাঙৰ মই এবাৰ উশাহ নোলোৱাকৈ একে উশাহে ক'বই নোৱাৰিম যেন পাওঁ। ইত্যাদি। ব্যঙ্গাত্মক হাস্যৰস— মানুহক শিক্ষা দিবলৈ, চৰিত্ৰ সংশোধন কৰিবলৈ, সমাজৰ দুৰ্নীতি দূৰ কৰিবলৈ ব্যঙ্গ ৰচনা কৰা হৈছে। বেজবৰুৱাই 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ত সামাজিক প্ৰবন্ধত নিজে কানীয়াৰ ভূমিকাত অৱতীৰ্ণ হৈ যমদূতকো কানিৰেহে অভ্যৰ্থনা জনাইছে। ইয়াত হাস্যৰসৰ সৃষ্টি হৈছে। বেজবৰুৱাৰ এনেদৰে ৰচনাক 'Sugar Coat quinine Pill' বুলি ক'ব পৰা যায়। মুখত মিঠা, ভিতৰি তিতা, বিষনাশক।

বুদ্ধিনিষ্ঠ হাস্যৰস— ব্যঙ্গ স্তুতিৰ যোগে অৰ্থাৎ প্ৰশংসাৰ যোগেৰে নিন্দা কৰি তেখেতে বুদ্ধিনিষ্ঠ হাস্যৰসৰ সৃষ্টি কৰিছিল। 'কাকতৰ টোপোলা'ত তেখেতে লিখিছে 'অসমীয়া ডাঙৰ জাতি।' কিহৰ বাবে অসমীয়া ডাঙৰ জাতি তাৰো তেখেতে বহুত কাৰণ দিছে তাৰে দুটামান উদাহৰণ হ'ল—

কোনে ক'ব পাৰে যে অসমীয়া জাতিৰ তেজ ইংৰাজ ফ্ৰান্স এমেৰিকান আৰু জাৰ্মানী জাতিতকৈ কৰ্ম এনেদৰেই তেওঁ প্ৰশংসাৰ ছলেৰে জাতিৰ দুৰ্বলতাসমূহক নিন্দা কৰিছিল।

এনেকৈ বিভিন্ন ধৰণেৰে বেজবৰুৱাদেৱে হাস্যৰসৰ বিভিন্ন কৌশলেৰে আপোন দেশ আৰু আপোন জাতিক দুৰ্বলতা, কুপ্ৰভাৱবিলাকৰপৰা সংস্কাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। আমি অসমীয়া জাতি তেখেতৰ ওচৰত সদায়ে চিৰঋণী হৈ থাকিম।



# ড° ভূপেন হাজৰিকাৰ 'ব'হাগ মাথোঁ এটি ঋতু নহয়' ঃ এটি বিশ্লেষণ



পংখী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

ড° ভূপেন হাজৰিকা এজন খ্যাতিসম্পন্ন গীতিকাৰ। তেখেতৰ প্ৰতিটো সৃষ্টিৰ অন্তৰালত লুকাই আছে সূক্ষ্ম বিশ্লেষণ সুকোমল অনুভূতি। তেখেতে সামাজিক চেতনা, গভীৰ জীৱনবোধ, মানৱতাবোধ, নিভাঁজ দেশপ্ৰেম বিষয়মূলক গীত ৰচনা কৰি থৈ গৈছে। তেখেতে মাটি, মানুহ, আকাশ, নদী, কৃষক শ্ৰেণীক আৰু বছৰটোকো তেওঁ বাদ দিয়া নাই। তেখেতৰ এনে এটি গীতক লৈয়ে প্ৰবন্ধ যুগুত লৈছোঁ। গীতটিৰ নাম 'ব'হাগ মাথোঁ এটি ঋতু নহয়।'

ব'হাগ' যৌৱনৰ প্ৰতীক। ব'হাগতে বসন্তকালীন উৎসৱ বা ঋতু উৎসৱ পতা হয়। অতীতত মানুহে বিশ্বাস কৰিছিল যৌথমূলক নৃত্য-গীতৰ মাধ্যমেৰেহে আই বসুমতীৰ প্ৰজনন শক্তি বৃদ্ধি কৰিব পাৰি, যি শক্তি অবিহনে আই বসুমতীয়ে প্ৰচুৰ পৰিমাণৰ শস্য উৎপাদন কৰিব নোৱাৰে। ব'হাগতেই এটি নতুন বছৰৰ আৰম্ভণি হয়।

বিহু বলীয়া খ্যাতি সম্পন্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই কয়— 'ব'হাগ মানে এটি ঋতু নহয়' এটি মাহ বা বিহুতলী, বিহুগীত, মাকো বা কুলিৰ মিঠা মাত নহয়। ব'হাগৰ গভীৰ অৰ্থ আছে বুলি তেওঁ কৈছে। বছৰৰ তিনিটা বিহুৰ মাজত ব'হাগ বিহুকেই শ্ৰেষ্ঠ আসন দিয়া হৈছে। পুৰণিক ভাঙি নতুনৰ সৃষ্টিৰ





বাবে হিলদল ভাঙি বৰদৈচিলাজনী উৰি আহে আমাৰ অসমীয়াৰ হৃদয়ৰ মাজলৈ। ব'হাগৰ ন বৰষুণৰ গুণ গুণ গানে বৰ লুইতৰ বুকু ওফন্দাই তোলে আৰু উপনৈ জান জুৰি নিজৰা গাভৰুজনী হৈ পৰে। বৰষুণত সিক্ত হৈ মাটি উৰ্বৰতা বৃদ্ধি হয়। কৃষিপ্ৰধান অসমীয়া সমাজৰ কৃষকৰ চকুত আশাৰ ৰেঙনি দেখা পোৱা যায়। আনন্দতে নাচি বাগি গান গায় আৰু কৃষকসকলে হিয়াৰ আমঠু উৎসৱ 'বিহুক' আদৰি আনে। ব'হাগ বিহুক শ্ৰেষ্ঠ আসন দিয়াৰ কাৰণ লখিমীক কাতিৰ উদং ভঁৰাল ভৰাবলৈ কাতিত কাতি বিহু (লক্ষ্মীপূজা) আৰু উৎপাদিত ন ধানেৰে মাঘৰ বিহুত ভোগ উৎসৱ উদ্‌যাপন কৰা হয়। ধান থাকিলেহে মান থাকে বুলি অসমীয়াত এটি কথা আছে।

চ'ত মাহ সোমালেই অসমীয়া শিপিনীসকলৰ গা-সাতখন-আঠখন হয়। ভমকা ফুলীয়া নিজ হাতেৰে বোৱা বিহুৱান প্ৰিয়জন আৰু আত্মীয় স্বজনলৈ বিহুৰ বিহুৱান যচা হয়। অসমীয়া জীয়ৰী-বোৱাৰী অন্যতম নিদৰ্শনেই হৈছে 'বিহুৱান'। শিপিনীৰ সৃষ্টিৰ উৎসাহৰ মূলতেই হ'ল ব'হাগ। সেয়েহে ব'হাগক অসমীয়া জাতিৰ আয়ুস ৰেখা, জনজীৱনৰ সাহ আৰু সৃষ্টিৰ মূল বুলি কোৱা হয়।

ব'হাগত প্ৰকৃতিয়ে ন সাজেৰে ৰূপহীজনী হৈ পৰে। ডেকা-গাভৰুৰ প্ৰাণত প্ৰেমৰ জোৱাৰ আহে। প্ৰেমে বিচাৰে মিলন আৰু মিলনত থাকে সৃষ্টিৰ বাসনা। প্ৰাচীন কালত যেতিয়া পৃথিৱীত কাগজ চিঁয়াহীৰ আবিষ্কাৰ হোৱা নাছিল। সেই সময়ছোৱাত আমাৰ জ্ঞান অন্বেষণৰ উৎস ধৰ্মীয় শাস্ত্ৰসমূহ সাঁচি নামৰ এবিধ গছৰ বাকলিত লিপিবদ্ধ হৈছিল। আমাৰ মহাপুৰুষসকলে লিখা সাঁচিপতীয়া পুথিসমূহ আজিও সত্ৰসমূহত সংৰক্ষিত হৈ আছে। ভূপেন হাজৰিকাৰ 'ব'হাগ মাথোঁ এটি ঋতু নহয়' গীতত কোৱাই হৈছে এনেদৰে—

'ব'হাগ এটি নৱ নৱ চিন্তাৰ
সাঁচিপাত পুথিৰে পাত
ই উজলায় জীৱন আকাশ।'

প্ৰকৃতিৰ সৌন্দৰ্য মহা পয়োভৰত কবি সাহিত্যিকৰো প্ৰাণত সৃষ্টি বাসনা উথলি উঠে। নতুন নতুন সৃষ্টিকৰ্মত আৰু সাধনাত ব্ৰতী হয়।

সাপে মোট সলোৱাৰ দৰেই পুৰণি বছৰটোৰেও নতুন বছৰ আদৰি আনে।

ব'হাগ বিহুৰ পুৱাই ঘৰ-দুৱাৰ, মচি-কাচি নিকা কৰি, চৰু ধুই-পখালি, মাহ-হালধিৰে গা-পা ধুই পবিত্ৰ হয় আৰু পোহনীয়া জীৱ-জন্তু গৰু-গাইক গা ধুৱাই মংগল কামনা কৰা হয় আৰু বিচনীৰ বা দি নতুন পঘাৰে বান্ধে। অসমীয়া সমাজ নানা জাতি উপজাতিৰ বৰণীয়া সংস্কৃতিৰ সমাহাৰ।

গতিকে ভূপেন হাজৰিকা ডাঙৰীয়াদেৰক এই ব'হাগ মাথোঁ এটি ঋতু নহয়' গীতৰ মাজত ব'হাগ মাহটো যেন এটি ঋতু নহয়, ইয়াত বিভিন্ন ধৰণৰ বিহু উৎসৱো যে কথা জড়িত হৈ আছে তাৰে কথা এই বিশ্লেষণত দেখা পোৱা গৈছে।



# মুণ্ডা সমাজৰ কৰম পূজা

## বামুণী ধনতোলা অঞ্চলৰ চাহ জনগোষ্ঠীৰ লোক-উৎসৱ

**দিব্যজ্যোতি মুৰা**
স্নাতক তৃতীয় ষাণ্মাসিক



**মুণ্ডাসকলৰ এটি চমু পৰিচয় ঃ** অসমভূমিত বিভিন্ন জাতি ধৰ্ম আৰু ভাষিক জনগোষ্ঠীৰ লোকে বসবাস কৰে। এই জনগোষ্ঠীসমূহৰ ভিতৰত এটা জনগোষ্ঠী হ'ল চাহ জনগোষ্ঠী। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ মাজত অসম তথা ভাৰতলৈ যেতিয়া ইংৰাজসকল আহিছিল, তাৰ পাছতেই ১৮৩৯ চনৰ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথম চাহ খেতিৰ আৰম্ভ কৰিছিল। তাৰ লগে লগে মুণ্ডাসকলো আহিছিল। মই এজন বামুণী ধনতোলা অঞ্চলৰ মুণ্ডা সমাজৰ লোক। মই আমাৰ অঞ্চলত পালন কৰা কৰম পূজাৰ বিষয়ে বহলভাৱে দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

**কৰম পূজা ঃ** চাহ জনগোষ্ঠীসকলৰ কৰম পূজা হৈছে এক কৃষিভিত্তিক উৎসৱ। এটি গীত....


ভাদৰ মাচে এইখিনি
কৰম পূজা মে
ছল মিনি দেখতে যাব,
চাৰি পিন্ধি আজবে মিলি


এই ধৰণৰ গীতবোৰত আমাৰ অঞ্চলত কৰম পূজাত ঝুমুৰ নৃত্য কৰে। এই কৰম পূজা কেৱল ভাদ মাহতে পতা হয়। শুক্লা একাদশী তিথিত। কৰম পূজা দুটা থাকে এটা হ'ল জিতিয়া কৰম আৰু আনটো ৰাজহ কৰম। ভাদ মাহৰ পঞ্চমী তিথিতপৰা একাদশী ৰাজহ কৰম পূজা পাতে। আনহাতে, জিতিয়া কৰম পূজাৰ কোনো নিৰ্দিষ্ট সময় নাথাকে। ভাদ মাহতেই পাতে পূজাটো পতাৰ সময় নাথাকে। আমাৰ অঞ্চলত জিতিয়া পূজাটো বেছিকৈ পতা দেখা পোৱা যায়। কৰম পূজাটো 'জাওবা' অনুষ্ঠানৰ যোগেদি সম্পন্ন হয়। জাওৱা হৈছে শস্য গজোৱা পৰ্ব। এই জাওবা শস্য গজোৱা পৰ্বতো ৬ দিনৰ আগতেই গজোৱা হয়। ইয়াত ধান, সৰিয়হ, বুট, মগু, মাটি মাহ, তিল আদিৰে শস্য পৰ্বটো গজোৱা হয়। নি নিৰ্দিষ্ট জাগৰণ গীত পৰিৱেশন কৰে। সৰলা নাৰী হৃদয়ৰপৰা নিগৰিত হোৱা সাধাৰণ নাৰী মনৰ চিৰন্তন আশা-আকাংক্ষা, চিন্তা-চৰ্চা, হৰ্ষ-বিষাদ, প্ৰেম-প্ৰীতি, কামনা-বাসনা আৰু ঘাত-প্ৰতিঘাত আদিৰ পূৰ্ণৰূপ ব্যক্ত হয় কৰমৰ জাওৱা অনুষ্ঠানৰ এই বিশেষ জাগৰণ গীতবোৰত। শস্যবিধ ৫, ৬ দিনৰ আগত গজি উঠাত নৈত, গৈ গা-পা ধুই মন প্ৰসন্ন কৰি ভক্তিভাৱেৰে তাৰে এডোখৰ পৰিষ্কাৰ ঠাইত থাপনা

এই কৰম পূজাতো কেৱল শনিবাৰ দিনা পতা হয়। কৰম পূজাত অবিবাহিত কুমাৰী ছোৱালী অথবা কৰমতীসকল ৭ জন থাকে। তেওঁলোকে মূৰৰ চুলি নাবান্ধে, কুচি-মুচি নুশুৱে, অপবিত্ৰ ঠাইলৈ গমন নকৰে। কাৰণ এনেবোৰ কাৰ্য কৰিলে শস্যবোৰ পোন নহৈ একা-বেঁকা হ'ব, শস্যবোৰ লহ্‌পহকৈ নাবাঢ়ি দুৰ্বল আৰু নিশকটীয়া হয়। শস্যবোৰ সোনকালে গজি উঠিবৰ বাবে সদায় ৰাতিপুৱা আৰু সন্ধিয়া হালধি পানী ঢলা হয়। কৰমতীসকলে সদায় হিয়াভৰা ভক্তিৰে ধূপ-ধূনা, বন্তি আদি জ্বলায় টুপা বা ডালিত অকুৰণৰ বাবে থোৱা শস্য বীজসমূহ চাই সেইবোৰক সন্ধিয়া নিৰ্দিষ্ট কৰমৰ আখড়া লৈ পাতে। বালি, মাটি আনি তাত বুট, ধান, সৰিয়হ, মগু, মাটি মাহ, তিল সিঁচি পাতবোৰ পবিত্ৰৰে নিৰ্দিষ্ট ঠাইত থয় আৰু কৰিবলগীয়া নীতি-নিয়মবোৰ পালন কৰে। সন্ধিয়া হোৱাৰ লগে লগে কৰম পূজাৰ কৰমতীসকলে ডালিয়া আনে আৰু বাহিৰা অঞ্চলৰপৰা সকলোলোকে সহযোগ কৰি বিভিন্ন ধৰণৰ গীত পৰিৱেশন কৰে মাদলৰ তালে তালে নৃত্য কৰে। কৰমত থকা মূল মানুহজন ৭ গৰাকী কৰমতীক কাষত বহাই কাহিনী কয় আৰু ৭ দিনাখন অৰ্থাৎ ৰাতিপুৱা দেওবাৰে তাত থকা সকলো বস্তুবোৰ হাতত লৈ নৈত উটুৱাই দিয়ে।

# অসমীয়া লিপিৰ ইতিহাস

**নয়নমণি গায়ন**
স্নাতক প্ৰথম ষাণ্মাসিক





সাঁচিপতীয়া পুথিৰ লিপি

ভাৰতীয় লিপিৰ ক্ৰম বিকাশৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় লিপি মালাই প্ৰধানত দুটা শাখাৰ মাজেদি বিকাশ লাভ কৰিছিল। সেই দুটা হ'ল— খৰোষ্ঠী লিপি আৰু ব্ৰাহ্মী লিপি। খৰোষ্ঠী লিপি প্ৰথমতে সোঁফালৰপৰা বাওঁফাললৈ লিখাৰ নিয়ম আছিল যদিও পৰৱৰ্তী কালত বাওঁফালৰপৰা সোঁফাললৈ লিখাৰ নিয়ম চলিল। উল্লেখ্য যে এই লিপি অত্যন্ত ঘঁহাই লিখা হৈছিল আৰু ইয়াক পূৰ্ণ লিপি বুলি বিবেচনা কৰা নহয়। ব্ৰাহ্মী লিপি বাঁওফালৰ পৰা সোঁফাললৈ লিখা হয় আৰু সকলো আধুনিক ভাৰতীয় লিপি ব্ৰাহ্মী লিপিৰ পৰাই বিকাশ ঘটিছে বুলি লিপিবিদসকলে একমত পোষণ কৰে।


অসমীয়া ভাষা অসমীয়া লিপিত লিখা হয়। লিপিবিদসকলে অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰা সম্পৰ্কে দুই ধৰণৰ মত পোষণ কৰে। সেই দুটা হ'ল—

১) প্ৰথম মত অনুসৰি ঃ গুপ্ত লিপি—কুটিল বা সূক্ষ্মকোণী বা সিদ্ধমাতৃকা লিপি—পুৰণি অসমীয়া লিপি হৈ বৰ্তমানৰ অসমীয়া লিপি।

২) দ্বিতীয় মত অনুসৰি ঃ ব্ৰাহ্মী লিপি — প্ৰাচীন কামৰূপীয়া লিপি — পুৰণি অসমীয়া লিপি হৈ বৰ্তমান অসমীয়া লিপি।

ওপৰোক্ত দুই মতকে একত্ৰিত কৰি ড° মহেন্দ্ৰ বৰাই কৈছে, 'Assamese Script is a direct descandant of the Brahmi, branching itself off from the so called Gupta Alphabet or the Nor thern Indian Script, which progressed on its way by acquiring for itself certain becis of the kutila style of writing in course of its journay though the long corridors of history'.

নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰখণ্ডৰ লিপিৰ মাধ্যমেৰে অসমীয়া লিপিৰ পঞ্চম খ্ৰীষ্টাব্দৰ পৰাই নিজ স্বকীয়তা প্ৰতিপন্ন হৈছে। অসমীয়া ভাষা বহু পুৰণি বুলি বিখ্যাত চীনা ভ্ৰমণকাৰী হিউৱেন চাঙে বহু আগেয়ে কৈ গৈছে। তেওঁ নিজৰ ভ্ৰমণ বৃত্তান্ত লিখিছে যে কামৰূপৰ ভাষা উত্তৰ-মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ। পঞ্চম খ্ৰীষ্টাব্দৰ নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰখণ্ডৰ লিপিয়ে ইয়াকো প্ৰতিপন্ন কৰে যে অসমীয়া



Kanai-boroxiboa rock inscription, 1207 CE



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৭-২০১৮ চন

লিপি কুটিল বা সূক্ষ্মকোণী বা সিদ্ধমাতৃকা লিপিৰ মাধ্যমেৰে বিকশিত হৈ অহা নাই। বৰঞ্চ ই ব্ৰাহ্মী লিপি পৰাই হয়তো কিঞ্চিত মান গুপ্ত লিপিৰ অৱদান সাঙুৰি প্ৰাচীন কামৰূপী লিপিৰ মাজেৰে বিকাশ লাভ কৰিছে। অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটো মূলতঃ তিনিটা ভাগত ভাগ কৰা হয়।

ক) খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰপৰা ত্ৰয়োদশ শতিকাৰ পুৰণি অসমীয়া লিপি বা কামৰূপীয়া লিপি।

খ) খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পাছৰপৰা ঊনবিংশ শতিকাৰ মাজভাগলৈ (অৰুণোদয় কাকতৰ জন্মকাললৈ) মধ্যযুগীয়া অসমীয়া লিপি আৰু

গ) ঊনবিংশ শতিকাৰ মাজভাগৰপৰা বৰ্তমানৰ আধুনিক অসমীয়া লিপি।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধত উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা তুৰুষ্ক ক্ষয়ৰ শিলৰ ফলিত আখৰেই হ'ল মধ্যযুগীয়া অসমীয়া লিপিৰ আদি নিৰ্দেশনা। খ্ৰীষ্টীয় ষোড়শ অষ্টাদশ শতিকাত অসমত বহুলভাৱে দুবিধ লিপিৰ প্ৰচলন আছিল—প্ৰথম বিধ 'আহোম টাই লিপি' বা



আহোম যুগৰ মুদ্ৰাৰ লিপি

অসমাক্ষৰ আৰু আনবিধ 'পুৰণি অসমীয়া লিপি'। মধ্যযুগৰ অসমীয়া লিপিক থোৰতে তিনি ভাগত ভাগ কৰা হয়। প্ৰকৃততে এই তিনিটা ভাগ হৈছে মধ্যযুগীয়া অসমীয়া লিপিৰ তিনিটা প্ৰধান ৰীতি বা শৈলী, সেই কেইটা হ'ল—

১) 'কাইথেলী/লহকৰি লিপি' ঃ কায়স্থসকলৰ দ্বাৰা পুথি ৰচনা, নকল কৰাৰ বাবে ব্যৱহৃত লিপি।

২) 'গড়গঞা লিপি' ঃ আহোম সকলৰ দ্বাৰা প্ৰথমে বুৰঞ্জী নকলৰ বাবে ব্যৱহৃত হৈছিল আৰু পৰৱৰ্তীকালত পদ পুথি আৰু অভিলেওলৈও ই সম্প্ৰসাৰিত হয় আৰু

৩) 'বামুণীয়া লিপি' ঃ সংস্কৃত ভাষা-সাহিত্য চৰ্চা চলা টোলবোৰক কেন্দ্ৰ কৰি পুথি-পাঁজি নকল কৰাৰ বাবে গা কৰি উঠা এক শৈলী।

কিন্তু এই তিনিটা লিপিৰ মাজত বেছি গাঁথনিক ব্যৱধান




সচিত্ৰ সাঁচিপতীয়া পুথিৰ লিপি

নাছিল। মাধৱ কন্দলী, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ভট্টদেৱ, শ্ৰীধৰ কন্দলী আদিৰ পিছত অৰ্থাৎ শংকৰোত্তৰ যুগৰ শেষৰ ফালে মানৰ আক্ৰমণৰ বাবেই অসমীয়া ভাষা-সাহিত্য ক্ষেত্ৰত এক স্থবিৰতা আহি পৰে। সেই সময়তে অসমলৈ ব্ৰিটিছ সকলৰ আগমন ঘটে। যি সময়ত অসমলৈ ব্ৰিটিছসকল আহে, সেই সময়ত অসমৰ সমাজ জীৱনত এক শূন্যতা বিৰাজ কৰিছিল।

অসমৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত বিৰাজ কৰা এই শূন্যতাই ব্ৰিটিছসকলক অসমীয়া ভাষাৰ স্বকীয়তাৰ আভাস দিবলৈ ব্যৰ্থ হয় আৰু বঙালী বাবু সকলৰ প্ৰৰোচনাত পৰি ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈ অসমীয়া ভাষাৰ ব্যৱহাৰ লোপ পায়। সেই সময়তে ধৰ্ম প্ৰচাৰৰ বাবে (১৮৩৬-৩৭) চনত কেইবা গৰাকীও আমেৰিকান বাপ্টিষ্ট মিছনেৰী অসমত উপস্থিত হয়হি। তেখেতসকলে অৰুণোদয় (১৮৪৬ চন) কাকত প্ৰকাশ কৰাৰ লগতে বিভিন্ন পুথি ৰচনা কৰি অসমীয়া ভাষাক পাহৰণিৰ গৰ্ভৰপৰা উলিয়াই আনিবলৈ সক্ষম হয়।

উল্লেখযোগ্য যে আমেৰিকান বাপ্টিষ্ট মিছনেৰীসকল অসমত উপস্থিত হোৱাৰ আগতেই ১৮১৩ চনত শ্ৰীৰামপুৰত প্ৰতিষ্ঠিত ব্ৰিটিছ মিছনেৰীসকলে তেখেত সকলৰ প্ৰেছৰপৰা বাইবেলখন অসমীয়া ভাষাত প্ৰকাশ কৰে।

বৰ্তমান অসমীয়া লিপিয়ে বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে। কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ বহুল প্ৰসাৰৰ বাবে অসমীয়া ভাষায়ে ইউনিকোডত স্থান পৰ্যন্ত পাইছে। অসমীয়া জাতিৰ আয়ুৰেখা স্বৰূপ অসমীয়া ভাষা আৰু লিপিৰ বিশ্ব জুৰি পোৱা স্বীকৃতি নিশ্চয় এক শুভ লক্ষণ।



# ঐতিহাসিক স্থান শিলঘাট ঃ কিছু ইতিহাস আৰু সম্ভাৱনীয়তা


**প্ৰাণজিৎ বৰা**
স্নাতক প্ৰথম ষাণ্মাসিক

প্ৰকৃতিৰ অনুপম সৃষ্টি এক ঐতিহাসিক স্মৃতি বিজৰিত, নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ উত্তৰ-পূবত ব্ৰহ্মপুত্ৰ নদী, কামাখ্যা পাহাৰৰ সংগমস্থলীত অৱস্থিত এক গুৰুত্বপূৰ্ণ স্থান হ'ল শিলঘাট। প্ৰাচীন কালৰেপৰা গুৰুত্বপূৰ্ণ শিলঘাটৰ উত্থান-পতনৰ বহু ইতিহাস আছে। প্ৰাচীন কালৰ ইয়াৰ নাম আছিল বন্যকাশ্ৰম সাৰংগিৰি, দুৰ্জয় নগৰ আদি। ভাৰতে স্বাধীনতাপ্ৰাপ্তিৰ পিছত অসমৰ স্থায়ী ৰাজধানী, তেল শোধনাগাৰ, আই আই টি স্থাপনৰ উপযুক্ত স্থান হিচাপে বাতৰি কাকতৰ শিৰোনাম দখল কৰা শিলঘাট আজিও প্ৰতাৰিত, অৱহেলিত। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ১১ বছৰৰ পিছত অৰ্থাৎ ১৮৩৭-৩৮ চনত ডানল'প নামৰ ব্ৰিটিছ কোম্পানী এটাই চাহ বাগিচাৰ কাম আৰম্ভ কৰাৰ দিনৰপৰাই শিলঘাটৰ চেহেৰা সলনি হ'ল। ক্ৰমশঃ ব্যৱসায়-বাণিজ্য, যাতায়াত-যোগাযোগ ব্যৱস্থা উন্নত হোৱাত শিলঘাট অসমৰ ভিতৰত এক গুৰুত্বপূৰ্ণ স্থান হিচাপে বিবেচিত হয়। ১৮৬৫ চনত শিলঘাটক জলপথেৰে গুৱাহাটী-তেজপুৰ-পাণপুৰৰ লগত সংযোজিত কৰা হয়। মৰ্টিনবৰ্ণ নামৰ এটি ব্ৰিটিছ কোম্পানীয়ে ১৯২০ চনত নিৰ্মাণ কৰা শিলঘাট-চাপৰমুখ ৰে'ল লাইন নগাঁও জিলাৰ চাহ বাগিচা সমূহলৈ সামগ্ৰী অনা-নিয়াৰ লক্ষ্যৰে মূলতঃ স্থাপন কৰা হৈছিল। সেই সময়ত শিলঘাটৰপৰা ব্যৱসায়-বাণিজ্য কলকতা পৰ্যন্ত সম্প্ৰসাৰিত হৈছিল। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ আৰু স্বাস্থ্যকৰ জলবায়ুৰে পৰিপূৰ্ণ শিলঘাটক ব্ৰিটিছসকলে এক পৰিকল্পিত নগৰ হিচাপে গঢ়ি তুলিব বিচাৰিছিল আৰু ইয়াক ৰাজহ নগৰ হিচাপে ঘোষণা কৰিছিল।

ইতিহাস প্ৰসিদ্ধ ঠাইৰূপে খ্যাত শিলঘাটৰ প্ৰাক্ ঐতিহাসিক কাহিনী অতি মনোৰম। মহামুনি চ্যৱনৰ দুই পুত্ৰ 'কুমুদ আৰু কৌস্তভ' ভগৱান শিৱৰ শাপত আজিও দুই মুনি শিলা হিচাপে ব্ৰহ্মপুত্ৰ নদীত অৱস্থান কৰি আছে। শিষ্যসহ আশ্ৰম পাতি থকা দুই মুনিয়ে শিৱৰ প্ৰশ্নৰ উত্তৰ নিদিয়াত ক্ৰোধান্বিত শিৱই শিলা হৈ থাকিবলৈ অভিশাপ দিয়াৰ লগতে কলি যুগৰ তাণ্ডৱ হ'ব লগা সাত ম্লেচৰ যুদ্ধৰ তেজত স্নান কৰি মুক্তি পাব বুলি বৰ দিয়ে। তেতিয়াৰপৰাই শিলা হৈ থকা এই দুই মুনি শিলাৰ কিংবদন্তীয়ে যদিহে বাস্তৱিকতা পায় তেন্তে শিলঘাটৰ পৰাই মানৱ জাতিৰ পুনৰ বংশগতি আৰম্ভ হ'ব। শিলঘাটৰ দুই মুনি শিলাৰ কাষতেই আহোম আৰু মোগলৰ কেইবাখনো যুঁজ হৈছিল। শিলঘাটৰ পৰা ৮ কিলোমিটাৰ দূৰত








থকা জয়ন্তীপুৰত বসবাস কৰা 'মৰিয়া'সকলেই ইয়াৰ সাক্ষী। শিলঘাটত আছে দেৱীপীঠ হিচাপে চিহ্নিত কামাখ্যা মন্দিৰ। অষ্টম শতিকা মানত শালস্তম্ভ বংশৰ ৰজা বনমালাদেৱে এই মন্দিৰ স্থাপন কৰিছিল। ১৬৬৭ চনত বিভিন্ন কাৰণত ধ্বংসপ্ৰাপ্ত আৰু অৱহেলিত হোৱা কামাখ্যা মন্দিৰ স্বৰ্গদেউ প্ৰমত্ত সিংহই পুনৰ নিৰ্মাণ কৰে। তেতিয়াৰ পৰাই ইয়াৰ নাম হয় শ্ৰীশ্ৰী কামাখ্যা দেৱালয়। শিলঘাটৰ কামাখ্যা মন্দিৰত কিছু পূবত আছে ব্ৰহ্মপুত্ৰৰ পাৰত থকা 'ত্ৰিশূলধাৰী মন্দিৰ'। এই মন্দিৰৰ সন্মুখত আছে বৰলাশিল। তদুপৰি জয়া মৈদাম, হাতীশাল, বজাবাহৰ, ভঁৰালী বৰুৱা পুখুৰী, হাতী পুখুৰী আদিয়ে শিলঘাটক আকৰ্ষণীয় কৰি তুলিছে।

আধুনিক শিক্ষাৰ আৰম্ভণিৰ ক্ষেত্ৰটো শিলঘাটৰ ভূমিকা গুৰুত্বপূৰ্ণ। ১৮৯০ চনত ব্ৰিটিছে স্থাপন কৰিছিল 'শিলঘাট মাইনৰ স্কুল'। ১৯২০ চনতে কাৰিকৰী শিক্ষাৰ প্ৰসাৰৰ বাবে 'শিলঘাট টেকনিকেল স্কুল' স্থাপন কৰা হৈছিল যদিও সেইখন এতিয়া নিচিহ্ন হৈ গ'ল।


ভাৰতৰ স্বাধীনতা আন্দোলনতো শিলঘাটৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। ১৯২১ চনৰ কৃষ্ণ জন্মাষ্টমীত মহাত্মা গান্ধীয়ে শিলঘাটত বিদেশী বস্ত্ৰ বৰ্জন আৰু অস্পৃশ্যতা দূৰ কৰাৰ বাবে ৰাইজক আহ্বান জনাইছিল। ১৯৪৮ চনৰ ১২ ফ্ৰেব্ৰুৱাৰীত মহাত্মা গান্ধীৰ চিতাভষ্ম কামাখ্যা পাহাৰৰ নামনিত ব্ৰহ্মপুত্ৰত বিসৰ্জন দিছিল। শিলঘাটত থকা 'গান্ধী অস্থি ধামে' সেই স্মৃতি আজিও সজীৱ কৰি ৰাখিছে।

উদ্যোগীকৰণৰ ক্ষেত্ৰতো শিলঘাট আজি আদৰ্শ। দেশৰ ভিতৰতে সমবায় ভিত্তিত স্থাপন কৰা হয় শিলঘাট অসম সমবায় মৰাপাট কল। ১৯৭০ চনত শুভাৰম্ভ কৰা হয় এই মৰাপাট কলটো। ব্যৱসায়-বাণিজ্য, ক্ৰীড়া-সংস্কৃতি আদি সকলো দিশতে শিলঘাট আগৰণুৱা।

কিন্তু সকলো দিশত আগবঢ়া শিলঘাটৰ অৱস্থা এতিয়া শোচনীয়। নগাঁও জিলাৰ এচুকীয়া ঠাই হিচাপে পৰিগণিত হোৱা শিলঘাটত এতিয়া যাতায়াত যোগাযোগ ব্যৱস্থা অতি শোচনীয়। নিৰাশাৰ মাজতে আশাৰ সঞ্চাৰ কৰিছে ১৯৯২ চনত বন্ধ হৈ যোৱা ৰে'ল সেৱাৰ পুনৰ প্ৰৱৰ্তনে। বিশেষকৈ আক্টোবৰ মাহৰপৰা ফ্ৰেব্ৰুৱাৰী-মাৰ্চলৈকে বনভোজৰ দলে শিলঘাটক এক উৎসৱ মুখৰ পৰিৱেশলৈ পৰ্যবসিত কৰে। এই সময়ছোৱাত দেশী-বিদেশী পৰ্যটকৰ সংখ্যাও বৃদ্ধি হ'ব ধৰিছে।



শিলঘাটক সমৃদ্ধিশালী কৰাৰ একমাত্ৰ পথটোৱেই হ'ল ইয়াত থকা অজস্ৰ সম্পদক কেন্দ্ৰ কৰি পৰ্যটন উদ্যোগৰ বিকাশ সাধন। লগতে আন উদ্যোগ স্থাপনৰো সম্ভাৱনা আছে। সঠিক নেতৃত্ব আৰু সঠিক চেষ্টা চলিলে শিলঘাট এখন সুন্দৰ নগৰলৈ পৰিৱৰ্তিত হ'ব। অসমৰ ভিতৰতে হ'ব এখন গুৰুত্বপূৰ্ণ স্থান। মাথোঁ চৰকাৰ, স্থানীয় প্ৰতিনিধি আৰু ৰাইজৰ আন্তৰিকতাৰ প্ৰয়োজন।



# আধুনিক অসমীয়া কবিতালৈ যতীন্দ্ৰনাথ দুৱৰাৰ অৱদান ঃ এটা চমু আলোকপাত’

**নীহাৰিকা বৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক

দেৱতা! দেৱতা! কবি এই জগতৰ
তুমিয়ে জীৱন্ত দেৱ প্ৰতিমা দেৱৰ

—হিতেশ্বৰ বৰবৰুৱা

কবি হিতেশ্বৰ বৰবৰুৱাই ‘কবি’ কবিতাটিত কবিক দেৱতা হিচাপে কল্পনা কৰিছে। যি কবিয়ে নিজৰ হাতৰ পৰশত নিৰ্জীৱ বস্তু এটাটো জীৱ আনি দিব পাৰে; বিমূৰ্ত ভাবনাক মূৰ্ত কৰি তুলিব পাৰে; সকলো ঠাইৰে চিত্ৰ আঁকিব পাৰে কবিতাৰ জৰিয়তে। সেই কবি সচাঁয়ে এক দেৱতা। কবি যতীন্দ্ৰনাথ দুৱৰাও হৈছে তেনে এক দেৱতাৰ উদাহৰণ। যাৰ হাতৰ পৰশত কবিতাই এক নতুন ৰূপত প্ৰতিষ্ঠিত হৈছিল।

**প্ৰস্তাৱনা ঃ** ৰমাকান্ত চৌধুৰী আৰু ভোলানাথ দাসৰ হাতত পাতনি মেলা আধুনিক কাব্য সাহিত্যক জোনাকীয়ে আৰু এখোজ আগুৱাই লৈ যায়। দীঘলীয়া বৰ্ণনাত্মক কাব্য আৰু খণ্ড বা গীতি-কবিতাৰ এই যুগতেই উন্মেষ ঘটিছিল যদিও অনুভূতিৰ সূক্ষ্ম ব্যঞ্জনা, আৱেগসঞ্চাৰী ভাব, ছন্দৰ বৈচিত্ৰ্য আৰু প্ৰকাশ-ৰীতিৰ মধুৰতা জোনাকী যুগৰ কবিসকল আৰু তেওঁলোকৰ পৰৱৰ্তী ৰোমাণ্টিক কবিসকলৰ ৰচনাতহে ৰামধেনুৰ বৰ্ণ-বৈচিত্ৰ্য লৈ প্ৰকাশ পালে। ব্যক্তিনিষ্ঠ ভাব-ব্যঞ্জনাৰে গীতি-কবিতাসমূহ অভিৰিক্ত হ’ল। ব্যক্তিনিষ্ঠতা আৰু মন্ময়তা কবিতাৰ ধৰ্ম হৈ পৰিল। ইয়াৰ পাছত এই সাহিত্যৰ ধাৰাটো প্ৰবাহশীল কৰি ৰখাত বাঁহী, ঊষা, আলোচনী, আসাম বান্ধৱ আৰু চেতনা কাকতসমূহে সহায় কৰিছিল। এই কাকতৰ আঁচলতে ধৰি কাব্য-সাহিত্যৰ জগতত পোহৰলৈ অহা কবিসকলৰ ভিতৰত কবি যতীন্দ্ৰনাথ দুৱৰাও অন্যতম।

**যতীন্দ্ৰ নাথ দুৱৰাৰ পৰিচয় ঃ** বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা ১৮৯২ চনত শিৱসাগৰৰ আমোলপট্টিত জন্ম হয়। তেওঁৰ পিতৃৰ নাম শ্যামসুন্দৰ দুৱৰা। স্কুলীয়া শিক্ষা শিৱসাগৰতে শেষ কৰি কলিকতাৰ পৰা যথা সময়ত বি.এ পাছ কৰে। এম.এ আৰু বি.এল অধ্যয়ন কৰি শেষত পৰীক্ষাত নবহি স্কটিচ ছাৰ্চ স্কুলত শিক্ষকতা কৰিবলৈ লয়। পিছত এখেতে ডিব্ৰুগড় কানৈ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক পদৰপৰা অৱসৰ লৈ শিৱসাগৰত ১৯৬৪ চনত স্বৰ্গী হয়। দুৱৰা স্কুলীয়া ছাত্ৰ অৱস্থাৰ পৰাই কবিতাৰ ৰসগ্ৰাহী। ইংৰাজ ৰোমাণ্টিক কবিসকলৰ কাব্যকৃতিৰ দ্বাৰাও যথেষ্ট প্ৰভাৱান্বিত হৈছিল। এওঁৰ কবিতাৰ উৎস হৈছে ব্যৰ্থ প্ৰেম। এওঁৰ কবিতা কাৰুণ্য সুৰেৰে ভৰপূৰ। অকলশৰীয়া, সংগীহীন জীৱ আৰু লোকদৃষ্টিৰ অন্তৰালত জীৱন গীতি ৰচনা, পাহৰণিৰ সোঁতত আশ্ৰয় লৈ জীৱনতৰী এৰি দিয়া— এইকেইটা বৈশিষ্ট্য দুৱৰাৰ কবিতাৰ প্ৰধান লক্ষণ।





বাঁহী’ কাকতে যিসকল কবিৰ সৃষ্টি কৰিছিল সেইসকলৰ ভিতৰত দুৱৰাৰ প্ৰতিষ্ঠা আৰু জনপ্ৰিয়তা সকলোতকৈ অধিক। তেওঁক এৰি আধুনিক কবিতাৰ ক্ষেত্ৰখন পূৰ্ণ নহয়। পাৰস্যৰ বিখ্যাত কবি ওমৰ খৈয়ামৰ ৰুবায়তৰ দুৱৰাই কৰা সুন্দৰ আৰু নিমজ অসমীয়া ভাঙনি ‘ওমৰ তীৰ্থ’ পুথিৰ আকাৰত ১৯২৬ চনত প্ৰকাশ হয়।

**অসমীয়া সাহিত্য জগতত আধুনিক অসমীয়া কবিতালৈ যতীন্দ্ৰনাথ দুৱৰাৰ অৱদান ঃ**

ৰোমাণ্টিক ভাবাদৰ্শৰ গীতি-কবিতাই পূৰ্ণ বিকাশ লাভ কৰে যতীন্দ্ৰনাথ দুৱৰাৰ ৰচনাত। বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰাৰ অসমীয়া আধুনিক কবিতাৰ অৱদানৰ ক্ষেত্ৰখনত এক বিশেষ স্থান আছে। তেওঁৰ হাততে প্ৰথম অসমীয়া ভাষাত কথা-কবিতাই প্ৰাণ পাই উঠে। ‘বাঁহী’ কাকতে যিসকল কবিৰ সৃষ্টি কৰিছিল সেইসকলৰ ভিতৰত দুৱৰাৰ প্ৰতিষ্ঠা আৰু জনপ্ৰিয়তা সকলোতকৈ অধিক। তেওঁক এৰি আধুনিক কবিতাৰ ক্ষেত্ৰখন পূৰ্ণ নহয়। পাৰস্যৰ বিখ্যাত কবি ওমৰ খৈয়ামৰ ৰুবায়তৰ দুৱৰাই কৰা সুন্দৰ আৰু নিমজ অসমীয়া ভাঙনি ‘ওমৰ তীৰ্থ’ পুথিৰ আকাৰত ১৯২৬ চনত প্ৰকাশ হয়। ইংৰাজ কবি ফিট্‌জেৰাল্ডৰ ইংৰাজী ভাঙনিক ভেটি কৰিয়েই অসমীয়া ভাঙনি প্ৰস্তুত কৰা হৈছিল। দুৱৰাৰ হাতত খৈয়ামৰ ৰুবায়ৎবোৰে এনে এটি ৰূপ ল’লে যিটি মূলৰ কথা আৰু ভাব অটুট ৰাখিও অনুবাদ বুলি চিনিব নোৱাৰাকৈ মৌলিক কবিতাৰ দৰেই ৰসাল আৰু সহজ আবেদনশীল হৈ পৰিছে। আধুনিক অসমীয়া অনুবাদ সাহিত্যলৈ যতীন্দ্ৰনাথ দুৱৰাৰ ই এক অমৰ অৱদান। ১৯৩৮ চনত এখেতৰ গীতি-কবিতাৰ সংগ্ৰহ ‘আপোন সুৰ’ প্ৰকাশ হয়। ১৯৫২ চনত দ্বিতীয় গীতি-কবিতাৰ পুথি ‘বনফুল’ প্ৰকাশ হৈ সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হয়। এই দুইখন কাব্য-পুথিৰ কবিতাসমূহ আধুনিক কবিতাৰ এক উজ্জ্বল নিদৰ্শন। সাহিত্য-একাডেমী বঁটা লাভ কৰা তেওঁ প্ৰথম অসমীয়া। ১৯৩৩ চনত ৰুছ সাহিত্যিক টুৰ্গেনিভৰ Proseৰ আদৰ্শত ‘কথা-কবিতা’ নামৰ গদ্য পুথি প্ৰকাশ কৰিছিল। এইখন অসমীয়া ভাষাত প্ৰথম কথা-কবিতাৰ পুথি। ড° বাণীকান্ত কাকতিয়ে ‘এই গদ্য কবিতাসমূহত ৰূপৰ সমাৱেশ আছে আৰু ই প্ৰায়ে ৰূপকাত্মক’ বুলি স্বাগতম জনাইছিল। প্ৰকাশৰ মাধ্যম গদ্য হ’লেও ভাব, অনুভূতি আৰু চিত্ৰাংকনত এইবোৰ কাব্যধৰ্মী। ইয়াৰ উপৰি দুৱৰাৰ এখন কবিতাপুথি মৰণোত্তৰভাৱে প্ৰকাশ পোৱা ‘মৰমৰ সুৰ’ কাব্য-সাহিত্যৰ জগতত উল্লেখযোগ্য কাব্য পুথি।

সাহিত্য একাদেমী বঁটা প্ৰাপ্ত প্ৰথম অসমীয়া গ্ৰন্থ

বনফুল




**সামৰণি ঃ**

কাব্য-জগতত প্ৰেমৰ কবিৰূপে দুৱৰা অতি জনপ্ৰিয়। তেওঁৰ কবিতাৰ সুকোমল শব্দ আৰু মনোৰম প্ৰতীকী প্ৰকাশে পাঠকৰ মনত এক সোণালী বিষাদৰ সৃষ্টি কৰে। অসমীয়া কবিতাৰ মাজত সকলোতকৈ মনপৰশা প্ৰেমৰ কবিতা দুৱৰাৰ কলমতেই পোৱা যায়। ৰমন্যাসিক কবিৰ ভাব-বিলাসেৰে ভৰা দুখৰ মাজত উমলি-জামলি তেওঁ এক প্ৰকাৰ বেদনা মধুৰ আনন্দ লাভ কৰিছিল। নিজৰ দুৰ্ভগীয়া হৃদয়ৰ উপমা বিচাৰি কেতিয়াবা তেওঁ কৈ উঠে।

‘মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা
অন্তৰ জ্বলোৱা ছবি অতীতৰ স্মৃতি ল’ই
বুকুৰ তেজেৰে আছে অন্তৰতে অঁকা।’

এইজনা কবি আধুনিক অসমীয়া কাব্য-সাহিত্যৰ জগতত নিজৰ অতুলনীয় অৱদানেৰে এটি উজ্জ্বল জ্যোতিষ্ক হৈ সদায় জিলিকি ৰ’ব।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ

# বিমুদ্ৰাকৰণ



**আনাৰুল হুছেইন**
স্নাতক পঞ্চম ষাণ্মাসিক

২০১৬ চনৰ ৮ নৱেম্বৰ তাৰিখে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ৰাতি হঠাৎ কৰা বিমুদ্ৰাকৰণৰ ঘোষণাই ভালেমান দিন দেশত অৰ্থনৈতিক জৰুৰী অৱস্থাৰ সৃষ্টি কৰিছিল। তৎসত্ত্বেও গৰিষ্ঠ সংখ্যক জনসাধাৰণে এনে ঐতিহাসিক পদক্ষেপৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই ঘণ্টাৰ পাছত ঘণ্টা ধৰিও বেংকৰ এ.টি. এম.ৰ শাৰীত থিয় হৈ থাকিবলৈ কুণ্ঠবোধ কৰা নাছিল। দেশৰ উজ্জ্বল ভৱিষ্যতৰ স্বাৰ্থত তথা সমাজৰপৰা দুৰ্নীতি আৰু ক'লা ধনৰ প্ৰয়োভৱ বোধ কৰিবলৈ সকলোৱে সাময়িক কষ্ট সহিও চৰকাৰৰ এই পদক্ষেপক সঁহাৰি জনোৱা পৰিলক্ষিত হৈছিল। জনসাধাৰণে অশেষ কষ্ট স্বীকাৰ কৰি নিজৰ সাঁচতীয়া ধনৰ বাবে বেংকৰ সন্মুখত শাৰী পাতি সকলোৱে ৫০ দিনৰ পাছত মোডী ডাঙৰীয়াৰ নেতৃত্বত এখন নতুন ভাৰতবৰ্ষৰ সপোন দেখিছিল।

দেশৰ স্বাধীনতাৰ ৭০ বছৰ পাছত দেশত থকা ক'লা ধনসমূহ উলিয়াই অনাৰ বাবে এইটোৱেই প্ৰথম সাহসী আৰু বলিষ্ঠ পদক্ষেপ হিচাপে গণ্য কৰিব পাৰি। সেয়েহে কোনো কাঢ়া ঔষধ অবিহনে সমাজৰপৰা ক'লা ধনৰ ব্যাধি নিৰাময় কৰাটো সম্ভৱপৰ হৈ উঠা নাছিল। তাৰ উপৰিও অধিক ধন-সম্পত্তি এক বিশেষ শ্ৰেণীৰ লোকৰ মাজতে সীমাবদ্ধ আছিল। ভাৰতৰ অধিক ব্যৱসায়েই মুদ্ৰা অৰ্থনীতিৰ ওপৰত প্ৰচলিত আৰু সেই বাবেই তেনে ব্যৱসায়সমূহত কোনো ধৰণৰ স্বচ্ছতা তথা সঠিক হিচাপ দিয়া-লোৱাৰ ব্যৱস্থা নাথাকে। ইয়াৰ ফলতেই গৰিষ্ঠ সংখ্যক ধন তথা উপাৰ্জন প্ৰচলিত কৰ ব্যৱস্থাৰ আওতাত থাকি যায়। বিভিন্ন সূত্ৰৰপৰা পোৱা খবৰ অনুসৰি দেশৰ মুঠ খাৰুৱা উৎপাদনৰ দুই তৃতীয়াংশই হৈছে মুদ্ৰা অৰ্থনীতি আৰু ইয়াৰ





পৰিমাণ আনুমানিক ৯০ লাখ কোটি হ'ব আৰু ইয়াৰ অধিকাংশ ধনেই কৰ ফাঁকিৰ কবলত পৰাৰ ফলত সৎ মনোভাৱেৰে কৰ পৰিশোধ কৰি অহা সাধাৰণ জনতাই দীৰ্ঘদিন ধৰি কুফল ভোগ কৰি আহিছে। ভাৰতবৰ্ষত অবাধ দুৰ্নীতিয়ে শিপা মেলাৰ





মূলতে জগৰীয়া হৈছে দেশৰ মুদ্ৰা অৰ্থনীতি। হিচাপ বহিৰ্ভূতভাৱে দেশত বহু নোটৰ প্ৰচলন চলি আহিছে। বিমুদ্ৰাকৰণৰ ফলত যে দুৰ্নীতি সম্পূৰ্ণ উৎখাত হ'ব তেনে নহয় কিন্তু দেশৰ অৰ্থনৈতিক ব্যৱস্থাটোক ই এক নতুন মাত্ৰা প্ৰদান কৰিব তদুপৰি নোটৰ প্ৰচলনৰ ওপৰত ভৱিষ্যতে চোকা দৃষ্টি ৰাখিবলৈ চৰকাৰৰ সহায়ক হ'ব। বিমুদ্ৰাকৰণৰ ফলস্বৰূপে অবাধ হাৰত বৃদ্ধি পোৱা সম্পত্তিৰ মূল্যত কিছু পৰিমাণে লেকাম লাগিব বুলি আশা কৰিব পাৰি। কিয়নো ক'লা ধনৰ কৃপাতেই বহুতেই কেইবাকোটি ব্যয় কৰি বিভিন্ন স্থানত মাটি সম্পত্তি ক্ৰয় কৰিছিল। এতিয়া ক'লা ধনৰ ম্যাদো উকলি যোৱাৰ ফলত কোটি টকাৰ সম্পত্তি ক্ৰয় কৰা মানুহৰ সংখ্যাও কমি আহিব। কিছুমাহ পূৰ্বে চৰকাৰে আৰম্ভ কৰা আয় ঘোষণা আঁচনিৰ জৰিয়তে প্ৰায় ৬৪,২৭৫ জন লোকে ৬৫২৫০ কোটি টকাৰ সম্পত্তি থকাৰ কথা ৰাজহুৱা কৰিছিল। কিন্তু তেনে ব্যৱস্থাও অৰ্থনীতিক সম্পূৰ্ণ পৰিষ্কাৰ কৰিবৰ বাবে যথেষ্ট নাছিল।





বিশ্ব তথা ভাৰতবৰ্ষত বিমুদ্ৰাকৰণৰ পদক্ষেপ এয়াই প্ৰথম নাছিল। ইয়াৰ আগতেও স্বাধীনতাৰ পূৰ্বে ১৯৪৬ চনত আৰু স্বাধীনতাৰ পাছত ১৯৭৮ চনত এনে ঘটনা ঘটিছিল যদিও ই সফল নোহোৱাৰ মূলতে আছিল জনতাৰ সহযোগিতাৰ অভাৱ তথা ক'লা ধনক বগা কৰিবলৈ পোৱা পৰ্যাপ্ত সময়। তদুপৰি সেই সময়ৰ উচ্চ মুদ্ৰাৰ নোটো আজিৰ দৰে ৮৬% নাছিল। কিন্তু ৮ নৱেম্বৰ তাৰিখৰ ঘোষণাৰ পাছত ক'লা ধনৰ গৰাকীৰ ওপৰত যেন সৰগহে ভাগি পৰিছিল। আচম্বিতে লোৱা পদক্ষেপে ক'লা ধনসমূহৰ ব্যৱস্থা কৰিবলৈ তেওঁলোকক কোনো সুযোগ নিদিলে। বহুতে ইয়াক ছাৰ্জিকেল ষ্ট্ৰাইক বুলিও অভিহিত কৰিছিল। এনেধৰণৰ পদক্ষেপৰ পাছত নিশ্চয়কৈ ভাৰতীয় অৰ্থনীতিয়ে যে নতুন প্ৰাণ পাই উঠিব সি ধুৰুপ। যিটো বহুতে ভবা নাছিল কিয়নো আগতে লোৱা বিমুদ্ৰাকৰণৰ নীতিয়ে কোনো বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। কিন্তু প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই লোৱা এনে পদক্ষেপ স্বাধীন ভাৰতৰ ইতিহাসত এক যুগান্তকাৰী খোজ হিচাপে বিবেচিত হৈ ৰ'ব। বিমুদ্ৰাকৰণে মুদ্ৰাস্ফীৰ্তি হ্ৰাস কৰাত সহায় কৰাৰ উপৰি বেংকসমূহে প্ৰচুৰ পৰিমাণে পুঁজি তথা বিনিয়োগ লাভ কৰিব ফলত ঋণৰ হাৰো হ্ৰাস কৰিবলৈ বাধ্য হ'ব। ইয়াৰোপৰি কৰ ব্যৱস্থাৰ হাতোৰা অধিক লোকলৈ বিয়পি পৰিব। বিমুদ্ৰাকৰণৰ সময়ত ভাৰতবৰ্ষৰ মাত্ৰ ২.৬% জনসাধাৰণেহে আয়কৰ নিম্নসীমা পৰ্যন্ত নহয় আৰু বহু লোকে কৰ ফাঁকিৰে কোটি কোটি টকাৰ ক'লা ধনৰ ভাণ্ডাৰ মজুত কৰি ৰাখে। বিমুদ্ৰাকৰণে এনে সকলো ৰোগ দূৰ কৰি ভাৰতৰ অৰ্থনীতিৰ স্বাস্থ্য উন্নত কৰিবলৈ সক্ষম হ'ব বুলি দেশবাসী আশাবাদী আছিল।



এনে এক ডাঙৰ তথা যুগান্তকাৰী সিদ্ধান্ত কাৰ্যকৰী স্বাভাৱিক। কেৱল এটিএম মেচিনসমূহ সংশোধন কৰা হোৱা নাই, সমগ্ৰ অৰ্থনীতিক সংশোধন কৰাৰ ই এক সময়োচিত পদক্ষেপ। আনন্দৰ কথা এয়ে যে ভ্ৰষ্টাচাৰী আৰু ক'লা ধনৰ বিৰুদ্ধে এই যুদ্ধত জনসাধাৰণে কষ্ট স্বীকাৰ কৰি হ'লেও সৰ্বোতোপ্ৰকাৰে চৰকাৰৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। ভাৰতবাসীয়ে বহু দিনৰপৰা যি বিচাৰি বা আশা কৰি আহিছিল সেয়া বাস্তৱত পৰিলক্ষিত হ'ব বুলি ভাবিছিল। এদিন দুদিনত দেশ গঢ়িব পৰা নাযায় কিন্তু জনসাধাৰণৰ স্বাৰ্থত লোৱা এনে বলিষ্ঠ পদক্ষেপ আগন্তুক দিনত ৰাইজৰ জীৱনযাত্ৰাত সুচল কৰাত বহু পৰিমাণে সহায়ক হ'ব বুলি ভাবিছিল।

বিমুদ্ৰাকৰণে ভাৰতবৰ্ষৰ অৰ্থনীতি কোঙা কৰি পেলালে। সমগ্ৰ বিশ্বতে অৰ্থনৈতিক বিকাশ স্থবিৰ হোৱাৰ সময়ত ভাৰতে বহু কষ্টৰে ৬ শতাংশ অৰ্থনৈতিক বিকাশৰ যোগ্যতা অৰ্জন কৰিছিল। কিন্তু মোডী ডাঙৰীয়াৰ বিমুদ্ৰাকৰণৰ নীতিয়ে দেশৰ অৰ্থনৈতিক বিকাশত বাধা দিলে। বিমুদ্ৰাকৰণ দেশবাসীৰ বাবে এক বৃহৎ দুৰ্যোগ সদৃশ ঘটনা। কিয়নো এনে দুৰ্যোগে একাংশ লোকৰহে ক্ষতি কৰাৰ বিপৰীতে বিমুদ্ৰাকৰণ দুৰ্যোগে দেশৰ জনগণৰ বিশেষ ক্ষতি কৰা পৰিলক্ষিত হৈছে। বিমুদ্ৰাকৰণৰ ফলত দেশৰ জনসাধাৰণে টকা বিচাৰি এটিএমৰ দীঘলীয়া শাৰীত থিয় হৈ বহুকেইজন লোকে মৃত্যুক সাৱটি লোৱা বুলি বাতৰি সম্প্ৰচাৰিত হৈছিল। বিমুদ্ৰাকৰণৰ কুফলত দিনক দিনে ভাৰতৰ অৰ্থনীতি বিকাশ স্তব্ধ হৈ পৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ চলাহী কথাত ভোল গৈ যিসকলে বিমুদ্ৰাকৰণৰ সমৰ্থন কৰিছিল আজি সেইসকলৰ পৰাই কিছু সংখ্যক মানুহে বিৰুদ্ধাচাৰণ কৰিবলৈ আৰম্ভ কৰিছে। বিগত ৪০-৫০ বছৰত বিশ্বৰ কোনো ডাঙৰ অৰ্থনীতিয়েই বিমুদ্ৰাকৰণৰ চেষ্টা কৰা নাই। আমাৰ দেশৰ বিত্তীয় ব্যৱস্থাপনা ৰিজাৰ্ভ বেঙ্কে দেশৰ অৰ্থনীতি চলিবলৈ কিমান টকা লাগিব, সেয়া নিৰ্ধাৰণ কৰে। ৰিজাৰ্ভ বেঙ্কৰ নিৰ্দেশনাৰ ভিত্তিত দেশৰ বিত্ত মন্ত্ৰালয়ে কাম কৰে। কিন্তু পোনপ্ৰথমবাৰৰ বাবে চৰকাৰৰ স্বেচ্ছাচাৰী নিৰ্দেশত ৰিজাৰ্ভ বেঙ্ক পৰিচালিত কৰা হ'ল। ৰিজাৰ্ভ বেঙ্কৰ ১০ জন বৰ্ড অৱ ডাইৰেক্টৰৰ মাত্ৰ ২ জনৰ উপস্থিতিত বিমুদ্ৰাকৰণৰ সিদ্ধান্তত ২০১৬ চনৰ ৮ নৱেম্বৰৰ দিনাই মোহৰ লগোৱা হৈছিল। কেবিনেট বৈঠকত কোনো ধৰণৰ সিদ্ধান্ত নোহোৱাকৈ দেশৰ আটাইতকৈ জ্ঞানী মানুহজনে টেলিভিশ্বনত ভাষণ দি পাঁচশ, হাজাৰ টকীয়া ৮৬ শতাংশ নোট নিষিদ্ধ কৰা হৈছিল আৰু কৈছিল যে বেঙ্কলৈ গৈ নতুন নোট গ্ৰাহকে পুৰণি নোট দি সলাই আনিব পাৰিব। কিন্তু জ্ঞানী মানুহজনে এবাৰো বিবেচনা কৰি নাচালে যে আমাৰ দেশৰ চাৰিটা টকা ছপোৱা মেচিনত দিনে-নিশাই টকা ছপালেও মাহেকত মাত্ৰ তিনিশ (৩০০) কোটি টকাহে ছপাব পাৰে। সেই হিচাপে নিষিদ্ধ কৰা ২ লাখ ৪০০ কোটি টকা ছপাবৰ বাবে ন্যূনতম আঠ মাহ সময়ৰ প্ৰয়োজন হ'ব। নতুন টকা ওলোৱাৰ বাবে এ টি এমৰ আকাৰ সলনি কৰিব লাগিব। সেই কথাও আমাৰ মোডী ডাঙৰীয়াই চিন্তা কৰা নাছিল। দেশৰ ১১ কোটি মানুহে প্ৰতিদিনে নিজৰ সাঁচতীয়া টকা উলিয়াবৰ বাবে বেঙ্ক, এ টি এমৰ লাইনত থিয় হ'বলগীয়া হৈছিল। দেশৰ মুঠ এ টি এমৰ এক চতুৰ্থাংশ এটি এম বিকল হৈ আছিল। ক'লাধনৰ ৰোধ, দুৰ্নীতি নিৰ্মূল আৰু উগ্ৰপন্থীৰ গোপন ধনৰ উৎখাত কৰিবলৈ প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিমুদ্ৰাকৰণৰ সপক্ষত যি যুক্তি আগবঢ়াইছিল আজি সেই কথাবোৰ বেছিভাগেই বাস্তৱত পৰিলক্ষিত হোৱা দেখা নগ'ল। দেশৰ সৰ্বমুঠ নোটৰপৰা শতকৰা ৯৭.০৩ শতাংশ নোট বেঙ্কত জমা হৈছে। পুৰণি নোট নিষিদ্ধ কৰাৰ পিছতো কৰ্ণাটক, গুজৰাট, পাঞ্জাব, মহাৰাষ্ট্ৰ আদি ৰাজ্যত বিপুল সংখ্যক নতুন নোটৰ ধনসহ ব্যৱসায়ী, চৰকাৰী বিষয়া গ্ৰেপ্তাৰ হ'ল। সেয়েহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়ই এইবাৰ বিমুদ্ৰাকৰণৰ উদ্দেশ্য সন্দৰ্ভত পৃথক ব্যাখ্যা আগবঢ়ালে। এইবাৰ তেওঁ কেছলেছ ইক'নমি কথা ক'বলৈ আৰম্ভ কৰিলে আমাৰ দেশৰ ১৩০ কোটি লোকৰ বিপৰীতে মাত্ৰ ১ লাখ ৪০ হাজাৰ পি অ' এছ মেচিন আছে। সাপ্তাহিক বজাৰত পাচলি ক্ৰয় কৰিবলৈ হ'লে এজন গ্ৰাহকে কেনেদৰে কাৰ্ডৰ জৰিয়তে সামান্য পইচা খৰচ কৰিব। এইয়া কেতিয়াও সম্ভৱ নহয়। বিশ্বৰ কোনো দেশতে সকলো লেনদেনত ডিজিটেল লেনদেন সম্ভৱ নহয়। ৯৭ শতাংশ নগদ ধনৰ দেশৰ ১০০ শতাংশ ডিজিটেল কেতিয়াও সম্ভৱ নহয়। এই ক্ষেত্ৰত দেশৰ প্ৰাক্তন বিত্তমন্ত্ৰী পি চিদাম্বৰমে কয় যে— 'বিশ্বৰ কোনো এখন আগশাৰীৰ ডিজিটেল দেশেই নগদহীন অৰ্থনীতিৰ কথা চিন্তা কৰা নাই। সম্পূৰ্ণ ডিজিটেল দেশ অষ্ট্ৰেলিয়া, জাৰ্মানীত এতিয়াও ৮০ শতাংশ লেনদেন কেছত হয়। একেদৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৬ শতাংশ লেনদেন নগদ হয়। লেছকেছ লেনদেনেৰে ভাৰতক কেছলেছ অৰ্থনীতিলৈ পৰ্যবসিত কৰাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ স্বেচ্ছাচাৰী শাসনৰ এক কাণ্ডজ্ঞানহীন কাৰ্য।


বৰ্তমান দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০১৬ চনৰ ৮ নৱেম্বৰত বিমুদ্ৰাকৰণৰ যি সিদ্ধান্ত লৈছিল সেই সিদ্ধান্ত জনসাধাৰণৰ কাৰণে একেবাৰে বিফল বুলি ক'ব নোৱাৰি। কিয়নো কিবা এটা কৰিবলৈ গ'লে কিবা নহয় কিবা এৰিব লাগিব। নৰেন্দ্ৰ মোডীৰ বলিষ্ঠ পদক্ষেপৰ ফলত আজি দেশত কৰ ফাঁকি দিয়াটো অলপ হ্ৰাস পাইছে। লগতে ডিজিটেলৰ ক্ষেত্ৰটো ভালেমান পৰিৱৰ্তন পৰিলক্ষিত হৈছে।





# বিজ্ঞান, বৈজ্ঞানিক মানসিকতা আৰু আধুনিক সমাজ

**নাজিমুল আলম**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



মানুহ চেতনশীল আৰু চিন্তাশীল প্ৰাণী। এই গুণৰ বলতেই মানুহে অতীতৰেপৰা প্ৰাকৃতিক বিশ্লেষণ আৰু অনুধাৱন কৰি প্ৰাকৃতিক নিয়মসমূহ নিজৰ তথা সমাজৰ কল্যাণৰ বাবে প্ৰয়োগ কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে। মানুহৰ এই প্ৰচেষ্টাই অৰ্থাৎ প্ৰকৃতিৰ অধ্যয়নেই হ'ল বিজ্ঞান। প্ৰকৃতিক অধ্যয়ন কৰি ইয়াৰ ৰহস্য উদ্‌ঘাটন কৰাৰ লগত জড়িত হৈ থকা বিশেষ পদ্ধতিয়েই হ'ল বৈজ্ঞানিক পদ্ধতি। সাধাৰণভাৱে ক'বলৈ গ'লে, বৈজ্ঞানিক পদ্ধতি হ'ল প্ৰধানকৈ এটা পৰীক্ষা-নিৰীক্ষাৰ ভিত্তিক পদ্ধতি। এই পদ্ধতিৰ সহায়ত প্ৰকৃতিৰ ঘটনা-পৰিঘটনা, প্ৰাকৃতিক উপাদান আদি বিশ্লেষণ কৰি সত্যৰ সন্ধান কৰা হয়।


ধৰ্মৰ দৰে বিজ্ঞানত কোনো পৰম সত্যৰ স্থান নাই। বিজ্ঞানৰ অধ্যয়নৰ দুৱাৰ সদায় সকলোৰে বাবে খোলা। নিউটনৰ মহাকৰ্ষণ তত্ত্বটো হাজাৰ-হাজাৰ পৰীক্ষাৰদ্বাৰা প্ৰমাণ কৰা হৈছিল। তাৰ পাছতো নতুন তথ্যৰ আৱিষ্কাৰে সেই তত্ত্বৰ প্ৰাসংগিকতা নাইকিয়া কৰি পেলালে। মাইকেলছন মৰ্লিৰ পোহৰৰ বেগ সম্পৰ্কীয় পৰীক্ষাৰ ফলাফলে ধ্ৰুপদী পাদৰ্থবিজ্ঞানৰ ভেটিটোকে কঁপাই তুলিছিল। ফলত, আইনষ্টাইনে আপেক্ষিকতাবাদৰ অৱতাৰণা কৰিলে। কিন্তু, আইনষ্টাইনো বিপদমুক্ত নহয়; নতুন নতুন তত্ত্ব ওলায়েই আছে। মুঠতে, বিজ্ঞান গতিশীল, ইয়াৰ বিকাশ আৰু প্ৰগতি চিৰন্তন।

মানুহে প্ৰায়বোৰ দৈনন্দিন কাম-কাজত জ্ঞাতে-অজ্ঞাতে, কম-বেছি পৰিমাণে বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰে উদাহৰণস্বৰূপে, এজন খেতিয়কে বিজ্ঞান শিক্ষাৰে শিক্ষিত নহ'লেও অভিজ্ঞতাৰ ভিত্তিত কৃষিকাৰ্যত বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰিব পাৰে। আমাৰ প্ৰচলিত অনুষ্ঠানিক বিজ্ঞান শিক্ষাৰ নিম্ন স্তৰত বৈজ্ঞানিক পদ্ধতিৰ প্ৰশিক্ষণ নিদিয়াৰ ফলতেই বিজ্ঞান শিক্ষা যান্ত্ৰিক আৰু মূলতঃ তথ্যভিত্তিক হৈছে। মানুহৰ বৈজ্ঞানিক মানসিকতা আৰু লগতে বৈজ্ঞানিক সজাগতা গঢ়ি নুঠাৰ ই প্ৰধান কাৰণ। বিশেষকৈ, শিশুসকলে আজন্ম বিজ্ঞানী; অৰ্থাৎ শিশুৱে জন্মগতভাৱেই বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হৈ আহে। পাছৰ জীৱনত উপযুক্ত বিজ্ঞান শিক্ষাদানেৰে তেওঁলোকৰ বৈজ্ঞানিক মানসিকতাৰ প্ৰতিপালন তথা বিকাশ নঘটালে ভৱিষ্যৎ জীৱনত তেওঁলোকৰ মনত অন্ধবিশ্বাসে বাস ল'ব পাৰে। 'কোঠাৰী শিক্ষা আয়োগ'ৰ প্ৰতিবেদনত এই কথাষাৰেই কোৱা হৈছে ঃ 'যদি বিজ্ঞান উপযুক্তভাৱে শিকোৱা নহয়, আৰু বেয়াকৈ শিকে, তেন্তে ই আনকি শিকাৰুৰ মনত নতুন অন্ধবিশ্বাসৰ জন্ম দিব পাৰে।' ['If Science is poorly taught and

badly learnt, it may led even to new superstition.']

বৈজ্ঞানিক মানসিকতানো কি? চমুকৈ ক'বলৈ হ'লে, মানুহৰ চিন্তা আৰু কাম-কাজত বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ কৰিব পৰাৰ সামৰ্থই হ'ল বৈজ্ঞানিক মানসিকতা। এই 'বৈজ্ঞানিক মানসিকতা' বিষয়টো প্ৰথমবাৰৰ বাবে পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৪৬ চনত তেওঁৰ 'ডিস্ক'ভাৰি অব ইণ্ডিয়া' নামৰ গ্ৰন্থত উল্লেখ কৰিছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ঠিক পাছতে প্ৰধানমন্ত্ৰী নেহৰুৱে বিজ্ঞান প্ৰযুক্তিৰ সুপ্ৰয়োগেৰে দেশখন প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ যে জনসাধাৰণৰ এটা অন্ধবিশ্বাস আৰু অন্ধসংস্কাৰ মুক্ত মনৰো প্ৰয়োজন, সেই কথাত গুৰুত্ব আৰোপ কৰিছিল।

ভাৰতে স্বাধীনতা লাভ কৰা আজি প্ৰায় ৭০ বছৰৰ পাছত আমাৰ দেশত বৈজ্ঞানিক শিক্ষা আৰু গৱেষণা, মহাকাশ



বিজ্ঞান, পাৰমাণৱিক শক্তি আহৰণ, কৃষি, স্বাস্থ্য আদি বিভিন্ন ক্ষেত্ৰত আশানুৰূপ নহ'লেও ভালেখিনি আগবাঢ়িল। মানুহ বিজ্ঞান শিক্ষাত আগবাঢ়িল, প্ৰযুক্তিবিজ্ঞানক মানুহে জীৱন নিৰ্বাহৰ লগৰীয়া কৰিবলৈ শিকিলে, কিন্তু সৰহভাগ মানুহৰে বৈজ্ঞানিক সজাগতা আৰু মনস্কতা গঢ় লৈ নুঠিল। দেশৰ সৰহখিনি মানুহ অন্ধবিশ্বাস, অন্ধসংস্কাৰ তথা কুসংস্কাৰ, ধৰ্মান্ধতা আদিৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। সমাজত আজিও ডাইনী হত্যা, ধৰ্মৰ নামত নৰবলি আৰু প্ৰাণীহত্যাৰ দৰে ভ্ৰান্ত ধাৰণাৰ বাবে গঁড়, কেঁকো সাপ আদি প্ৰাণীৰ হত্যা, কন্যা শিশু হত্যা, বেজালি আৰু মন্ত্ৰ জৰা-ফুঁকা, ধৰ্মৰ অছিলা লৈ বাবা, পীৰবাবা গভমেন আদিৰ জন-প্ৰৱঞ্চনা আৰু ব্যৱসায়-দুৰ্নীতি, ভাগ্য গণনা আদি এশ এবুৰি কু-কৰ্মকাণ্ড চলি থকাটোৱে বৈজ্ঞানিক মানসিকতাৰ প্ৰতি চৰম প্ৰত্যাহ্বান সূচায়। ১৯৭৬ চনত ভাৰতবৰ্ষই বিশ্বত প্ৰথমবাৰৰ বাবে নিজৰ সংবিধানত সমাজৰ সকলো শ্ৰেণীৰ লোকৰে বৈজ্ঞানিক মানসিকতা থকাটো জনসাধাৰণৰ এটা মৌলিক অধিকাৰ বুলি অন্তৰ্ভুক্ত কৰিছে। তথাপিও, এই সংবিধানপ্ৰদত্ত অধিকাৰ সাব্যস্ত কৰি অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মাতিবলৈ গৈ এইখন দেশতে নৰেন্দ্ৰ ডাভোলকাৰৰ দৰে যুক্তিবাদী লেখকেও আততায়ীৰ হাতত প্ৰাণ হেৰুৱাব লগা হয়।

বৰ্তমান আমাৰ সংস্কৃতি যে বিজ্ঞান নিৰ্ভৰশীল হৈছে অকল সেয়ে নহয়, বৈজ্ঞানিক সংস্কৃতিৰ মাজতেই বাস কৰিছোঁ। প্ৰযুক্তিবিজ্ঞানে দান কৰা সমস্ত সম্ভাৰ আমি বিনদ্বিধাই মনোৰঞ্জন, সুখ-স্বাচ্ছন্দ্য আৰু অৰ্থনৈতিক উন্নতিৰ বাবে ব্যৱহাৰ কৰা সত্ত্বেও আমাৰ সমাজত বৈজ্ঞানিক মানসিকতাৰ অভাৱ আৰু কু-সংস্কাৰ অন্ধবিশ্বাসৰ প্ৰভাৱ এতিয়াহে বিৰাজমান। বিজ্ঞান শিক্ষাৰে শিক্ষিত ব্যক্তি আৰু স্বয়ং বিজ্ঞানীও অন্ধবিশ্বাসৰপৰা মুক্ত নহয়। সেইকাৰণেই ডাক্তৰ, ইঞ্জিনিয়াৰ, বিজ্ঞানৰ শিক্ষকেও গণেশৰ মূৰ্তিক গাখীৰ খুৱায়, কেতিয়াবা নিঃসন্তান ডাক্তৰেও সন্তান লাভৰ আশাৰে বেজালি আৰু বন দৰৱৰ সহায় লোৱা দেখা যায়।

অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ সংজ্ঞা কি? শব্দগত অৰ্থৰপৰা চাবলৈ গ'লে, যুক্তিহীন বা ভিত্তিহীন বিশ্বাসেই হ'ল অন্ধবিশ্বাস, আৰু অন্ধবিশ্বাস জড়িত হৈ থকা নীতি নিয়ম বা আচাৰ-অনুষ্ঠানেই হ'ল অন্ধসংস্কাৰ বা কু-সংস্কাৰ।

উদাহৰণস্বৰূপে বসন্ত বা আই ওলোৱা এবিধ ভাইৰাছজনিত ৰোগ। কিন্তু, আমাৰ সমাজত বসন্ত ওলালে 'শীতলা আই'ৰ আৱিৰ্ভাৱ হোৱা বুলি আইক সন্তুষ্ট কৰিবলৈ বিভিন্ন আচাৰ-অনুষ্ঠান পতা হয়। সেইদৰে, পুত্ৰ সন্তান লাভৰ বাবে সত্যনাৰায়ণ পূজা পতা, গৰ্ভস্থ সন্তানৰ লিংগ পৰিৱৰ্তন কামনা কৰি পূজা-পাতল কৰা, শৰাই-শলিতা দিয়া আদি অন্ধবিশ্বাসযুক্ত কু-সংস্কাৰ। প্ৰেতাত্মা থকা বুলি কৰা অন্ধবিশ্বাৰ বাবেই মৃতকৰ শ্ৰদ্ধাদি পতা হয়।

'সৰ্বপ্ৰাণবাদ' অৰ্থাৎ পৃথিৱীৰ সকলো বস্তুৰেই প্ৰাণ আছে বুলি কৰা ভ্ৰান্ত ধাৰণাৰ বাবেই মানুহ আদিম যুগৰ পৰাই শিল, গছ, নদী, পানী আদিক পূজা কৰি আহিছে। এইবোৰ ভূত, প্ৰেত, যখিনীয়ে বাস কৰে বুলি বিশ্বাস কৰে। আধুনিক যুগত এই বিশ্বাসৰ উদাহৰণ হ'ল মটৰগাড়ী, বাইক কম্পিউটাৰ আদিক সেন্দুৰৰ ফোঁট পিন্ধোৱা, ঘৰ-দুৱাৰ, গাড়ীৰ ষ্টিয়াৰিং আদিক সেৱা কৰা ইত্যাদি। আনকি, ভাৰতৰ মহাকাশ বিজ্ঞান সংস্থা 'ইছৰো' ৰে প্ৰতিটো মহাকাশ অভিযানৰ আগতে মহাকাশযানৰ প্ৰতিকৃতি এটা বালাজী মন্দিৰত উছৰ্গা কৰে।

পদাৰ্থবিজ্ঞানী ড° মেঘনাথ সাহাই ১৯৩৪ চনতে লিখা এটা প্ৰবন্ধত উল্লেখ কৰিছিল যে ভাৰতৰ শতকৰা ৯৯ জন মানুহেই পঞ্জিকা আৰু প্ৰায়োগিক জ্যোতিষত বিশ্বাস কৰে। তথাকথিত শুভদিন নহ'লে, বা কোষ্ঠী নিমিলিলে বিবাহ নহয়। এই অবৈজ্ঞানিক বিশ্বাসবোৰ এতিয়াও আমাৰ সমাজত প্ৰচলিত। আলোচনী, বাতৰিকাকত, টিভিযোগে প্ৰচাৰিত ৰাশিফল, ভাগ্যগণনা মানুহে আজিও আস্থাৰে গ্ৰহণ কৰে। আনকি, বিদেশতো জ্যোতিষ সমাদৃত। বহুতে জ্যোতিৰ্বিদ্যা আৰু জ্যোতিৰ্বিজ্ঞান বিষয় দুটাক একাকাৰ কৰি দেখুৱাব খোজে। 'নাছা'ই শনি গ্ৰহলৈ কেছিনি উপগ্ৰহ প্ৰেৰণ কৰাৰ সময়ত ভাৰতৰ কোনো কোনো ঠাইত শনি পূজাৰ আয়োজন কৰা হৈছিল যাতে গ্ৰহদোষ নঘটে।

বৰ্তমান আধুনিক সমাজৰ শিক্ষিত অশিক্ষিত উভয় অংশতে কিছুমান নতুন অন্ধ সংস্কৃতি কুপ্ৰভাৱ পেলাইছে। ইয়াৰ দুটা উদাহৰণ হ'ল চীনৰ ফেংচুই আৰু জাপানৰ ৰেইকি চিকিৎসা পদ্ধতি। সৌভাগ্যৰ আশাৰে ঘৰত ব্যৱহাৰ কৰা ফেংচুই সামগ্ৰীবোৰৰ কলাত্মক সৌন্দৰ্য উপভোগ্য। কিন্তু, তাৰ লগত জড়িত অন্ধবিশ্বাসবোৰে শিশু-কিশোৰ মহিলাসকলোৰে মন ভ্ৰান্ত ধাৰণাৰে ভৰাই পেলায়। ৰেইকিৰ দৰে চিকিৎসা পদ্ধতিয়ে জৰা-ফুঁকাৰ দৰে সমসাময়িকভাৱে কিছুমান ৰোগৰ উপশম ঘটোৱাৰ বাহিৰে আন একো কৰিব নোৱাৰে। বনৌষধি বা আয়ুৰ্বেদৰ সহায়ত কেনছাৰ আৰু এইডছৰ চিকিৎসা সম্ভৱ বুলি দাবী কৰাটোও বিজ্ঞান সন্মত নহয়। ২০০৫ চনত বিশ্বৰ বিজ্ঞানীমহলে উচ্চ পৰ্যায়ৰ অধ্যয়ন চলাই চতুৰ্থবাৰৰ বাবে ঘোষণা কৰিছিল যে হোমিঅ'পেথিক চিকিৎসাৰো হেনো কোনো বৈজ্ঞানিক ভিত্তি নাই।

সমাজত প্ৰচলিত কিছুমান লোকবিশ্বাস আৰু পৰম্পৰাৰ বৈজ্ঞানিক ভিত্তি থাকিবও পাৰে। মানুহে স্বাস্থ্য ৰক্ষা আৰু কৃষিকাৰ্যত ব্যৱহাৰ কৰা কিছুমান উদ্ভিদজাত দ্ৰব্য আৰু খনিজাত পদাৰ্থ ইয়াৰ উদাহৰণ। সেইবোৰৰ উপযুক্ত গৱেষণা আৰু প্ৰণালীবদ্ধ প্ৰয়োগে সমাজৰ কল্যাণ সাধন কৰে। ইংলেণ্ডৰ গ্ল'চেষ্টাৰ অঞ্চলত বহু বছৰৰ আগৰেপৰা এটা লোকবিশ্বাস চলি আছিল যে গো-বসন্তৰদ্বাৰা আক্ৰান্ত হোৱা মানুহৰ বসন্ত ৰোগ নহয়। এই লোকবিশ্বাসৰ ভিত্তিতেই চিকিৎসাবিজ্ঞানী এডৱাৰ্ড জেনাৰে বসন্ত ৰোগৰ টিকা উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু জৰা-ফুঁকা, যাদুমন্ত্ৰ, স্বপ্নপ্ৰাপ্ত ঔষধ, বেজালি আদিৰ কোনো বৈজ্ঞানিক ভিত্তি নাই।

সমাজত প্ৰচলিত অন্ধবিশ্বাসক কু-সংস্কাৰ, ভ্ৰান্ত ধাৰণা আদি আঁতৰাই প্ৰতিজন ব্যক্তিকে বৈজ্ঞানিক মানসিকতাসম্পন্ন কৰি তুলিবলৈ ব্যক্তি, সংগঠন আৰু চৰকাৰে সমাজৰ তৃণমূল স্তৰৰপৰাই প্ৰচেষ্টা চলাব লাগিব। জনসাধাৰণৰ মাজত বৈজ্ঞানিক সাক্ষৰতাৰ বিস্তাৰৰ লগতে তেওঁলোকক বৈজ্ঞানিক পদ্ধতিৰে পৰিচয় কৰাই দিব লাগিব। শিশু তথা ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক পৰ্যায়ৰ পৰাই হাতে-কামে বিজ্ঞানৰ শিক্ষা দান দিব লাগিব। যাতে তেওঁলোকে বৈজ্ঞানিক পদ্ধতিৰ প্ৰশিক্ষণ লৈ তেওঁলোকৰ মন কাৰ্যকাৰণৰ ধাৰণাৰে পৰিপুষ্ট হ'ব পাৰে আৰু তেওঁলোকৰ জন্মগত বৈজ্ঞানিক অনুসন্ধিৎসা আৰু মানসিকতাৰ পুৰ্ণ বিকাশ ঘটিব পাৰে। বিদ্যালয়ৰ পাঠ্যপুথি সমূহতো বিভিন্ন অন্ধবিশ্বাসৰ উৎস সেইবোৰৰপৰা হ'ব পৰা ক্ষয়-ক্ষতি, দূৰ কৰাৰ উপায় আদি সম্পৰ্কীয় পাঠ সন্নিবিষ্ট কৰা উচিত।

আমাৰ সংবাদ মাধ্যমবোৰেও অন্ধবিশ্বাসমূলক আৰু চাঞ্চল্যকৰ বা-বাতৰি পৰিৱেশন কৰাত সাৱধানতা অৱলম্বন কৰা উচিত। তেনে সংবাদ প্ৰচাৰৰ লগতে কোনো বিশেষজ্ঞৰ সহায়ত ঘটনাৰ লগত জড়িত অন্ধবিশ্বাসৰ বৈজ্ঞানিক তথা যুক্তিসংগত ব্যাখ্যা কৰোৱাই তাক জনসাধাৰণক জনোৱাটো সমাজৰ বাবে মংগলজনক।

এখন বিজ্ঞানমনস্ক সমাজ গঢ়িবলৈ এটা যুক্তিবাদী আন্দোলনৰ প্ৰয়োজন আৰু ইয়াৰ বাবে প্ৰয়োজনীয় স্বেচ্ছাসেৱী সংগঠনৰ। অসমত ঊনবিংশ শতিকাতে হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য, যাদুৰাম ডেকা বৰুৱা প্ৰমুখ্যে অগ্ৰণী ব্যক্তিসকলে অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে যুক্তিবাদী চিন্তাধাৰাৰ প্ৰৱৰ্তন কৰিবলৈ অভিযান চলাইছিল। প্ৰগতিশীল চিন্তাধাৰাৰ বাটকটীয়া এই মহান ব্যক্তিসকলে অসমীয়া ভাষা-সাহিত্যৰ বিকাশ সাধন কৰাৰ লগতে অসমত যুক্তিবাদী আন্দোলনৰো বীজ সিঁচি থৈ গৈছে। বৰ্তমান ৰাজ্যখনৰ অসম সাহিত্য সভা, অসম বিজ্ঞান সমিতি, অসম বিজ্ঞান লেখক সংস্থা প্ৰমুখ্যে সংগঠনসমূহে এই ক্ষেত্ৰত আগৰণুৱা হৈ কাম কৰিলে এখন প্ৰকৃতাৰ্থত বৈজ্ঞানিক সমাজ গঢ়াত নিশ্চয় সফল হ'ব পৰা যাব।



# শিখ ধৰ্ম কি?

**মনপ্ৰিত কৌৰ**
স্নাতক পঞ্চম ষাণ্মাসিক



পৃথিৱীৰ বিভিন্ন ধৰ্মসমূহৰ ভিতৰত শিখ ধৰ্মও এটি অন্যতম ধৰ্ম। শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰু নানক দেৱজী। তেখেতৰ পিছত তেখেতৰ আসনত ক্ৰমে আৰু ন জন গুৰু বহে। সেই সকল গুৰু-অঙ্গদদেৱ, গুৰু অমৰ দাস, গুৰু ৰাম দাস, গুৰু অৰ্জুন দেৱ, গুৰু হৰগোবিন্দ সাহিবজী, হৰ ৰায় সাহিবজী, গুৰু হৰকিসন সাহিবজী, গুৰু তেগ বাহাদুৰজী আৰু দশম গুৰু গোবিন্দ সিং জী। ইয়াৰ পিছত গুৰুসকলৰ দেহৰূপ পবিত্ৰ শ্ৰীগুৰু গ্ৰন্থসাহিব অমৃতস্বৰৰ শ্ৰীহৰি মন্দিৰত ১৫ আগষ্ট ১৬০৪ চনত প্ৰতিষ্ঠা কৰা হয়।

আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ পূৰ্বে ভাৰতবৰ্ষৰ পঞ্জাব ৰাজ্যত শ্ৰীগুৰু নানকদেৱে (খ্ৰীঃ১৪৬৯-খ্ৰীঃ ১৫৩৯) একেশ্বৰবাদ দৰ্শনৰ ভেটিত শিখ ধৰ্মৰ আদৰ্শবাণী প্ৰচাৰ কৰিছিল সত্য, দয়া আৰু প্ৰেমেই হ'ল শিখ ধৰ্মৰ মূল।

১৭০৮ খ্ৰীঃত শিখসকলৰ দশম গুৰু, গুৰু গোবিন্দ সিঙে 'গুৰু গ্ৰন্থ সাহিব' কে (শিখ ধৰ্মৰ মূল ধৰ্মগ্ৰন্থ) গুৰু মানি ল'বলৈ সমূহ শিখকে আহ্বান জনায় আৰু তেতিয়াৰে পৰা এই গ্ৰন্থখনে চিৰস্থায়ী গুৰু হিচাপে সমাদৃত হৈ আছে।

শিখধৰ্মত মূৰ্তি পূজাৰ স্থান নাই। এই ধৰ্মই একেজন সৰ্বশক্তিমান নিৰাকাৰ ঈশ্বৰৰ অস্তিত্বক বিশ্বাস কৰে। মানুহে সত্য পথত থাকি ঈশ্বৰত বিশ্বাস স্থাপন কৰি কৰ্মৰ জৰিয়তে জীৱনৰ সাৰ্থকতা লাভ কৰিব পাৰে। শিখসকলৰ দশমজনা গুৰু-গুৰুগোবিন্দ দেৱে ইং ১৬৯৯ চনৰ পহিলা ব'হাগত শিখ ধৰ্মক এক বিশেষ ৰূপত সজাই 'খালচা' পন্থ (পবিত্ৰ) সৃষ্টি কৰে। এই পন্থৰ লোক কেশ কংগা, কচ্ছ, কৃপাণ আৰু কাড়াৰে সুশোভিত হ'ল। এই প্ৰতীকসমূহে 'খালচা'ৰ ঐক্য, আত্মসংযম, দায়িত্বজ্ঞান, তীক্ষ্ণ বুদ্ধিমত্তা, সাহস, বীৰত্ব, পুৰুষত্ব আৰু স্বাধীনচিতীয়া মনৰ পৰিচয় দাঙি ধৰে। এই পন্থৰ পুৰুষৰ উপাধি 'সিং' আৰু মহিলাৰ উপাধি 'কৌৰ' হয়। শিখ ধৰ্মত স্ত্ৰীক পুৰুষৰ লগত সমান অধিকাৰ আৰু সন্মান দিয়া হৈছে। শিখসকলৰ উপাসনা কৰা স্থানক গুৰুদ্বাৰ বুলি কোৱা হয়। গুৰুদ্বাৰত 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ৰ বাণীৰ অৰ্থ ব্যাখ্যা কৰা, শবদ-কীৰ্তন মুখ্যতঃ অনুষ্ঠিত কৰা হয়। শিখ ধৰ্মত জাতি, বৰ্ণ, ভাষাৰ কোনো প্ৰভেদ নোহোৱাকৈ যিকোনো মানুহে গুৰুদ্বাৰত অংশ গ্ৰহণ কৰিব পাৰে। এই সকলোবোৰ গুৰুদ্বাৰতে 'লংগৰ' (মুক্ত ৰান্ধনি শাল) সংযুক্ত। এই 'লংগৰ'তে জাতি, বৰ্ণ, উচ্চ-নীচৰ প্ৰভেদ নাৰাখি একেলগে বহি আহাৰ গ্ৰহণ কৰে যি কাৰ্যই বিভিন্ন জনৰ মাজত সমতা, আত্মীয়তা আৰু ভাতৃত্বৰ ভেটি স্থাপন কৰে।





# 'ৰুক্মিণী হৰণ' কাব্যৰ মূল আৰু শংকৰদেৱৰ মৌলিক প্ৰতিভা

**সাগৰিকা ৰাজখোৱা**
স্নাতক তৃতীয় ষাণ্মাসিক



শংকৰদেৱৰ আন এক নিজস্ব সৃষ্টি হৈছে সুমালিনী ধাই। ৰুক্মিণীয়ে কৃষ্ণৰ ওচৰলৈ পঠাবলৈ বেদনিধিক মতাই অনাৰ বাবে শংকৰদেৱে যেন সুমালিনী ধাই চৰিত্ৰটি সৃষ্টি কৰিছে। আকৌ শিশুপাল দৰা সাজি কুণ্ডিলৰ ৰাজ্যসভালৈ অহাৰ খবৰো প্ৰথমতেই সুমালিনী ধায়েহে ৰুক্মিণীক দিয়ে আকৌ সেই বিপদৰ সময়ত ৰুক্মিণীকে কি কৰিব পাৰে কৰিবলৈকো সুমালিনী ধায়ে পৰামৰ্শ দিছিল। এনে সংকটৰ বেলাত এনে গোপন কথাত সুমালিনী ধাইৰ নিচিনা সহযোগীৰ প্ৰয়োজন।

**আৰম্ভণি ঃ** 'ৰুক্মিণী হৰণ' কাব্য শংকৰদেৱৰ আগবয়সৰ ৰচনা। কাৰণ ৰুক্মিণী হৰণ কাব্যত 'কায়স্থ' শংকৰ কথাষাৰে ইয়াৰ প্ৰমাণ কৰে। শংকৰদেৱে বৰদোৱাত থাকোঁতেই 'ৰুক্মিণী হৰণ' কাব্যখনি ৰচনা কৰিছিল।

'ৰুক্মিণীহৰণ' কাব্যৰ কাহিনী 'হৰিবংশৰ পৰা লোৱাৰ লগতে 'ভাগৱত'ৰ পৰাও যে গ্ৰহণ কৰিছে তাক মহাপুৰুষে শংকৰদেৱে নিজেই লিখিছে—

'একে হৰিবংশ কথা অমৃত সাক্ষাৎ।
আৰু ভাগৱত কথা মিশ্ৰ দিলো তাত।।
দুয়ো কথা পদবন্ধে কৰো মিসলাই।
যেন মধুমিশ্ৰ দুগ্ধে স্বাদ আতি পায়।।'

'হৰিবংশ' আৰু 'ভাগৱত'ৰ পৰা কাব্যৰ কাহিনী গ্ৰহণ কৰিলেও সৰু-সুৰা দুই-এটা কাহিনীত অমিল আছে। ভীষ্মক নন্দিনী ৰুক্মিণীক কৃষ্ণই হৰণ কৰি নিয়া আৰু দ্বাৰকাত কৃষ্ণ-ৰুক্মিণীৰ বিবাহ সম্পন্ন হোৱা কথাটো দুয়োখনতে একে আছে। একেদৰেই কৃষ্ণ-ৰুক্মিণীৰ বিবাহত শিশুপাল, জৰাসন্ধ, ৰুক্মিণীৰ ভাতৃ ৰুক্মবীৰ আদিয়ে বাধা দিয়াৰ কথা আৰু কৃষ্ণৰ লগত ৰণ কৰি তেওঁলোক পৰাস্ত হোৱাৰ কাহিনীও দুয়োখনতে একে। তথাপি সৰু-সুৰা ভালেখিনি কথাত দুয়োখন মূল পুথিত নিজস্বভাৱে ৰূপ দিয়াতে মূলৰ লগত নিজস্ব প্ৰতিভাৰো বিকাশ সাধন ঘটাইছে।

**বিষয়বস্তু উপস্থাপন ঃ** শংকৰদেৱে দুয়োখনৰ পৰা কাহিনীৰ সমল সংগ্ৰহ কৰিছে যদিও তেওঁৰ নিজস্ব মৌলিক প্ৰতিভাৰে কাব্যখন নতুনকৈ সজাই-পৰাই এক অনুপম কাব্য ৰচনা কৰিছে। মূলৰ এখনতো নথকা কথা তেওঁ উদ্ভাৱন কৰি অসমীয়া কাব্যখনত সংযোগ কৰিছে। কাহিনীক এইদৰে নতুনকৈ সজাবৰ কাৰণে আৱশ্যক অনুযায়ী তেওঁ নতুন চৰিত্ৰও সৃষ্টি কৰিছে। এইদৰে বিষয়বস্তুত নতুন কথা সংযোজন আৰু নতুন চৰিত্ৰ সৃষ্টিৰ যোগেদি কাব্যখন অধিক সংগতিপূৰ্ণ আৰু অধিক স্বাভাৱিক হৈছে।

'হৰিবংশ'ৰ মতে, কুণ্ডিলৰ ৰজা ভীষ্মকৰ একমাত্ৰ কন্যা অদ্বিতীয় ৰূপৱতী ৰুক্মিণীৰ কথা দেশান্তৰীৰ মুখে শুনি কৃষ্ণই তেওঁক পত্নী হিচাপে পাবলৈ কামনা কৰিলে। একেদৰে ৰুক্মিণীয়েও শ্ৰীকৃষ্ণৰ গুণ-গৰিমাৰ কথা শুনি তেওঁকেই মনে-চিতে পতি কামনা কৰিলে। ভাগৱততো এই কথা একেদৰেই আছে। অসমীয়া কাব্যত দেশান্তৰীয়ে ৰুক্মিণী আৰু কৃষ্ণৰ ৰূপ গুণৰ বৰ্ণনা সুন্দৰভাৱে দিছে। কৃষ্ণক 'সাক্ষাতে বিষ্ণুৰ অৱতাৰ' বুলি ৰুক্মিণীয়ে জানিছে আৰু 'জন্মে জন্মে কৃষ্ণসে' তেওঁৰ স্বামী হ'ব বুলি দৃঢ় হৈছে। একেদৰেই কুণ্ডিলৰ পৰা দ্বাৰকালৈ যোৱা দেশান্তৰীৰ মুখে কৃষ্ণই 'সৰ্বগুণে অনিন্দিতা' পাৰ্বতী সম ৰুক্মিণীৰ ৰূপ-যৌৱনৰ কথা জানিব পাৰিছে আৰু ৰুক্মিণীক ভাৰ্যা হিচাপে পাবৰ কাৰণে অধীৰ আগ্ৰহে অপেক্ষা কৰিছে।

অসমীয়া কাব্যত ৰজা ভীষ্মক আৰু ৰাণী শশীপ্ৰভাবো সুন্দৰ চিনাকি দিয়া হৈছে। মূলত শশীপ্ৰভাৰ কথা সেইদৰে যথেষ্ট। গতিকে শংকৰদেৱে নিজস্ব সৃজনী প্ৰতিভাৰে কাব্যৰ কাহিনীক বেছি স্বাভাৱিক ৰূপে অধিক সম্পূৰ্ণ কৰিছে।

'ৰুক্মিণী হৰণ' কাব্যক মহাপুৰুষ শংকৰদেৱে শশীপ্ৰভা মহাদৈৰ চৰিত্ৰটি নিজস্বভাৱে সৃষ্টি কৰিছে। এই চৰিত্ৰটিয়ে কাব্যৰ কাহিনীভাগ বেছি স্বাভাৱিক কৰিছে।

বেদনিধি চৰিত্ৰটি শংকৰদেৱৰ নিজস্ব সৃষ্টি। ভাগৱতত বিশ্বাসী ব্ৰাহ্মণ এজনৰ যোগে কৃষ্ণলৈ বাৰ্তা পঠোৱা কথা আছে। কিন্তু হৰিবংশ'ত এই কথা অসম্পূৰ্ণ। ভাগৱতত বিশ্বাসী ব্ৰাহ্মণজনৰ ইংগিতটোকে লৈ শংকৰদেৱে 'ৰুক্মিণী হৰণ' কাব্য



তথা সমগ্ৰ অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটি অতিশয় মনোৰঞ্জন আৰু সুন্দৰ চৰিত্ৰ বেদনিধি চৰিত্ৰটিৰ সৃষ্টি কৰিছে। এই বেদনিধি চৰিত্ৰ সৃষ্টিয়ে কাব্যখনৰ কাহিনী বেছি বিশ্বাসযোগ্য কৰি তুলিছে।

শংকৰদেৱৰ আন এক নিজস্ব সৃষ্টি হৈছে সুমালিনী ধাই। ৰুক্মিণীয়ে কৃষ্ণৰ ওচৰলৈ পঠাবলৈ বেদনিধিক মতাই অনাৰ বাবে শংকৰদেৱে যেন সুমালিনী ধাই চৰিত্ৰটি সৃষ্টি কৰিছে। আকৌ শিশুপাল দৰা সাজি কুণ্ডিলৰ ৰাজ্যসভালৈ অহাৰ খবৰো প্ৰথমতেই সুমালিনী ধায়েহে ৰুক্মিণীক দিয়ে আকৌ সেই বিপদৰ সময়ত ৰুক্মিণীকে কি কৰিব পাৰে কৰিবলৈকো সুমালিনী ধায়ে পৰামৰ্শ দিছিল। এনে সংকটৰ বেলাত এনে গোপন কথাত সুমালিনী ধাইৰ নিচিনা সহযোগীৰ প্ৰয়োজন। সেই ফালৰ পৰা এই চৰিত্ৰটিৰ উদ্ভাৱনে কাব্যৰ কাহিনীক বিশ্বাসযোগ্য কৰি তুলিছে। বেদনিধি চৰিত্ৰটিৰ জৰিয়তে কাব্যৰ যি কাহিনী পোৱা যায় বা বেদনিধি কাৰ্যসমূহতো লগতে কাব্যৰ কাহিনী উপস্থাপনতো মহাপুৰুষ শংকৰদেৱে নিজস্ব প্ৰতিভাৰ চানেকি দাঙি ধৰিছে। ৰক্মিণীৰ মনোবেদনা লৈ কৃষ্ণ ওচৰলৈ বেদনিধিৰ যাত্ৰা আৰু কৃষ্ণৰ আগত ৰুক্মিণীৰ মনোবেদনা ব্যক্ত কৰাৰ পিছত ৰথত উঠি আহোঁতে বেদনিধি মূৰ্চা যোৱাৰ কানিহী কবিৰ নিজস্ব প্ৰতিভাৰ স্বাক্ষৰ। বেদনিধি চৰিত্ৰটিৰ যোগেদি অসমীয়া সাহিত্যত এটি অতিশয় আকৰ্ষণীয় আৰু স্থায়ী চৰিত্ৰ সৃষ্টি কৰিছে মহাপুৰুষ শংকৰদেৱে। বেদনিধি চৰিত্ৰটি শংকৰদেৱৰ মৌলিক প্ৰতিভাৰ এক উজ্জ্বল স্বাক্ষৰ।

মহাপুৰুষ শংকৰদেৱে কৃষ্ণ ৰুক্মিণীৰ বিয়াৰ প্ৰসংগত যিখিনি বৰ্ণনা দাঙি ধৰিছে এই সকলোবোৰ অসমীয়া সমাজৰ পৰাই মহাপুৰুষে বুটলি আনিছে। কাব্যখনত সংযোজিত অনুপম বৰ্ণিত চৰিত্ৰবোৰৰ মহত্ত্ব, মহিমা আৰু আদৰ্শ ফুটাই তুলিব পাৰিছে। কৃষ্ণ-ৰুক্মিণীৰ ৰূপ-বৰ্ণনা, কুণ্ডিল ৰাজ্যৰ ৰূপ বৰ্ণনা, দ্বাৰকা-পুৰীৰ ৰূপ বৰ্ণনা আদিত শংকৰদেৱৰ নিজস্ব ৰচনাশৈলী উজ্জ্বলভাৱে প্ৰতিভাত হৈছে।

ৰুক্মিণীয়ে শিশুপাললৈ তেওঁক বিয়া দিব বুলি জানি শিশুপালৰ অযোগ্যতা প্ৰকাশ। লক্ষ লক্ষ নৃপতিৰ মাজত যেতিয়া শ্ৰীকৃষ্ণ গৈ কুণ্ডিল ৰাজসভাত বহেগৈ তাৰে দৃষ্টান্ত ওপৰত বৰ্ণিত অনুপম পটন্তৰৰ উদাহৰণ। ৰুক্মিণীক ৰথত তুলি নিয়াত শিশুপালকে আদি কৰি বীৰসকলক আক্ৰমণ কৰাত ৰুক্মিণীয়ে ভয়ত বিহ্বল হোৱাত কৃষ্ণই পটন্তৰেৰে বুজাইছিল।

আকৌ ৰুক্মবীৰে কৃষ্ণৰ লগত যুদ্ধ দিয়াত ৰুক্মবীৰক বধ কৰিবলৈ উদ্যত হোৱাত ৰুক্মিণীয়ে কান্দি-কাটি ভাতৃৰ প্ৰাণ ভিক্ষা কৰে। ইয়াত যথাযথ পটন্তৰ, যোজনা, উপমাবোৰ শংকৰদেৱৰ মৌলিক সৃষ্টিৰ জ্বলন্ত প্ৰমাণ।

**সামৰণি ঃ** শেষত দ্বাৰকাত কৃষ্ণ-ৰুক্মিণীৰ বিবাহৰ বৰ্ণনাতো শংকৰদেৱৰ মৌলিক প্ৰতিভা অতি সুন্দৰকৈ ফুটি উঠা দেখিবলৈ পোৱা যায়। এইদৰে গোটেই কাব্যখনিতে শংকৰদেৱৰ মৌলিক প্ৰতিভা উজ্জ্বল হৈ প্ৰকাশ পাইছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


ক) শংকৰদেৱৰ সাহিত্য অধ্যয়ন ঃ ড° পাচান আলী আহমেদ

খ) শংকৰদেৱৰ সাহিত্য প্ৰতিভা ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰীৰ হকে শ্ৰীশশীবালা দেৱী, গলিয়াহাটী, বৰপেটা, অসম।






# ডেৰ জি বিৰ ডাটাত বন্দী জীৱনশৈলী আৰু হেৰাই যোৱা কিছুমান সেউজীয়া অনুভৱ ঃ এটি পৰ্যালোচনা


**খিজুমণি শইকীয়া**

সহকাৰী অধ্যাপিকা, ভূগোল বিভাগ




**দৃশ্যপট - ১**

ৰাহুল, ঐ ৰাহুল, কিনো কৰি আছ ৰূমটোতে সোমাই - মাকৰ গগণফলা চিঞৰত সি হেডফোনটো খুলি মাকলৈ চাই কিছু খঙেৰেই সুধিলে—

কি হ'ল? কিয় চিঞৰি আছা?

কাষৰ যদু খুৰা ঢুকাল, চোতালত মানুহ গোট খাইছে। মই যাঁও, তয়ো আহ সোনকালে বুলি কৈ মাক লৰালৰিকৈ ওলাই গ'ল।

ৰাহুলে তাৰ ফেচবুক একাউন্টটোত লগে লগে আপডেট দিলে, 'আজি মোক কোলাতলৈ ডাঙৰ কৰা যদু খুৰা আমাৰ মাজৰপৰা গুচি গ'ল অজানমুলুকলৈ।' কমেন্ট আহিল - RIP.

ঐ ৰাহুল, তই দেখোন নগ'লিয়েই। খুৰাক শ্মশানলৈ নিলেই মৃতকৰ ঘৰৰপৰা ঘৰলৈ ঘূৰি আহি পোৱা মাকৰ খং মিশ্ৰিত প্ৰশ্ন।

গৈনো কি কৰিম? হ'ব দিয়া, তুমি গ'লা নহয়। ৰাহুলে মোবাইলটোত ব্যস্ত থাকিয়েই আৱেগবিহীনভাৱে উত্তৰ দিলে।

**দৃশ্যপট - ২**

সন্ধিয়াৰপৰা পঢ়া টেবুলত বহি মোবাইল টিপি থকা পাপুক মাকে সুধিলে—

পাপু তই নপঢ় কিয়? কিনো মবাইলডাল টিপি আছ?

পঢ়া বস্তুৰেই চাই আছো অ মা। ডিষ্টাৰ্ব নকৰিবা ৰ'বা। ইংৰাজী মাধ্যমত পঢ়া অষ্টম শ্ৰেণীৰ ছাত্ৰ পাপুৰ বিৰক্তিমূলক উত্তৰ।

হেৰৌ, মই মেট্ৰিক পৰীক্ষা দিবলৈ নাপাওঁতেই ককাৰে মোক বিয়া দি দিলে যদিও আমি পঢ়া বস্তু কিতাপতহে পঢ়িছিলোঁ। জানো পায় তই কি পঢ়িছ সেই মোবাইলডালত।

মই কাতি বিহুৰ বিষয়ে ইন্টাৰনেটত বিচাৰি আছো ৰ'বা। মোবাইলত ব্যস্ত পাপুৰ উত্তৰ।

কি ক'লি? কাতি বিহুৰ বিষয়ে! হেৰৌ সেয়া কিয় বিচাৰিব লাগে? ময়েই তোক কৈ দিছো শুন বুলি মাকে অসমীয়া জাতিৰ প্ৰাণস্বৰূপ আটাইকেইটা বিহুৰ বিষয়ে এফালৰপৰা সলসলাই কৈ গ'ল।

দৃশ্যপট - ৩

স্নাতক পঞ্চম ষাণ্মাসিকৰ শ্ৰেণীত পাঠদান চলি আছে। দ্বিতীয় বেঞ্চত বহা কৰবীয়ে কাষতে বহা পৰীক হেঁচুকি দি সুধিলে—

পৰী, মেডামৰ লেক্‌চাৰটোৰ দৰকাৰী পইন্টবোৰ নিলিখ কিয়?

এহ বাদ দে, মন যোৱা নাই। ঘৰত টপিকটো ইন্টাৰনেটৰপৰা চাই ডাউনলোড কৰি ল'ম— পৰীয়ে নিম্নস্বৰেৰে ক'লে।

উল্লিখিত দৃশ্যবোৰ এতিয়া সহজলভ্য তথা এয়া কেইটামান নমুনাহে মাত্ৰ। কাষৰ ঘৰত কিবা বিপদ হ'লে যোৱাটো দূৰৰে কথা, আমি যেন ক্ৰমাত মানৱীয় প্ৰমূল্যবোধেৰে আন এজনৰ দুখত দুখী কিম্বা সুখত সুখী হ'বলৈও নজনা হৈছোঁ। আনকি মৃতকৰ প্ৰতি এতিয়া শেষ শ্ৰদ্ধাকণ নিৱেদন কৰিবলৈও চ'চিয়েল মিডিয়াত ৰেষ্ট-ইন-পিচ (rest in peace) বুলি সম্পূৰ্ণকৈ লিখাৰ পৰিৱৰ্তে সময়ৰ অজুহাতত আমি চমুকৈ RIP বুলি লিখি থওঁ। সুখ-দুখৰ অনুভৱ গণ্ডীক নেওচি কিহত ইমান বেছি ব্যস্ত হৈছো বাৰু আমি? কি পাইছোঁ, কি হেৰুৱাইছোঁ?

সংস্কৃতিৰ বিচ্ছুৰণ নিঃসন্দেহে আদৰণীয়। কিন্তু বাহ্যিকতা বৰ্তাই ৰাখিবলৈ গৈ নিজৰ সংস্কৃতিক অৱহেলা কৰাটো কিমানখিনি আদৰণীয়? সংস্কৃতিয়ে এটা জাতিৰ সংজ্ঞা নিৰ্ধাৰণ কৰে। সংস্কৃতি কোনো সমাজ-জীৱনৰ আলম্ব নথকা বেবিলনৰ শূন্যোদান নহয়। যিখিনি উপাদান আমাৰ কৃষ্টিত জীণ যায় তাক গ্ৰহণ কৰিলে আমাৰ সংস্কৃতি নিশ্চয়কৈ চহকী হ'ব। কিন্তু মন কৰিব লাগিব যাতে ই খাপচৰা নহয়, যিহেতু সকলো উৎকৃষ্ট সংস্কৃতিয়েই সমন্বয়ৰ মাজেৰেহে জিলিকি উঠে। কিন্তু অসমৰ অসমীয়াই যদি বিহুৰ সংজ্ঞা গুগলত বিচাৰিব লগা হয়, তেন্তে জাতিটোৱে অনাগত সময়ত নিঃসন্দেহে কিবা হেৰুৱাবলৈ গৈ আছে। চিন্তনীয় যে কোন দিশে সমাজৰ এই চাম উঠি অহা প্ৰজন্মই গতি কৰিছে। কৰ্মবিমুখ হৈ অভিভাৱকক ভাবুকি দি হ'লেও এটা এনৰইয়ড ফোন আৰু এখন নতুন মডেলৰ দুচকীয়া বাহনৰ গণ্ডীত এতিয়া এচাম অভিজাত কিশোৰৰ পৰিচয়ৰ সংজ্ঞা সীমাবদ্ধ হোৱা পৰিলক্ষিত হয়।

হয়, ইন্টাৰনেটত শিক্ষণীয় বিষয়ৰ বহুত বেছি তথ্য সহজেই উপলব্ধ। অনলাইল কৰ্চবোৰো যথেষ্ট ফলপ্ৰসূ হৈছে। কিন্তু পৃথিৱীত কেতিয়াও কোনোদিনে কোনো মাধ্যমেই শ্ৰেণীকোঠাত শিক্ষকৰ স্থান ল'ব নোৱাৰিব, শিক্ষকক স্থানচ্যুত কৰিব নোৱাৰিব। আনহাতে ইন্টাৰনেটৰ অযুত ভাল সুবিধাক একাশৰীয়া কৰি সস্তীয়া তথা লঘু কিছুমান বিষয়ৰ প্ৰতিহে যেন উঠি অহা এটা চামৰ সমান্তৰালকৈ কিয়দাংশ জ্যেষ্ঠও আগ্ৰহী হোৱা পৰিলক্ষিত হয়। বাহিক্যতা তথা প্ৰদৰ্শনমূলক জীৱন উদ্‌যাপন কৰা এটা চামে ভোকাতুৰ কাৰোবাক এমুঠি আহাৰ মুখত তুলি দিওঁতে কিন্তু ফটো তুলি আপলোড কৰিবলৈ কেতিয়াও নাপাহৰে। বানপীড়িতক দিয়া বান সাহায্যৰ চেল্‌ফিৰ কথা বাৰু নক'লোৱেই যেনিবা! অথচ প্ৰকৃত সেৱাৰ মানসিকতাৰে নীৰৱে প্ৰচাৰ বিমুখহৈ কাম কৰি থকা প্ৰকৃত মানুহৰ সংখ্যা মুষ্টিমেয় হ'লেও তেওঁলোকৰ প্ৰতিচ্ছবি যে পীড়িতসকলৰ কলিজাত খোদিত হৈ থাকি যায়।

আজি যেন কেৱলমাত্ৰ বাহ্যিকতা তথা প্ৰদৰ্শনমূলক মানসিকতাত জীয়াই থকাসকলৰ অনুভৱৰ বাহিৰত থাকি যায় জীৱন চহকী কৰা সেউজীয়া অনুভৱবোৰ। ককা-আইতাৰ সাধু শুনি জীপাল হোৱা শিশুৰ শৈশৱ এতিয়া ভিডিঅ' গেমত আৱদ্ধ। পৰিয়ালৰ জ্যেষ্ঠ কিম্বা বৃদ্ধজনৰপৰা আঁতৰি কেৱলমাত্ৰ নিজৰ দৈনন্দিন জীৱনৰ ৰুটিনৰ মেৰপেচত বান্ধখাই থকা শিশুৰপৰা পৰৱৰ্তী সময়ত পিতৃ-মাতৃ তথা বৃদ্ধজনৰ প্ৰতি আৱেগসনা আচৰণ বিচৰাটো কিমানখিনি যুক্তিসংগত হয়? এতিয়াতো ডেৰ জি বিৰ ডাটাত আমি এনেকুৱাকৈ বান্ধ খাই পৰিছোঁ যে ঘৰখনত আয়োজন কৰা মাঙ্গলিক অনুষ্ঠানলৈ অতিথি নিমন্ত্ৰণ কৰিবলৈ সোশৰীৰে কাৰোবাৰ ঘৰলৈ যোৱাটো দূৰৰে কথা, এবাৰ ফোন কৰি নাপালে হোৱাট্‌ছআপতে মেছেজ এটা দি থৈ দিয়াৰ পৰ্যায় পালেহি। ক'ৰবাত যেন হেৰাই গৈছে আপ্ত বাক্যশাৰী— 'অতিথি সাক্ষাৎ দামোদৰ'। আমি যেন জীৱনৰ লক্ষ্যক ধিয়াই এতিয়া খৰকৈ যোৱাই নহয়, দৌৰিবলৈ লৈছোঁ। দৌৰাৰ গতিবেগত আমি আজি এৰি যাব লৈছোঁ বহুখিনি, এৰা বহুখিনি!


জীৱনে সময়ৰ ধাৱাত বং সলাই, কেতিয়াবা আমাক চহকী কৰে, কেতিয়াবা কঙাল। বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাই মানুহক পৃথিৱীত এক স্বকীয় পৰিচয় দিছে। ভাল কথা। কিন্তু আমি ভাল দিশতকৈ যেতিয়া ক্ৰমাৎ লঘু দিশবোৰৰ বসন পিন্ধি বাহ্যিকতাৰে জীৱন সজাও তাৰ ফলাফল বিৰূপ হয়। মানুহে নিজকে জীৱশ্ৰেষ্ঠ বুলি বুকু ফিন্দাই ক'বলৈ যাওঁতে যান্ত্ৰিক নহৈ প্ৰথমে মানৱীয় গুণেৰে মহীয়ান হৈ সমাজৰ উত্তৰণ ঘটাওক, বিজ্ঞানসন্মত কাৰিকৰী কৌশলেৰে পৃথিৱীত শ্ৰেষ্ঠ জীৱৰ নিচান উৰুৱাওক। অনাগত প্ৰজন্মৰ আৰ্হি হওক।





# আত্মীয় সম্পৰ্ক আৰু গোলকীয় সভ্যতা

**নীলাক্ষি কলিতা**
স্নাতক পঞ্চম ষাণ্মাসিক



বৰ্তমান সময়ত মানুহে যিমানেই আধুনিকতাৰ ওচৰত নিজকে সমৰ্পণ কৰিছে, মানুহ সিমানেই যন্ত্ৰলৈ ৰূপান্তৰ হৈছে। পৃথিৱী যিমানেই গোলকীকৰণৰ দিশত আগবাঢ়িছে সিমানেই মানুহেও আত্মীয়তা হেৰুৱাইছে। যান্ত্ৰিক সভ্যতাই মানুহক সময়ৰ টিকনিত ধৰি দৌৰিবলৈ শিকাইছে যদিও বহু ক্ষেত্ৰত থমকি ৰোৱাও পৰিলক্ষিত হয়। কোনো কোনো ক্ষেত্ৰত মানুহে নিজৰ কৰ্তব্য পাহৰিও গোলকীয় সভ্যতাক প্ৰশ্ৰয় দিয়া উদাহৰণ নথকা নহয়। মৰম-স্নেহ, প্ৰেম-ভালপোৱা, আদৰ-যত্ন, ভয়-সংশয়, মানৱীয়তা আদি বৰ্তমান সমাজত প্ৰায়েই নোহোৱা হৈছে।

গোলকীয় সভ্যতা বুলিলে আমি বৰ্তমান সময়ত ম'বাইল, ইণ্টাৰনেট, কম্পিউটাৰ, ফেচবুক, হোৱাটচ্‌এপ, ই-মেইলআদিৰ জৰিয়তে সমগ্ৰ পৃথিৱীত যি মকৰা জালৰ সৃষ্টি কৰি পৃথিৱীখনক এখন গাঁৱলৈ ৰূপান্তৰ কৰিছে, সেই পৰিস্থিতিকে আমি গোলকীকৰণ বা গোলকীয় সভ্যতা বুলি বুজোঁ। এই গোলকীয় সভ্যতাৰ বহুতো সুফল আৰু কুফল আছে। প্ৰায়বোৰ জনসাধাৰণে সু-ফলবোৰ আঁকোৱালি লৈছে যদিও বহুতেই কুফলকো বিনাদ্বিধাই আঁকোৱালি লোৱা দেখা যায়। এই কুফলৰ বহুতো উদাহৰণ আমাৰ সন্মুখত জল্‌জল পট্‌পটকৈ জিলিকি আছে।

বৰ্তমান গোলকীয় সমাজত সঘনাই পৰিলক্ষিত হোৱা এটা সমস্যা হ'ল বিবেকহীন কাৰ্য। মানুহে আধুনিকতাক প্ৰশ্ৰয় দি বিবেকহীন কাৰ্য কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে। নিজক লৈ ব্যস্ত বৰ্তমানৰ মানুহে নিজ পিতৃ-মাতৃৰ কথা চিন্তা কৰিবলৈ বহুতো মুখা পিন্ধা ভদ্ৰ লোকৰ আহৰি নাই। যিজন পিতৃয়ে নিজে এসাঁজ নাখাই সন্তানৰ সুখৰ কাৰণে নিজক কষ্ট দিছিল, আজি সেইজন পিতৃ বা সেইগৰাকী মাতৃৰ পৰিচয় দিবলৈ লাজ কৰা জ্ঞানীৰ অভাৱ নাই। নিজৰ সন্তানে কি খাই ভাল পায় তাক ৰান্ধি মুখৰ আগত বাঢ়ি দি নিজৰ কথা চিন্তা নকৰা মাতৃগৰাকীকো 'মা' বুলি মাতিবলৈ বহুতেই অশান্তি পায়। 'দহ মাহ দহ দিন' গৰ্ভত ৰাখি জন্ম দিয়া, নিজৰ স্তনপান কৰাই ডাঙৰ কৰোৱা সন্তানে পৰৱৰ্তী সময়ত কিয় পিতৃ-মাতৃক চোৱা-

চিতা নকৰে? কিয় বাৰে বাৰে পৰশুৰামৰ জন্ম হৈছে? কিয় আজি বহু উচ্চ সম্পত্তিশালী ব্যক্তিৰ মাতৃয়ে বৃদ্ধাশ্ৰমত, পথৰ দাঁতিত থাকি জীৱন কটাবলীয়া হৈছে? বৰ্তমান এই আধুনিক সমাজৰ বাবে ই এটা গভীৰ আৰু জটিল প্ৰশ্ন।




সৌ সিদিনাৰ কথা। শিৱসাগৰ চহৰত তোলপাৰ লগোৱা এটা ঘটনা। কি দোষ আছিল ৰজনী খাৰঘৰীয়াৰ? কিয় সেই বৃদ্ধগৰাকীয়ে আত্মহননৰ পথ বাছি ল'ব লগা হ'ল? কিয় তেওঁ পত্নীৰ দুৰ্দশা সহ্য কৰিব নোৱাৰিলে? Oil Indiaত কৰ্মৰত দেৱাশীষ আৰু তেওঁৰ শিক্ষয়িত্ৰী পত্নীয়ে কি নিজ মাতৃক এটা টেবলেটৰ যোগান ধৰিব নোৱাৰিলে?

আচলতে এইটো এটা সামান্য উদাহৰণ মাত্ৰ। এয়াই গোলকীয় সত্যতাৰ ফল। তেওঁৰ দৰে শ শ পিতৃ-মাতৃয়ে তেনেদৰে এই পৃথিৱীৰপৰা বিদাই ল'বলগীয়া হৈছে। ইয়াৰ কাৰণ হয়তো বৰ্তমানৰ এই সমাজেই হ'ব। বৃদ্ধ অকলশৰীয়া মাতৃক কলংসুঁতিলৈ দলিয়াই দিব পৰা পাষণ্ড পুত্ৰৰো এই মূধা ফুটা সমাজত অভাৱ নাই। পিতৃ-মাতৃ বৃদ্ধাৱস্থাত কেৰাচিন ঢালি জ্বলাই দিয়া সন্তানো এই সমাজতে আছে। বিবেকহীন কাৰ্য কৰিবলৈ এই একবিংশ শতিকাতো কুণ্ঠাবোধ নকৰে?

পিতৃ-মাতৃ! যি কষ্টৰে নিজৰ জীৱনৰ সুখৰ কথা চিন্তা নকৰি সন্তানৰ সুখৰ কাৰণে নিজৰ জীৱন উচৰ্গা কৰে। কিন্তু তেওঁলোকক এই জীৱনদানৰ প্ৰতিদানত সন্তানে কি দিয়ে? প্ৰত্যেক পিতৃ-মাতৃয়ে নিজৰ সন্তান ডাঙৰ হৈ সমাজত অধিক সন্মানপূৰ্ণ আৰু সমৃদ্ধিশালী হোৱাটো বিচাৰে। কিন্তু সন্তানে সেই পিতৃ-মাতৃৰ কাৰণে কি কৰে সেইটো আটাইতকৈ অধিক গুৰুত্ব দিবলগীয়া বিষয়।

অনাদি কালৰপৰা অনন্ত কাললৈ যেতিয়ালৈকে সমাজ থাকিব, মানুহ থাকিব তেতিয়ালৈকে পিতৃ-মাতৃ থাকিব। কিন্তু তেওঁলোকৰ অৱস্থা কেনেকুৱা ধৰণৰ হ'ব সেইটোহে মূল বিষয়। অতীত ইতিহাসত অন্ধ পিতৃ-মাতৃৰ ভাৰ বনাই কান্ধত লৈ পৃথিৱী ভ্ৰমণ কৰাৰ উদাহৰণো এই সমাজত আছে। কিন্তু বৰ্তমানৰ এই সমাজত শ্ৰৱণ নাই। কিন্তু মাতৃ হত্যাকাৰী পৰশুৰামৰ অভাৱ নাই। বৰ্তমান এই সমাজত পিতৃ-মাতৃৰ স্থান ক'ত? কেইগৰাকী পিতৃ-মাতৃয়ে নিজ সন্তানৰ লগত সুখত আছে?



কিয় সময়ৰ লগতে মানুহৰ চিন্তাধাৰাৰ পৰিৱৰ্তন হৈছে? মানুহে কিয় আত্মীয়তা হেৰুৱাইছে? পিতৃ-মাতৃৰ জীৱন-যাপনৰ দায়িত্ব ল'লে কিয় সম্পত্তি শেষ হৈ যাব বুলি বৰ্তমান নাগৰিকৰ ভয় হৈছে?

আধুনিকতাক প্ৰশ্ৰয় নিদি নিজ মাতৃক বা পিতৃক সন্মানেৰে প্ৰতিপালন কৰাটো বৰ্তমানৰ এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ। যিমানেই যি নহওক কেতিয়াও মাক-দেউতাকৰ ওপৰত নিজৰ দায়িত্ব এৰিব নালাগে। সকলো সন্তানেই দেৱাশীষ, পৰশুৰামৰ দৰে নহয়। এতিয়াও এই সমাজত পিতৃ-মাতৃক ভক্তি কৰি চলা বহু সন্তান আছে।

মুঠৰ ওপৰত পিতৃ-মাতৃ পৰম গুৰু। তেওঁলোকক সমীহ কৰি চলাটো প্ৰত্যেক সন্তানৰে কৰ্তব্য। আমি কেতিয়াও সেই দুগৰাকী ব্যক্তিক অৱহেলা কৰিব নালাগে। আমি সদায় 'শ্ৰৱণ' হ'বলৈ যত্ন কৰিব লাগে। আমাৰ সুকৰ্মই যেনেকৈ আমাক উৎফুল্লিত কৰে কিন্তু আমি অনুভৱেই কৰিব নোৱাৰোঁ যে মা-দেউতাই কিমান আনন্দ পায়। সেইহে পিতৃ-মাতৃৰ প্ৰতি থকা দায়িত্ব আমাৰ প্ৰধান কৰ্তব্য হিচাপে লৈ ভৱিষ্যতত আগুৱাই যাব লাগে। ভগৱানৰ তলতে পিতৃ-মাতৃক স্থান দিয়াটো অধিক প্ৰয়োজন। যেনেদৰে আমি ভগৱানক ভয় কৰোঁ, সন্মান কৰোঁ ঠিক তেনেদৰে পৰম পূজ্য পিতৃ-মাতৃকো ভয়, মৰম, শ্ৰদ্ধা কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য







# অন্ধবিশ্বাস

**নাজিৰা আহমেদ**
স্নাতক তৃতীয় ষাণ্মাসিক

এখন গাঁৱত এটা পৰিয়াল আছিল। পৰিয়ালটোত মাত্ৰ মাক-দেউতাক আৰু তেওঁলোকৰ একমাত্ৰ ছোৱালী নিকিতা আছিল। নিকিতাৰ তিনি গৰাকী বান্ধৱী আছিল। তাই সিহঁতৰ লগতে খেলা-ধূলা, পঢ়া-শুনাৰ মাজেৰে ডাঙৰ-দীঘল হৈছিল।

বৰষা, ৰিয়া আৰু নিকিতা গোটেইকেইজনী একেখন বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। কিছুদিনৰ পিছতে গৰম বন্ধ হ'ব বাবে সিহঁতৰ বিদ্যালয়ত সাংস্কৃতিক অনুষ্ঠানটি অতি সোনকালে আৰম্ভ হ'ব, গতিকে সিহঁত আটাইকেইজনীয়ে তাৰে প্ৰস্তুতি চলাই আছে।

বৰষা, ৰিয়া আৰু নিকিতা সিহঁতে 'বিলতে হালিছে' গীতটোত নৃত্য পৰিৱেশন কৰিম বুলি সাজি-কাচি ওলাই আহিছে। আৰু কিছু সময়ৰ পিছত সিহঁতে মঞ্চত পৰিৱেশন কৰিব। অলপ পিছতে সিহঁতক মঞ্চলৈ আমন্ত্ৰণ জনালে। গোটেইকেইজনীয়ে সকলোবোৰ ঠিক-ঠাক কৰি মঞ্চত উঠিল। মঞ্চত নৃত্য পৰিৱেশন কৰা অৱস্থাত হঠাৎ নিকিতা মূৰ্ছা গ'ল। সকলো ফালে হুৰা-দুৰা লাগিল। সকলো ছাত্ৰ-ছাত্ৰীয়ে মিলি শ্ৰেণী কোঠালৈ লৈ গ'ল। সকলো শিক্ষক-শিক্ষয়িত্ৰী উধাতু খাই আহিল। এজন শিক্ষকে অতি সোনকালে ডাক্তৰক মাতি পঠালে। ডাক্তৰ আহি চিকিৎসা কৰাৰ পিছত সকলোৱে কি হৈছে সোধাত ডাক্তৰে উত্তৰ দিলে। তাইৰ আগৰপৰা এক গুৰুত্বৰ অসুখ আছে। সেইকথা মাক-দেউতাকে নিশ্চয় জানে কিন্তু ছোৱালীজনীক আনে বেমাৰী বুলি হাঁহিব বাবে তেওঁলোকে লুকুৱাই ৰাখিছে আৰু নিকিতাৰ চিকিৎসাৰ ব্যৱস্থা কৰা নাই। কু-সংস্কাৰ আৰু লোক নিন্দাৰ বাবে ভয়ত অনেক লোকে সন্তানৰ বেমাৰ লুকুৱাই ৰাখে, যাৰ বাবে সময়ত ই হয়গৈ সৰ্বনাশৰ মূল। কেতিয়াবা ই হয়তো হৈ পৰে দুৰাৰোগ্য। ইয়ে বুজাই যে যিকোনো বেমাৰ লুকুৱাই থোৱাৰ পৰিণাম কি হয় আৰু অন্ধবিশ্বাসৰ ফলত এক ভয়াৱহ ৰূপ হ'ব পাৰে। সেইবাবে সকলোৱে ইয়াৰ প্ৰতি সজাগ হ'ব লাগে।

# কিতাপ পঢ়াৰ উপযোগিতা আৰু ইয়াৰ আনন্দ



**শিল্পীশিখা বৰা**
স্নাতক তৃতীয় যাণ্মাসিক

জ্ঞান বিকাশৰ বাবে অধ্যয়ন অতি প্ৰয়োজনীয়। মানৱৰ এটি সু-অভ্যাস হৈছে বিভিন্ন কিতাপ অধ্যয়ন কৰা। অধ্যয়নে আমাক জ্ঞান বিস্তাৰ কৰাত সহায় কৰে। যিখন দেশ বা সমাজত কিতাপৰ প্ৰচলন নাই সেইখন দেশ বা সমাজ নথকাই ভাল। কথাতে কয় 'কিতাপ বিহীন ঘৰ খিৰিকীবিহীন কোঠাৰ দৰে।'

বিভিন্ন কিতাপ অধ্যয়ন কৰিলে মানুহে বহুতো নজনা কথা জানিব পাৰে। বিশিষ্ট বিজ্ঞানী ড° এ.পি.জে. আব্দুল কালামে কৈছিল— 'তুমি দিনটোৰ এঘণ্টা সময় কেৱল কিতাপ পঢ়াৰ কাৰণে উলিয়াই ল'বা, দেখিবা তুমি কিছুদিন পাছত তোমাৰ মনটো এক জ্ঞানৰ কেন্দ্ৰলৈ ৰূপান্তৰ হ'ব।'

বিভিন্ন ধৰণৰ গল্প, উপন্যাস, সাধু আদি অধ্যয়ন কৰিলে আমি আনন্দ আৰু হাঁহিৰ খোৰাক পোৱাৰ লগতে জীৱনত আগবাঢ়ি যোৱাত সহায় কৰে। সাধুকথাবোৰে আমাক বিভিন্ন ধৰণৰ উপদেশ দিয়ে যাৰ যোগেদি আমি জীৱনত ভালদৰে আগবাঢ়ি যাবলৈ প্ৰেৰণা লাভ কৰোঁ।

অধ্যয়ন কৰা মানৱৰ মনত উচ্চ-নীচ, সৰু-ডাঙৰ, হিংসা, ঈৰ্ষা আৰু আপোন-পৰ ভাব থাকিব নোৱাৰে। অধ্যয়নশীল মানুহৰ মন আকাশৰ দৰে উদাৰ, সাগৰৰ দৰে বিশাল, পৰ্বতৰ দৰে স্থিৰ গহীন-গম্ভীৰ হয়। মহৎ লোকসকলে অধ্যয়নৰ জৰিয়তে সমাজক নিৰ্ভুল পথ নিৰ্দেশ কৰিব পাৰে, সমাজৰ কল্যাণ সাধন কৰিব পাৰে।

এজন ভাল বন্ধুতকৈ এখন ভাল কিতাপ মানুহৰ জীৱনত বেছি উপকাৰী। কাৰণ বন্ধুজনে কেতিয়াবা কিবা কথাত বেয়া পাই আঁতৰি যাব পাৰে কিন্তু কিতাপখন মৃত্যু পৰ্যন্ত মানুহজনৰ লগতে থাকে। এখন শ্ৰেষ্ঠ গ্ৰন্থ মৃত্যুঞ্জয়ী।

পুথি পঢ়াৰ আৰু এটা বহুমূলীয়া গুণ আছে। সৎ-সঙ্গৰপৰা যে মানুহৰ সৎ স্বভাৱ হয়। এই কথা সকলোৱে বিশ্বাস কৰে। যিবিলাক মানুহৰ লগত সদায় উঠা-বহা কৰা দেখা যায়। আমাৰ স্বভাৱ-চৰিত্ৰও সেই মানুহৰ স্বভাৱ-চৰিত্ৰৰ পৰাই গঢ়ি উঠে। মানুহ ভাল সঙ্গত থাকিলে ভাল হয় আৰু বেয়া সঙ্গত থাকিলে বেয়া হয়। মানুহৰ সঙ্গৰ নিচিনা পুথিৰ সংগয়ো আমাৰ স্বভাৱ-চৰিত্ৰৰ ওপৰত কাৰ্য কৰে। প্ৰত্যেক পুথিয়ে ৰচোতাজনৰ স্বভাৱ-চৰিত্ৰৰ ছাঁৰ নিচিনা। পুথি পাঠ কৰিলে সেই পুথিৰ লেখকৰ লগত কথা পতা যেন অনুমান হয় আৰু সদায় তেওঁৰ পুথি অধ্যয়ন কৰিলে তেওঁৰ সঙ্গত থকা যেন গুণ ধৰে। এতেকে ভাল পুথি পঢ়িলে ভাল সঙ্গত থকা আৰু বেয়া পুথি পঢ়িলে বেয়া সঙ্গত থকা যেন ফল হয়।

কিতাপৰপৰা জ্ঞান লাভ কৰিব পাৰি এনে নহয় কিতাপে আজৰি সময়খিনিকো সুন্দৰভাৱে পাৰ কৰাই দিয়ে। খ্ৰীষ্ট্ৰফাৰ মলিয়ে কৈছে যে, 'প্ৰতিদিনে এনে এখন কিতাপ পঢ়িবা যিখন কিতাপ আন কোনেও পঢ়া নাই। প্ৰতিদিনে এনে এটা চিন্তা কৰিবা যিটো চিন্তা আন কোনেও কৰা নাই। নামহীন, মুখহীন, জ্ঞানপুঞ্জীৰ মাজত নিজকে কেতিয়াও হেৰাই যাবলৈ নিদিবা।'


শেষত মই কওঁ যে ৰাতিপুৱা সূৰ্যৰ কিৰণে যিদৰে চৌদিশ পোহৰাই আনে ঠিক সেইদৰে প্ৰতিখন কিতাপেই আমাৰ জীৱনলৈ কঢ়িয়াই আনে জ্ঞানৰ অফুৰন্ত ৰশ্মি। বৰ্তমান জ্ঞান সভ্যতাৰ যুগ। আমি সময়ৰ লগত আগবাঢ়ি যাবলৈ কিতাপক ভাল পাবই লাগিব। দিনটোত এঘণ্টা সময় লোৱা মহৎ কিতাপবোৰ অধ্যয়ন কৰাৰ বাবে যিয়ে আমাক জ্ঞান অৰ্জন কৰাৰ লগতে আজৰি সময়খিনিও আনন্দৰে উপভোগ কৰাত সহায় কৰে।





# ছাত্ৰ-ছাত্ৰীৰ জীৱনত সময়ৰ গুৰুত্ব

**লনি শইকীয়া**
স্নাতক তৃতীয় যাণ্মাসিক



'এটি এটি ক্ষণ যেন মুকুতাৰে ধন। এনেই হেৰুৱালে নাহে উভতি।'


ছাত্ৰ অৱস্থাত সময় এক সম্পদ বুলি অভিহিত কৰিব পাৰি। এই সময়ত পঢ়া-শুনাৰ লগতে খেলা-ধূলা, নৃত্য-গীত আৰু হাতৰ শিল্প বিদ্যা আদি অন্যান্য শিক্ষা আহৰণ কৰাত গুৰুত্ব দিব লাগে। কিয়নো সময় হৈছে এখন নদীৰ দৰে। নদীৰ সোঁত অনন্ত গতিৰে অবিৰামভাৱে বৈ থাকে। কেতিয়াও থমকি নৰয়। তেনেদৰে সময়ৰ গতিও ৰোধ কৰিব নোৱাৰি। সময়ৰ গতি ৰোধ কৰিব পৰা হ'লে জীৱ অমৰ হ'লেহেঁতেন। কিন্তু সেইটো মুঠেই সম্ভৱ নহয়। মানুহৰ জীৱনটো তেনেই চুটি। এই চুটি জীৱনতে ছাত্ৰ-ছাত্ৰীসকলে বহুতো সু-কৰ্ম কৰি নিজকে সুন্দৰকৈ সকলোৰে আগত প্ৰতিষ্ঠা কৰাটোহে প্ৰকৃত জীৱন। ছাত্ৰ-ছাত্ৰীসকলে বহুতো সুকৰ্ম কৰি নিজৰ অন্তহীন আশা পূৰণ কৰাত আহোপুৰুষাৰ্থ কৰিব লাগে। কিয়নো যিবোৰ দিন পাৰ হৈ গ'ল সেইবোৰ উভতাই পোৱা কেতিয়াও সম্ভৱ নহয়। সেইবাবে সময়ৰ গুৰুত্ব অসীম।

মানুহে শৈশৱ অৱস্থা কৈশোৰত নাপায় বা শৈশৱৰ অস্তিত্বও যৌৱনত নাই। কৰ্মৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে সময়ক মূল্য দিব নোৱাৰিলে জীৱনত বিপৰ্যয় ঘটে। জীৱনলৈ ব্যৰ্থতা নামি আহে। ছাত্ৰ অৱস্থাতে যদি শিক্ষা গ্ৰহণ কৰা নহয়, তেন্তে জীৱন অথলে যাব। উপযুক্ত সময়ত উপযুক্ত কৰ্ম নকৰিলে জীৱনত কৃতিত্ব লাভ কৰিব নোৱাৰি। ছাত্ৰৰ জীৱনত সময়ৰ মূল্য অতি বেছি আৰু গুৰুত্বপূৰ্ণ। ছাত্ৰ অৱস্থাত ছাত্ৰৰ কৰ্তব্য অধ্যয়ন আৰু জ্ঞান অৰ্জন। জ্ঞানেই মানুহক সভ্য আৰু সুখী কৰি তোলে। সেয়েহে জীৱনৰ প্ৰতিটো ক্ষণতে সময়ৰ গুৰুত্ব বুজি সময় অপব্যৱহাৰ নকৰি জীৱন কটোৱা উচিত।

ছাত্ৰ-ছাত্ৰীৰ জীৱনত চৰিত্ৰৰ প্ৰভাৱ অপৰিসীম। এই ভেটিটো সুস্থ আৰু দৃঢ় হ'ব লাগে যাতে সংসাৰৰ হেঁচাত এই চৰিত্ৰ ভাঙি চুৰমাৰ হৈ যাব নোৱাৰে। মানুহৰ জীৱনত বিদ্যা আহৰণ হ'ল মনুষ্যত্ব বিকাশ হোৱা এক পদক্ষেপ। কেৱল খোৱা-বোৱা, ধন অৰ্জন কৰি ইন্দ্ৰিয় বৃত্তি চৰিতাৰ্থ কৰাই জীৱন নহয়। সৎ চৰিত্ৰই মানুহক নানা প্ৰলোভনৰপৰা ৰক্ষা কৰে। সৎ চৰিত্ৰ লোকে কুচৰিত্ৰৰ লোকক আকৰ্ষণ কৰি সৎ হ'বলৈ প্ৰভাৱান্বিত কৰে। সেয়েহে সদায় সৎ চৰিত্ৰৰ সঙ্গ গ্ৰহণ কৰি সময় কটোৱা উচিত। সৎ চৰিত্ৰ গঠনত সাহসৰ অতি প্ৰয়োজন। সাহসে মনলৈ মনোবল কঢ়িয়াই আনে। নিজৰ অন্তৰত স্থাপিত হোৱা দৃঢ় মনোবলে মানুহক অসৎ হোৱাৰপৰা ৰক্ষা কৰে।

ঈশ্বৰৰ মহিমা অপাৰ। এই বিশাল মহিমামণ্ডিত পৃথিৱীখন যি শক্তিয়ে স্ৰজন কৰিছে তাকে আমি ঈশ্বৰ বুলি বিশ্বাস কৰোঁ। ঈশ্বৰক বিশ্বাস কৰা উচিত। কিন্তু অন্ধবিশ্বাস ত্যাগ কৰিব লাগে। ঈশ্বৰক বিশ্বাস কৰিলে মানুহে অসৎ পথত ভৰি দিব নোৱাৰে। সেইবাবে কু-চিন্তা, কু-ভাৱ মনৰপৰা আঁতৰাই ঈশ্বৰক বিশ্বাস ৰাখি কৰ্মক্ষেত্ৰত আগুৱাই যোৱাহে মহৎ কাম।

আকৌ এলাহ আৰু অমনোযোগিতা ছাত্ৰ-জীৱনৰ ধ্বংসৰ প্ৰধান কাৰণ। এই এলাহ আৰু অমনোযোগিতা আঁতৰাবলৈ প্ৰয়োজন মাথোঁ ভাল অভ্যাসৰ। সীমাবদ্ধ জীৱনত যিকণ অমূল্য সময় পোৱা যায় তাক সৎ ব্যৱহাৰৰ যোগেদি জীৱনটো সুখী আৰু আনন্দময় কৰি তুলিব লাগে। জীৱনটো এখন ৰণক্ষেত্ৰ। সংগ্ৰামেই জীৱনৰ পৰিচয়। আনহাতে সময় হ'ল ক্ষণস্থায়ী। সেয়েহে প্ৰত্যেক ক্ষণকে সদব্যৱহাৰ কৰি জীৱনটো কৃতাৰ্থ কৰা উচিত। জীৱনৰ শৈশৱ কালটোৱেই অভ্যাস গঢ়ি তোলাৰ উৎকৃষ্ট সময়। এই সময়ছোৱাত যি কামৰ অভ্যাস কৰা হয়, সেইটো জীৱনলৈ বৈ যায়। কিন্তু ধৈৰ্য আৰু একাগ্ৰতাৰ জৰিয়তে মানুহে নিজৰ সীমিত জীৱনকালত নানা ধৰণৰ সু-অভ্যাসৰ গঢ় দি নিজৰ জীৱনটো সুখদায়ক আৰু মধুময় কৰি তুলিব পাৰে।



# বাণ ৰজাৰ নগৰলৈ গৈছিলোঁ


**দিশাৰাণী বৰা**
স্নাতক প্ৰথম যাণ্মাসিক

২০১৩ চন। মই তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰী। পুৰণিগুদাম গাৰ্লছ হাইস্কুলত পঢ়ি আছোঁ। ছমহীয়া পৰীক্ষা হৈ যোৱাৰ পাছত 'Excursion'ৰ বাবে ঠাই ভ্ৰমণ কৰা গোটৰ ভিতৰত সেইবাৰ মোৰ নামো পৰিল। লক্ষ্যস্থান তেজপুৰ। প্ৰথমে ঘৰৰপৰা অনুমতি দিয়া নাছিল কিন্তু আমাৰ ছাৰ-বাইদেউ লগতে হেড্ ছাৰো বুলি কোৱাত শেষত যোৱাৰ অনুমতি দিলে। মনত বহুত স্ফূৰ্তি লাগিছিল কাৰণ সেইটোৱে মোৰ প্ৰথম ভ্ৰমণ যাত্ৰা। যোৱাৰ আগদিনা আমাক ছাৰ-বাইদেউসকলে পিছদিনা ৭ বজাত স্কুলত উপস্থিত হ'বলৈ ক'লে। লগত পানী বটল, টিফিন, বহী, পেন আদি লৈ যাবলৈ কৈছিল। পিছদিনা মই আৰু মোৰ বান্ধৱী এজনীয়ে লাগতিয়াল সকলো বস্তু লৈ প্ৰায় ৬-৪৫ মান বজাত ঘৰৰপৰা ওলাই গ'লোঁ। লগত মোৰ দেউতায়ো আমাক আগবঢ়াই দিবলৈ গৈছিল। স্কুলত উপস্থিত হৈ দেখিলোঁ আমাৰ লগৰবোৰ, চকীদাৰ আৰু বাছ তাত ৰৈ আছে। ৮ মান বজাত সকলোবোৰ গোট খোৱাৰ পাছত বাছত লাগতিয়াল বয়-বস্তু, পানী, খৰি, বাচন, খাদ্য সামগ্ৰী আদি বাছত উঠাই ৮.৪৫ মান বজাত তেজপুৰ অভিমুখে যাত্ৰা কৰিলোঁ। মোৰ দেউতাই মোক গাড়ী চকাৰ ফোঁট দি গাড়ীত উঠাই দিলে। গাড়ীত মই আৰু মোৰ ঘৰৰ ওচৰৰ বান্ধৱীজনী একেটা ছিটতে বহিলোঁ। আমাৰ লগত আমাৰ ছাৰ দুজন, বাইদেউ তিনিগৰাকী, হেড ছাৰ, আহাৰ বন্ধা বাইদেউ দুগৰাকী আৰু চকীদাৰ গৈছিল। গাড়ীত যাওঁতে আমি বহুত স্ফূৰ্তি কৰিলোঁ। গাড়ীত গান বজাই গৈছিল আৰু বহুত নাচিছিলোঁ। কিন্তু হেড্ ছাৰলৈ অলপ ভয়ো লাগিছিল। ছাৰ-বাইদেউহঁতে আমাক বুট, কল খাবলৈ দিলে। মই লগত লৈ যোৱা টিফিন মোৰ লগৰজনীৰ লগত খালো। এনেকৈ অলপ সময়ৰ পাছত আমাৰ গাড়ী তেজপুৰত সোমাইছিলগৈ। গাড়ী ৰখাই আমি লগৰবোৰ, ছাৰ-বাইদেউসকলৰ লগত বয়-বস্তু লগত লৈ দলঙৰ তলৰ ব্ৰহ্মপুত্ৰৰ কাষৰ বালিলৈ নামি গ'লো। তাতে বয়-বস্তু থৈ অলপ সময় বহিলোঁ। চাৰিওফালে চাওঁতে দেখিলোঁ বিশাল বুঢ়ালুইতখন, দলঙৰ বৃহৎ খুঁটাবোৰ, পাৰত ৰৈ থকা নাওবোৰ, নীলা পানী মনোৰম দৃশ্য। সৰু সৰু ল'ৰা কেইটামানো ঘূৰি-ফুৰা দেখিলোঁ। বালিত অলপ খোজ কাঢ়ো বুলি বহুদূৰ আগুৱাই গ'লোঁ। এনেতে আমাক চকীদাৰজনে মতা শুনিলো, চাই দেখো তেওঁ আমাৰ ফালে চাই হাত-বাউলি মাতিছে। আমি গম পালো তেওঁ আমাকে মাতিছে। লগে লগে আমি উভতি আহিলোঁ। তাৰ পাছত আমাক ছাৰ-বাইদেউহঁতে ব্ৰেড, জাম আৰু সিজোৱা কণী খাবলৈ দিলে। আটায়ে মিলি খাই হোৱাৰ পাছত ছাৰ-বাইদেউ আৰু চকীদাৰ জন মিলি আহাৰ ৰান্ধিবৰ বাবে চৌকা খান্দিলে, কোনোৱে সা-সামগ্ৰী যোগাৰ






কৰিছে। ৰন্ধনৰ বাবে লৈ যোৱা বাইদেউ কেইজনীয়ে পাচলি কাটিছে আৰু হেড্ ছাৰ, ছাৰ দুজনৰ সৈতে গাড়ীচালক জনে ব্ৰহ্মপুত্ৰৰ পাৰত ৰৈ থকা নাৱৰীয়াৰ লগত কথা পাতি আছে। আমাৰ লগৰবোৰেও ইফালে-সিফালে অলপ সময় খোজি কাঢ়ি শেষত কাবাডী খেলিলোঁ। খেল শেষ হোৱাৰ পাছত আমি ছাৰহঁত থকা ঠাইলৈ গ'লো। নাৱৰীয়া কেইজনক নাৱত উঠিম বুলি কোৱাত তেওঁলোকেও উঠিবলৈ ক'লে কিন্তু ছাৰসকলে কিবা অঘটন ঘটে বুলি উঠিব মানা কৰিলে। তাতে অলপ সময় ইফাল-সিফাল কৰি আকৌ বাইদেউহঁত থকা ঠাইলৈ আহিলোঁ। এনেতে দেখিলোঁ কাবাডী খেলা ঠাইতে থকা আমাৰ চেণ্ডেলবোৰৰ মাজৰপৰা চাৰি-পাঁচজোৰ চেণ্ডেল নাই। ছাৰক কোৱাৰ পাছত ছাৰে ভালকৈ ইফাল-সিফালে চাবলৈ ক'লে। চাই নোপোৱাৰ পাছত ভয়ত চেণ্ডেল হেৰুৱা এজনীয়ে কান্দিবলৈ ধৰিলে।



চকীদাৰজন আহি অলপ আঁতৰলৈ চোৱাত দেখিলো সৰু সৰু ল'ৰাকেইটামানে গছৰ ওপৰত চেণ্ডেলবোৰ লুকুৱাই থৈছে। ধমক দিয়াত সিহঁতে ওপৰৰপৰা বালিলৈ দলিয়াই দিলে। মোৰ লগৰজনীৰ চেণ্ডেল পোৱাৰ পাছতহে কান্দোন বন্ধ হ'ল। ঘূৰি আহি দুপৰীয়া ভাত হোৱাৰ পাছত আটায়ে বহি ভাত খালো। বাইদেউহঁতে মিলি-জুলি বনোৱা ভাতসাঁজ খাই বৰ তৃপ্তি লাগিল। ভাত-পানী খাই গাড়ীত বয়-বস্তু উঠাই ব্ৰহ্মপুত্ৰৰপাৰৰ পৰা বিদায় ল'লো। এইবাৰ আমাৰ গাড়ী অগ্নিগড়ত উপস্থিত হ'ল। গাড়ীৰপৰা নামি গেটৰ সন্মুখতে সকলো ৰ'লো। ছাৰ সকলে টিকট কাটি প্ৰত্যেককে এটাকৈ টিকট দিলে। টিকট লৈ ভিতৰত সোমাই দেখিলোঁ ওখ খট্খটি। দেখিয়ে জ্বৰে-বিষে উঠিল। উপায় নাই যিহেতুকে চাবলৈ হেঁপাহ আছে। উঠিলো অলপ দূৰ গৈ উভতি চালো আমাৰ হেড্ ছাৰ উঠিবকে পৰা নাই। ছাৰ অলপ শকত হোৱা বাবে উঠিবলৈ অসুবিধা পাইছে। ছাৰক দেখি বেয়াও লাগিল। এনেতে মোক লগৰজনীয়ে মতা শুনি ওপৰলৈ উঠি গ'লো। উঠি গৈ দেখিলোঁ অগ্নিগড়ৰ ভিতৰখন বহুত ধুনীয়া। শিলেৰে নিৰ্মিত ডাঙৰ ভেকুলী মানুহ বহাৰ বাবে সুবিধাও আছে। আগলৈ গৈ দেখিলোঁ উষাক বাণৰজাই ভেটা দি ৰখা ঘৰ, শিৱবাবাৰ ডাঙৰ মূৰ্তি, যুদ্ধ-বিগ্ৰহৰ চিত্ৰ, শিলত খোদিত উষা-অনিৰুদ্ধ, বাণৰজা, চিত্ৰলেখাৰ মূৰ্তি আদি। ছাৰ-বাইদেউ সকলে ফটো তুলিলে আমিও ফটো উঠিলোঁ। পিছফালে দেখিলোঁ এটা মঞ্চ। হয়তো তাত অনুষ্ঠান পাতে। মই লগত লৈ যোৱা বহী, পেন উলিয়াই তাত কি কি দেখা পালো সেইবোৰ লিখিলোঁ। অলপ সময় তাত থাকি আকৌ এবাৰ ঘূৰি-পকি সেই ঠাইৰপৰা আহি গেটত সকলো গোট খাই গাড়ীত উঠিলোঁ। গাড়ী এইবাৰ মহাভৈৰৱ মন্দিৰৰ দিশে আগবাঢ়িল। মন্দিৰ গৈ পোৱাৰ পাছত সকলো গাড়ীৰপৰা নামি তেল, চাকি, বত্তি, ধূপ কিনি মন্দিৰত সোমালোঁ। মন্দিৰৰ বাহিৰতে শিলেৰে নিৰ্মিত গৰুৰ এটা মূৰ্তি আছে। সেৱা কৰি তাত ভিতৰলৈ সোমাই গ'লোঁ। ভিতৰলৈ সোমোৱাৰ লগে লগে গম্‌গম্‌ীয়া পৰিৱেশ মোৰ অনুভৱ হ'ল। চাকি দি সেৱা কৰোঁতে তাত থকা পূজাৰীজনে আমাক আশীৰ্বাদ দিয়াৰ লগতে প্ৰত্যেককে প্ৰসাদ দিলে। মন্দিৰৰ চাৰিওদিশে চাওঁতে দেখা পালো তাত আমাৰ বাহিৰেও বহুত মানুহ আছে আৰু অসংখ্য পাৰ চৰাই মন্দিৰত উৰি ফুৰিছে। আমাৰ লগত যোৱা চকীদাৰজনে বেগৰপৰা চাউল উলিয়াই ছটিয়াই দিলে। ছাৰ-বাইদেউসকলে স্থানীয় মানুহবোৰক মন্দিৰত হোৱা পূজা-সেৱাৰ কথা সোধ-পোছ কৰি সোনকালে আমাক গাড়ীত উঠিবলৈ ক'লে। ইতিমধ্যে প্ৰায় সন্ধ্যা হ'বৰে হ'ল। ক'লপাৰ্ক চোৱাৰ বহুত হেঁপাহ আছিল কিন্তু সময়ৰ নাটনি হোৱাৰ বাবে ক'লপাৰ্ক চোৱাৰ ইচ্ছা সপোন হৈয়ে ৰ'ল। শেষত আমাৰ গাড়ী আমাৰ ঘৰ অভিমুখে ৰাওনা হ'ল। বাটত মই আৰু লগৰবোৰ প্ৰায়ে টোপনিয়াইছিল। কেতিয়ানো আহি বাছখন আমাৰ স্কুল পালেহি তাৰ একো গমেই নাপালো। বাছ ৰখাৰ পাছত গাড়ীৰপৰা নামি দেখিলো সকলোৰে মাক-দেউতাক তাত ৰৈ আছে। তাৰ মাজতে দেখিলোঁ মোৰ দেউতাও মোৰ বাবে ৰৈ আছে। শেষত সকলোকে বিদায় দি মই আৰু মোৰ বান্ধৱী দেউতাৰ লগত ঘৰলৈ উভতিলোঁ।



# অকাল মৃত্যু

জ্ঞানদ্বীপ হাজৰিকা
স্নাতক প্ৰথম যাণ্মাসিক

**বিভিন্ন চৰিত্ৰত**

| | | |
|---|---|---|
| বণ্টু চলিহা | | |
| মণিকা | — | বিয়াগোম চৰকাৰী কৰ্মচাৰী |
| ৰবীন | — | পত্নী |
| মৃণাল | — | পুত্ৰ (দেখাত সহজ-সৰল) |
| চন্দন | — | ৰবীনৰ বন্ধু |
| চিকিৎসক | — | মণিকাৰ চিনাকি সম্বন্ধীয় ব্যক্তি |

(সময় ৫০ মিনিট)

**স্পষ্ট মত**

নাটকখনিৰ দ্বাৰা সন্তানৰ প্ৰতি থকা সমাজৰ প্ৰত্যেক গৰাকী মাতৃৰ মমতাক উপলুঙা কৰা হোৱা নাই। লগতে নাটকখনিত কোনো ধৰণৰ জটিল সংলাপো ব্যৱহাৰ হোৱা নাই। সকলোৰে বুজিব পৰাকৈ বাস্তৱ জীৱনত সাধাৰণতে আমি শুনি অহা শব্দসমূহৰ মিলনৰেই নাটকৰ মূল উদ্দেশ্য দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।





**প্ৰথম দৃশ্য**

(মঞ্চত পোহৰ হোৱাৰ লগে লগে মঞ্চত দেখা পাব বিলাসী বয়-বস্তুৰে সু-সজ্জিত এখন সম্ভ্ৰান্ত ঘৰৰ দৃশ্য। তেনেতে মঞ্চলৈ সোমাই আহিব ঘৰুৱা সাজ পৰিহিতা বণ্টু চলিহাৰ পত্নী মণিকা।)

মণিকা ঃ শুনিছেনে, হেৰি শুনিছেনে। চাওঁ ক'তনো আছে, এপাক এইফালে আঁহকচোন।

চহিলা ঃ (ভিতৰৰ পৰাই মাত দিব) কিয়নো চিঞৰ-বাখৰখন কৰি থাকাহে। (বাতৰি কাকতখন হাতত লৈ মঞ্চলৈ আহিব) দিনটোৰ খবৰ কেইটাও চাবলৈ সময় নিদিয়া।

মণিকা ঃ অ' মানে এতিয়া চিঞৰ-বাখৰহে কৰিলোঁ নহয়। মোৰনো মাতটো এনেকুৱাইনে যে, কাৰোবাক মাতিলেই চিঞৰ-বাখৰহে কৰা হয়। (অলপ দুখেৰে)

চলিহা ঃ নহয় হে, মই সেইটো কোৱা নাই।

মণিকা ঃ সেইটো কোৱা নাই যদি কি কৈছেনো আপুনি।

চলিহা ঃ বাৰু বাৰু। সেইবোৰ বাদ দিয়া। আচল কথাটো কোৱা। মোৰ অফিচ যাবলৈকে হ'ল। জৰুৰী সভা এখন আছে। তালৈকো যাব লাগিব।

মণিকা ঃ অ'লৈ যোৱা, ত'লৈ যোৱা, কাকতত দেশ-বিদেশৰ খবৰ লোৱা কামকেইটাকে কৰি থাকিলেই নহ'ব। ঘৰত যে আৰু কোনোবা দুজন আছে অলপমান খবৰ ৰাখিব। নহ'লে আমি যে আছো পাহৰিয়ে যাব।

চলিহা ঃ নাপাহৰো দিয়া। চিন্তা কৰিব নালাগে। এতিয়া কোৱা।

মণিকা ঃ (অলপ সংকোচ ভাবে) মানে টকা দুশ লাগে।

চলিহা ঃ টকা দুশ। কিয়? (আচৰিত ভাবে)

মণিকা ঃ তেনেকৈ ক'লে যে?

চলিহা ঃ নহয় মানে, এই পুৱাই পুৱাই আগ-গুৰি নথকাকৈ চিধাই টকাৰ কথা যে।

মণিকা ঃ পুৱাই পুৱাই নকৈ কেতিয়া ক'ব লাগে? (জাঙুৰ খাই)

চলিহা ঃ ৰ'বা হে। জাঙুৰ খাই নুঠিবা। ধৈৰ্য ধৰা।

মণিকা ঃ কি ধৈৰ্য ধৰিব লাগে। সোনকালে টকা দিয়ক পলম হৈছে। তাৰ কলেজ আছে।

চলিহা ঃ অ' এতিয়া জানিলোঁ। কাক টকা লাগে। হেৰা সদায় সদায় ২০০ টকা, ৫০০ টকা কিয়? প্ৰতিদিনতেই যদি ইমান লাগে, তেন্তে বছৰত আৰু ৰ'বাচোন, সিনো কি কাম কৰে যে, তাক প্ৰতিদিনেই...

মণিকা ঃ (খঙেৰে টপকৈ) মনে মনে থাকক। ডেইলী একেটা কথাকে চেপেটা কৰি থাকে। পইচা এটা দিয়াৰ সময়ত দহটা কথা কৈ নাথাকিব। আঁ প্ৰতিদিনেই দিব লাগিব। সি এতিয়া সৰু ল'ৰা হৈ থকা নাই। মেট্ৰিক পাছ কৰিলে। কেইদিনমান পাছত আৰু কিবা দিব লাগিব।

চলিহা ঃ শুনা, মেট্ৰিক পাছ কৰিলে বুলিয়েই সি কোনো ডাঙৰ মানুহ হৈ যোৱা নাই নহয়। সামান্য জীৱনৰ প্ৰথম দেওনাখনহে পাৰ হৈছে। ইয়াৰ পাছৰ কেইখনটো আৰু জটিল। তুমি তাক চম্ভালা। হ'ল বুলিয়ে সদায় ২০০, ৫০০ টকা দি যাবা নেকি? বাৰু ৰ'বাচোন, তুমি তাক কেৱল টকাহে দিয়া। এদিন মান সুধিছানে সেই টকাৰে সি কি কৰে। (গহীন ভাৱে)

মনিকা ঃ (জাঙুৰ খাই) আপুনি মনে মনে থাকক। মই মোৰ ল'ৰাক ভালদৰেই চিনি পাওঁ।

(মঞ্চ আন্ধাৰ হ'ব)

**দ্বিতীয় দৃশ্য**

(মঞ্চত এজোপা গছৰ তলত চলিহাৰ পুত্ৰ ৰবীন আৰু তেওঁৰ এজন বন্ধু মৃণালে হাতত নিচা জাতীয় দ্ৰব্য লৈ কিছুমান অযুক্তিসংগত কথা পাতি থাকিব)

ৰবীন ঃ Friend, I am sorry, আজি দুই এটাহে আনিব পাৰিলোঁ।

মৃণাল ঃ হ'ব Friend, কাইলৈ চেষ্টা কৰিবি। নহ'লৈ এইটোৰে কাম নচলে।

ৰবীন ঃ মই যিমান পাৰো ডেইলী চেষ্টা কৰি আছো। কলেজত পঢ়াৰ পৰা দেখোন এইটো নহ'লে কামেই নচলে, গাটো দেখোন ভালেই নালাগে (হাঁহিব)

মৃণাল ঃ তইনো কিমান দিন হৈছে কলেজ অহা। মইতো আজি চাৰিবছৰ ধৰি। তোকটো মই প্ৰথম দিনাই জানি গৈছিলোঁ যে তই এনে হ'বি।

ৰবীন ঃ নহয় Dost। মই তেনেকুৱা নাছিলোঁ যে তই দেখিয়ে জানিব পাৰিবি কিন্তু পৰিস্থিতিয়েহে।

মৃণাল ঃ আৰে Dost যিবোৰ বাহিৰে শান্ত, সি হ'লে ভিতৰি এক নম্বৰৰ দুষ্ট। শুন, বান্ধৰ গৰু যেতিয়া মুকলি হ'বলৈ পাই তেতিয়া তাক ধৰি ৰখাৰ কাৰো সাধ্য নাই।

ৰবীন ঃ এইবোৰত লাগি থাকোঁতে মোৰ পঢ়াবোৰ শেষ হৈ গৈছে। Examত ফেলো হৈছোঁ। ঘৰৰ মানুহে জানিলে যে মোক.... (দুখেৰে)

মৃণাল ঃ ঘৰৰ মানুহে জানিলে (বুলি কথাষাৰ কৈ ৰবীনক টানি-আঁজুৰি নাকৰ ওচৰলৈ নিচা জাতীয় দ্ৰব্য নি শুঙাই দিব) জানিলে কিডাল হ'ব? হেৰৌ Exam

বাদ দে প্ৰথমে এনজয় কৰ।

ৰবীন : (লগে লগে ৰবীনেও নিচামত্তৰ দৰে কথা ক'ব) Yes Yes I know.

মৃণাল : ঐ Dost। কাইলৈ পাঁচ এটা ভাবিবি।

ৰবীন : ৰ'না। তই নাজান। মাক আৰু অকণমান ভুলাই দিলেই পাই যাম। কিন্তু ফাদাৰে বহুত জেং কৰে।

মৃণাল : Friend এটা কথা কওঁ বেয়া নাপাবি শুন। তোৰ দেউতাৰ যদি মোৰ হোৱা হ'লে, মই যে একেবাৰে খতম কৰাই দিলোহেঁতেন।

ৰবীন : ঠিকেই। চালা এইটো মৰা হ'লেই ভাল আছিল। তেতিয়া কোনো চিন্তা নাই। (তেনেতে দুয়ো মঞ্চত স্থিৰ হৈ ৰ'ব আৰু অদৃশ্যভাৱে দৰ্শকক শুনোৱা হ'ব)

অদৃশ্য : বৰ লাজৰ বিষয় এয়া। কেনেকৈ এজন সন্তানে অসৎ বন্ধুৰ সঙ্গত নিজৰ পিতৃৰ বিষয়ে এনেকৈ ভাবিব পাৰে। চিহ্ঃ ঘৃণা উপজে এনেবোৰ সন্তানলৈ (পুনৰ আৰম্ভ)

মৃণাল : নহ'লে আমিয়েই চেচ কৰাই দিওঁ নেকি? (হাঁহি)

ৰবীন : তেনেকুৱা হোৱা হ'লেটো কথাই নাছিল। ৰ কেইদিনমান চাওঁ তাৰপাছত....।

মৃণাল : হ'ব হ'ব। এতিয়া ঘৰত যাওঁ ব'ল। কলেজ যোৱাটো নহ'লেই।

ৰবীন : সময়টো চাচোন। ছুটী দিবৰ হ'লনে নাই। (মৃণালে ঘড়ীটো চাব)

মৃণাল : নাই অলপ বাকী আছে।

ৰবীন : (আচৰিত হোৱাৰ দৰে অলপ সময় দূৰলৈ চায়) ঐ মৃণাল দা। সেইটো বাইকত আমাৰ লগৰ বিকি নহয় নে? সি আকৌ কেতিয়া বাইক কিনিলে?

মৃণাল : তই নাজানয়ে নেকি ৰবীন। মই জনাত আজি পাঁচদিন মানেই হ'ল। (কথাষাৰ কোৱাৰ লগে লগে ৰবীনে খৰকৈ মঞ্চৰ পৰা আঁতৰি যাব)

ৰবীন : বাই। মই যাওঁ Dost।

(মঞ্চ আন্ধাৰ হ'ব)

### তৃতীয় দৃশ্য

(প্ৰথম দৃশ্যটিৰ দৰেই বিলাসী বস্তুৰে সু-সজ্জিত ঘৰখনৰ দৃশ্য। ৰবীনে বাহিৰৰ পৰাই চিঞৰি চিঞৰি সোমাই আহিব)

ৰবীন : মা অ' মা

মণিকা : (ভিতৰৰ পৰা ছাদৰৰ আঁচলেৰে হাত মচি মচি আহিব) আহিলি ৰবীন।

(ৰবীনে মুখেৰে নামাতি অলপ আঁতৰি যাব)

মণিকা : কি হ'ল ঐ। কিবা কৰিলি নেকি? চাওঁ এইফালে আহ। (বুলি হাতত ধৰি আনিব আৰু দুয়ো মুখামুখি কৈ ৰ'ব) সঁচা কথা কচোন। কি হ'ল তোৰ।

ৰবীন : নাই একো হোৱা নাই মা। (মুখত হাতেৰে সোপা দিয়ে ভয়ে ভয়ে) (তেনেতে মণিকাই ৰবীনক আচৰিতভাৱে প্ৰশ্ন কৰিব)

মণিকা : ৰবীন। তই কি খায় আহিছ হা। সঁচা ক।

ৰবীন : (ভয়ে ভয়ে) নাই মা, একো নাই এনেই মানে....!

মণিকা : ৰবীন তই মানে.... (খঙত)

ৰবীন : নহয় মা আজি হে....

মণিকা : কি আজিহে। ৰ আজি বাপেৰ আহক। তাৰ পাছত তোৰ কি হ'ব চায় থাক। মৰম কৰোঁতে তই চল হে পাইছ। (খঙত)

ৰবীন : নাই মা প্লিজ। আজিলৈ এৰি দিয়া মই তোমাৰ শপত খাই কৈছোঁ। আজিৰপৰা আৰু নাখাওঁ (ভয়ে ভয়ে কঁপা কঁপা মাতেৰে কান্দি কান্দি মাকক সাবটি ধৰিব)

মণিকা : হ'ব হ'ব। আজি প্ৰথম বাৰৰ বাবে ক্ষমা কৰিছোঁ আৰু নহ'ব। বাৰু এতিয়া কচোন মন মাৰিনো কিয় আছ কচোন। (গহীন ভাৱে)

(তেনেতে দুয়ো স্থিৰ হৈ ৰ'ব।)

অদৃশ্য ভাবে - মণিকাৰ এই ভুলৰ বাবেই আজি ৰবীনে পুনৰ এনে ভুল কৰাৰ পূৰ্ণ সুযোগ লাভ কৰিলে। পুত্ৰৰ মৰমত মাতৃৰ থাকিবলগীয়া দায়িত্বও পাহৰি গ'ল মণিকা। এই ভুলৰ পৰিণতি কি হ'ব পাৰে চাওঁ আহক। (পুনৰ আৰম্ভ)

ৰবীন : খং কৰিবা নেকি?

মণিকা : নাই নকৰো। (হাঁহি মুখেৰে)

ৰবীন : চোৱানা মা। কলেজত বেছি ভাগৰে দামী দামী ম'বাইল আৰু বাইক আছে। কিন্তু মোৰ হে....

মণিকা : এতিয়া কি হ'ল। কাৰোবাৰ আছে থাকক।

ৰবীন : নাই, মোৰ একো হোৱা নাই।

মণিকা : তেন্তে কৈছ কিয়?

ৰবীন : (সংকোচ মনেৰে) মানে মোকো

মণিকা : মোকো মানে? কি তোকো লাগে। হেৰৌ প্ৰথমে হায়াৰ চেকেণ্ডাৰীটো পাছ কৰ। তাৰ পাছত।

ৰবীন : নহ'ব মা। ইমান দিন; মোক লাগিব। মোৰটো সন্মান বুলি কথা এটা আছে।

মণিকা : কিহৰ সন্মান? তই কি ইমান ডাঙৰ অফিচাৰ হ'লি যে, তোৰ কিবা সন্মান থাকিব।

ৰবীন : নহয়, মানে দেউতাক লৈ। (সংকোচ মনেৰে)

মণিকা : বাৰু মই কথাটো দেউতাৰাৰ লগত পাছত আলোচনা কৰিম। তই এতিয়া হাত-মুখ ধুই ল যা (গহীন ভাবে)

(মাক মঞ্চৰপৰা আঁতৰি যাব আৰু আনন্দত মতলীয়া হৈ জঁপিয়াই জঁপিয়াই ক'ব)

ৰবীন : Yes, মোৰ মা যে ইমান ভাল।

(লগে লগে মঞ্চ আন্ধাৰ হ'ব)

### চতুৰ্থ দৃশ্য

(মঞ্চ পোহৰ হোৱাৰ লগে লগে মঞ্চত দেখা পাব চলিহাই হিচাপ-নিকাচ কৰাত ব্যস্ত। তেনেতে তেওঁৰ পত্নী সোমাই আহিব)

মনিকা : হেৰি, ইমান ৰাতি হ'ল। এইবোৰ পুৱাতে কৰিব। এতিয়া শুৱলৈ আহক।

চলিহা : এইবোৰ ৰাতি নকৰিলে নহ'ব। পুৱা সময়েই নাপাওঁ।

মনিকা : সেই বুলিয়ে গোটেই ৰাতিটো এয়াই কৰিব নে? (কথাষাৰ কৈ মণিকাই চলিহাৰ হাতৰ পৰা কাগজ কলম আঁতৰাই থ'ব)

চলিহা : আজি তোমাৰ কি হ'ল? আন দিনাটো তুমি এনে নকৰা। নিশ্চয় কিবা এটা আছে। কোৱাচোন কি কথা।

মণিকা : ক'ম বাৰু। প্ৰথমে আপুনি কৰিবনে নকৰে মোৰ মূৰত ধৰি কওঁক।

চলিহা : প্ৰথমতে কথাটো কোৱা। তাৰ পিছতহে কৰিব পাৰিমনে নোৱাৰিম জানিম।

মণিকা : মানে আপোনাৰ মোৰ ওপৰত অলপো বিশ্বাস নাই।

চলিহা : নহয় হে। সেইটো কোৱা নাই। (বুলি মূৰত ধৰিব) বাৰু এতিয়া কোৱা।

মণিকা : মানে কথাটো অলপ বেলেগ। দাং খাই নুঠেটো।

চলিহা : আৰে কথাটো কোৱা। তাৰ পাছৰ কথা পাছত।

মণিকা : ঠিক আছে, শুনক। (আকাৰ ইঙ্গিতেৰে কথাবোৰ দৰ্শকে নুশুনাকৈ চলিহাৰ পত্নীয়ে কৈ যাব। তেনেতে চলিহা খঙত থিয় হৈ ক'ব।)

চলিহা : No No Never। কেতিয়াও নহয়। (খঙেৰে)

মণিকা : কিন্তু কিয় ??? (লাহে লাহে থিয় হ'ব)

চলিহা : কি কিয়? তুমি পাগল হোৱা নাইতো। তুমি তাৰ মূৰটোহে খাব বিচাৰিছা। ১৮ বছৰ নোহোৱাকৈ তুমি তাক বাইক কিনি দি আইনৰ চকুত কিয় অপৰাধী হ'ব বিচাৰিছা। (খঙেৰে)

মণিকা : কি অপৰাধী? বাইক কিনি দিলেই কোনোবা অপৰাধী হয় নেকি। মই এটা কথাই জানো যে, ল'ৰা-ছোৱালীয়ে বিচৰা বস্তুটো পালেহে ভাল হয়, কামত মন বহে। একমাত্ৰ ল'ৰাটোক লৈও তুমি.... (খঙত)

চলিহা : শেষ, শেষ হৈ গ'ল। তোমাৰ মগজুত এতিয়া একো নাই। একমাত্ৰ তোমাৰ আলাসৰ লাড়ু ল'ৰাটো আছে। তুমিতো পাগল হ'লায়ে, লগতে মোকো পাগল কৰাইছা। সৰুৰে পৰাই যি লাগে তাকে দি দি তাক মূৰৰ ওপৰত উঠালা বুজিছা (খঙত)

মণিকা : আপোনাৰ নিচিনা দেউতাক থকাতকৈ নথকাটোৱে ভাল। (খঙেৰে)

চহিলা : অ' ঠিকেই তোমালোকৰ নিচিনা কিছুমান মূৰ্খৰ লগত থাকিব নোৱৰা হ'লে আৰু বেছি ভাল। (খঙেৰে)

মণিকা : শুনক। এই ৰাতিখন তৰ্ক কৰিব বিচৰা নাই। আপুনি কি ভাবিছে। আপুনি নিদিলে মই তাক দিব নোৱাৰিম। এশবাৰ কৈছোঁ, আপুনি দিয়ে বা নিদিয়ে মই দিমেই। মোৰ নামত ফিক্স থকা টকাৰেই তাক মই দিম। কিনো বস্তু। এই সামান্য বস্তুটোৰ বাবেই আপুনি আজি মোক ইমান কথা শুনালে। এতিয়া আৰু আগৰ যুগ নাই। যুগ সলনি হ'ল। সি এতিয়াও আপোনাৰ নিচিনা পুৰণি আদৰ-কায়দাৰে সি থাকিব নেকি? (কিছু খঙেৰে)

চলিহা : কি যুগ সলনি হোৱাৰ কথা কৈছা হে। কিহৰ যুগ। একো যুগৰ সলনি হোৱা নাই। আগতেও আম গছত আম লাগিছিল, কলগছত কল লাগিছিল আৰু এতিয়াও সেই একেই। আম গছত কল লাগি কল গছত আম লগা নাই নহয়। এয়া যুগ সলনি নহয় তোমাৰ নিচিনা কিছুমান অপদাৰ্থ মানুহৰ মনৰহে সলনি হৈছে, বুজিছা। (অলপ ৰৈ) যোৱা দি থাকা। মই এক পইচাও দিবলৈ নাই। আৰু এটা কথা এতিয়াই শুনি লোৱা। ল'ৰাই যদি ক'ৰবাত অঘটন ঘটাই তেন্তে মোৰ ওচৰলৈ নাহিবা। (খঙেৰে)

মণিকা : (খঙত) কিয় নাহিম। কিয় নাহিম। আহিমেই। কাৰণ তাৰ বাপেক আপুনিয়েই। (লগে লগে মঞ্চ আন্ধাৰ হ'ব)

### পঞ্চম দৃশ্য

(১ম দৃশ্যৰ দৰেই মঞ্চ সজোৱা থাকিব। ৰবীন আৰু মাক মণিকা মুখামুখিকৈ কথা পাতি থাকিব)

মণিকা : ৰবীন। মোৰ হাতত থকা টকাখিনিহে দিছোঁ। বাপেৰে এক পইচাও নিদিয়ে। আৰু শুন, মই চন্দনলৈ ফোন কৰি দিছোঁ। সি আহিব। তাৰ লগতে যাবি।



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৭-২০১৮ চন

ৰবীন ঃ ঠিক আছে। (তেনেতে চন্দন সোমাই আহিব। দুয়োৱে তেওঁলৈ চাব)

মণিকা ঃ অ' সেয়া আহিলেই। চন্দন আহিলা, আহা, আহা বহাচোন।

চন্দন ঃ হ'ব হ'ব বৌ।

মণিকা ঃ চন্দন তোমাকেই গতালো ভালদৰে চাই-চিটি আনিবা আৰু। তুমি জানা, এইকেইদিন ই মোৰ মূৰটো খাই দিছে।

চন্দন ঃ (হাঁহিব) হ'বই আৰু। বেলেগক দেখিছে চাগৈ।

মণিকা ঃ চন্দন চাহ একাপ খোৱা।

চন্দন ঃ নাই বৌ নালাগে দিয়ক। এতিয়া পলম নকৰো। আহি একেবাৰে মিঠাইকে খাম।

মনিকা ঃ ঠিক আছে তেন্তে। যোৱা বাৰু।

(চন্দন আৰু ৰবীন ওলাই যাব। মণিকাই ঈশ্বৰক সেৱা জনাব) (মঞ্চ আন্ধাৰ হ'ব)

### ষষ্ঠ দৃশ্য

(মঞ্চলৈ ৰবীন দৌৰি সোমাই আহিব। পূৰ্বৰ দৰেই মঞ্চ সজোৱা থাকিব।)

ৰবীন ঃ মা, মা.... (মণিকা উধাতু খায় ওলাই আহিব).

মণিকা ঃ কি হ'ল। আহিলি। চাওঁ চাওঁ কোনখন।

ৰবীন ঃ মায়ো যে কি কোৱা নহয়। মই কি ভিতৰলৈ সোমোৱাই আনিম নেকি? (অলপ মঞ্চৰ বাহিৰলৈ ওলাই যাব আৰু ক'ব)

মণিকা ঃ চন্দন, তাতেই থাকিবানে। আহা আকৌ।

চন্দন ঃ (বাহিৰৰ পৰায়ে) গৈছোঁ বৌ। (মঞ্চ আন্ধাৰ হ'ব)

### সপ্তম দৃশ্য

(২য় দৃশ্যৰ দৰে মঞ্চত এজোপা গছৰ তলত বন্ধু মৃণালৰ সৈতে নিচা জাতীয় দ্ৰব্য সেৱন কৰি থাকিব)

মৃণাল ঃ দোষ্ট। নিউ নিউ বাইকত নুঠাৰ নেকি?

ৰবীন ঃ উঠাম কিয় নুঠাম দোষ্ট। কিন্তু এতিয়া নহয়, কিয় জাননে? কাৰণ এতিয়া মই ফুল নিচাত আছোঁ।

মৃণাল ঃ একো নহয়। ব'ল না। মই আছো নহয়। তই চিন্তায়ে কৰিব নালাগে।

ৰবীন ঃ ঠিক আছে ব'ল। (দুয়ো দুয়োৱে কান্ধত হাত থৈ ওলাই যাব আৰু মঞ্চ আন্ধাৰ হ'ব)

### অষ্টম দৃশ্য

(মঞ্চ পোহৰ হোৱাৰ লগে লগে খালী মঞ্চত দৰ্শকক এটি ভয়ংকৰ বাইক দূৰ্ঘটনাৰ শব্দ শুনোৱা হ'ব আৰু মঞ্চ লগে লগে আন্ধাৰ হ'ব)

### নৱম দৃশ্য

(মঞ্চত মণিকাই ঘৰ চাফা কৰি থাকিব। তেনেতে ফোনটো বাজিব আৰু অদৃশ্য ভাবে ফোনত দিয়া বাৰ্তা দৰ্শকক শুনোৱা হ'ব)

অদৃশ্য ভাবে ঃ হেল্ল'। এইটো মিষ্টাৰ চলিহাৰ ঘৰ নেকি? (গহীনভাৱে)

মণিকা ঃ হয়। কওঁক। মই তেওঁৰ পত্নীয়ে কৈছোঁ।

অদৃশ্য ভাবে ঃ আপুনি ইমিডিয়েট হস্পিতাললৈ আহক। আপোনাৰ ল'ৰাৰ এক্সিডেণ্ট হৈছে। অৱস্থা একেবাৰেই ভাল নহয়। (লগে লগে মণিকাৰ হাতৰপৰা ফোনটো পৰি যাব আৰু চিঞৰি ক'ব)

মণিকা ঃ কি? (মঞ্চ আন্ধাৰ হ'ব)

### দশম দৃশ্য

(চিকিৎসালয়ৰ দৃশ্য। মণিকা চলিহাৰ কান্ধত মূৰ থৈ কান্দি কান্দি বহি থাকিব। তেনেতে চিকিৎসকজন সোমাই আহিব আৰু লগে লগে মণিকাই কান্দি কান্দি উঠি গৈ চিকিৎসকজনক উপৰ্যুপৰি প্ৰশ্ন কৰিব)

মণিকা ঃ ডক্টৰ, ডক্টৰ। কি হ'ল মোৰ ল'ৰাটো ক'ত। (পাগলৰ দৰে)

চলিহা ঃ (মণিকাক ডক্টৰজনৰ ওচৰৰ পৰা আঁতৰাই সাৱট মাৰি ধৰি সুধিব) ডক্টৰ, কি হ'ল?

ডক্টৰ ঃ ছাৰ, আই এম চৰি। মই বহুত চেষ্টা কৰিলোঁ। কিন্তু নোৱাৰিলোঁ। তেওঁৰ শৰীৰৰ সকলো অংগই পূৰ্বেই বিকল হৈ গৈছে। আচলতে তেওঁ নিচা সেৱন কৰি গাড়ী চলাইছিল। (মণিকা অচেতন হৈ পৰিব)

ডক্টৰ ঃ নাৰ্চ, ইমিদিয়েট এইফালে আহা। (মঞ্চ আন্ধাৰ হ'ব)

### একাদশ দৃশ্য

(মঞ্চত এখন ফটো বুকুত সাবটি মণিকাই কান্দি কান্দি একেথিৰে চাই থাকিব। তেনেতে চলিহাই ক'ব)

চলিহা ঃ দেখিলানে তোমাৰ মৰমৰ ফল। মই বাৰে বাৰে তোমাৰ মনা কৰাৰ পাছতো তুমি তাক....। তুমি তোমাৰ ল'ৰাক ....(কান্দিব)। তুমি কোৱা, সমাজত থকা প্ৰত্যেকগৰাকী মাতৃক আহবান কৰা, যাতে তেওঁলোকে মাতৃৰ মৰম দিবলৈ গৈ, চৰম সীমা পাৰ হৈ যাতে সন্তানৰ জীৱনলৈ মৰণ মাতি নানে। (বুলি মঞ্চত কান্দি কান্দি বহি যাব)






# পানীৰ উঁহ

**শান্তনু বৰদলৈ**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

পানীত ননমাকৈ
গভীৰতা নিৰূপণ
মাছ কিমান আছে
তাৰ জোখ


সিদ্ধহস্ত হেনো জালোৱা
একো সৰকিব নোৱাৰাকৈ
জালৰ ঘেৰ
গোঁজো দিছে ঘনে ঘনে
ইটো-সিটো কথা-বাৰ্তা মাজে মাজে
জাল টানে জালোৱাই
ডুবিয়াই ডুবিয়াই
জালৰ দোৱান ছিঙে
যোৱাদি ভাগৰি পৰে
পানী উঁহৰ উমান নাপাই
আকৌ ডুবিয়াই
পানী উঁহৰ যে ইমান গভীৰতা
কোনে জানিব?



পানী দিয়া পঁইতা আৰু ভীমকল খোৱা হয়নে আজিকালি
মই যান্ত্রিকতাৰ পৃথিৱীত অচল মুদ্রা হৈছোঁ
মাজে মাজে শাকনিবাৰীখনলৈ দৌৰি গৈ
গোবৰ এচপৰা দি আহিবগৈ মন যায়।

# পিতাইলৈ চিঠি

**বিশাল শইকীয়া**
সহকাৰী অধ্যাপক, সমাজ শাস্ত্ৰ বিভাগ



পিতাই অ'
আজি তোলৈ বৰকৈ মনত পৰিছে
আই আৰু বৰ ককাই ভালে আছেনে?
আজীৱন তহঁতৰ লগত কটোৱাৰ কথা আছিল
ইচ্ছাক নেওচি তোৰ সপোনক লৈ
মই আজি প্ৰবাসী।
পিছফালে বাৰীৰ ভীম কলজোপাত লাগেনে
নোদোকা কল? তোৰ বাৰু
পানী দিয়া পঁইতা আৰু ভীমকল খোৱা হয়নে আজিকালি
মই যান্ত্রিকতাৰ পৃথিৱীত অচল মুদ্রা হৈছোঁ
মাজে মাজে শাকনিবাৰীখনলৈ দৌৰি গৈ
গোবৰ এচপৰা দি আহিবগৈ মন যায়।
ভালে আছেনে গোহালিৰ গৰুকেইটা?
চিকৰাবোৰ আঁতৰাই থাকিবি?
নহ'লে আঁচলৰ সম্পদ ঘূণীয়া কৰিব!
পিতাই অ' তোলৈ আজি বৰকৈ মনত পৰিছে!
আই বৰ ককাই আৰু ঘৰখন ভালে আছেনে বাৰু?





# কবিতা

**শৰ্মিষ্ঠা দেৱী**
সহকাৰী অধ্যাপিকা, বাণিজ্য বিভাগ

কবিতা,
কেনে আছ' তই?
মনত পৰিছে তোলৈ।

কিয় জানো
সপোনবোৰো আজি
বগুৱাবাই অহা নাই
ৰাতিৰ জখলাৰে!
তোৰচোন নাই দেখা-দেখি

আহচোন আহ
দি যা-হি এটি চুমা
মোৰ হেঁপাহৰ কলমটিত,
পাৰোৱেই নেকি গুঁঠিব
এধাৰ শব্দৰ মালা।

ফাট মেলা কলিজাত
দি যা
বৰ্ণৰ ৰঙীন সূতাৰে
নিখুঁত সিয়নী।

আজি বিচাৰি যাম
তোৰ দেহৰ ভাঁজত প্ৰকট
মোৰ সুখৰ ঠিকনা।

জাননে কবিতা,
তোৰ বুকুত মুখ গুঁজি
উচুপিব পাৰো
সপোন হেৰুওৱা ৰাতি।

আস্!!
মই যে নিৰাপদ তোৰ ওচৰত।

ক-চোন কবিতা,
উমলিবিনে বাৰু তই
মোৰ স'তে?
কৰিবিনে ধেমালি??
নে তয়ো টুকিবি চকুলো
অকামিলা হৈ উঠাৰ ভয়ত
মোৰ দৰে ...???

জাননে কবিতা,
তোৰ বুকুত মুখ গুঁজি
উচুপিব পাৰো
সপোন হেৰুওৱা ৰাতি।



এইয়া ছোৱা অশ্রু নিগৰিছে ধাৰাসাৰ
আজি মোক দিশ দেখুৱাবলৈ
কাষত কোনো আছে কোৱা।
তুমি নাই দেউতা....!

# নিষ্ঠুৰ নিয়তি

**বিকাশ বৰকাকতি**
*(মোৰ পূজনীয় দেউতাৰ সোঁৱৰণত)*
স্নাতক প্ৰথম ষাণ্মাসিক

জীৱনলৈ অহা কাল ধুমুহাজাকে
মোৰ হৃদয় থান-বান কৰি থৈ গ'ল,
চকুৰ পলকতে সপোন ভাঙি
চুৰমাৰ হ'ল।

আজি মই অকলশৰীয়া
নিষ্ঠুৰ নিয়তিয়ে সকলো কাঢ়ি লৈ গ'ল
নভবাকৈয়ে জীৱন বাটত
নিসংগ হৈ ৰ'লোঁ।
ভুল এনে কি আছিল মোৰ?
এনে শাস্তি দিলা
পিতৃহাৰা কৰি
এইয়া ছোৱা অশ্রু নিগৰিছে ধাৰাসাৰ
আজি মোক দিশ দেখুৱাবলৈ
কাষত কোনো আছে কোৱা।
তুমি নাই দেউতা....!
মানিবলৈ খুব টান হৈছে জানা
দেউতা, তুমি য'তেই আছা শান্তিৰে থাকা
তাৰ পৰাই মোক আশীৰ্বাদ দিবা।

# শেৱালি ফুলৰ সুবাস

**দৃষ্টি শইকীয়া**
স্নাতক পঞ্চম ষাণ্মাসিক

ঢৌ খেলি খেলি
উত্তাল হয়
আজি লহৰ,
নৈ বৈ বৈ ...
নদী নদী...
সাগৰৰ বুকুতেই ভাগৰ...।
দেখিলো অলেখ
সন্ধিয়াৰ পৃথিৱী,
আত্মাই বিচাৰে,
পুৰাৰ প্ৰকৃতি।
জীৱনৰ কাঁইটীয়া বাটত
পথভ্ৰষ্ট, মৰীচিকাৰ পাছত।
জয়-পৰাজয়, খ্যাতি-নিন্দাৰ
অখলাৰে নিৰ্বাপিত জীৱন,
আঁউসীৰ ঘোপমৰা আকাশে
বিভিয়াই মাতিছে...
তথাপি আপোন মোৰ
পূৰ্ণিমাৰ নিশাহে
জননী, জন্মভূমি আৰু
আশাৰ সম্পত্তি।
বিশ্বাসৰ ৰং তুলিকাত
গছ-বন, নদ-নদী
চৰাই চিৰিকটি...
আৰু মুকলি আকাশ,
ৰামধেনুৰ ৰঙেৰে
এখনি সুন্দৰ ছবি...।
সন্ধিয়াৰ বেলিয়ে
দি যায়
সুগন্ধিৰ বন্যা...
শেৱালি ফুলৰ সুবাস ...।।



# অকলশৰীয়া

**নিজাৰতদ্দিন**
স্নাতক তৃতীয় ষাণ্মাসিক

আজি অকলশৰীয়া মই
জনসমাগমৰ মাজত
আজি মই অকলশৰীয়া
স্বাৰ্থ শোষণ আৰু
কলংকৰে ভৰা পৃথিৱীত
খোজে-খোজ মিলোৱাত ব্যৰ্থ মই।
আজি মই অকলশৰীয়া
দুচকুৰে নিগৰি ওলোৱা বেদনাৰ অশ্ৰুধাৰা
নিঃশেষ কৰিবলৈ কাষত নাই কোনো
কেতিয়াবা পৃথিৱীৰ নিজানত
আকাশৰ তৰাৰ লগত
কেতিয়াবা নদীৰ পাৰৰ নিজৰাৰ
কুলু-কুলু ধ্বনিৰ লগত
কেতিয়াবা ৰঙীন পখিলাৰ লগত কথা পাতিছোঁ
এই জনসমাগমৰ মাজত
আজি মই অকলশৰীয়া
আজি হাতত
মানুহক বিলাব পৰা অৰ্থ নাই
সেই হে আজি মই অকলশৰীয়া।





# তুমি তুমি ভাবনা

**আজবিন বেগম**
স্নাতক প্ৰথম ষাণ্মাসিক

দেওঁ লগা চৰাইজনীয়ে
নিতৌ জোনাকৰ সাঁকোৰে
সন্ধ্যাক আনে মোৰ পদূলিলৈ,
তেতিয়াই
শ্বাসৰ বাবে প্ৰয়োজন হয় তোমাৰ নিশ্বাসৰ
অচিনাকি বতাহ জাকতো বিচাৰি যাও
তোমাৰ চিনাকি সুবাস
সময়ে সৌৰবণিক বোকোচাত বান্ধি লৈ গ'ল,
তথাপি মোৰ গাত থাকি গ'লচোন
তুমি তুমি গোন্ধ।



# প্ৰেম

**বৰ্ণালী বৰা**
উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষ

এবুকুৰ অশ্ৰু
নিগৰি পৰিছে
সোণৰ এই কোঠাত
এবুকু সঁচা প্ৰেম
উপচি ফুৰিছে
আকাশৰ কোলাত
প্ৰেম এনেকুৱাই
অপেক্ষাত ম্লান পেলায়।

# বৰষুণৰ স্তৱক

**কুকিল বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

জোনাকৰ আয়োজনীক লগত লৈ
তৰাৰ দেশলৈ যাওঁগে
ধাৰাসাৰ বৰষুণেৰে
নৈৰ পানী বাঢ়িছে
তোৰ কথা ভাবোতে মন উদাস হয়।
তৰাৰ পোহৰ জোনৰ দৰে নহয়।
ভেকুলীৰ টোৰ্টোৰণী আৰু
তোৰ গান
ৰুক্মিণী তোক চাবলৈ
মালিনীলৈ যামেগৈ
ছাই মদৰ সোৱাদ লৈ
তোৰ ঘৰ পামগৈ।

# পখিলা

**ৰিয়া পাল**
উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষ

শুৱনি পখিলাটি মোৰ অতিকৈ আপোন
তোমাৰ কথা ভাবি মই নিশা দেখো সপোন।
তোমাক মই বৰ ভাল পাওঁ।
ফুলৰ পাহিত পৰিলে মন ভৰি চাওঁ।
থাকা যে তুমি বতাহৰ লগত নাচি-বাগি
তোমাৰ লগত থাকো ধেমালি কৰি আৰু
সদায় থাকো লুকা-ভাকু খেলি
তোমাৰ পাখি দুখনি ইমান লাহী চুই দিলেই পৰে খহি।

## আশা

**আব্দুল মুবিন হাজৰিকা**
স্নাতক পঞ্চম ষাণ্মাসিক

দুৰ্বাৰ গতিৰে প্ৰচণ্ড শক্তিৰে
নৱতম ছন্দেৰে
জগাই তুলিবলৈ
মোৰ মন যায়;
মোৰ মন যায়
বিশ্ববাসীক
একতাৰ ডোলেৰে
বান্ধি ল'বলৈ।
মোৰ মন যায় কুলি কেতেকীৰ
সুৱদি সুৰীয়া গীতৰ কোকিল
কণ্ঠত সুৰ সানি ল'বলৈ
মোৰ মন যায়
পখী হৈ
বিশ্ববাসীক শান্তিৰ গীত শুনাবলৈ
মোৰ মন যায় কবি হৈ
মনৰ ভাবনাৰে কবিতা লিখিবলৈ
মোৰ মন যায়
মোৰ ব্যক্তিৰ
পদ ছাঁয়াৰে বিশ্ববাসীক
সেৱা কৰিবলৈ।




## এজুপি গছ

**ভৈৰৱী শইকীয়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

এজুপি গছৰ পুলি ৰুই থৈ যাওঁচোন।
কিজানি মোৰ কথাকে কয়,
মোৰেই কোনোৱা আপোন মানুহ তাৰেই ছাঁতে বহি।
দেহৰ ভাগৰ পলুৱাব,
এজুপি গছৰ পুলি ৰুই থৈ যাওঁচোন।
বহুত উপকাৰ হ'ব,
তাৰেই বতাহত আহি মোৰেই আপোন কোনোবাই।
ক্লান্ত দেহ শীতলাব,
এজুপি গছৰ পুলি ৰুই থৈ যাওঁচোন।
তাত বহুত চৰায়ে জিৰাব,
সিহঁতৰ কিৰিলিত মোৰেই কোনোবাৰ।
হিয়া আনন্দত নাচিব,
এজুপি গছৰ পুলি ৰুই থৈ যাওঁচোন
বহুতো ফল-ফুল দিব,
তাকেই দেখি মোৰেই কোনোবাৰ জীৱন ফুলি ৰ'ব।







## বিমুদ্ৰাৰ পৃথিৱী

**তছমিনা বেগম**
স্নাতক পঞ্চম ষাণ্মাসিক

সময় বাৰু কেনি ধাৱমান
মানুহবোৰে গমকে নাপায়
বৰ কষ্ট হৈছে...
বৰ কষ্ট হৈছে মানুহবোৰৰ
দেহৰ ঘাম নপৰিলে
গছবোৰ কেনেকৈ ঠন ধৰিব
ৰজা ঘৰৰ এটা সিদ্ধান্ত
ভৰি তলৰ মাটি কঁপিছে
প্ৰত্যয় প্ৰত্যাশাবোৰ ধূলি হৈ উৰিব ধৰিছে
বতাহ নাই, পোহৰ নাই
সূৰ্যৰ কিৰণত জুই বৰষিছে
আকাশত দুঃখৰ ডাৱৰ
বজাৰক বিষাদৰ সাগৰফেনাই আঁকোৱালি লৈছে
কোনোদিনেই সঞ্চয়ৰ কথা নভবা
মানুহবোৰৰ এতিয়া বৰ কষ্ট হৈছে
ৰাজপথত বাট নোপোৱা হৈছে
ধনী-দুখীয়া, মালিক-চাকৰ
সকলোৰে শাৰী পাতিছে বেঙ্কত এ.টি.এম.ত
সঁচাই! মানুহৰ বৰ কষ্ট হৈছে।
হৃদয়ৰ কথা হেৰাইছে
ভৰিৰ তলৰ মাটি কঁপিব লৈছে
বিমুদ্ৰাৰ পৃথিৱী
শিপা নোহোৱা গছবোৰৰ দৰে
আকাশ থাকিও যেন উৰিব নোৱৰা চৰাই।



## ধুমুহা

**ৰশ্মিৰেখা গগৈ**
স্নাতক পঞ্চম ষাণ্মাসিক

সপোন দেখিছিলোঁ
সপোন বাস্তৱত পৰিণত কৰাৰ
বহু আশা আৰু বিশ্বাসে,
সপোন বাস্তৱ কৰাৰ অভিলাষ
কাৰ বাবে সকলো ত্যাগ কৰিছিলোঁ মই
আত্মবিশ্বাস আছিলনে মোৰ?
সপোন বাস্তৱ কৰাৰ
হঠাৎ এজাক
ৰুদ্ৰ ৰূপৰ ধুমুহা বতাহে,
সকলো সপোন ভাঙি উৰুৱাই নিলে।
চকুৰ সন্মুখতে কি হ'ল?
গমেই নাপালোঁ।
মাথোঁ মোৰ সন্মুখত দেখা পালোঁ
এখন ধ্বংসত পৰিণত হোৱা ঠাই।
যিখন ঠাই মই সজাই তুলিছিলোঁ,
কিছু সময় আগত,
য'ত মোৰ দুটি চকুৰ আগত দেখিছিলোঁ,
হাঁহি-ধেমালি আনন্দৰ উৎসৱ।
কিন্তু সেই ধুমুহা বতাহজাক,
মোৰ কাষেদি পাৰ হৈ আঁতৰি যোৱাৰ পিছত
দেখিলোঁ...
কেৱল মোৰ চাৰিওকাষে ভৰি পৰা
কান্দোনৰ বিস্ফোৰিত পৰিৱেশ।
মোৰ যে সৰ্বশৰীৰ সেই পৰিৱেশত,
মাথোঁ অচল হৈ পৰিল।
পলকতে মোৰ ৰঙীন সপোনৰ ঠাইখিনি
এখন শ্মশানলৈ ৰূপান্তৰিত হ'ল,
সেই মুহূৰ্তৰ প্ৰতিটো ক্ষণতে,
মোৰ সৰ্ব শৰীৰ অচল হৈ পৰিল
আৱেগেৰে ভাঙি পৰিছিলোঁ মই।
পাম জানো মই মোৰ সপোনৰ ঠাইখনি
পুনৰ ঘূৰাই?
পাৰিম জানো পুনঃ মই মোৰ দুচকুত
সেই সপোনবোৰ ৰচিবলৈ।
হ'ব জানো সাহস সেই সপোনবোৰ
বাস্তৱ কৰিবলৈ।

## মানৱ

**ৰমজান আলী**
স্নাতক প্ৰথম ষাণ্মাসিক

জাগি উঠা হে মানৱ ভাই
চকু মেলি উঠা হে মানৱ ভাই
গছ-গছনি জীৱ-জন্তু
ধ্বংস নকৰিবা তুমি
প্ৰকৃতিৰ ভাৰসাম্যতা
ৰক্ষা কৰা আজি।।
এইখন প্ৰকৃতি ৰক্ষা কৰা
মানৱৰ প্ৰকৃত ধৰ্ম।
জাগি উঠা মানৱ জাগি উঠা মানৱ
চকু মেলি চোৱা মানৱ প্ৰকৃতিখন
গছ-গছনি, জীৱ-জন্তু আৰু পশু-পক্ষী
নাইকিয়া হৈ আছে আজি।
ৰক্ষা কৰা প্ৰকৃতি মানৱ
প্ৰকৃতি ৰক্ষা কৰা মানৱৰ প্ৰকৃত ধৰ্ম।

জাগি উঠা মানৱ জাগি উঠা মানৱ
চকু মেলি চোৱা মানৱ প্ৰকৃতিখন



## ঋতুৰাণী বসন্ত

**ৰাধা খাখলাৰী**
স্নাতক পঞ্চম ষাণ্মাসিক

বসন্ত আহিল
গছ-বিৰিখে পাত সলাই
লাজুকী চাৰনিৰে
অপেক্ষাত ৰৈ আছে
ঋতুৰাণী বসন্তই আহি
নওঠা গছৰ ডালে ডালে
আলফুলকৈ পিন্ধাই দিলে
শ্যামলী বসন।
বসন্তৰ সেউজীয়া
সাজ পৰিধান কৰি
প্ৰকৃতিজনী দেখিবলৈ
মনোমোহা হ'ল।

নওঠা গছৰ ডালে ডালে
আলফুলকৈ পিন্ধাই দিলে শ্যামলী বসন।



## সময়

**ভাৰতী নাথ**
স্নাতক পঞ্চম ষাণ্মাসিক

সময় সলনি হয়
তাৰ লগে লগে সলনি হয়,
মানুহৰ মনবোৰো।
কোনোৱে স্বাৰ্থৰ বাবে উভটি চাই,
কোনোৱে আকৌ স্বাৰ্থৰ বাবে
দূৰলৈ আঁতৰি যায়।
কোনোৱে অতীতক পাহৰি
নতুনক আদৰে
কোনোৱে আকৌ অতীতৰ কথাকে সুঁৱৰি
দুপৰ নিশা নিজানত চকুলো টোকে।
যেতিয়া অতীতৰ স্মৃতিবোৰে আহি
বাৰে বাৰে মনৰ দুৱাৰত টুকুৰিয়াই
সঁচা-মিছা মাজেৰে সুখী হোৱাৰ
অভিনয়েৰে, জীৱনটো উটি যায়।
দুখত থাকিও,
সুখী হোৱাৰ অভিনয়
কৰাবো যে কি আমেজ।

কোনোৱে আকৌ অতীতৰ কথাকে সুঁৱৰি
দুপৰ নিশা নিজানত চকুলো টোকে।

## জীৱন

**উৰমিলা গায়ন**
স্নাতক প্ৰথম ষাণ্মাসিক

এই জীৱনৰ সিপাৰে কি আছে বাৰু?
তোমাৰ বাৰু জানিবৰ মন নাযায়নে?
আত্মা অমৰ বুলি শুনিছোঁ,
তথাপি সন্দেহ লাগেচোন!
মৃত্যুৰ পিছত আমি বাৰু ক'লৈ যাম?
আমাৰ প্ৰিয় মানুহবোৰক লগ পামনে?
মোৰ বাবে বৈ বৈ ভাগৰি পৰিছা নেকি
মই বাৰু জীৱন নাট কেতিয়া সামৰিম?
মায়াই যে মোক মৃত্যুৰ ফালে যাবলৈ বাধা দিয়ে,
তথাপি জানিবৰ মন যায় সেই মৃত্যু কেতিয়া আহিব?
কেতিয়া....???

মোৰ বাবে বৈ বৈ ভাগৰি পৰিছা নেকি
মই বাৰু জীৱন নাট কেতিয়া সামৰিম।





## মৃত্যু

**গায়ত্ৰী বৰুৱা**
স্নাতক পঞ্চম ষাণ্মাসিক

'মৃত্যু' শব্দটো শুনিলে মোৰ
বুকুৰ কোনোবা এডোখৰ ঠাই শিয়ৰি উঠে।
নাজানো, নাজানো কি এইটো
যাক মই ভয় কৰোঁ।
আইতাহঁতে কোৱা শুনো
মৃত্যুৰ আগত বোলে যমৰজা আহে
আকৌ কোনোবাই কোৱা শুনো
এইটো হেনো ভগৱানৰ মহিমা।
নতুন নতুন বিজ্ঞানীয়ে পৃথিৱীৰ অগণন কাম কৰিছে
কিন্তু মৃত্যুক কোনোবাই ৰাখিব পাৰিছে জানো?
নোৱাৰে নোৱাৰে, এই মৃত্যুক কোনেও ৰখাব নোৱাৰে
স্বয়ং ঈশ্বৰেও নোৱাৰে।
তেন্তে কি এই মৃত্যু?
যাৰ কোনো অন্ত নাই
অথচ অন্তই তাৰ শেষ ঠিকনা।

নতুন নতুন বিজ্ঞানীয়ে পৃথিৱীৰ অগণন কাম কৰিছে
কিন্তু মৃত্যুক কোনোবাই ৰাখিব পাৰিছে জানো?
নোৱাৰে নোৱাৰে, এই মৃত্যুক কোনেও ৰখাব নোৱাৰে


## মুকুতা মণি

**জ্ঞানদীপ হাজৰিকা**
স্নাতক প্ৰথম ষাণ্মাসিক

পুৱাৰ বেলিটিয়ে ডাৱৰৰ আঁৰে আঁৰে
ভুমুকি মাৰিছে সৌৱা চোৱা,
গছৰ পাতৰ আগত
হীৰাৰ মুকুতা মণি
কিৰণত জিলিকিছে চোৱা।
থাপ মাৰি এটি মণি
আনিবলৈ যায় মন,
আনিলেনো কি লাভ হ'ব!
সাঁচিও নোৱাৰি থ'ব
নোৱাৰি হাতেৰে চুব
চুলেই পানী হৈ যাব।

গছৰ পাতৰ আগত
হীৰাৰ মুকুতা মণি
কিৰণত জিলিকিছে চোৱা।





## স্মৃতি

**প্ৰিয়ঙ্কা বৰা**
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি জোনাক হৈ আহিলা,
পোহৰ বিলাবলৈ।
তুমি সপোন হৈ আহিলা
সপোন দেখুওৱাবলৈ।
হঠাৎ আন্ধাৰ বিনাসী হৈ গ'লা
মোকো কৰিলা এন্ধাৰ।
তুমি আকাশৰ তৰা হৈ ৰ'লা
যাক মই চাওঁ দূৰৰপৰা
কিজানি দেখা পাওঁ তোমাক
ওচৰৰ পৰা।
বনত ছাঁয়াৰ দৰে কত স্মৃতি
আছে মোৰ মনৰ মাজত।
কত অশ্ৰু আছে মোৰ দুচকুত,
তথাপি, আশাৰ ফেহুজালিত
আছোঁ মই ৰৈ।
বহুতো ৰঙীন সপোন লৈ।
শৰতৰ সেই নিজম নিশাত
যেতিয়া তোমালৈ পৰে মনত
চকুৰে বৈ আহে ধাৰাসাৰ বৰষুণ
হেৰাই গ'ল শূন্যতাত আশাবোৰ।
বেদনাবোৰ স্মৃতি হৈ ৰ'ল।
তথাপি সপোন প্ৰত্যাশি মই
অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰি
ৰঙেৰে সাজিম নতুন সপোন।

# আজি আকৌ তোমাক বিচাৰি আহিছোঁ

**টুমণি ৰাভা**
স্নাতক প্ৰথম ষাণ্মাসিক

মোৰ অকবিতা আৰু দুৰ্ভাৱনাৰ
সকলো শিতান সামৰি
আজি আকৌ তোমাক
বিচাৰি আহিছোঁ
তোমাৰ বুকুৰ টৌময় উপত্যকাত
জোনাক বিচাৰি।
আজি আকৌ আহিছোঁ
তোমাৰ দুহাতত গুজি দিবলৈ
শীতৰ দহোটা উমাল সন্ধিয়া
মোৰ বিষণ্ণ ৰাতিৰ নিদ্ৰাহীন দিনলিপি।
জানো ময়ো জানো
একুৰাৱিয়ামৰ মাছৰ সপোনৰ দিগন্ত
দুহাত মেলি চুই চাব নোৱাৰো আকাশ
আনো বুলিয়েই ওভতাই
আনিব নোৱাৰো
হেৰাই যোৱা অতীতৰ বাসন্তী উলাহ।
মোৰ উৰলি যোৱা
খেৰৰ পঁজাত
তোমাৰ সপোনৰ আহুকাল
চিৰদিন চিৰকাল।



অতীতক মনত পৰি আজি হৃদয় কঁপে
হেৰোৱা সপোনবোৰ বিচাৰি
কঁপি কঁপি কান্দি উঠে কলিজাই



একুৰাৱিয়ামৰ মাছৰ সপোনৰ দিগন্ত
দুহাত মেলি চুই চাব নোৱাৰো আকাশ
আনো বুলিয়েই ওভতাই
আনিব নোৱাৰো।

# যাতনা

**মুন্মী বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

বুজিও অবুজ চকুৰ ভাষা
হাঁহিৰ প্ৰেমৰ ৰাগি সনা।
ভাষাৰে দিয়া মাথোঁ নিৰাশা
তুমি জানো বুজিবা।
আজি শব্দহীন মোৰ গান
গানে কৰি যায় হিয়া ম্লান
গানৰ গুণগুণনিত
লিখা আছে তোমাৰ নাম।
সোণালী সেই স্মৃতিয়ে
মাথোঁ দি যায় যাতনা
গলি গলি চকুলো বোৱা
মৰমবোৰে আজি সাগৰ তোলে।
মিঠা মিঠা গীত হে ৰোৱা
অতীতক মনত পৰি আজি হৃদয় কঁপে
হেৰোৱা সপোনবোৰ বিচাৰি
কঁপি কঁপি কান্দি উঠে কলিজাই
আজি পৃথিৱী কঁপাই।।






# মন যায়

**তৃষ্ণা বৰা**
স্নাতক প্ৰথম ষাণ্মাসিক

শৰৎ আকৌ আহিল
তলসৰা শেৱালিবোৰ যেন আকৌ ফুলিল
মোৰ পদূলিমুখত নিয়ৰ সৰা দুবৰিত
তোমাৰ যেন খোজ পৰিল
সেইহে শৰৎ মোৰ বৰ ভাল লাগে
মন যায় প্ৰতিটো ঋতু যেন শৰতৰ দৰে
হওক
যেন তুমি অহাৰ দৰে হওক
কুঁৱলী আৰৰি ৰখা সৌ
সৌন্দৰ্যময় পথাৰখনলৈ চাই
মোৰ ক'বলৈ বৰ মন যায় 'কোৱাচোন তুমি
আহিবানে ঘূৰি
কোৱাচোন তুমি আহিবানে ঘূৰি।

সৌন্দৰ্যময় পথাৰখনলৈ চাই
মোৰ ক'বলৈ বৰ মন যায় 'কোৱাচোন তুমি
আহিবানে ঘূৰি



# উপজা পুৰা

**জিৎজয় বৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক

যিদিনা মই উপজিছিলোঁ
এই পৃথিৱীত আহি
সেইদিনা বেলিটোৱে আছিলে
মোৰ ফালে চাই হাঁহি
ৰাতিপুৱাৰ ক্ষণকণ আছিল
মোৰ বাবে সুখৰ স্মৃতি
যিটো পুৱাত জিলিকি উঠিছিল
শুভ্ৰ পৰিৱেশৰ নীলা আকাশখনি
মোৰ ওচৰত থিয় হৈছিল
পোহৰৰ এক ৰশ্মি
সেই ৰশ্মিতেই হেৰুৱালোঁ
মোৰ আন্ধাৰৰ সকলো স্মৃতি।

পোহৰৰ এক ৰশ্মি
সেই ৰশ্মিতেই হেৰুৱালোঁ
মোৰ আন্ধাৰৰ সকলো স্মৃতি।



# জীৱন যন্ত্ৰণাৰ বাট-ঘাট

**ভাস্কৰজ্যোতি ভূএগ্ৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

জীৱনটো এনেকুৱাই নেকি?
হাজাৰ যন্ত্ৰণা নেওচি
সুখৰ প্ৰেৰণা বিচৰা।
জীৱনটো এটা যন্ত্ৰ নেকি?
হাজাৰ দুখকো নেওচি
আশাৰ ৰেঙনি বিচৰা।
জীৱনৰ বাটেৰে...
আগুৱাবলৈ শিকিবা
হাজাৰ বাধাকো নেওচি
এজাক আশাৰ ৰেঙনি বান্ধি।
জীৱনৰ বাটত আহে
হাজাৰ ধুমুহা
সপোনৰ আশাবোৰ ভাঙি নিবলে
কিন্তু নহ'বা হতাশ
আগুৱাই যোৱা
ন ন প্ৰদীপেৰে
জীৱন গঢ়িবলৈ।

জীৱনৰ বাটত আহে
হাজাৰ ধুমুহা
সপোনৰ আশাবোৰ ভাঙি নিবলে
কিন্তু নহ'বা হতাশ



## এটা সপোন

**দিব্যজ্যোতি মুৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

বহুদিন ধৰি কৰিছে আমনি,
সপোনবোৰ মায়াৱী
মই নজনা নহয়, সপোনবোৰক আৰু
জটিল কৰি তুলিম নে?
তুমি আহি, মায়াৰ ৰং সানিছা
এটা সপোনৰ ভিতৰতে আৰু
অন্য এক স্বপ্ন ৰচিছা,
প্ৰতিটো কাহিনীতে মুখ্য চৰিত্ৰ তুমি।
হয়তো তুমি নাজানা, তুমি কাৰোবাৰ
হাজাৰ সপোনত খেলা খেলিছা।

প্ৰতিটো কাহিনীতে মুখ্য চৰিত্ৰ তুমি। হয়তো তুমি নাজানা, তুমি কাৰোবাৰ হাজাৰ সপোনত খেলা খেলিছা।

## কবিতা আৰু যৌৱন

**অনন্ত কায়স্থ**
স্নাতক তৃতীয় ষাণ্মাসিক

পুৱাৰ পোহৰ থকা চকুৰ চিকাৰ মই
সন্ধ্যালৈ হৈ পৰো কবি
কলমৰ আগেদি উৰুৱাই দুখবোৰ
অনুভৱবোৰৰ আঁকি যাওঁ ছবি
মদৰ নিচাত মাতাল সন্ধ্যাবোৰত
পুৰণি খবৰবোৰ পঢ়োঁ
ভাবো!
কিমান যে বুৰ্বকামিৰে ভৰা
এই টীন এজ?
সপোন দেখোঁ ৰাতি
ঘূৰাই পাও তাইক
সাৰ পাই উঠি কান্দো
গান শুনো
তাৰ পাছত?
বুকু জ্বলে, চিগাৰেট জ্বলাও
দুখবোৰ শান্ত হয়, ধোঁৱাবোৰ উৰুৱাও
আস!
তাই যদি সুধিলেহেঁতেন
কেনে আছা বুলি
মই কি ক'লোঁ হয়?

তাই যদি সুধিলেহেঁতেন কেনে আছা বুলি মই কি ক'লোঁ হয়? বুকু জ্বলে, চিগাৰেট জ্বলাও দুখবোৰ শান্ত হয়, ধোঁৱাবোৰ উৰুৱাও



## চোৰৰ গতি

**ৰাফিনা বেগম**
স্নাতক পঞ্চম ষাণ্মাসিক

কণপাই চোৰে
কঁঠাল পাৰোঁতে
মূৰত পৰিল আঠা,
নামোতেই কণপাইক
গছৰ পৰা
কুকুৰে দিলে খেদা।
বৰল আছিল
লেতেকু গছত
নেদেখাত পৰিল হাত,
বৰলে পাই
চোৰ কণপাইক
কৰিলে গোপাত পাত।
কণপাই গৈ
নাৰিকল গছত
উঠিল দোভাগ ৰাতি,
মূৰত পৰি
শুকান নাৰিকল
কণপাইৰ সাধিলে গতি।





## বন্ধুত্ব

**নীহাৰিকা বৰা**
স্নাতক প্ৰথম ষাণ্মাসিক

এটি শব্দ
নাই নহয়
এটি নিবিড় সম্পৰ্ক
বন্ধুত্ব।
ইয়াৰ মাজত লুকাই আছে
সপোন, হেঁপাহ আৰু মৰম
য'ত আছে হাতে-হাত ধৰি আগুৱাই যোৱাৰ শক্তি
যাৰ আগত নিৰ্ভয়ে ক'ব পাৰি
জীৱনৰ প্ৰতিটো মুহূৰ্ত
য'ত থাকে গভীৰ বিশ্বাস
সেয়াই বন্ধুত্ব।
বন্ধুত্ব নিষ্পাপ আৰু নিঃস্বাৰ্থ
সেয়েহে হয়তো
বন্ধুত্বই হৈছে পৃথিৱীৰ শ্ৰেষ্ঠ সম্বন্ধ।

বন্ধুত্ব নিষ্পাপ আৰু নিঃস্বাৰ্থ সেয়েহে হয়তো বন্ধুত্বই হৈছে পৃথিৱীৰ শ্ৰেষ্ঠ সম্বন্ধ।

## হাত

**জিমলি কাকতি**
স্নাতক প্ৰথম ষাণ্মাসিক

হাতেৰেই হয় সৃষ্টি
হাতেৰেই হয় ধ্বংস,
কৰ্ম কৌশল হাততেই
সুকৰ্ম আৰু কুকৰ্ম।
হাত চলাওঁতে আক্ৰমণ
হাত দাঙিলেই আত্ম সমৰ্পণ।
হাতেৰেই জনোৱা হয় আদৰণি সম্ভাষণ
আকৌ হাতেৰেই চলোৱা
পিষ্টলৰ গুলীৰেই হয় মানৱ নিধন।
হাতেৰেই খেলিবা আনন্দৰ ফাকুগুড়ি
সেই হাতেৰেই দান, হাতেৰেই চুৰি,
কি যে বিচিত্ৰ এই হাতৰ বাহাদুৰি।

আকৌ হাতেৰেই চলোৱা পিষ্টলৰ গুলীৰেই হয় মানৱ নিধন। হাতেৰেই খেলিবা আনন্দৰ ফাকুগুড়ি।



যেতিয়া জ্বলি উঠিছিল তেওঁৰ চিতাৰ জুই সঁচাই!! ভুকুৱাই ভুকুৱাই কান্দিছিল তেওঁৰ মমতাজনী।

## তুমি শ্বহীদ

**মুন মুন গায়ন**
স্নাতক পঞ্চম ষাণ্মাসিক

কি দৰকাৰ আছিল তেওঁক
হত্যা কৰিবলৈ,
কি দৰকাৰ আছিল তেওঁৰ পত্নীক
বগা সাজ পিন্ধাবলৈ।
তেওঁ বাবে সমাজ ধ্বংস হোৱা নাই...
তথাপি কি দোষ আছিল?
তেওঁৰ সন্তান দুটিক মাওৰা কৰিবলৈ
এটি জীয়া সপোন,
যাৰ কোনো বাস্তৱ অস্তিত্ব নাই...।
তথাপি...উচুপি উঠিছিল তেওঁৰ হত্যাকাৰীজন।
কি আচৰিত...।
যেতিয়া জ্বলি উঠিছিল তেওঁৰ চিতাৰ জুই সঁচাই!!
ভুকুৱাই ভুকুৱাই কান্দিছিল তেওঁৰ মমতাজনী।
কোনো পাৰ নাই, কোনো সীমা নাই,
ক'ত যাব, তেওঁৰ মমতাজনী...???
ভাগি পৰিছিল তাই কান্দি কান্দি।।।
মই ছাই আছিলোঁ তাই শেতাপৰা মুখখনলৈ,
ময়ো কান্দিছিলোঁ তাইৰ
সন্তান দুটিৰ মুখখনলৈ চায়।
তুমি শ্বহীদ, তুমি জোৱান, তুমি বীৰ, তুমি সাহস, তুমি শক্তি
তোমাক আমি কৰোঁ প্ৰণাম।।

# মা মই নাহো উভতি

**হেমপ্ৰভা দৈমাৰী**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মা মই নাহো উভতি
মা তুমি মোলৈ নাচাবা বাট
গৈছিলোঁ আমি সৌ সিপাৰৰ,
কাৰ্বি পাহাৰৰ মনোমোহা দৃশ্য চাবলৈ,
আমাৰে অসমী লোক কিছুৰে,
আমাক নাপালে চিনি।
চিঞৰি চিঞৰি দিলোঁ আমাৰ পৰিচয়,
তথাপিও আমাক নিদিলে সঁহাৰি,
কৰিলে মাথোঁ বৰ্বৰতাৰ বলি।
সেই নিৰ্দয়ী নিঃসংকাৰী লোক,
আমাৰে অসমী লোক।
মা মই নাহো উভতি...।
*(নীলোৎপল দাস আৰু অভিজিৎ নাথৰ স্মৃতিত)*

# মাজৰাতি

**তৌফিকুৰ ৰহমান**
স্নাতক প্ৰথম ষাণ্মাসিক

কঁপি থকা ওঁঠযুৰি
আউলি কেশবিন্যাস
অবিন্যস্থ বসন
অস্পষ্ট গেঙনি

বিছনাত ইকাটি সিকাটি মই
খিৰিকীৰ সিপাৰে তই
ওহ! জোনাক
তোৰ পোহৰে কঁপায় মোৰ সমগ্ৰ সত্তা
বাউলী বতাহ হও মই
ডিঙা মেলি তোৰ বুকুলৈ
খৰকৈ যাব খোজা মোৰ মন
আন্ধাৰৰ পাৰ ভাঙি তই নাহিবি
পোহৰেৰে প্ৰেম জ্বলাব
তই গুচি যা...
মোক এৰি যা...
অন্ধকাৰ আজিও মোৰ প্ৰিয়

তোৰ পোহৰে কঁপায় মোৰ সমগ্ৰ সত্তা
বাউলী বতাহ হওঁ মই
ডিঙা মেলি তোৰ বুকুলৈ
খৰকৈ যাব খোজা মোৰ মন




# তুমি কোন

**জুৰি দাস**
স্নাতক তৃতীয় ষাণ্মাসিক

তোমাক পোৱাৰ আগলৈকে
জনাতো নাছিলোঁ মই
তুমি ইমান মোহনীয়া
কেতিয়াবা ভাবিছিলোঁ তোমাক পাবলৈ
ডেকা-বুঢ়া কিয় ইমান বলিয়া।
এতিয়া জানিছোঁ
এতিয়া বুজিছোঁ
শেতেলিত মোৰ হাতে ঢুকি পোৱাত
যেতিয়া তোমাক পাওঁ
তোমাৰ জিলিকি উঠা বুকুখনিত মই
যেতিয়া পৰশ দিওঁ
তেতিয়াই জানা মোৰ সপোনবোৰলৈ
উভতি উভতি চাওঁ।
ভাতৰ পাতত বহি থাকোঁতে
পঢ়াৰ টেবুলত বহি থাকোঁতেও
কাণপাতি ৰওঁ
কি জানি ৰিণি ৰিণি শুনো তোমাৰ মাত
যি মাতত মোৰ বুকুত জ্বলা
বেদনাবোৰ পৰে শাত
তুমিয়েই হৈছা প্ৰেমিক যুগলৰ
মান অভিমান।
জানা তোমাৰ মাতত বিভোৰ হৈ
বহুতেই দিছে প্ৰাণ
সকলোৰে তুমি ইমান আপোন
আচলতে তুমি কোন?
'অ' এতিয়া জানিছোঁ
এতিয়া বুজিছোঁ
তুমিয়েই নহয় জানো
ম'বাইল ফোন?





# ফাগুন

**মৃদুপৱন শইকীয়া**
স্নাতক দ্বিতীয় ষাণ্মাসিক

আজি শিমলুৰে হাঁহি যায়
পলাশে মিচিকিয়াই
ফুট গধূলিতে, গোলাপে জুমি চাই.
বলিছে ফাগুনৰ পছোৱা
চঞ্চলা মন মোৰ উৰি যায়
ফাগুন বাউলি
বুকুৰ হেঁদালিতে লহপহাই বগাই
ফাগুন মানেই মোৰ স্মৃতি
ফাগুন মোৰ মিঠা সপোন
সিদিনাও বলিছিল এছাটি পছোৱা
সেই পছোৱাজাকত আছে মোৰ
প্ৰত্যেকটো উশাহ
আজি এপিয়লা প্ৰেমৰ নিচাত
উন্মত্ত মোৰ মন-মগজুৰ
প্ৰতিডালে সিৰা
ডুব যাওঁ আবেগত
দুখৰ প্ৰতিটো নিশাত





সাগৰৰ পানী লুণীয়া,
মানুহৰ মনটো ঘৃণীয়া
মানুহবোৰ ইমান নিষ্ঠুৰ কিয়?

# গভীৰতা

**বৰ্ণালী দাস ৰাভা**
স্নাতক তৃতীয় ষাণ্মাসিক

সাগৰখন কিমান গভীৰ,
দেখিলেই ভয় লাগে,
আকাশখন কিমান গভীৰ
ভাবিলেই ভয় লাগে।
তাতোতকৈ মানুহৰ মন কিমান গভীৰ
অসীমলৈ পাৰ বান্ধে।
সাগৰৰ পানী লুণীয়া,
মানুহৰ মনটো ঘৃণীয়া
মানুহবোৰ ইমান নিষ্ঠুৰ কিয়?
সেয়েহে গভীৰ শব্দটো মোৰ
শুনিলে বৰ ভয় লাগে।
হে নতুন সমাজ
আহ্বান জনাইছোঁ যে,
আহা, আহা, ওলাই আহা,
গভীৰতাৰ পৰা
আৰু আমি আগবাঢ়ি যাওঁ
এখন নতুন সমাজলৈ।



## জীৱন


**সঙ্গীতা দাস**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এই জীৱন সঙ্গীবিহীন
আছে এক নিবৰতা আৰু নিস্তব্ধতা,
জীৱনত জানো পাৰি জীয়াব এইদৰে
উকা জীৱন, উকা সপোনৰ পথ।
এখোজ দুখোজকৈ খোজ পেলালেই যেন
মোৰ ভৰিত কাঁইটে বিন্ধে।
কষ্ট হয়
কাঁইটৰ বাটটোত
যিজনে গৈছে কেৱল তেওঁহে বুজে
সঙ্গীবিহীন জীৱন কেনেকুৱা?
জীৱন তেনেকুৱাই সঙ্গীবিহীন
য'ত কেৱল ঘোৰ অমানিশা
নাই তাত সুখৰ ছায়া।

## নিৰপেক্ষ


**মিলন কুমাৰ শইকীয়া**
স্নাতক প্ৰথম ষাণ্মাসিক

নাই জাত নাই পাত
আমি মানুহৰ জাত,
মই হিন্দু, তুমি বড়ো, তুমি মুছলিম
লিখা আছে জানো জাত-পাত।
কিয় কৰা নাই— কাজিয়া
আছে জানো লাভা-লাভ?
আমি অসমৰ আমি ভাৰতৰ
আমি একে মাতৃৰ সন্তান
আমাৰ মাজত কিহৰ জাত-পাত।
আমি সোণৰ দেশ গঢ়িম,
ৰাখিম দেশৰ মান
মহৎ লোকৰ বাণীৰে
উজ্জ্বলাই তুলিম।
বিশ্বৰ মাজত থাকিব আমাৰ নাম
অখণ্ড ভাৰত,
কৰিছে খণ্ড-বিখণ্ড
সৃষ্টি কৰিছে জাত-পাত।
তেজেৰে বোৱাই দিছে
দিন-দৰিদ্ৰৰ ভগা পঁজা,
আমি প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব।
গঢ়িব লাগিব আপোন দেশ
সকলোৰে মিলি আনিব লাগিব
গঢ়িব লাগিব দেশৰ ভৱিষৎ।









## হেঁপাহ

**শৰ্মিষ্ঠা দেৱী**
সহকাৰী অধ্যাপিকা, বাণিজ্য বিভাগ
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

অন্তৰৰ সমস্ত আৱেগ চকুলো হৈ বৈ আহিল তাইৰ দুগালেদি। ইমান বছৰৰ সপোনে বাস্তৱৰ মুখ দেখাৰ মুহূৰ্তত কেনেকৈ ধৰি ৰাখে তাই নিজৰ আবেগক? মন গৈছিল তাইৰ— হেঁপাহৰ সপোনটোক বাস্তৱ ৰূপ দিয়াত অহোপুৰুষাৰ্থ কৰা মানুহজনক এবাৰ প্ৰাণ ভৰি আলিঙ্গণ কৰাৰ। তেওঁ যদি এইক্ষেত্ৰত তাইক উৎসাহ নিদিলে হয়, নিজে আগ-ভাগ লৈ সকলো ব্যৱস্থা কৰি নিদিলে হয়, তাই যে এই সফলতা (সফলতা বুলিয়েই ক'ব লাগিব তাই) কোনোদিনেই নাপালেহেঁতেন।

সৰুৰে পৰাই মনৰ মাজত লুকা-ভাকু খেলি থকা কথাবোৰ তাই টুকি ৰাখিছিল নিজৰ নোট বুকখনত। সেই সময়ত তাই ভবা নাছিল যে সেই লিখনিবোৰৰ মাজতে একো একোটা সুন্দৰ কবিতা, গল্প লুকাই আছিল। তাইৰ কলম চলিছিল কেৱল মনৰ তাড়নাত, আপোনা-আপুনি ওলাইছিল শব্দবোৰ। কলেজত পঢ়ি থাকোঁতে এদিন তাই ককায়েকক তাইৰ মৰমৰ নোটবুকখন দেখুৱাইছিল। অত্যাধিক কামৰ বোজা থকা বাবেই হওক বা অন্য কিবা কাৰণতে হওক তাইৰ ককায়েকে সেইবোৰৰ প্ৰতি বিশেষ আগ্ৰহ নেদেখুৱালে। সেইদিন ধৰি তাই কাকো সেইবোৰ দেখুওৱা নাই।

দিন বাগৰিছিল। তাৰ লগে লগে তাইৰ কলমেদি নিগৰিছিল নতুন নতুন লেখনি। কিন্তু সেইবোৰে প্ৰকাশৰ মুখ দেখা নাছিল। তাইৰ মতে প্ৰকাশৰ অনুপযোগী আছিল সেই লেখনিবোৰ। তথাপিও তাই সপোন দেখিছিল— তাইৰ হেঁপাহৰ এখনি কবিতাপুথি বা গল্পসংকলনৰ। মাজে মাজে লেখনিবোৰ উলিয়াই লিৰিকি-বিদাৰি চাইছিল আৰু আত্মবিভোৰ হৈছিল।

এটা সময়ত তাইৰ বিয়া হৈছিল। স্বামী গৃহলৈ লৈ গৈছিল তাইৰ মৰমৰ লেখাবোৰ। সংসাৰৰ লেঠা মাৰিও তাই মাজে মাজে কিবা এটা লিখি গৈছিল। তেতিয়াই হয়তো কথাটো চকুত পৰিছিল তাইৰ স্বামী নিলয়ৰ। এদিন তেওঁ তাইক সুধিছিল এই বিষয়ে। কিন্তু তাই কথাটো গা এৰা দিছিল। সেয়েহে এদিন সি পাত লুটিয়াই চাইছিল তাই সযতনে সাঁচি ৰখা লেখাবোৰ তাইক নোকোৱাকৈয়ে। এটা এটাকৈ হজম কৰিছিল তাইৰ আটাইকেইটা গল্প আৰু কবিতা।

কেইদিনমান পাছত ৰাতিৰ খোৱাৰ সময়ত তাইক অবাক কৰি সুধিছিল তেওঁ— 'বৰ ধুনীয়া লিখা দেখোন? প্ৰকাশ নকৰা কিয়?' এক প্ৰশ্নবোধক দৃষ্টিৰে তাই কেৱল চাই ৰৈছিল নিলয়লৈ। তাৰ পাছৰপৰা তাই লিখিবলৈ প্ৰেৰণা পালে। হাজাৰ কামৰ মাজতো চলাই নিলে তাইৰ কলম। নিলয়ৰ উৎসাহত তাইৰ লেখাবোৰে যেন প্ৰাণ পাই উঠিল। মাজে মাজে দুই-এখন কাকত-আলোচনীত তাইৰ কবিতা প্ৰকাশ কৰি নিলয়ে তাইক 'ছাৰপ্ৰাইজ' দিবলৈয়ো ধৰিলে। আনকি সিহঁতৰ দুবছৰীয়া ল'ৰাটোক আলপৈচান ধৰাৰপৰা বিভিন্ন কামত তাইক ৰেহাই দিবলৈয়ো ধৰিলে। নিজকে অত্যন্ত সুখী অনুভৱ কৰিলে তাই নিলয়ৰ দৰে মানুহ এজনক স্বামী হিচাপে পায়। ইমান বুজে তাইৰ মনটোক!

মনটো বাৰু বুজি পায়, পিছে সপোনটোৰ কথা কোনে ক'লে নিলয়ক? নহ'লেনো তাই এই মুহূৰ্তত পুৰণি কথাবোৰ আওৰাই থাকেনে? একমাত্ৰ ল'ৰাটো জন্মৰ সময়ত তাই যিমান পুলকিত হৈছিল, আজি এই ক্ষণতো তাই সিমানেই আনন্দিত। কাৰণ তাই প্ৰিয় সাহিত্যিকজনে ইতিমধ্যেই উন্মোচন কৰিছে তাইৰ হেঁপাহৰ গল্প-সংকলনখন। মাইক্ৰ'ফোনত ভাহি আহিছে সাহিত্যিক গৰাকীৰ গম্ভীৰ কণ্ঠস্বৰ.... 'এয়া সেউজীয়া-হালধীয়া বেটুপাতেৰে এক জ্ঞান গল্পৰ সমাহাৰেৰে ৰিম্‌জিম্ দত্তৰ গল্প সংকলন 'হৃদয়ৰ একোণত'।



# মৃত্যু সময়ৰ উপলব্ধি

ৰিংকী দাস
স্নাতক পঞ্চম ষাণ্মাসিক

পুৱাৰ কোমল বতাহছাটি উপভোগ কৰি মনালিছাই কফি কাপ শেষ কৰিলে। বাতৰি কাকতখনত চকু ফুৰাওঁতেই হঠাৎ তাইৰ মনটোত দোলা দি গ'ল যোৱা ৰাতিৰ ঘটনাটোৱে 'মোক মাফ কৰি দিয়া ভুল হৈ গ'ল। বুজি নাপালো তোমাৰ মনটোক।' মৰাৰ আগমুহূৰ্তত 'কৈ যোৱা গৌতমৰ শেষ কথাষাৰি....।

মদাহী বাপেকে এৰি থৈ যোৱাৰ পিছত মোমায়েকৰ ঘৰখনেই একমাত্ৰ সন্তান মনালিছা আৰু মাকৰ আশ্ৰয়স্থল। মনালিছাৰ মনত সদায় এটা দুখে ক্ৰিয়া কৰি থাকে যাৰ বাবে তাই মনখুলি হাঁহিব নোৱাৰে, মাতিব নোৱাৰে কাৰণ তাই দুখীয়া, তাইৰ নিজাকৈ এখন ঘৰ নাই, দেউতাকক এদিনো দেউতা বুলিব নাপালে। তাই ইমান ধুনীয়াও নহয়। মাকে আনৰ ঘৰত কাম-বন কৰি যি অনা পইচা পাই তাৰেই তাইৰ পঢ়া-শুনা, খৰচ-পাতি চলায়। অনেক কষ্টৰ মাজেৰেই তাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিজ্ঞান শাখাত নামভৰ্তি কৰিলে। এই সময়তেই তাই এজন প্ৰখ্যাত ব্যৱসায়ীৰ পুত্ৰ গৌতমৰ লগত পৰিচয় ঘটে। মনালিছাই নিজতকৈও অধিক ভাল পাইছিল গৌতমক। গৌতমক পাই মাকৰ, মোমায়েকৰ ইমান কষ্টক পানী কৰি, মনালিছাই আনকি নিজৰ কেৰিয়াৰৰ কথা নাভাবি, ডাক্তৰ হোৱাৰ সপোন পূৰণৰ কথাও নাভাবি বিয়া ঠিক কৰিলে গৌতমৰ লগত। গৌতম আছিল ছলাহী কথাৰে মন ভোলোৱা, ধনৰ মোহত অন্ধ ডেকা। দিন যোৱাৰ লগে লগেই দুয়োৰে প্ৰেম আগবাঢ়িছিল। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ দুমাহ আগত গৌতমে মনালিছালৈ ফোন কৰা বন্ধ কৰি দিছিল আৰু কৈছিল পৰীক্ষা ভালদৰে দিবলৈ। পৰীক্ষাৰ শেষৰ দিনা কল কৰিবলৈ কৈছিল কাৰণ দুয়োৰে সেইদিনা ক'ৰ্ট মেৰেজ। গৌতমৰ ঘৰৰ মানুহে মনালিছাৰ দৰে এটি দুখীয়া পৰিয়ালৰ ছোৱালীক কেতিয়াও বোৱাৰী হিচাপে বিচৰা নাছিল। কিন্তু দুমাহ পিছত যেতিয়া তাই পৰীক্ষা দি উঠি তালৈ ফোন কৰিলে তেতিয়া তাইৰ মূৰটো আচন্দ্ৰাই কৰিলে। সিফালে গৌতমৰ পত্নীৰ মাত— হেল্ল' এওঁ ঘৰত নাই। ইমান বিশ্বাসঘাটকতা কান্দি-কাটি বাউলি হৈ পৰা মনক বুজাবলৈ মাকৰ, মোমায়েকৰ ভাষা নাছিল। মাক-মোমায়েকৰ আশাক পানী কৰি গৌতমৰ ছলাহী কথাত ভোল যোৱাত তাই ক্ষমা খুজিলে। লগে লগে তাই শপত খালে ভাল ছোৱালী হ'বলৈ, নিজৰ কেৰিয়াৰৰ যত্ন ল'লে। ময়ো এদিন অনেক উন্নতিৰ জখলাত বগাম। মাক, মোমায়েক আৰু ওচৰ-চুবুৰীয়াৰ সাহায্যত তাই ডাক্তৰী পঢ়িবলৈ দিল্লীলৈ উৰা মাৰিলে।

সাত বছৰ পিছত এইয়া মনালিছা। অজস্ৰ সম্পত্তিৰ মালিক। নিজস্ব ফ্লেট, গাড়ী, মাটি, টকা-পইচাৰে যি মনালিছাক এদিন দুখীয়া বুলি পুতৌ কৰিছিল গৌতমে। তাইৰ এতিয়া দুখন নিজস্ব নাৰ্ছিং হোম আছে। যি দুখনৰ এখনত যোৱাকালি গৌতমৰ চুৰি মৰা অৰ্ধমৃত দেহটো লৈ মাক-বাপেক হাজিৰ হৈছিল। গৌতমৰ ধনীৰ দুলালী লুভীয়া পত্নীয়ে নিজ স্বামীকে হত্যা কৰি সমস্ত টকা ধন সোণ লৈ প্ৰতিৱেশী ল'ৰা এজনৰ লগত গুচি গ'ল। নাৰ্ছিং হোমৰ সফল চিকিৎসক মনালিছা দত্তয়ো গৌতমক বচাব নোৱাৰি শেষ বিদায় দিলে। ধনেই গৌতমৰ কাল হ'ল। অসমীয়াত এষাৰ কথা আছে— 'হৰিণাৰ মাংসই বৈৰী'

মৰাৰ আগমুহূৰ্তত কৈ যোৱা গৌতমৰ শেষ কথাষাৰ মনাৰ কাণত বাজি থাকিল— 'মোৰ ভুল হৈ গ'ল মোক মাফ কৰি দিয়া তোমাৰ মৰম বুজি নাপালোঁ।'







# ভুলৰ বুকুৰ এপাহি ফুল

টুটুমণি ৰাভা
স্নাতক প্ৰথম ষাণ্মাসিক

নিজৰ জীৱনৰ অভিজ্ঞতাৰেও অনুৰাধাই জীৱনৰ এক সংজ্ঞা দিব নোৱাৰে। আঃ জীৱন ইমান বেলেগ। পৃথিৱীত একমাত্ৰ জীৱনেই আছে, যাৰ ইমান ভিন্ন ৰূপ। আৰু মানুহৰ লগত হোৱা সংযোগবোৰ সেয়াইটো হঠাতেই ঘটি যায়। কাহানিও ভবা নাছিল অনুৰাধাই যে জীৱনৰ গতি সঁচাকৈয়ে হঠাতে এদিন ওলট-পালট হৈ যাব বুলি। আজি তাইৰ মনৰ ভিতৰত হাজাৰ শব্দৰ গুমগুমণি। নাই, তাই নিজেই কোনো এটা সিদ্ধান্তত উপনীত হ'ব পৰা নাই। নিজৰ মনটোকো কোনো ধৰণে সান্ত্বনা দিব পৰা নাই। তাই ভাবিবই নোৱাৰে নিজকে 'মুছলমান' বুলি পৰিচয় দিব, নোৱাৰে নিজকে প্ৰতাৰণা কৰিব। মানুহৰ অজ্ঞাতে যে কত কি হৈ যায়। আজি তাই ভালকৈয়ে উপলব্ধি কৰিছে। আজিৰপৰা প্ৰায় এবছৰৰ আগৰ কথাবোৰ মনলৈ আহিল অনুৰাধাৰ। তেতিয়া তাই উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী আছিল। হঠাৎ এদিন তাইৰ ম'বাইলৰ স্ক্ৰীণত ভাহি আহিছিল এক অচিনাকি কণ্ঠস্বৰ। তাই 'ৰং নাম্বাৰ' বুলি ফোনটো কাটি দিছিল। সেই তেতিয়াৰে পৰা সঘনাই ফোন আহিছিল সেই অচিনাকি নম্বৰত। এদিন সেই অচিনাকিজনৰ সৈতে চিনাকিও হ'ল। পৰিচয় দিছিল নিজকে বিবেক দাস বুলি। সেইদিনৰপৰাই আৰম্ভ হৈছিল সিহঁতৰ বন্ধুত্ব। অনুৰাধাই অনুভৱ কৰিছিল যেন বিবেকে খুৱ আন্তৰিকতাৰে তাইৰ সৈতে কথা পাতে। দিন বাগৰি যোৱাৰ লগে লগে বিবেকৰ কথাবোৰ ক্ৰমশঃ দীঘলীয়া হৈ আহিছিল। কোকৰাঝাৰৰপৰা কৰা কলটোত সি প্ৰায়েই কৈছিল কলেজীয়া জীৱনৰ ৰং-ৰস, বন্ধু-বান্ধৱৰ লগত মৰা আড্ডা, লগতে ঘৰৰ কথা, পৰিয়ালৰ কথা। অনুৰাধায়ো কৈছিল সেই একেবোৰ কথাকে। কিন্তু কিছু অন্তৰঙ্গতাৰ কথাবোৰে এক বেলেগ ইংগিত বহন কৰিছে। অনুৰাধাই বিচাৰিছিল স্বাৰ্থহীন বন্ধুত্ব। কিন্তু বিবেকৰ ফালৰপৰা সেয়া যেন হৈ নুঠিল। সি যেন বন্ধুত্বক প্ৰেমলৈ পৰিৱৰ্তিত কৰিব খুজিছিল। অনুৰাধাৰ ভাল নালাগিল। সেই কোমল বয়সত নেদেখাকৈ কাৰোবাৰ প্ৰেমত পৰিবলৈ তাইৰ যেন শংকা ওপজিছিল। সেয়েহে অনুৰাধাই যোগাযোগ বন্ধ কৰি দিছিল এদিন। কাৰণ সন্মুখত হায়াৰ ছেকেণ্ডাৰী ফাইনেল পৰীক্ষা সমাগত। হাতত থকা সময়বোৰ অবাবত খৰচ কৰিব নোৱাৰি। গতিকে অহেতুক চিন্তাবোৰ মনৰপৰা বাদ দি অনাগত পৰীক্ষাৰ প্ৰস্তুতিত লাগি গৈছিল।

জীৱনৰ আৰম্ভ হৈছিল এক নতুন যাত্ৰা। পৰীক্ষাত সু-খ্যাতিৰে প্ৰথম বিভাগত দুটা বিষয়ত লেটাৰ মাৰ্ক পাই অনুৰাধাই ভৰি দিছিল মহাবিদ্যালয়ত। মহাবিদ্যালয়ত ভৰি দিয়াৰ পাছত অনুৰাধাৰ জীৱনলৈ চিৰ সেউজ বসন্ত নামি আহিছিল। মহাবিদ্যালয়ৰ পৰিৱেশ, কৃষ্ণচূড়াৰ স্পৰ্শই ৰঙীন কৰি পেলাইছিল অনুৰাধাৰ জীৱন। তথাপি তাই যেন আধৰুৱা, অসম্পূৰ্ণ। জীৱনৰপৰা যেন কিবা হেৰাই গৈছে। কিন্তু কি? বাৰে বাৰে মনত পৰিছিল অনুৰাধাৰ বিবেকৰ কথা। বিবেকৰ অনুপস্থিটো অনুৰাধাৰ এনে লাগিছিল, যেন সিয়ে তাইক দিব পাৰিলেহেঁতেন হৃদয়ৰ সমস্ত ভালপোৱা। এদিন আৱেগৰ বশৱৰ্তী হৈ তাই পুনৰ যোগাযোগ কৰিছিল বিবেকৰ লগত। আস, নাই সি সলনি হোৱা নাই। সেই একেই আন্তৰিকতাৰে ভৰা কণ্ঠস্বৰ। অনুৰাধাৰ মনটো যেন আনন্দৰে উপচি পৰিল। সি কৈ গৈছে শ শ হাজাৰটা শব্দ। অনুৰাধাৰ জীৱনৰ খবৰবোৰো সি সুধিলে। আস; কি আন্তৰিকতা। অথচ অনুৰাধাই এদিন প্ৰত্যাখ্যান কৰিছিল এই বিবেকৰ ভালপোৱা।

অনুৰাধাৰ অকলশৰীয়া পৃথিৱীখনত যেন কেইটামান ধুনীয়া ধুনীয়া ভাবনাৰ ফুল ফুলিল। আশাৰ ৰঙেৰে সিঁহতবোৰ ৰঙীন হৈ সজীৱ হৈ উঠিল। বিবেকৰ মুখৰপৰা মাত্ৰ এষাৰ

'বিশেষ' কথা শুনিবলৈ অনুৰাধা যেন ব্যাকুল হৈ পৰিল। আৰু এদিন, ....এদিন সেই আকাংক্ষিত দিনটোও আহিল। লগে লগে তাই তাৰ ভালপোৱাৰ প্ৰস্তাৱটো মানি লৈছিল। দিন বাগৰি যোৱাৰ লগে লগে সিহঁতৰ ভালপোৱাও গভীৰ হৈ আহিছিল। যেন অবাধ্য ভালপোৱা বিবেকক ভালপাই অনুৰাধা সুখী। ভীষণ সুখী। সুখ কাক বোলে হয়তো অলপ হ'লেও অনুৰাধাই ব্যাখ্যা কৰিব পাৰিব। ইমান সোনকালে ঘপহ্‌কৈ সলনি হৈ যাব পাৰে বুলি এবাৰো ভবা নাছিল। অৱশ্যে তাই সলনি হৈ নোযোৱা হ'লে এই সুখানুভৱ নকৰিলেহেঁতেন। সঁচাকৈ বিচিত্ৰ এই মানুহৰ জীৱন, এখন বৰণ সলোৱা আকাশ; য'ত মেঘ হৈ ওলমি থাকে সুখ, অভিমান, ভালপোৱা, বিষাদ আৰু শূন্যতা।

কিন্তু আজি ৰাতিপুৱা ৰঞ্জিতাৰপৰা অহা এটা মাত্ৰ ফোন কলে সঁচাকৈয়ে তাইৰ জীৱনটো সলনি কৰি দিলে। অনুৰাধা যেন শিল হৈ পৰিল। জঠৰ! তেনেই জঠৰ। কি শুনিছে তাই এইবোৰ? 'বিবেকক আৰু তই বিশ্বাস নকৰিবি। কি ভাবি যে তই তাক ভাল পাইছিলি তইহে জান। ইমানকৈ ভালপোৱাৰ পাছতো যে সি কেতিয়াবা নিজৰ পৰিচয় লুকুৱাব তোৰ পৰা তই জানো এবাৰলৈও কেতিয়াবা ভাবিছিলি? সি কিয় নিজকে এবাৰ 'মুছলমান' বুলি পৰিচয় দিব নোৱাৰিলে? এয়াই কি তহঁতৰ ভালপোৱা....।' কি কৈ গৈছে ৰঞ্জিতাই এইবোৰ? অনুৰাধাৰ শুনি থকাৰ ধৈৰ্যকনো যেন শেষ হৈ আহিছে। তাই লৰালৰিকৈ বিবেকলৈ ফোন কৰিলে। তাৰ পাছত বিবেকে যিবোৰ কথা তাইক ক'লে সেয়া যেন সপোনৰো অগোচৰ। 'মই যদি প্ৰথমতে তোমাক মুছলমান ল'ৰা বুলি পৰিচয় দিলো হয়, তুমি জানো তেতিয়া মোক ভাল পালা হয়....?' যেন এক অকল্পনীয় ঘোষণা। মানুহযে কিমান নিষ্ঠুৰ হ'ব পাৰে ইয়াৰ আগতে অনুৰাধাই এবাৰো ভাবি চোৱা নাছিল। নাই, অনুৰাধাই বিবেকক বেয়া পোৱা নাই। সি যি কৰিছিল হয়তো ঠিকেই কৰিছিল। বিবেকেও জানে, অনুৰাধাই তাক বেয়া পোৱা নাই। প্ৰচণ্ড দুখ পাইছে। অভিমানবোৰ বেছিহৈ যোৱাৰ কাৰণে, ভালপোৱাবোৰ সঠিক আশ্ৰয় নোপোৱাৰ বাবে। এই ভালপোৱাজনক এবাৰেইতো বেয়া পাব পাৰি। ভালপোৱাৰ মৃত্যুত।

বিছনাত বাগৰি অনুৰাধাই সেই একেবোৰ কথাকে ভাবি আছিল। কিয় কিয় বাৰু বিবেকে তাইক তেনেদৰে প্ৰতাৰণা কৰিলে? বিবেকে তেনেদৰে ছলনা কৰি তাইৰ পৰা কি পাব বিচাৰিছিল বাৰু....? আজি বিবেকৰ প্ৰকৃত পৰিচয় পাই তাই বাৰু কিয় সুখী হ'ব পৰা নাই? নে বিবেকক তাই ঘৃণ কৰিছে? নাই, নাই কোনো জাতি-ধৰ্ম-বৰ্ণৰ মানুহক অনুৰাধাই ঘৃণ নকৰে। আৰু বিবেকক....? নাই বিবেকক অনুৰাধাই ঘৃণ কৰা নাই আৰু কৰিব নোৱাৰেও। হৃদয়ৰ সমস্ত আৱেগেৰে ভাল পাইছিল তাক। বিবেকক ভালপাইহে অনুৰাধাই উপলব্ধি কৰিছিল যে জীৱনত সঁচাকৈ কাৰোবাৰ সঁচা মৰমৰ প্ৰয়োজন। আজি কি কৰিব তাই? আমাৰ সমাজত হিন্দু ছোৱালী এজনী মুছলমান ল'ৰা এটালৈ বিয়া হ'লে তাৰ পৰিণতি কি হয় অনুৰাধাই নজনা নহয়। তাই জানে। ভৰ যৌৱনৰ কালত আৱেগৰ বশৱৰ্তী হৈ তাই বিবেকৰ প্ৰেমত পৰিছিল। এবাৰো ভাবি চোৱা নাছিল ঘৰখনৰ আত্মসন্মানৰ কথা। তাইৰ কল্পনাৰ ভৱিষ্যতে বাস্তৱৰ ভৱিষ্যতক দলিয়াই পেলাইছিল। বিবেকৰ লগত বিয়া হ'লে তাইৰ আজলি মাকজনীৰ অন্তৰত গভীৰ আঘাত হনা হ'ব। তাইৰ লগতে ঘৰখনৰ সমস্ত মান-সন্মান ধূলিৰ লগত মিলি যাব। ঠিকেই প্ৰেমে মানুহক অন্ধ কৰে। তাইও অন্ধ হৈ গৈছিল। পাৰিবনে এটা ল'ৰাৰ কাৰণে নিজৰ জন্মদাত্ৰী মাতৃক পৰিত্যাগ কৰিব, পাৰিবনে.... ?

আজি এই মুহূৰ্তত তাই বুজিছে যে তাই বিবেকক ভাল পায়। ভৰ যৌৱনৰ নীলিম আকাশত বিবেকে সৃষ্টিৰ প্ৰথম পোহৰ ঢালিছিল আৰু যৌৱনৰ পুৱতি নিশাৰ সপোনত বিবেকক সপোনৰ ৰাজকোঁৱৰ বুলি কপালত আঁৰি লৈছিল। অনুৰাধাই কাকো বাধ্য কৰাব নোৱাৰে, নিজৰ ঘৰখনকো, বিবেককো। কেৱল এটা ব্যৱধানৰ বাবেই যেন সুদূৰতে অচিনাকি হৈ ৰৈ গ'ল বিবেক হাছান।

এতিয়া সিহঁত দুয়োৰে মাজত নাথাকিব প্ৰেম, নাথাকিব হয়তো শত্ৰুতাও। অথচ বান্ধ খাই পৰিব দুয়ো এক অদৃশ্য বান্ধোনেৰে। কেনে সংযোগ হ'ব বাৰু সেয়া! অপ্ৰত্যাশিত! অনাকাংক্ষিত। যেন সমুদ্ৰৰ দুই পাৰ। কেতিয়াও দুয়োটা পাৰ এক হ'ব নোৱাৰে। সিহঁতৰ মাজত সদা-সৰ্বদা এটা নিশ্চিত ব্যৱধান। তাই পাৰিবনে বিবেকক পাহৰিব? হয়তো পাৰিব, হয়তো নোৱাৰিব। উত্তৰ সময়ৰ হাতত। অনুৰাধাৰ দুচকু চকুপানীৰে সেমেকি উঠিল....।


**উপসংহাৰ ঃ** প্ৰিয় পাঠকসকল, বিবেক অনুৰাধাৰ কাহিনী এক চিৰন্তন সঁচা কাহিনী। ইয়াত দোষ বিবেক বা অনুৰাধা কাৰো গাতে নাছিল? দোষ আছিল আমাৰ সমাজ ব্যৱস্থাৰ। সমাজত চলি অহা এনে জাত-পাত বিচাৰৰ ভুক্তভোগী আছিল বিবেক আৰু অনুৰাধা। সমাজত হোৱা এনে বিচাৰৰ বাবেই অনুৰাধাই বিবেকক পৰিত্যাগ কৰিবলগীয়া হৈছিল। সমাজৰ নীতি, নিয়ম আচাৰ-ব্যৱহাৰ আদিৰ মাজত আৱদ্ধ অনুৰাধাই সেই সমাজৰ চাৰি দুৱাৰৰ বান্ধোন ছিঙি ওলাই আহিব পৰা নাছিল। যিহেতু বিবেক অনুৰাধাৰ কাহিনী এই সমাজৰে এক অংশ। গতিকে এই কাহিনীৰ পৰিসমাপ্তিও পাঠকৰ হাততেই এৰিলো। পাঠক হিচাপে আপোনসৱেহে নিশ্চয় এই কাহিনীৰ এক উচিত সমাপ্তি দিব পাৰিব।





# কুইজ-১

■ কোন লেখকে আন্ধাৰ ঘৰৰ বাহিৰে আন ক'তো লিখিব পৰা নাছিল?
— ফৰাচী লেখক এমিল জোলা।
■ কোনজন ঠিকাদাৰ ভাৰতৰ প্ৰধান মন্ত্ৰী হৈছিল?
— এইচ ডি দেৱেগৌড়া।
■ পৃথিৱীৰ কোন মছজিদ হিন্দু মন্দিৰ ৰূপে পৰিচিত?
— কাশ্মীৰৰ বেগ মাধৱ ধ্বজা।
■ কোন বিদেশী মহিলাই সৰ্বপ্ৰথমে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল?
— উত্তৰ আয়াৰলেণ্ডৰ মিছ মাৰ্গাৰেট নোবেল।
■ পৃথিৱীৰ সৰ্বাধিক আগ্নেয়গিৰি থকা দেশখনৰ নাম কি?
— ইণ্ডোনেছিয়া। (প্ৰায় ৬৬৭ টা আগ্নেয়গিৰি আছে)
■ কি মাছে গছত বাহ সাজে?
— স্পিডল মাছে।
■ কোন মন্দিৰত এন্দুৰক খুৱাই-বোৱাই ডাঙৰ কৰা হয়?
— ৰাজস্থানৰ দেশলোক গাঁৱৰ মন্দিৰত।
■ পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফুল কি?
— ৰেকলিজিয়া। (এই ফুল ৩০-৩৭ ছে.মি. হয়)
■ টুথপেষ্টৰ আৱিষ্কাৰক কোন?
— উইলিয়াম এডিছ্।
■ তাজমহলৰ প্ৰধান কাৰিকৰজনৰ নাম কি?
— ওস্তাদ ইশা।
■ পঞ্চতীৰ্থ কি কি?
— কুৰুক্ষেত্ৰ, গয়া, গংগা, প্ৰভাস আৰু পুষ্কৰ।
■ ৰামকৃষ্ণ মিছন কোনে কেতিয়া প্ৰতিষ্ঠা কৰে?
— স্বামী বিবেকানন্দই ১৮৯৭ চনৰ ৬ ফেব্ৰুৱাৰীত।
■ বিশ্ববেংক কেতিয়া প্ৰতিষ্ঠা হৈছিল?
— ১৯৪৬ চনত।
■ সোমনাথ মন্দিৰ ভাৰতৰ কোন ঠাইত আছে?
— গুজৰাট।
■ জগন্নাথ মন্দিৰ কোন ঠাইত আছে? ইয়াৰ উচ্চতা কিমান?
— পুৰী (উৰিষ্যা), ১৪২ ফুট উচ্চতা।
■ স্বৰ্ণ মন্দিৰ ভাৰতৰ কোন ঠাইত আছে?
— অমৃতসৰ (পঞ্জাব)।
■ সূৰ্য মন্দিৰ ভাৰতৰ কোন ঠাইত আছে?
— কোণাৰ্ক (উৰিষ্যা)।
■ 'আকবৰ নামা' গ্ৰন্থখনৰ গ্ৰন্থকাৰজনৰ নাম কি?
— আবুল ফজল।
■ 'ইণ্ডিয়া উইনছ ফ্ৰীডম' গ্ৰন্থখনৰ লেখক কোন?
— আব্দুল কালাম আজাদ।




■ 'ইণ্ডিয়া ২০২০ ঃ এ ভিছন ফৰ দ্য নিউ মিলনিয়াম' গ্ৰন্থৰ লেখক কোন?
— এ.পি.জে. আব্দুল কালাম।
■ ইংৰাজীত সৰ্বাধিক ব্যৱহৃত অখৰটো কি?
— 'E'
■ ইংৰাজী কি বাক্যত 'A' to 'Z' লৈকে আটাইবোৰ আখৰ আছে?
— A quick brown for fox jumps over the lazy dog.
■ কোনগৰাকী মহিলাই বিশ্বৰ ভিতৰত সৰ্বাধিক উপাধি পাইছে?
— ব্ৰিটেইনৰ ৰাণী ভিক্টোৰিয়া।
■ কোন পশুৱে পানী নাখায়?
— আফ্ৰিকাৰ মৃগপহু।
■ কোন ঠাইত প্ৰত্যেক পৰিয়ালতে একোটাকৈ জীৱন্ত সাপ পুহি ৰখা হয়?
— মহাৰাষ্ট্ৰৰ কোলাপুৰ জিলাৰ স্বেতপাৰ গাঁৱত।
■ আমেৰিকাৰ প্ৰথমগৰাকী মহাকাশচাৰীজনৰ নাম কি?
— জন গ্লেন।
■ কোন দেশত তিনিমহীয়া শিশুক সাঁতোৰ শিকোৱা হয়?
— পশ্চিম জাৰ্মানীত।
■ দিনৰ পোহৰৰ লগে লগে কি ফুলৰ ৰং সলনি হয়?
— স্থলপদ্ম।
■ কি প্ৰাণীয়ে সাঁতুৰি সাঁতুৰি পিছলৈ যায়?



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৭-২০১৮ চন

— অক্টোপাছ।
■ কি চৰাইয়ে উৰি যাওঁতে কণী পাৰে?
— হোমা চৰাই।
■ মনুষ্য কম্পিউটাৰ কোন?
— ভাৰতৰ শকুন্তলা দেৱী।
■ কি নদীত মাছ নাই?
— জৰ্ডন নদীত।
■ ময়ূৰৰ নেজত কেইটা পাখি আছে?
— ১৮ টা।

সংগ্ৰহ ঃ ৰশ্মি ৰেখা গগৈ
স্নাতক পঞ্চম যাণ্মাসিক

# কুইজ-২

■ প্ৰথম এছিয়ান গেমছত ভাৰতে কোন দেশক পৰাভূত কৰি সোণৰ পদক লাভ কৰিছিল?
— ইৰাণ।
■ এছিয়ান গেমছত পোন প্ৰথমবাৰৰ বাবে সোণৰ পদক লাভ কৰা ভাৰতীয় খেলুৱৈ গৰাকী কোন?
— কমলজিৎ সন্ধু।
■ প্ৰথম এছিয়ান গেমছত ভাৰতে কিমানটা সোণৰ পদক লাভ কৰিছিল?
— ১৭টা।
■ জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথম মহিলাগৰাকীৰ নাম কি?
— আশাপূৰ্ণা দেৱী।




■ পদ্মশ্ৰী বঁটাৰে সন্মানিত হোৱা প্ৰথমগৰাকী ভাৰতীয় এথলিটৰ নাম কি?
— মিল্‌খা সিং।
■ ভাৰত ৰত্ন বঁটাৰে সন্মানিত কৰা প্ৰথম মহিলাগৰাকীৰ নাম কি?
— ইন্দিৰা গান্ধী।
■ শান্তিৰ ক্ষেত্ৰত ন'বেল বঁটা লাভ কৰা ভাৰতীয়জনৰ নাম কি?
— মাদাৰ টেৰেছা।
■ নবেল বঁটা লাভ কৰা প্ৰথম ভাৰতীয়জনৰ নাম কি?
— ৰবীন্দ্ৰনাথ ঠাকুৰ।
■ অসমৰ কোনজন মূকাভিনয় শিল্পীক ২০১০ বৰ্ষৰ বাবে সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত কৰা হয়।



— মইনুল হক।
■ ভাৰতবৰ্ষত শ্বহীদ দিৱস কোন তাৰিখে পালন কৰা হয়?
— ৩০ জানুৱাৰী।
■ ভাৰত ত্যাগ দিৱস কেতিয়া পালন কৰা হয়?
— ৯ আগষ্ট।
■ ৰাষ্ট্ৰীয় যুৱ দিৱস কোন তাৰিখে পালন কৰা হয়?
— ১২ জানুৱাৰী।
■ নৌ বাহিনী দিৱস ভাৰতবৰ্ষত কোনটো দিনত উদ্‌যাপিত হয়?
— ৪ ডিচেম্বৰ।
■ কোন তাৰিখে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়?
— ২৮ ফেব্ৰুৱাৰী।
■ 'সাহিত্য অকাডেমী বঁটা' প্ৰাপ্ত প্ৰথম মহিলাগৰাকী কোন?
— অমৃতা প্ৰীতম।
■ ভাৰতৰ বৃহত্তম বেংকটো কি?
— এছ বি আই (S.B.I)
■ অক্সিজেন নোহোৱাকৈ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰা প্ৰথম ভাৰতীয় গৰাকীৰ নাম কি?
— ফু দৰ্জ্জী।
■ মাউণ্ট এভাৰেষ্টক অন্য কি নামেৰে জনা যায়?
— গৌৰী শংকৰ।
■ ভাৰতৰ প্ৰথম চিকিৎসা মহাবিদ্যালয়ৰ নাম কি?

— দ্য মেডিকেল কলেজ অৱ বেংগল।
■ সৰ্বাধিক শিক্ষিত হাৰ থকা কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ নাম কি?
— চণ্ডীগড়।

সংগ্ৰহ ঃ তছমিনা বেগম
স্নাতক পঞ্চম ষাণ্মাসিক



পাইথাগোৰাছ হিপ্পোক্রেটিচ প্লিনি দ্যা ইয়েল্ডাৰ

## কুইজ-৩

■ জ্যামিতিৰ আদিগুৰু
— পাইথাগোৰাছ।
■ চিকিৎসা বিজ্ঞানৰ পিতৃ
— হিপ্পোক্রেটিচ
■ বিজ্ঞানৰ বিশ্বকোষ লিখোঁতা
— প্লিনি
■ আবৰ্ধক লেন্সৰ আৱিষ্কাৰক
— ৰোজাৰ বেকন।
■ ছবি অঁকা বিজ্ঞানী
— লিওনাৰ্ডো দ্য ভিঞ্চি
■ বেৰো মিটাৰৰ আৱিষ্কাৰক
— টৰিচেলি
■ ধূমকেতুৰ আৱিষ্কাৰক
— এড়মাণ্ড হেলি
■ হাইড্ৰ'জেনৰ আৱিষ্কাৰক
— হেন্ৰী কেভেণ্ডিছ
■ ক্ৰমবিকাশ তত্বৰ বাটকটীয়া
— জিন বাপ্তিষ্ট দা লেমাৰ্ক
■ ছিটাৰ আৱিষ্কাৰক
— এডৱাৰ্ড জেনাৰ
■ বিদ্যুতৰ জন্মদাতা
— মাইকেল ফাৰাডে
■ হিলিয়ামৰ আৱিষ্কাৰক
— উইলিয়াম ৰামছে
■ ৰেডিয়ামৰ আৱিষ্কাৰক
— মেডাম কুৰী
■ নিউক্লিয় শক্তিৰ আৱিষ্কাৰক
— ডঃ অটোহান
■ বিশ্বত কোন ধৰ্মাৱলম্বী লোকৰ সংখ্যা সৰহ?
— খ্ৰীষ্টিয়ান।
■ ভাৰতৰ আটাইতকৈ উচ্চতাত থকা তীৰ্থস্থানখন কি?
— অমৰনাথ মন্দিৰ। কাশ্মীৰৰ ১৩,০০০ ফুট উচ্চতাত অৱস্থিত।
■ ভাৰত-পাকিস্তানৰ সীমাৰেখাডালৰ নাম কি?
— ৰেডক্লিফ লাইন।
■ চীন ভাৰতৰ সীমাৰেখা ডালৰ নাম কি?
— মেকমোহন লাইন।
■ ভাৰতৰ কোনখন ৰাজ্যক 'মছলাৰ উদ্যান' হিচাপে জনা যায়?
— কেৰালা।
■ অসমৰ কোনখন চহৰক 'দেৱদাৰু নগৰী' বুলি কোৱা হয়?
— অভয়াপুৰী।
■ বিশ্বৰ প্ৰথমজন শ্বহীদ বুলি কাক কোৱা হয়?
— দাৰ্শনিক চক্ৰেটিছ।
■ বান্দৰ নথকা মহাদেশ দুখন কি?
— অষ্ট্ৰেলিয়া আৰু কুমেৰু।

গায়ত্ৰী বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক



অমৰনাথ মন্দিৰৰ যাত্ৰাপথ





## জানানে? - ১

■ ভাৰতৰ সৰ্বপ্ৰথম মহাবিদ্যালয় কোনখন?
— ফোৰ্ট উইলিয়াম মহাবিদ্যালয় (১৮ আগষ্ট, ১৮০০ চনত কলকাতা)।
■ সূৰ্যৰ পোহৰ পানীৰ কিমান তললৈ যায়?
— চাৰিশ মিটাৰ তললৈ।
■ পৃথিৱীৰ সৰ্বপ্ৰথমে কিতাপ ছপোৱা ব্যক্তিজনৰ নাম কি?
— কুষ্টৰ।
■ সকলোতকৈ ডাঙৰ লাইব্ৰেৰী কোনটো?
— নেচনেল লাইব্ৰেৰী (ৰুছ)।
■ বিশ্বৰ সকলোতকৈ ডাঙৰ এয়াৰপোৰ্ট ক'ত আছে?
— টেকচাচ্‌ৰ ফোৰ্ট ৱৰ্থ (আমেৰিকা)।
■ বিশ্বৰ কোনখন ঠাইত সূৰ্যটো সেউজীয়া দেখা যায়?
— এণ্টাৰ্কটিকা।
■ বিজুলীৰ আৱিষ্কাৰ কোনে, কেতিয়া আৰু ক'ত কৰিছিল?
— ১৬৭২ চনত বান গোৱেৰিকে জাৰ্মানীত।
■ বিশ্বৰ কোনখন পাহাৰে প্ৰতিদিনে নিজ ৰং সলায়?
— দক্ষিণ অষ্ট্ৰেলিয়াৰ আয়াৰ্চৰ ৰাক।
■ কোনজন ব্যক্তি চাৰিবাৰ ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী হৈছিল?
— উলিয়াম এৱাৰ্ড গ্লেডষ্টন।
■ কোনখন দেশৰ মানুহে গছত বাস কৰে?
— কাংগো বেচিনৰ বাসী (জেয়ৰে, আফ্ৰিকা)

সংগ্ৰহ ঃ কুকিল বৰা
স্নাতক তৃতীয় ষাণ্মাসিক

## জানানে? -২

■ পানী নোখোৱা একমাত্ৰ প্ৰাণীবিধৰ নাম কি?
— কোৱালা।
■ পানীত পমি যোৱা ভিটামিন বিধৰ নাম কি?
— ভিটামিন C।
■ মৰীচিকাৰ কিয় সৃষ্টি হয়?
— আভ্যন্তৰীণ পূৰ্ণ প্ৰতিফলনৰ বাবে।
■ মনত দুখ বা আনন্দৰ ভাব জাগি উঠিলে চকুৰে পানী ওলায় কিয়?
— আমাৰ শৰীৰত এনে একাংশ স্নায়ু আছে যিবোৰে দুখ পালে বা আনন্দ লাগিলে কঁপি উঠে। এই কঁপনিৰ ঢৌ আহি অশ্ৰু গ্ৰন্থিতো পৰে। এই ঢৌৰ আঘাত তীব্ৰ হ'লে চকুৰে পানী ওলায়।
■ জলকীয়াৰ সোৱাদ জ্বলা হয় কিয়?
— জলকীয়াত থকা এবিধ ৰাসায়নিক পদাৰ্থ কেপ্সাইচিনৰ বাবে জলকীয়াৰ সোৱাদ জ্বলা হয়। কেপ্সাইচিনৰ মাত্ৰা অনুসৰি জলকীয়া এটা কম অথবা বেছি জ্বলা হয়।
■ চুলি কাটিলে নিবিষায় কিয়?
— শৰীৰৰ অংগসমূহৰ ভিতৰত অধিকভাৱে বাঢ়ি থকা নখ আৰু চুলি। চুলি ছালৰ ভিতৰৰপৰা বাহিৰলৈ ওলাই থাকে। ছালৰ ভিতৰত নোমৰ কোষবোৰৰ সৃষ্টি দ্ৰুতগতিত হৈ থাকে। নতুন কোষৰ অবিৰাম সৃষ্টিৰ কালত পুৰণি কোষসমূহ মৃত কোষৰ ৰূপত বাহিৰলৈ বাঢ়ি বাঢ়ি ওলাই আহে। এনেকৈয়ে ছালৰ বাহিৰত ওলোৱা নোম বা চুলি মৃত অৱস্থাত হোৱা বাবে চুলি কাটিলে আমি বিষ অনুভৱ নকৰো।

সংগ্ৰহ ঃ সাগৰিকা ৰাজখোৱা
স্নাতক তৃতীয় ষাণ্মাসিক

## জানানে?- ৩

■ কি চৰায়ে অকল বৰষুণৰ পানীহে খায়?
— চাতক চৰাই।
■ মানুহৰ শৰীৰৰ সকলোতকৈ কোমল অংগ কোনটো।
— চকু
■ পৃথিৱীৰ দিন ৰাতি কেতিয়া সমান হয়।
— ২২ চেপ্তেম্বৰ আৰু ২১ মাৰ্চ।
■ শৰীৰৰ কোনটো অংগৰপৰা ঘাম নোলায়।
— ওঁঠ।
■ কোনখন দেশত মহ নাই।
— ফ্ৰান্স।
■ Wi-Fi Full Form?
— Wireless Fi de litu.
■ Google Full Form?
— Global Organization of Oriested Group Language Earts.
■ আমাৰ শৰীৰৰ দীঘল অংগ কোনটো?
— যকৃত।

সংগ্ৰহ ঃ ৰুকীয়া বেগম
স্নাতক প্ৰথম ষাণ্মাসিক




☺ ৰাজু : মোৰ দেউতাই ৰাস্তা পাৰ হোৱাৰ সময়ত ইমান ভয় কৰে?

ভানু : তুমি কেনেকৈ জানিলা?

ৰাজু : চাবাচোন। যেতিয়াই তেওঁ ৰাস্তা পাৰ হয়, তেতিয়াই মোৰ হাতত ধৰি লয়।

☺ পুতেকে দেউতাকক সুধিলে— দেউতা লৱ আৰু কুশ কোন আছিল?

দেউতাক : (খঙেৰে) মুৰ্খ, সেই সামান্য কথাটোকে নাজান, যা টেবুলৰ ওপৰত ৰামায়ণখন আছে লৈ আন, মই চাই দিওঁ।

☺ দোকানীজনে গ্ৰাহকক ক'লে— আপুনি যদি এটা কথালৈ সৰ্তক হয় তেন্তে এই ছাতিটো বহু বছৰ যাব।

গ্ৰাহক : কি কথা, কওকচোন?

দোকানী : মাথো ৰ'দ আৰু বৰষুণৰ পৰা ইয়াক বচাই ৰাখিব।

☺ মা : মাইনা, কিয় কান্দিছা?

মাইনা : ভৰিত দুখ পালো।

মা : কেতিয়া?

মাইনা : আধা ঘন্টা আগতে।

মা : তেতিয়াটো কন্দা শুনা নাছিলোঁ।

মাইনা : মই ভাবিছিলো তুমি ঘৰত নাই।

☺ প্ৰধান চিকিৎসকে শ্ৰেণী কোঠাত অপাৰেশ্যনৰ বিষয়ে বিতংকৈ বুজাই ক'লে—

প্ৰধান চিকিৎসক : এতিয়া তুমি কোৱাচোন, অপাৰেশ্যনৰ সময়ত ডাক্তৰসকলে মুখখনৰ কাপোৰ বান্ধি লয় কিয়?

ছাৰ : অপাৰেশ্যন সফল নহ'লে পাছলৈ যাতে তেওঁক চিনি পাব নোৱাৰি সেইবাবে।

☺ ৰমেন : বিমল, চকুৰ ডাক্তৰ বেছিনে দাঁতৰ ডাক্তৰ বেছি?

বিমল : দাঁতৰ ডাক্তৰ বেছি।

ৰমেন : কিয়?

বিমল : কাৰণ চকু দুটা, দাঁত অসংখ্য।

☺ শিক্ষক : বিদ্যুৎ শক্তি নোহোৱা হ'লে কি হ'লহেঁতেন?

ছাত্ৰ : তেতিয়া আমি মমবাতি জ্বলাই টেলিভিছন চাব লাগিলহেঁতেন।

মাক : ৰাজু, তুমি নিশা প্ৰাৰ্থনা কৰানে?

ল'ৰা : হয়, কৰোঁ।

মাক : আৰু তুমি ৰাতিপুৱা প্ৰাৰ্থনা কৰানে?

ল'ৰা : নাই নকৰোঁ। কাৰণ, মই দিনৰ ভাগত কালৈকো ভয় নকৰো।

☺ শিক্ষক : কোৱাচোন ৰমেন জেণ্ডাৰ কি কি ?

ৰমেন : ছাৰ, জেণ্ডাৰ চাৰি প্ৰকাৰৰ।

শিক্ষক : কি কি?

ৰমেন : মেছকুলিন জেণ্ডাৰ, ফেমিনিন জেণ্ডাৰ, নিউটনৰ জেণ্ডাৰ আৰু আলেকজেণ্ডাৰ।

শিক্ষক : ৰুবু এটা চোৰ। এই বাক্যটো ভৱিষ্যৎ কালত লিখিলে কি হ'ব।

ছাত্ৰ : ছাৰ, ৰুবু জেললৈ যাব।

☺ অনুপ : মিলন কালি ভাৰত আৰু ইংলেণ্ডৰ মাজত হোৱা খেলখন চালিনে নাই?

মিলন : চালোঁ, পিছে টেণ্ডুলকাৰেহে এটাও গল দিব





নোৱাৰিলে?

☺ শিক্ষক : কোৱাচোন বিকাশ, কাল কেইপ্ৰকাৰৰ আৰু কি কি?

বিকাশ : ছাৰ, কাল তিনি প্ৰকাৰৰ। শৈশৱকাল, কৈশোৰকাল আৰু বৃদ্ধকাল।

☺ শিক্ষক : কোৱাচোন সঞ্জীৱ, অসমৰ ভিতৰত তেল ক'ত পোৱা যায়?

সঞ্জীৱ : ছাৰ, আমাৰ দোকানত পোৱা যায়।

শিক্ষক : খালি, খালি।

সঞ্জীৱ : নাই খোৱা ছাৰ, আমাৰ দেউতাই বিক্ৰীহে কৰে।

☺ শিক্ষক : চোৰটোৰ পাছে পাছে পুলিচ দৌৰিছে। এইটো কোন কালৰ বাক্য।

ছাত্ৰ : ছাৰ, এইটো যমকালৰ বাক্য।

শিক্ষক : কেনেকৈ

ছাত্ৰ : কাৰণ পুলিচে চোৰটো ধৰাৰ পাছত চোৰটোৱে যমৰ যাতনা ভোগ কৰিব।

শিক্ষক : ১ + ১ = ৩ কেতিয়া হয়।

ছাত্ৰ : যেতিয়া অংক কৰোতে ভুল হয়।

☺ গৃহস্থ : যাচোন যাদৱ, তৎক্ষণাত এখন খালী বিস্কা লৈ আহ। (কিছু সময়ৰ পাছত উভতি আহি)

যাদৱ : নাই, বজাৰত এখনো খালী বিস্কা নাই। প্ৰত্যেকখনতে এজন নহয় এজন মানুহ থাকেই।

☺ শিক্ষক : কোৱাচোন ধন, ৰামচন্দ্ৰ কিয় বনলৈ গৈছিল?

ধন : ছাৰ, ৰামায়ণৰ কথা বাদ দি মোক মহাভাৰতৰ কথা সোধক।

শিক্ষক : কিয়?

ধন : ছাৰ, ৰামায়ণ শেষ হোৱাৰ পাছতহে আমাৰ ঘৰত টি.ভি. আনিছিল।

☺ শিক্ষক : ইমান বেতৰ কোৰ খোৱাৰ পাছতো তুমি হাঁহি আছা।

ছাত্ৰ : ছাৰ, আপুনিয়েই দেখোন আমাক শিকাইছিল যে বিপদৰ সময়ত হাঁহি হাঁহি যে পাৰ কৰিব লাগে।

☺ শিক্ষক : বিনী, তাজমহল ক'ত?

বিনী : মই নাজানো, ছাৰ।

শিক্ষক : বেঞ্চত উঠা।

বিনী : ছাৰ, ইয়াৰ পৰা তাজমহল দেখা পোৱা যায় নেকি? মই ইয়াৰ পৰা দেখা পামনে?

☺ পত্নী : আৰক্ষী বিভাগত কাম কৰা পতিক ৰাতি পত্নীয়ে শুই থকাৰপৰা জগাই ক'লে—

: হেৰি শুনিছেনে, ভিতৰত চোৰ সোমাইছে যেন পাইছোঁ?

: সোমাবলৈ দিয়া। তুমি নাজানা নেকি, মই যে এতিয়া ডিউটিত নাই

: পতিয়ে ভেকাহি মাৰি শুই থাকিল।

☺ শিক্ষক : ৰমেন, কচোন, ধৰা হ'ল তোৰ ভাইটিক দুইটকা, তোক একটকা দিলে গোটেইখিনি মিলি কি হ'ব?

ছাত্ৰ : কাজিয়া ছাৰ।

☺ শিক্ষক : ক'চোন, পদ কেই প্ৰকাৰৰ আৰু কি কি?

ছাত্ৰ : ছাৰ, তিনি প্ৰকাৰৰ।

শিক্ষক : কি কি?

ছাত্ৰ : আপদ, বিপদ আৰু সম্পদ।

☺ শ্বাসতী : শ্বাসতীয়ে মনীষাক সুধিলে— তোমাৰ জন্ম কেতিয়া হৈছিল?

মনীষা : ১৮ মাঘ, সোমবাৰে। আৰু তোমাৰ?


স্বাসতী : ৪ ব'হাগ, দেওবাৰ

মনীষা : ইসঃ তুমি মোক বুৰ্বক বুলি ভাবিছিলা নেকি? দেওবাৰতো সকলোৰে ৰাবেই বন্ধৰ দিন।

☺ শিক্ষক : তোমালোকে জানানে, মাৰ্কিন যুক্তৰাষ্ট্ৰত এটা পোন্ধৰ বছৰীয়া ল'ৰায়ো নিজৰ ভৰিত নিজে থিয় দিব পাৰে।

বৰুণ : (মুৰটো খজুৱাই) কিন্তু ছাৰ আমাৰ দেশত দেখোন তিনি বছৰীয়া ল'ৰা এটায়ো সেইটো কৰিব পাৰে।

**সংগ্ৰহ ঃ হামদাদুল ইছলাম**
স্নাতক প্ৰথম ষাণ্মাসিক



■ দুজন বন্ধুৰ মাজত কাজিয়া হৈ আছে—

প্ৰথম বন্ধু ঃ এক চৰ মাৰি তোৰ ৩২ টা দাঁত সৰাই দিম।

দ্বিতীয় বন্ধু ঃ মই ৬৪ টা সাৰাই দিম।

ওচৰতে এজন মানুহ থিয় হৈ আছিল। সি হাঁহি ক'লে— তুমি হয়তো নাজানা যে মানুহৰ ৩২ টা দাঁত থাকে।

প্ৰথম বন্ধু ঃ মই জানো, তই যে মাজত কথা ক'বি, সেইবাবে তোৰ ৩২ টাও একেলগে গণিছোঁ।

**সংগ্ৰহ ঃ ৰিয়া পাল**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

# মহৎ লোকৰ বাণী-১

- শক্তিশালী সেইজন নহয়, যিজনে নিজৰ প্ৰতিদ্বন্দ্বীক ধৰাশায়ী কৰি দিয়ে। বৰং, শক্তিশালী সেইজন যিজনে ক্ৰোধৰ সময়ত নিজক নিয়ন্ত্ৰণ কৰিব পাৰে।

  **— হজৰত মহম্মদ (ছঃ)**
- উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপি সাধাৰণ নহ'লে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান।

  **— কৃষ্ণকান্ত সন্দিকৈ**
- ইটা-শিলৰ আৰ্হি চাই চাই গাঁথি গ'লেহে ঘৰ হয়গৈ। সজ কথা, সজ উপদেশ এটা এটাকৈ কামত লগাই পৈণত অভ্যাস হ'লেহে চৰিত্ৰই গঢ় লয়।

  **— লক্ষ্মীনাথ বেজবৰুৱা**
- খাবৰ বাবে, পিন্ধিবৰ বাবে, মানুহে সুন্দৰভাৱে যিহকে কৰে, সেয়ে কৃষ্টি-সংস্কৃতি।

  **— বিষ্ণুপ্ৰসাদ ৰাভা**
- নিৰক্ষৰতা মানেই জ্ঞানবিহীন নহয়।

  **— ৰবীন্দ্ৰনাথ ঠাকুৰ**
- হৃদয় সমুদ্ৰৰ দৰে গভীৰ আৰু আকাশৰ দৰে বহল হ'ব লাগে।

  **— স্বামী বিবেকানন্দ।**
- যাৰ অন্তৰত সঙ্গীত নাই তেওঁক বিশ্বাস কৰিব নোৱাৰি।

  **— প্লেটো**

**সংগ্ৰহ ঃ কায়েছ খান**<br>
স্নাতক প্ৰথম যাণ্মাসিক

# মহৎ লোকৰ বাণী - ২

- অতীতৰ লগত বৰ্তমানৰ, সমাজৰ লগত ব্যক্তিৰ, মানুহৰ লগত বহিঃ প্ৰকৃতিৰ আৰু শব্দৰ লগত অৰ্থৰ যি সংহতি বা মিলন, সেয়ে সাহিত্য।

  — ৰবীন্দ্ৰ নাথ ঠাকুৰ

**সংগ্ৰহ ঃ ধৰিত্ৰী কলিতা**<br>
স্নাতক পঞ্চম যাণ্মাসিক

# Quotes

- Fill the brain with high thoughts highest ideals, place them day and night before you and out of that will come.

  –Swami Vivekananda
- Science is beautiful gift to humanity; we should not disfort it.

  –APJ Abdul Kalam
- Education comes from within you get if by struggle and effort and thought.

  –Napleon hill
- Peace begins with a smile.

  –Mother Terasa

# সাঁথৰ

- কি যি সম্পদ ই দান কৰিলে বাঢ়ি যায় কিন্তু কেতিয়াও কমি নাযায়।

— বিদ্যা।

- তিনিশ পঁইষষ্ঠিটা হাতীৰ পাল, বাৰখন পথাৰত চৰে সৰ্বতি কাল। তিশটা পুখুৰীত খাই পানী, সাতটা স্তম্ভত বান্ধে টানি টানি।

— এবছৰ, বাৰ মাহ, ত্ৰিশ দিন, এসপ্তাহ।

- এডাল মাৰলি দুখন ছাল নবন্ধাকৈ থাকে সৰ্বতি কাল।

— কলপাত।

- জপং জপং কৰে বগলী নহয়, জাঁপ মাৰি মাছ খাই মেকুৰী নহয়।

— পল।

- লোহাৰৰ দামুৰি লোহাৰৰ গাই, মিমাই খীৰাই সিমানেই পায়।

— দমকল।

- ভৰিয়ে কৰে লেপ লেপ, হাতে কৰে পোন, বহি বহি লৰ মাৰে সেইটোনো কোন।

— চাইকেল।

- জাৰ বুলিও নহয়, জহ বুলিও নহয়, সৰুতেহে কাপোৰ পিন্ধে ডাঙৰ হ'লে নঙঠা হয়।

— বাঁহগছ।

**সংগ্ৰহ ঃ সুমিত্ৰা দাস**<br>
স্নাতক পঞ্চম যাণ্মাসিক



English

# Regionalism in Northeastern India Facts and Scenario

Sidhartha Sankar Das
*Ex. Student*

Regionalism is the ideology and political movement that represents the causes and demands of regions. Every single region in the world has different kind of regional interests; each being different from others. To understand regionalsim of a particular region, we must know various aspects of the region - the region as a geographical unit, the social system of the region, subjects of the region regarding distinct identity, culture, language and traditions etc.

Regionalism has been one of the key political forces of Indian political scenario since 1947. We get to see the dawn of regionalism in India from the debates in the constitution assembly, demands of federal governments, 1st general elections of the Republic India. The key aspect of the regional movement in the early times was the linguistic and cultural diversity; as well as the power struggle in federal provinces. Since the 60's, many political parties having regionalist ideology have ruled different states as well as played key role in government formation in both states and centre.

Regionalism in Northeast India saw the light in the late 60s' when various tribal insurgent groups demanded for seperate nation and some others for statehood. In 1947, the northeast region had only one state - Assam. Present day Meghalaya, Mizoram and Nagaland were parts of Assam. Manipur was an independent nation having constitutional monarchy until it merged with India in 1949 ; became a union territory in 1949 and eventually became a state in 1972. Tripura merged with India in 1949, got UT status in 1956, had its first government in 1963 and became a state in 1972. Arunachal Pradesh was a political division of Indian Republic being administred from Shillong and became a union territory in 1972; got full statehood in 1987. Sikkim became part of India in 1975 as a state. When the region saw demands for statehood and autonomy as well as separation; the Union government responded by giving statehood to Naga Hills district (then a part of Assam) as Nagaland; upgrading the union territories of Tripura and Manipur into states. The rise of demands for seperate statehood led to the formation of the autonomous state of Meghalaya in 1970. Three districts of Assam Khasi Hills, Jayantia Hills and Garo Hills constituted the autonomous state of Meghalaya, which became a full state in 1972.





As per census of 2011, the total population of the region is 3.78% of national population; and the total land area is 7.98%. Now going into the political representation of the region, there are 25 parliamentary constituencies (seats of the Lok Sabha) in the region (Assam - 14, Arunachal Pradesh - 2, Manipur - 2 , Meghalaya - 2 , Tripura - 2 , Nagaland - 1, Mizoram - 1, Sikkim - 1). There are total 545 members in the Lok Sabha, 38% members of them representing regional parties. In the Rajya Sabha, Assam has 7 seats, and all other northeastern states have just one seat each. Northeast has 14 Rajya Sabha members of the total 245. There are total 39 MPs from the region; only 6 of them are from regional parties. The 8 states' legislative assemblies have 498 legislators, only 42% from regional parties.

The representation of the region in union government has been poor. Let us have a look at reprsentation of Northeastern MPs in last few governments. Former prime minister Dr. Manmohan Singh has been excluded from the discussion even though he has been a Rajya Sabha MP from Assam since 1991 and served as union finance minister and prime minister during this period.

VP Singh Ministry : 1990-91

Dinesh Goswami of Asom Gana Parishad (regional party of Assam) was cabinet minister for Law and Justice. The AGP had 3 MPs in the Lok Sabha and 2 MPs in the Rajya Sabha during that period.

Chandrasekhar Ministry : 1990-91 Nil

Narsimha Rao Ministry : 1991-96

PA Sangma (Indian National Congress MP from Meghalaya and former Chief Minister of the state) was the cabinet minister for Information and Broadcasting for a brief period (1995-96). Tarun Gogoi (Congress party MP from Assam who later became chief minister of Assam for 15 years) was minister of state (independent charge) for Food Processing Industries.

HD Devegowda (1996-97) and IK Gujaral (1997-98) Ministries

Birendra Prasad Baishya was cabinet minister for Steel and Mines; Muhiram Saikia was minister of state for Human Resource development. Both were MPs from Assam representing Asom Gana Parishad. The AGP had 5 MPs in the Lok Sabha during that time. PA Sangma from Meghalaya was the Speaker of the Lok Sabha during this time.

Vajpayee Ministry : 1998-1999

Kabindra Purakaystha (Bharatiya Janata Party MP from Assam) was minister of state for Communications.

Vajpayee Ministry : 1999-2004

Bijoya Chakravarty (BJP MP from Assam) was minister of state for Water Resources.

Manmohan Singh Ministry: 2004-09

Manmohan Singh, the Prime Minister was an Rajya Sabha MP from Assam. Santosh Mohan Dev (INC MP from Assam) was cabinet minister for Heavy Industries and Public Enterprises. Bijoy Krishna Handique (INC MP from Assam) was minister of state for Defence and Parliamentary Affairs; Mines; Chemicals and Fertilizers. PR Kyndiah (INC MP from Meghalaya) was cabinet minister for Tribal Affairs;

Manmohan Singh Ministry: 2009-14

Bijoy Krishna Handique (INC MP from Assam) was minister of state (independent charge) for DONER (Development of North Eastern Region) Ministry from 2009 to 2011. In 2011, Paban Singh Ghatowar (INC MP from Assam) was given charge of this ministry. Ninong Ering (INC MP from Arunachal Pradesh) was minister of state for Minority Affairs and Ranee Narah (INC MP from Assam) was minister of state for Tribal Affairs.

Narendra Modi Ministry : 2014-2019

Sarbananda Sonowal (BJP MP from Assam and present Chief Minister of Assam) was the union minister of state (independent charge) for Sports and Youth Affairs from 2014

to 2016. Kiren Rijiju (BJP MP from Arunachal Pradesh) has been minister of state for Home Affairs. Rajen Gohain (BJP MP from Assam) has been a minister of state for Railways since 2016.

Though parties like Mizo National Front(Mizoram), Naga Peoples' Front (Nagaland and Manipur), Sikkim Democratic Front, Sikkim Krantikari Morcha(Sikkim), Peoples' Party of Arunachal, National People's Party (Meghalaya, Nagaland, Manipur, Arunachal Pradesh) have came to power in their respective states and have sent MPs to Delhi but still they are not capable of pressurising the Union government due to lack of numbers in the parliament as compared to most of the states. Apart from these parties, the small states have got many other parties having a bunch of legislators and having no existence in national scenario. All they can do to get a few seats in the assemblies to have some chances of providing strength to the ruling party. Only NPP(National People's Party) has shown some interest of regionwide growth and representation. Currently the party is ruling in Meghalaya and their strength in different assemblies are - Meghalaya (20 of 60 seats), Arunachal Pradesh (7 of 60), Manipur (4 of 60) and Nagaland (2 of 60). Of the total 498 MLAs of the region, 195 belongs to the BJP, 72 to the Congress and 33 to the NPP. Currently the Congress and BJP both have 8 Lok Sabha MPs from the region, the AIUDF of Assam have 3, The Communists have got 2, 1 independent MP from Assam while the rest belong to SDF and NDPP.

These are some stastistical datas from the law making bodies. But the real fact is that the Regional parties as well as the leaders of the region from National parties have failed to make an impact in national scenario and the parliament over the concerns of the people of the region. The lack of infrastructural development have been a key concern for us. But as for now, the Citizenship Amendment Bill of 2016 has become a serious threat to the region, specially Assam. But all we can see is that all the regional parties of the region having alliance with the BJP, the party ruling the central government; not uttering their voices. Though AGP has protested in the streets claiming and threatening(!) that they will come out of the alliance if the Bill is passed in the parliament but the party's stand is confusing for the Assamese people as the 3 ministers of the party have not quit from the Assam cabinet. The Meghalaya government, ruled by NPP having BJP as alliance partner made a bold move to pass a resolution in the cabinet against the Bill. Still NPP's strength is limited to Meghalaya only as the party has no MP in the parliament. Leaving aside Regional parties, not a single MP from the region questioned or raised the issue of Meghalaya mine workers bein trapped for more than a fortnight in coal mines.

The scenario demands that one or two regional parties from the region must make a big impact in national political scenario rather than being comfortable with a few legislative seats and cabinet berths in governments. In other regions , parties like PDP and J&K NC from Jammu and Kashmir (having 6 Lok Sabha seats); Siromani Akali Dal from Punjab (13 Lok Sabha seats), Telengana Rashtra Samiti from Telengana (17 Lok Sabha seats) have much bigger influence in Delhi than so all the parties from Northeastern India. It is also possible that leaders from National parties can also make impact in national level politics and policy making keeping in mind regional interests. Former Karnataka Chief Minister Siddaramaiah (Congress leader) was such kind of a leader. To name some more. All Northeastern states have the presence of BJP and Congress. But though regional parties and organizations make impact in state level power set up and governance, it appears nonchalant null in national scenario.



## ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সভাপতিৰ প্ৰতিবেদন

ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ কষ্ট ত্যাগৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল আৰু আজি এক সুকীয়া স্থান পাইছে, তেওঁলোকক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শতকোটি প্ৰণাম জনাইছোঁ।

২০১৭ চনৰ ১৫ নৱেম্বৰ তাৰিখে মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে শপত গ্ৰহণ কৰি দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। কাৰ্যকালৰ আৰম্ভণিতে সৰস্বতী পূজা আৰু মহাবিদ্যালয় সপ্তাহ সুকলমে আয়োজন কৰিছিলোঁ। সপ্তাহ সমাৰোহৰ বিভিন্ন খেলসমূহৰ লগতে 'শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী'ৰ প্ৰীতি খেলকেইখন সঁচাকৈয়ে স্মৰণীয় হৈ ৰ'ব। সপ্তাহ সমাৰোহৰ বঁটা বিতৰণী অনুষ্ঠানত অতিথি হিচাপে উপস্থিত আছিল শ্ৰীযুত ৰঞ্জন বেজবৰুৱা আৰু শ্ৰীযুত প্ৰশান্ত বৰদলৈ দেৱে।

মহাবিদ্যালয়ৰ মহিলা কোষে ৮ মাৰ্চ তাৰিখে 'আন্তৰ্জাতিক নাৰী দিৱস' উদ্‌যাপন কৰিছিল। সেই অনুষ্ঠানত অতিথি হিচাপে উপস্থিত আছিল শ্ৰীবুলুমাই ভূমিজ, শ্ৰীনয়ন শইকীয়া আৰু তেখেতৰ সহধৰ্মিণী বাগ্মিতা বৰা।

লাহে লাহে, মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰৰ চাকৰি জীৱনৰ শেষ সময় চমু চাপি আহে। সুদীৰ্ঘ ১২ বছৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত চাকৰি জীৱনৰ অন্ত পেলাই ৩১ মাৰ্চ তাৰিখে অৱসৰ গ্ৰহণ কৰে। কিন্তু নিজৰ জ্ঞান আৰু দক্ষতাৰ বাবেই ছাৰে আজিও মহাবিদ্যালয়খনত আৰু সমগ্ৰ পুৰণিগুদাম অঞ্চলত এক সুকীয়া স্থান দখল কৰি আছে।

২১ জুন, বিশ্ব যোগ দিৱসত মহাবিদ্যালয়ৰপৰা এটা দলে নগাঁও টাউনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল।

২৯ আৰু ৩০ আগষ্ট তাৰিখে দুদিনীয়াকৈ নৱাগত আদৰণি অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল। প্ৰথম দিনাৰ নৱাগত আদৰণি সভাত অতিথি হিচাপে উপস্থিত আছিল 'গণশিল্পী' তথা 'সংগীত প্ৰদীপ' শ্ৰীযুত সূৰ্য দাস আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা পুৰণিগুদামৰ গৌৰৱ শ্ৰীযুত স্বপ্নীল বৰুৱা। দাসদেৱে হাস্যৰসৰ মাজেৰে তত্ত্বগধুৰ কথাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰাৰ লগতে তেখেতৰ কেইবাটাও হৃদয় চুই যোৱা গীত গাই সকলোকে আপ্লুত কৰিলে। বৰুৱা ডাঙৰীয়াই তেখেতৰ বাস্তৱ অভিজ্ঞতাৰপৰা গঠনমূলক আৰু যি সমূহ সংস্কাৰ সাধনৰ কথা কৈ গ'ল সেইসমূহ স্মৰণীয় হৈ ৰ'ব। ৩০ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

১৯ ছেপ্টেম্বৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম তিথিভাগত আমি সকলোৱে মহাবিদ্যালয়খন গুৰুজনাৰ নামগুণেৰে মুখৰিত কৰি তেখেতৰ শ্ৰীচৰণত মূৰ দোৱাইছিলোঁ।

৬ অক্টোবৰ তাৰিখে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা প্ৰদান অনুষ্ঠান আৰু সপ্তম দ্বি-বাৰ্ষিক ড°

২০১৭-১৮ বৰ্ষ





বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বক্তৃতা অনুষ্ঠান মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আয়োজন কৰিছিল। সেই অনুষ্ঠানত বক্তা হিচাপে উপস্থিত আছিল অসমৰ খ্যাতিমান লেখক তথা নিবন্ধকাৰ শ্ৰীযুত ময়ূৰ বৰা আৰু ২০১৮ বৰ্ষৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা লাভ কৰা আঞ্চলিক লেখক সুশীল বৰাদেৱে। ইতিমধ্যে ২৯ ছেপ্টেম্বৰ তাৰিখে ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল যদিও তেওঁলোকে সেই সময়ত দায়িত্বভাৰ গ্ৰহণ নকৰাৰ বাবে আমি ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাই বিভিন্ন ধৰণে কামসমূহ কৰিছিলোঁ যদিও তেওঁলোকে আমাৰ লগত সহযোগ কৰিছিল।

১৪ নৱেম্বৰ, ২০১৮ তাৰিখে নতুন ছাত্ৰ একতা সভাই শপত গ্ৰহণ কৰাৰ পিছত তেখেতসকলক আনুষ্ঠানিকভাৱে ছাত্ৰ-একতা সভাৰ দায়িত্ব চমজাই আমি দায়িত্বৰপৰা অব্যাহতি ল'লোঁ।

বহু লোকৰ মতে মানুহে জীৱনত বিভিন্ন ক্ষেত্ৰত হাৰে বা জিকে কিন্তু আমি ভাবো জীৱনত জিকে আৰু শিকে। মই সভাপতি হৈ থকাৰ সময়ত বহু ক্ষেত্ৰত শিকিলোঁ আৰু যিবোৰ শিকিলোঁ সেইবোৰ মোৰ পাছৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধিক অৱগত কৰিলোঁ যাতে তেওঁলোক পুনৰবাৰ শিকিব লগা নহয়। সমালোচনালৈ কেতিয়াও শংকা কৰা নাছিলো সেইবাবেই গঠনমূলক সমালোচনা কৰাসকলক সদায় আদৰণি জনাইছিলোঁ।

মই মহাবিদ্যালয়ৰ ২০১৫-২০১৮ বৰ্ষৰ ছাত্ৰ আছিলোঁ। ২০১৮চনৰ জুন মাহত আমাৰ স্নাতকৰ চূড়ান্ত ফলাফল ঘোষণা কৰাৰ পিছত মোৰ মহাবিদ্যালয়ত শিক্ষাবৰ্ষৰ অন্ত পৰিছিল আৰু পৰৱতী সময়ত নগাঁও আইন মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। এই সুযোগতে মই নগাঁও আইন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ সুজিতা ভট্টাচাৰ্য বাইদেউক ধন্যবাদ জনাও কাৰণ তেখেতৰ অনুমতিৰ বাবেই মই আইন মহাবিদ্যালয়ত অধ্যয়নৰত হৈও শেষৰ কেইটাদিন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰিব পাৰিছিলোঁ।

মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ সভাপতিৰ দায়িত্ব লৈ মহাবিদ্যালয়খনত স্বচ্ছতাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ ল'ম বুলি ভাবিছিলোঁ যদিও এইক্ষেত্ৰত সফল নহ'লোঁ। স্বচ্ছতা অকলে আনিবপৰা পৰিৱেশ নহয় সকলো একলগ হ'লেহে ই সম্ভৱ। গতিকে মই মহাবিদ্যালয়ৰ সকলোকে চাফ-চিকুণৰ প্ৰতি সজাগ হ'বলৈ অনুৰোধ জনালোঁ।

এজন স্থায়ী অধ্যক্ষ অনুপস্থিতিত কাম কৰোঁতে বহু অসুবিধা হৈছিল। গতানুগতিক কামসমূহৰ বাহিৰে অন্যান্য একোতে হাত দিব পৰা নাছিলোঁ।

অনুজসকলৰ প্ৰতি অনুৰোধ ব্যক্তিগত স্বাৰ্থ বিসৰ্জন দি যদি সকলো কামতে হাতে হাত ধৰি আগবঢ়া নিশ্চয় তোমালোকে সফলতা পাবা। বৰ্তমান অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস ছাৰে আমাৰ কাৰ্যকালতে দায়িত্বভাৰ লৈছিল যদিও আমাৰ কাৰ্যকাল চমু চাপি অহাৰ বাবে তেখেতৰ লগত বিশেষ ধৰণৰ একো কাম কৰাৰ অভিজ্ঞতা নহ'ল।

২০১৭ চনৰ ফেব্ৰুৱাৰীত হোৱা পবিত্ৰ অসম বিধানসভাৰ বাজেট অধিৱেশনত মহাবিদ্যালয়ৰ তৰফৰ পৰা যাবলৈ নিৰ্বাচিত হৈছিলোঁ। এই সুযোগকণ দিয়াৰ বাবে মই তদানীন্তন অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰ আমাৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° নকুল শৰ্মা ছাৰক ধন্যবাদ জনালোঁ। মই আৰু মোৰ বন্ধু পবনে মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা কেইখনমান অসম তথা উত্তৰ পূৰ্বাঞ্চল ভিত্তিত হোৱা তৰ্ক প্ৰতিযোগিতাত অংশ লৈছিলোঁ।

এইখিনিতে মই বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণৰ প্ৰাক্ক্ষণত তৰ্কৰ বিষয়টো সঠিককৈ আৰু বিতংকৈ বুজাই দিয়াৰ বাবে শ্ৰদ্ধাৰ গিৰিন্দ্ৰ কুমাৰ বৰুৱা ছাৰ আৰু সন্মানীয় ড° কমল শইকীয়া ছাৰক ধন্যবাদ জনালোঁ। তাৰ দুখনমান তৰ্ক প্ৰতিযোগিতাত নগাঁও জিলাৰপৰা কেৱল আমাৰ মহাবিদ্যালয়েহে অংশগ্ৰহণ কৰিছিল। পুৰস্কাৰ লাভৰ বাবে সক্ষম হোৱা নাছিলোঁ কিন্তু বহু শিকিব পাৰিছিলোঁ। যেতিয়া উত্তৰ পূৰ্বাঞ্চল ভিত্তিত হোৱা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ নাম উচ্চাৰিত হৈছিল হৃদয় ওফন্দি পৰিছিল। আশা কৰোঁ ভৱিষ্যতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এনেবোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পদক জয় কৰি মহাবিদ্যালয়ৰ সুনাম আনিবলৈ সক্ষম হ'ব।

শেষত আমাৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহযোগ কৰা ছাত্ৰ একতা সভাৰ সদস্য, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী তথা শিক্ষাগুৰুসকলক ধন্যবাদ জনালোঁ।

ইতিমধ্যে সোণালী বৰ্ষ গৰকা মহাবিদ্যালয়খনৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই গৌৰৱান্বিত। ভৱিষ্যৎ সময়তো মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে যিমান পাৰো মহাবিদ্যালয়খনৰ লগত জড়িত হৈ থাকিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয় আই অসম।

**নয়নজ্যোতি গায়ন**
সভাপতি
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### ভাঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই যিসকল মহান ব্যক্তিৰ আহোপুৰুষাৰ্থ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ড°
বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে জন্ম লাভ কৰিছিল সেইসকল ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ আৰু
আমাক শিক্ষাদানৰ লগতে বাহিৰা দিশত আগবঢ়াই নিয়াত সহায় কৰা শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা জ্ঞাপন
কৰিছোঁ। বিগত বৰ্ষত সোণালী জয়ন্তীবৰ্ষ পাৰ কৰা মহাবিদ্যালয়ত পঢ়িবলৈ পাই আৰু এই মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভাৰ সদস্যৰূপে সকলো কৰ্মত নিয়োজিত কৰিবলৈ পায় নিজকে সৌভাগ্যবান অনুভৱ কৰিছোঁ।
মই ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰূপে ১৫-১১-২০১৭ তাৰিখে শপত
গ্ৰহণ কৰোঁ। দায়িত্বভাৰ গ্ৰহণ কৰা পিছৰপৰাই ছাত্ৰ একতা সভাৰ সকলো সদস্য আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগ
আৰু বিশেষভাৱে শিক্ষাগুৰুসকলৰ আশীৰ্বাদ মূৰত লৈ মহাবিদ্যালয়খনৰ বিভিন্ন কামবোৰ আগবঢ়াই নিবলৈ
চেষ্টা কৰোঁ। প্ৰত্যেক বছৰৰ দৰে আমাৰ কাৰ্যকালৰ সময়তো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা, সপ্তাহ
সমাৰোহ, নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়।
সপ্তাহ সমাৰোহ ০৭-০২-২০১৮ তাৰিখৰপৰা ১৬-০২-২০১৮ লৈ উদ্‌যাপন কৰা হৈছিল। সপ্তাহ
সমাৰোহৰ বঁটা বিতৰণী সভাত ৰঞ্জন বেজবৰুৱা আৰু প্ৰশান্ত বৰদলৈ উপস্থিত আছিল। ইয়াৰ মাজতে ৩১
মাৰ্চ, ২০১৮ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰে অৱসৰ গ্ৰহণ কৰে।
তাৰ পিছত অভাৱনীয়ভাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত পূব-মাণ্ডলিক আন্তঃ মহাবিদ্যালয়
যুৱ মহোৎসৱৰ আৰম্ভণি হয়। হঠাতে আয়োজন কৰাৰ বাবে প্ৰস্তুতি খৰটকীয়া হৈছিল যদিও এই মহোৎসৱত
আমাৰ দলটিয়ে কেইবাটাও বঁটা লাভ কৰে। তাৰ লগতে মহাবিদ্যালয়ৰ NSS গোটৰ উদ্যোগত আৰু ছাত্ৰ
একতা সভাৰ সহযোগত, শালনা, চাপানলা আদি ঠাইত কেইবাটাও কেম্প অনুষ্ঠিত কৰা হয়। সেই
গাঁওসমূহত ৰাইজৰ ইতিবাচক সঁহাৰিয়ে আমাক কৃতাৰ্থ কৰিলে।
৫ জুন, বিশ্বপৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ
সহযোগত মহাবিদ্যালয়ৰ চৌপাশত বৃক্ষৰোপণ আৰু ওচৰৰ কেইবাখনো বিদ্যালয়ত গছপুলি বিতৰণ কাৰ্যসূচী
হাতত লোৱা হয়।
২১ জুন তাৰিখে বিশ্ব যোগ দিৱস উপলক্ষে নগাঁও নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত হোৱা কাৰ্যসূচীত
মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ এটি দলে অংশগ্ৰহণ কৰে।

২০১৭-১৮ বৰ্ষ





৩১ জুলাই, ২০১৮ তাৰিখে শিক্ষা বিভাগৰ অধ্যাপিকা শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেৱে অৱসৰ গ্ৰহণ কৰে।

এই সময়তে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বিপুল কাটোৱাৰে বিশেষ কাৰণত পদত্যাগ কৰে আৰু মই ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে দায়িত্ব মূৰ পাতি লওঁ।

২৯ আৰু ৩০ আগষ্ট ২০১৮ তাৰিখত দুদিনীয়াকৈ নৱাগত আদৰণি সভা আয়োজন কৰা হয়। এই সভাত গণশিল্পী সূৰ্য দাস আৰু প্ৰাক্তন প্ৰশাসনিক বিষয়া নিলোৎপল বৰুৱা উপস্থিত থাকে। তেওঁলোকৰ ভাষণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আপ্লুত কৰে।

১ চেপ্তেম্বৰ ২০১৮ তাৰিখে নৱনিযুক্ত অধ্যক্ষৰূপে ড° নৃপেন চন্দ্ৰ দাস ছাৰে দায়িত্ব গ্ৰহণ কৰে।
গুৱাহাটীত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত মহাবিদ্যালয়ৰপৰা যোৱা দলটিয়ে সুন্দৰ প্ৰদৰ্শন কৰে।

সময় গতিশীল, সেই সময়ৰ ওচৰত শিৰণত কৰি ২০১৮ চনৰ ১৪ নবেম্বৰ তাৰিখে নতুন ছাত্ৰ একতা সভাৰ হাতত দায়িত্বভাৰ অৰ্পণ কৰি আমাৰ কাৰ্যকালৰ যৱনিকা পেলালোঁ।

আমাৰ কাৰ্যকালত সকলো প্ৰকাৰে উৎসাহ, কাৰ্যকৌশল আৰু সহযোগিতা আগবঢ়োৱা
মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰ, বৰ্তমানৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস ছাৰ,
উপাধ্যক্ষ আব্দুল হাছেম ছাৰ, ড° কমল শইকীয়া ছাৰ, ড° যতীন শৰ্মা ছাৰ, ড° অবিনাশ ভৰালী ছাৰ,
শান্তনু বৰদলৈ ছাৰ, আকাশী ভূঞা বাইদেউ, দেৱিতা কেম্প্ৰাই বাইদেউ, মল্লিকা বৰা বাইদেউ, অঞ্জনা
গোস্বামী বাইদেউ, অনুৰূপা বৰা বাইদেউ, বিজুমণি বৰা বাইদেউ, পুণ্যলতা গোহাঁই বাইদেউ, গায়ত্ৰী
গোপ বাইদেউকে ধৰি প্ৰমুখ্য কৰি সকলো অধ্যাপক অধ্যাপিকালৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।
মোক সকলো কামত সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱা মোৰ জ্যেষ্ঠ সিদ্ধাৰ্থ শংকৰ দাস, পৱন
গগৈ, ৰাজুমণি বৰা, আকবৰ খান, উদাংশ্ৰী ভাগৱতী, ঝৰ্ণা কলিতা, মৌচুমী বৰা, সংগীতা বৰা, শৰৎ
শৰ্মা, অম্লানদীপ শইকীয়া, অংকুমণি বৰঠাকুৰ, চিত্ত বৰঠাকুৰ, বিন্তি বৰা, প্ৰস্তুতি শইকীয়া, আলিছা
ছুলতানা আৰু মোৰ সহপাঠী আৰু কনিষ্ঠ, দীপু, চিন্তু, পাৰভেজ, অবিনাশ, হামিদ, ৰূপাংকৰ, জেকিউৰ,
বান্তৱী, নাছৰিণ, পাৰু, বিশ্ব, লক্ষী, নাচিৰা, ৰিতুল, ঝৰ্ণা, লনী, পম্পী, সুমিত্ৰা, কংকনা, অম্লান, চেহনাজ,
চিন্তু আলি, কৰবী, দিপশিখা, পলী, পম, সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ
অফিচ ষ্টাফৰ সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত বিষয়ববীয়া হিচাপে নাথাকিলেও সৰ্বপ্ৰকাৰে মহাবিদ্যালয়ৰ হকে কাম কৰি যাম প্ৰতিজ্ঞা কৰিলোঁ।

মোৰ কাৰ্যকালত হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয় আই অসম

**চিৰঞ্জীৎ মেধি**

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### আলোচনী সম্পাদিকাৰ প্ৰতিবেদন

মূৰ্খ লোকৰ জ্ঞান কম, জ্ঞানীলোকৰ কথা কম। জ্ঞানী লোক এচাকি বন্তিৰ দৰে। সেই চাকিৰ পোহৰে
চৌদিশৰ অন্ধকাৰ উজ্বলাই তুলিব পাৰে। প্ৰত্যেক ব্যক্তিৰেই জ্ঞান, বিচাৰ-বুদ্ধি থাকে। সেই অন্তৰ্নিহিত জ্ঞানক
জগাই তুলিবলৈ আমি যত্ন কৰিব লাগে। ব্যক্তিয়ে আভ্যন্তৰীণ আৰু বাহ্যিক পৰিৱেশৰপৰা জ্ঞান লাভ কৰিব
পাৰে। জ্ঞানৰ ভাণ্ডাৰ অসীম। জ্ঞানে সদায় নতুনত্ব বিচাৰে।

বৰ্তমান আমাৰ সমাজখনত যিমানেই আধুনিক আৰু যান্ত্ৰিকতা বৃদ্ধি পাইছে সিমানেই বিপৰীত দিশত
ঢলি পৰিছে। সেইবাবে আমি উচিত শিক্ষা বিচাৰ-বুদ্ধিৰ প্ৰয়োগ কৰিবলৈ যত্ন কৰিব লাগে। 'চেষ্টাৰ অসাধ্য
একো নাই' প্ৰত্যেক ব্যক্তিয়েই ইচ্ছা কৰিলে সকলো কাম কৰিব পাৰে। অন্য এক কথাত যেন মন কৰিলেহে
চন কৰিব পাৰি অথচ যত্ন কৰিলেহে ৰত্ন পায়। এইবোৰ যোজনাৰ মাজতেই ব্যক্তিৰ আন্তঃপ্ৰতিভা নিহিত হৈ
থাকে যাক উলিয়াই আনিব পৰা ক্ষমতা কেৱল ব্যক্তিৰ।

বিদ্যালয় বুলি ক'লে সেই ল'ৰালি দিনটোলৈ মনত পৰে। প্ৰায় সময়ৰ সলনি লগে লগেই জীৱনৰ লক্ষ্য
বুকুত বান্ধি পুৰণিগুদামৰ বিখ্যাত ঐতিহ্যৰে ভৰপূৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত যোৱা ২০১৬ বৰ্ষত
শিক্ষা লাভ কৰিবলৈ আহিছিলোঁ আৰু মহাবিদ্যালয়ৰ প্ৰতিটো নীতি-নিয়ম নিষ্ঠাৰে পালন কৰিছোঁ।
মহাবিদ্যালয়খন সঁচাকৈয়ে বাৰেবৰণীয়া। নানা জাতি ধৰ্মৰ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খন ভৰপূৰ। সকলোৰেই
সপোন গঢ়ি সমাজখন উন্নতিৰ পথত আগুৱাই নিয়াৰ উদ্দেশ্যেই কাম কৰাৰ লগতে নিজস্ব সাহিত্যিক প্ৰতিভাও
জগাই তোলাৰ প্ৰসায় কৰিব লাগে। লগতে মই সেইসকল ব্যক্তিক সুঁৱৰিছোঁ যিসকলৰ কঠোৰ পৰিশ্ৰম আৰু
ত্যাগৰ বলত নগাঁৱৰ পুৰণিগুদাম অঞ্চলৰ এই উচ্চ শিক্ষানুষ্ঠানৰ ভেটি টনকিয়াল কৰি গৈছে তেওঁলোকক
মোৰ ভক্তিভৰা সেৱা আৰু শ্ৰদ্ধা জনাইছোঁ। ইতিমধ্যে মহাবিদ্যালয়লৈ সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ
মহোদয়ক মোৰ ভক্তিভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই ছেগতে বৰ্তমান কাৰ্যকালৰ মাননীয় অধ্যক্ষ
মহোদয়কে প্ৰমুখ্য কৰি শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু কৰ্মচাৰীবৃন্দলৈ সম্পাদকীয় প্ৰতিৱেদনৰ জৰিয়তে আন্তৰিক
কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনাইছোঁ। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদিকা
পদৰ বাবে যোগ্য বুলি ভাৱি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুক সেৱা শুশ্ৰূষা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই
ধন্যবাদ জনাইছোঁ।

আমাৰ ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যতৰ আপুৰুগীয়া সম্পদ। কেৱল পাঠ্যপুথিৰ মাজতেই সীমাৱদ্ধ হৈ

২০১৭-১৮ বৰ্ষ





থাকিলে নহয়, সাহিত্যৰ দাপোণৰ পিনেও দৃষ্টি নিক্ষেপ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিহিত
সৃজনীমূলক প্ৰতিভা জগাই তুলিব লাগিব। মহাবিদ্যালয়ৰ 'কৰ্ষণ' আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত
প্ৰতিভাক জাগ্ৰত কৰাৰ লগতে জাগ্ৰত প্ৰতিভাক বিকশিত কৰাত সহায় কৰে। এখন আলোচনীৰ
মাধ্যমেৰেই একো-একোজন বিদ্যাৰ্থী বিশিষ্ট লিখক তথা সাহিত্যিকৰ জন্ম হ'ব পাৰে। প্ৰত্যেক ছাত্ৰ-
ছাত্ৰীয়ে নিজে লিখা গল্প, কবিতা, নাটক, উপন্যাস ইত্যাদি আলোচনীত প্ৰকাশ পোৱাটো বিচাৰে।
আলোচনীত নিজৰ নাম আৰু লেখা দেখিলে তেখেতসকলৰ আগ্ৰহ, সাহস আৰু উৎকণ্ঠা দুগুণে
বাঢ়ি যায়। উৎসাহ, সহযোগ নাপালে এখন আলোচনী সৰ্বাংগসুন্দৰ হৈ উঠিব নোৱাৰে। আমাৰ
মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ চিন্তাধাৰাৰ বহিঃপ্ৰকাশৰ মাধ্যম। আলোচনী সম্পাদিকা
হিচাপে এখন সৰ্বাংগসুন্দৰ আলোচনী মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিয়াটো মোৰ দায়িত্ব।
আলোচনী প্ৰকাশৰ বাবে থকা অদম্য হেঁপাহৰ বাবেই বহু কষ্ট কৰি ছাত্ৰ-ছাত্ৰীসকলৰপৰা লেখা
সমূহ সংগ্ৰহ কৰিছোঁ।

লেখনিৰ শেষত অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে আমাৰ মহাবিদ্যালয়ৰ সমূহ
শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি সম্পাদকীয় কলম সামৰণি মাৰিলোঁ।

**ৰাফিনা বেগম**

# পুৰণিগুডাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্র একতা সভা

### সাংস্কৃতিক সম্পাদিকাৰ প্রতিবেদন

প্রতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্রমুখ্যে কৰি সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ স্থাপনৰপৰা বৰ্তমান সময়লৈকে মহাবিদ্যালয়খন উন্নতিৰ সপক্ষে ত্যাগ আৰু শ্ৰমদান দিয়া মহান ব্যক্তিসকলক মোৰ ফালৰপৰা শ্রদ্ধা নিৱেদিলোঁ।

এক সুন্দৰ পৰিৱেশত স্থাপিত অসমৰ এগৰাকী বিখ্যাত পণ্ডিতৰ নামত উৎসৰ্গিত আমাৰ এই বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী তথা মোৰ মৰমৰ বন্ধু-বান্ধৱী আৰু ভন্টি-ভাইটিসকলে মোক ২০১৭-১৮ বৰ্ষৰ ছাত্র একতা সভাৰ সাংস্কৃতিক সম্পাদিকা পদটিৰ বাবে মোক যোগ্য বুলি ভাবি জয়যুক্ত কৰা সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

কাৰ্যকালৰ আৰম্ভণিতে সৰস্বতী পূজাৰ আয়োজনত ছাত্র একতা সভাৰ সদস্যসকলৰ লগতে মোৰ প্ৰায়বিলাক বন্ধু-বান্ধৱীয়ে সহায়ৰ হাত আগবঢ়োৱাৰ লগতে উৎসাহ যোগাইছিল। ইয়াৰ ঠিক পিছতেই আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ। বিভিন্ন ধৰণৰ প্রতিযোগিতা সমূহ আয়োজন কৰা হৈছিল আৰু সপ্তাহ সমাৰোহৰ কাম-কাজবোৰ সূচাৰুৰূপে পৰিচালনা কৰাত মোৰ বন্ধু-বান্ধৱী তথা ছাৰ-বাইদেউসকলেও যথেষ্ট সহায় কৰিছিল। এই সুযোগতে মই তেওঁলোককৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ ইয়াৰ লগতে পূব মাণ্ডলিক যুৱ মহোৎসৱ আমাৰ মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীয়ে অংশ গ্রহণ কৰি তৰ্ক আৰু বৰগীত প্রতিযোগিতাত স্বকীয় স্থান পাবলৈ সক্ষম হয়।

কাৰ্যকালৰ আৰম্ভণিৰেপৰা শেষলৈ সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক আকাশী ভূঞা বাইদেউ, সীমা শোভিতা দাস বাইদেউ, পুণ্যলতা গোহাঁই বাইদেউ, জাগৃতি বৰা বাইদেউ, শৰ্মীষ্ঠা দেৱী বাইদেউ, গীতিমণি বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্রীয়ে সকলো সময়তে সহায় কৰাৰ লগতে মোৰ কাৰ্যকালত হোৱা ভুল-শুদ্ধবোৰ আঙুলিয়াই মোক আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰে। মই নাজানো, মই এই কাৰ্যভাৰ কেনেকৈ সুকলমে শেষ কৰিলোঁ। তথাপিও মোৰ সাধ্যানুসাৰে কিমান দূৰ কৃতকাৰ্য হ'ব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলবোৰৰ বাবে মই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ ওচৰত ক্ষমা ভিক্ষা মাগিলোঁ।

২০১৭-১৮ বৰ্ষ

**ৰাধা খাখলাৰী**





# পুৰণিগুডাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্র একতা সভা

### ক্রীড়া সম্পাদিকাৰ প্রতিবেদন

জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় স্থাপন হোৱাত ত্যাগ আৰু শ্ৰমদান কৰা মহান ব্যক্তিসকলক শ্রদ্ধাৰে সুঁৱৰিছোঁ। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকল আৰু কৰ্মচাৰীবৃন্দক মোৰ আন্তৰিক শ্রদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৭-১৮ বৰ্ষৰ ছাত্র একতা সভাৰ ক্রীড়া সম্পাদিকা হিচাপে মই মহাবিদ্যালৰ হৈ কিছু কাম কৰাৰ সুযোগ পাইছিলোঁ। যাৰ বাবে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। মোৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ দৃঢ় প্রতিজ্ঞ আছিলোঁ। ২০১৮ বৰ্ষৰ আৰম্ভণিতে অনুষ্ঠিত হোৱা সপ্তাহ সমাৰোহত ছাত্র-ছাত্রীসকলক বিভিন্ন প্রতিযোগিতাত অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰিছিলোঁ। মহাবিদ্যালয়ৰ সপ্তাহ-সমাৰোহত ছাত্র-ছাত্রীসকলে ভালদৰে অংশগ্রহণ কৰিব পৰাকৈ কাৰ্যসূচী প্রস্তুত কৰাত গুৰুত্ব দিছিলোঁ। ছাত্র-ছাত্রীসকলৰ বিভিন্ন প্রতিযোগিতাত অংশগ্রহণে আৰু যোগাত্মক সঁহাৰিয়ে মোৰ চেষ্টাক সফল কৰি তুলিছিল।

ইয়াৰোপৰি সপ্তাহ সমাৰোহত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহবিদ্যালয়ত পোন প্রথমবাৰৰ বাবে ছোৱালী ক্রিকেট খেল অনুষ্ঠিত হৈছিল। সকলোৰে বাবে এই অভিজ্ঞতা চিৰস্মৰণীয় হৈ ৰ'ব। ২০১৮ চনৰ ফেব্রুৱাৰী মাহত গুৱাহাটী কলেজত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ভলীবল প্রতিযোগিতাত অংশগ্রহণ কৰাৰ লগতে দলটোৱে এই প্রতিযোগিতাৰপৰা যথেষ্ট অভিজ্ঞতা লাভ কৰে।

প্রতিবেদনৰ শেষত কৃতজ্ঞতা জনাব বিচাৰিছোঁ ক্রীড়া বিভাগৰ তত্বাৱধায়িকা দেৱিতা কেম্প্ৰাই বাইদেউ, শান্তনু বৰদলৈ ছাৰক, আৰু বিশাল শইকীয়া ছাৰক লগতে ছাত্র একতা সভাৰ সভাপতি নয়নজ্যোতি গায়ন, সহঃক্রীড়া সম্পাদক আনাৰুল হুছেইন আৰু মোৰ শুভচিন্তক সিদ্ধাৰ্থ শংকৰ দাসকো এই সুযোগতে আন্তৰিক ধন্যাবাদ জনাইছোঁ। কাৰ্যকালত হোৱা যিকোনো ভুলৰ ক্ষমা প্রাৰ্থনা বিচাৰিছোঁ।

শেষত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি প্রতিবেদন ইমানতে সামৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয় আই অসম।

২০১৭-১৮ বৰ্ষ

**মৌচুমী গায়ন**

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সহঃ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে মই সেই মহান ব্যক্তিসকললৈ প্ৰণাম জনাইছোঁ। যি সকলৰ সু-চিন্তা, কঠোৰ শ্ৰম আৰু ত্যাগৰ ফলত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহবিদ্যালয়ে আজিৰ অৱস্থাত উপনীত হৈছে।

২০১৮ বৰ্ষত অনুষ্ঠিত হোৱা সপ্তাহ সমাৰোহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে অংশ গ্ৰহণ কৰিব পৰাকৈ কাৰ্যসূচী প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ সদস্যৰ চেষ্টাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি দেখি আমি কাম কৰাৰ ক্ষেত্ৰত অধিক উৎসাহিত হৈছিলোঁ। এটা আনন্দৰ বিষয় যে আমাৰ কাৰ্যকালতেই পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহত মহিলা ক্ৰিকেট খেল অনুষ্ঠিত কৰিছিলোঁ। এই মহিলা ক্ৰিকেট খেলত অধ্যাপিকা আৰু ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি নিজৰ নিজৰ প্ৰতিভা দেখুৱাবলৈ সক্ষম হৈছিল।

২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ তৰফৰপৰা সমাজতত্ব বিভাগৰ অধ্যাপক শ্ৰীবিশাল শইকীয়া ছাৰৰ তত্বাৱধানত ১০ জনীয়া দল এটি গৈ অংশ গ্ৰহণ কৰিছিল। মই বিশাল শইকীয়া ছাৰক ধন্যবাদ আৰু আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আন্তঃ মহাবিদ্যালয়ৰ ভলীভল প্ৰতিযোগিতাৰপৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলে বহু অভিজ্ঞতা লাভ কৰিছে।

প্ৰতিবেদনৰ শেষত কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ ক্ৰীড়া বিভাগৰ তত্বাৱধায়িকা দেৱিতা কেম্প্ৰাই বাইদেউ, তত্বাৱধায়ক শান্তনু বৰদলৈ ছাৰ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকা সকলক। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলক মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক অভিনন্দন জনালোঁ।

২০১৮-১৯ বৰ্ষত গঠন হ'বলগীয়া ছাত্ৰ একতা সভাৰ সদস্য ক্ৰীড়া সম্পাদকে নিষ্ঠা আৰু সততাৰে কাম কৰি মহাবিদ্যালয়ৰ ক্ৰীড়া জগতখন উন্নতিৰ পথত আগুৱাই নিব বুলি আশা ৰাখিলোঁ।

মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰুলৈ ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

'জয় আই অসম'

২০১৭-১৮ বৰ্ষ

**আনাৰুল হুছেইন**





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিলোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰিবলৈ পাই আৰু ইয়াৰ লগতে ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্যা হ'বলৈ পাই মই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰোঁ। মই এই মহাবিদ্যালয়ত অহাৰ প্ৰথম দিনৰ পৰাই মহাবিদ্যালয়ৰ প্ৰতি এক স্নেহৰ জন্ম হৈছিল আৰু লাহে লাহে মোৰ মনত উপজিল মহাবিদ্যালয়ৰ বাবে কিবা কাম কৰাৰ মনোভাৱ। সেই মনোভাব লৈয়ে মই ছাত্ৰ জিৰণি কোঠা সম্পাদিকা পদত নিৰ্বাচিত হ'লোঁ। মই যিমানখিনি পাৰিছোঁ ছাত্ৰীসকলৰ বিভিন্ন সমস্যাবোৰ দূৰ কৰিবলৈ চেষ্টা কৰিছোঁ। কিছুমান সমস্যাৰ সমাধান কৰিবলৈ সক্ষম হৈছিলোঁ আৰু কিছুমান কাম আধৰুৱা হৈ ৰ'ল। কিছুমান কামৰ আৰম্ভণিয়েই ন'হ'ল। কিয়নো ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দৰে এখন উচ্চমানৰ শিক্ষানুষ্ঠানৰ অসংখ্য ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ এটা বছৰতে সমাধান কৰাটো অসম্ভৱ। তথাপি কিছুমান কাম যেনে— জিৰণি কোঠাৰ পৰিষ্কাৰ, গ্ৰীষ্মকালত ফেন বেয়া আছিল ঠিক কৰি দিয়া আৰু ছাত্ৰীসকলৰ অভাৱ অভিযোগসমূহ পূৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ আৰু যিখিনি সমস্যা সমাধান কৰিব নোৱাৰিলোঁ সেইখিনিৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু ভৱিষ্যতে এই সমস্যাসমূহৰ সমাধান হ'ব বুলি আশা ৰাখিছোঁ।

আমাৰ আৰু এটা সৌভাগ্য যে এই বৰ্ষটিত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (NSS) জৰিয়তে আমি শালনাত এখন বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰিছিলোঁ আৰু ইয়াৰদ্বাৰা বহুতো মানুহৰ উপকাৰ হৈছিল বুলি মই ভাবোঁ। ইয়াৰ পিছত আমি চাপানলাৰ বৰচুংজাৰত এখন স্বেচ্ছাৰ সেৱা শিবিৰৰ আয়োজন কৰিছিলোঁ আৰু তাত আমি সফল হৈছিলোঁ। এইবোৰ কামৰ জৰিয়তে আমি ভৱিষ্যৎ জীৱনত আগুৱাই যোৱাত উৎসাহ পাইছোঁ। এই আটাইবোৰ কাম-কাজত সহায় কৰা ড° আচ্ছাদুজ জামান ছাৰ আৰু মল্লিকা বৰা, অনুৰূপা বৰা বাইদেউক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু মোক যথেষ্ট পৰিমাণে সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ-একতা সভাৰ সমূহ সহকৰ্মীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ যশস্যা সু-নামেৰে উপচি পৰক আৰু শিক্ষাজগতৰ উজ্জ্বল নক্ষত্ৰ হৈ ৰওক তাৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

২০১৭-১৮ বৰ্ষ

**আছমিনা বেগম**

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে জন্মলগ্নৰেপৰা আজি পৰ্যন্ত মহাবিদ্যালয়খনৰ উত্তৰণত যিসকল ব্যক্তিয়ে কষ্ট আৰু ত্যাগ কৰিছে, তেওঁলোকক মোৰ প্ৰণাম জনাইছোঁ।

কিতাপৰ শিক্ষাৰ লগতে মানুহে স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰখা উচিত। গতিকে স্বাস্থ্য ৰক্ষাৰ বাবে এই সু-অভ্যাস ছাত্ৰ অৱস্থাৰপৰাই গঢ়ি তোলা উচিত।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ব্যায়ামাগাৰত শৰীৰ চৰ্চাৰ নতুন সামগ্ৰী অনা হৈছিল। পূৰ্বতে নথকা ভাৰোত্তলনৰ সামগ্ৰী মোৰ কাৰ্যকালত অনা হৈছিল। আৰু মোৰ কাৰ্যবৰ্ষৰ পৰাই ভাৰোত্তলন আৰম্ভ হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰীসকলক দুটা ভাগত বিভক্ত কৰি শৰীৰ চৰ্চাৰ বাবে সুবিধা প্ৰদানৰ কথা হৈছিল। যদিও সেই সময়ত কিছু সমস্যাৰ বাবে সেই সুবিধা দিব নোৱাৰিলোঁ। লগতে মই ব্যায়াম কৰা ছাত্ৰ-ছাত্ৰীৰ কাৰণে I Card প্ৰদানৰ ব্যৱস্থাৰ কথা উত্থাপন কৰিছিলোঁ যদিও সফল হ'ব নোৱাৰিলোঁ।

মই ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ব্যায়ামাগাৰৰ তত্বাৱধায়ক লতিফুৰ ৰহমান ছাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে সমূহ শিক্ষাগুৰুক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত সহায় কৰা ছাত্ৰ একতা সভাৰ সকলো সদস্য-সদস্যাক আৰু লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সমাপ্ত কৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয় আই অসম

**মিৰাজ আনচাৰী**

২০১৭-১৮ বৰ্ষ





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সমাজসেৱা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পোন প্ৰথমে সকলো ছাৰ-বাইদেউ আৰু লগতে ছাত্ৰ-ছাত্ৰীসকললৈ নমস্কাৰ জনাই মোৰ কাৰ্যকালৰ প্ৰতিবেদন যুগুত কৰি প্ৰকাশ কৰা হৈছে।

২০১৭ চনৰ ১৫ নৱেম্বৰ তাৰিখে শপত গ্ৰহণৰ পিছত মোৰ কাৰ্যকালত স্বনামধন্য শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয়ৰ সৰু-সুৰা কামসমূহ কৰাৰ সুযোগ পাওঁ। ৮ মাৰ্চ তাৰিখে নাৰীৰ স্বাস্থ্যৰ বাবে 'Padman' নামৰ কথাছবিখন ছাত্ৰ একতা সভাৰ লগতে শিক্ষাগুৰুসকলৰ তৰফৰপৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত প্ৰদৰ্শন কৰা হয়। চালনাত ২০১৮ চনৰ ২৯ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সকাহ দিয়াৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ NSS গোট আৰু ৬ আগষ্ট তাৰিখে চাপানলাত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত লগতে মহাবিদ্যালয়তো NSS গোটৰ ফালৰ পৰা এটি স্বচ্ছ ভাৰত অভিযান কৰা হৈছিল।

মোৰ কাৰ্যকালত দায়িত্ব পালনত কিমান দূৰ সফল হৈছোঁ সেয়া আপোনালোকে বিচাৰ কৰিব। বিগত সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত জ্ঞাতে-অজ্ঞাতে বিভিন্ন ভুল-ভ্ৰান্তি হৈ ৰ'ল। সেইবাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থী।

সদৌ শেষত মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা অনুষ্ঠানসমূহ পতাত সহায়-সহযোগীতা কৰি মোক আগবঢ়াই নিয়াত যিসকলে বৰঙণি আগবঢ়ালে তেওঁলোক সকলোৰে ওচৰত ধন্য মানি আৰু ধন্যবাদ জনাই মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

**কংকনা বৰা**

২০১৭-১৮ বৰ্ষ

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সহঃ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

মানৱী জীৱনত সংকৰ্ম কৰাৰ প্ৰথম সুযোগ আহে ছাত্ৰ জীৱনত। শিক্ষাগ্ৰহণৰ লগতে ছাত্ৰ জীৱনত আন বহুতো কৰিবলগীয়া থাকে। গতিকে এই সোণালী সময়ছোৱা আমি অববাত খৰচ নকৰি কিছু সামাজিক, সাংস্কৃতিক ইত্যাদি কৰ্মত প্ৰয়োগ কৰিলে আমাৰেই বহুতো উপকাৰ হয়।

প্ৰত্যেক শিক্ষানুষ্ঠান মন্দিৰ স্বৰূপ। এনে মন্দিৰত সেৱা কৰিবলৈ পোৱাটো সৌভাগ্য।

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত সেই মহান ব্যক্তিসকলক প্ৰণাম জনাইছোঁ, যিসকল ব্যক্তিৰ কঠোৰ শ্ৰম আৰু ত্যাগেৰে গঢ় লৈ উঠিছে ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়খন। লগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ, উপাধ্যক্ষ মহোদকে প্ৰমুখ্য কৰি সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

সংস্কৃতি হৈছে মানৱ সমাজৰ আত্মাস্বৰূপ। সংস্কৃতি ধৰি ৰখাটো মানৱ সমাজৰ কৰ্তব্য। যিহেতু সংস্কৃতি অবিহনে এটা জাতি পৰিচয়হীন।

২০১৭-২০১৮ বৰ্ষৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাংস্কৃতিক সম্পাদক পদৰ বাবে মোক যোগ্য বুলি বিবেচনা কৰি উক্ত পদত মহাবিদ্যালয়খনৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই সকলোৰে প্ৰতি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৭ বৰ্ষৰ সহকাৰী সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই আজি নিজে গৌৰৱবোধ কৰিছোঁ। এই মহাবিদ্যালয়খন পুৰণিগুদাম অঞ্চলৰ ভিতৰত ডাঙৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। মোৰ কাৰ্যকালত বিভাগীয় তত্বাৱধায়কসকলৰ লগতে মোৰ সতীৰ্থ বন্ধু-বান্ধৱীসকলৰ আন্তৰিক সহযোগিতাৰ বাবেই মোৰ দায়িত্ব সুকলমে পালন কৰিবলৈ প্ৰেৰণা পাইছিলোঁ। সততা আৰু নিষ্ঠাৰে নিজৰ দায়িত্বখিনি পালন কৰিবলৈ মোৰ মনৰ উৎসাহ আছিল।

প্ৰতিবেদনৰ শেষত সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ আন্তৰিক অভিনন্দন জনালোঁ। লগতে মোৰ পিছৰ বৰ্ষৰ গঠন হ'বলগীয়া ছাত্ৰ একতা সভাৰ সদস্যসকললৈ আন্তৰিক অভিনন্দন জনালোঁ। তেওঁলোকে যাতে নিষ্ঠা আৰু সততাৰে কৰ্ম কৰি মহাবিদ্যালয়খন আৰু অধিক উন্নতৰ দিশলৈ আগুৱাই নিব পাৰিব বুলি আশা কৰিলোঁ।

মোৰ কাৰ্যকালত মই কৰা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰি, শিক্ষাগুৰুৰ আশীৰ্বাদ বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

২০১৭-১৮ বৰ্ষ

ত্ৰিদিপ ভূঞা





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়

## ছাত্ৰ একতা সভা

### ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহান ব্যক্তিসকলক সুঁৱৰিছোঁ, যিসকল ব্যক্তিৰ অশেষ শ্ৰম আৰু ত্যাগৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল। লগতে অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৪-১৯ বৰ্ষৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছোঁ। যিসকলে মোক এই পদটিৰ যোগ্য বুলি নিৰ্বাচন কৰিলে। মই নিজে গৌৰৱ অনুভৱ কৰিছোঁ কিয়নো মহাবিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষ গৰকিছে। তদুপৰি মই সোণালী জয়ন্তীৰ এজন অংশীদাৰ হ'বলৈ পাই বহু সুখী অনুভৱ কৰিছোঁ।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত ছাত্ৰ জিৰণি কোঠাটোও জাকত জিলিকা কৰি ৰখাৰ চেষ্টা কৰিছিলোঁ। ছাত্ৰ জিৰণি কোঠাত ছাত্ৰসকল বহিবলৈ কিছু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। গতিকে ছাত্ৰসকলৰ এনে ধৰণৰ অসুবিধাবোৰ আঁতৰাই ৰাখিবৰ বাবে মই ডেক্স-বেঞ্চৰ ব্যৱস্থা কৰি দিছিলোঁ। জিৰণি কোঠা পাৰ্যমানে চাফ-চিকুণ কৰি ৰখাৰ চেষ্টা কৰিছিলোঁ। লগতে মোৰ পৰৱৰ্তী জিৰণি কোঠাৰ সম্পাদকলৈ বিনম্ৰ অনুৰোধ যে তেওঁলোকে যাতে জিৰণি কোঠাটো চাফ-চিকুণ কৰি ৰাখে আৰু জিৰণি কোঠাৰ যিকোনো সমস্যা সমাধান কৰাৰ চেষ্টা কৰে।

শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত হোৱা দোষ-ত্ৰুটিক ক্ষমা মাৰ্জনা বিচাৰি ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

২০১৭-১৮ বৰ্ষ

লক্ষ্য জিৎ বৰা

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### তৰ্ক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ
অধ্যাপক-অধ্যাপিকা কৰ্মচাৰীবৃন্দক। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক ওলগ যাচিছোঁ।
স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হ'বলৈ পাই নিজকে
সৌভাগ্যবান বুলি ভবাৰ লগতে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়াও হৈছিল। মোৰ দায়িত্বসমূহ পালন কৰাত
তৰ্ক বিভাগৰ তত্বাৱধায়িকা প্ৰাক্তন অধ্যাপিকা (শিক্ষা বিভাগৰ) শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেউৱে যথেষ্ট
অনুপ্ৰেৰণা যোগাইছিল। লগতে ছাত্ৰ একতা সভাৰ সভাপতি নয়নজ্যোতি গায়ন দাদাই নিজৰ অভিজ্ঞতাৰপৰা
বহুত কথা শিকাইছিল। তেওঁলোকৰ সহায়েৰে ২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক সম্পাদিকা পদৰ
কাৰ্যভাৰ পালন কৰিলোঁ আৰু সমাপ্ত কৰিলোঁ। ২০১৭-২০১৮ বৰ্ষত আগৰ বৰ্ষৰ দৰেই সপ্তাহ সমাৰোহৰ লগত
সংগতি ৰাখি তৰ্ক প্ৰতিযোগিতা, কুইজ, আকস্মিক বক্তৃতা, বক্তৃতা, ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে
জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি ৩০ জানুৱাৰী, ২০১৮ তাৰিখে ৰচনা প্ৰতিযোগিতা,
আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি ৮ মাৰ্চ, ২০১৮ তাৰিখে ৰচনা প্ৰতিযোগিতা আয়োজন কৰা হয়।
২০১৬-১৭ বৰ্ষৰপৰা তৰ্ক প্ৰতিযোগিতাৰ বিজয়ী প্ৰাৰ্থী সকলক 'প্ৰয়াত ৰাধিকা মোহন গোস্বামী সোঁৱৰণী বঁটা'
প্ৰদান কৰাৰ পৰম্পৰা আৰম্ভ হৈছিল, এই বছৰো, সেইবছৰো এই ধাৰা অটুট থাকে। উল্লেখনীয় যে এই বঁটাটোৰ
দাতা অধ্যাপিকা শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেউ।
বছৰটোত আমাৰ মহাবিদ্যালয়ৰ তৰফৰপৰা কেইবাখনিও আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত ছাত্ৰ-
ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। আটাইতকৈ উল্লেখনীয় আৰু গৌৰৱৰ বিষয় আছিল যে জুন মাহত নগাঁৱৰ
গোপীনাথ বৰদলৈ বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৱ-মাণ্ডলিক আন্তঃ
মহাবিদ্যালয় যুৱ মহোৎসৱত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলটোৱে দ্বিতীয় স্থান লাভ কৰে।
দলটোৰ দুজন সদস্য সিদ্ধাৰ্থ শংকৰ দাস আৰু পৱন গগৈক মই মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।
সদৌ শেষত মই কৃতজ্ঞতা জনাইছোঁ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰ, বৰ্তমানৰ
অধ্যক্ষ মহোদয়, তৰ্ক বিভাগৰ প্ৰাক্তন তত্বাবিধায়িকা শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেউ, ছাত্ৰ একতা সভাৰ
সভাপতি নয়ন জ্যোতি গায়ন দাদাক। লগতে বিভিন্ন সময়ত পৰামৰ্শ তথা সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ
শিক্ষাগুৰুসকল আৰু জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলক অশেষ ধন্যবাদ জনাইছোঁ। ইয়াৰ লগতে মহাবিদ্যালয়খনৰ
সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছোঁ।

চেহনাজ বেগম

২০১৭-১৮ বৰ্ষ





## মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

৯-১৪ ফেব্ৰুৱাৰী, ২০১৮

1. **100 meter race (Boys)** :
   1. Nur Md. Mir
   2. Pranjal Saikia
   3. Madhurjya Bora
2. **100 meter race (Girls)** :
   1. Radha Khakhlari
   2. Krishna Bora
   3. Ruplekha Saikia
3. **200 meter race (Boys)** :
   1. Pranjal Saikia
   2. Nur Md. Mis
   3. Madhurjya Bora
4. **200 meter race (Girls)** :
   1. Radha Khakhlari
   2. Karishma Bora
   3. Rashmi Gohain
5. **400 meter race (Boys)** :
   1. Abhijit Kalita
   2. Nur Md. Mis
   3. Diganta Phukan
6. **400 meter race (Girls)** :
   1. Popy Gayan
   2. Radha Khakhlari
   3. Karishma Bora
7. **800 meter race (Boys)** :
   1. Prnjal Saikia
   2. Nur Md. Mis
   3. Satyajit Gayan
8. **800 meter race (Girls)** :
   1. Karishma Bora
   2. Nasrin Sultana
   3. Panchee Borthakur
9. **1600 meter race (Boys)** :
   1. Diganta Phukan
   2. Dhrubajyoti Saikia
   3. Kaushik Kalita
10. **Long Jump (Boys)** :
    1. Diganta Phukan (15.11)
    2. Bidyut Saikia (15.10)
    3. Manash Jyoti Zamidar (15.7)
11. **Long Jump (Girls)** :
    1. Popy Gayan (10.7)
    2. Panchee Borah (9.10)
    3. Karishma Bora (9.8)
12. **High Jump (Boys)** :
    1. Junak Nahar (5.5)
    2. Amlan Jyoti Bora (4.6)
       Sanjib Bora (4.6)
    3. Manash Jyoti Zamidar (4.2)
13. **High Jump (Girls)** :
    1. Loni Saikia (3.3)
14. **Shot put throw (Boys)** :
    1. Amlan Jyoti Bora (3.2)
    2. Ankumoni Borthakur (28.8)

3. Abinash Das (28.4)
   Sanjib Bora (28.4)

**15. Shot put throw (Girls) :**
1. Pranayani Gogoi (18)
2. Ruprekha Saikia (17.4)
3. Binti Borah (17.3)

**16. Discuss throw (Boys) :**
1. Sanjib Bora (90.2)
2. Amlan Jyoti Bora (89.1)
3. Abinash Das (72.6)

**17. Discuss throw (Girls) :**
1. Pranayani Gogoi (58)
2. Mousumi Gayan (55.1)
3. Tanushree Sarmah (50.6)

**18. Javeline throw (Boys) :**
1. Sanjib Bora (123)
2. Faijul Ahmed (106.6)
3. Abinash Das (103.3)

**19. Javeline throw (Girls) :**
1. Pranayani Gogoi (44)
2. Ruprekha Saikia (40)
3. Binti Borah (17.8)

**20. Panja (Boys) :**
1. Sanjib Bora
2. Samujjal Hazarika

**21. Panja (Girls) :**
1. Karishma Borah
2. Jinnatara Begum

**22. Carrom (Boys) :**
1. Amlanjyoti Bora
2. Manash Jyoti Zamid

**23. Carrom (Girls) :**
1. Nasrin Sultana
2. Ranjita Daimary

**24. Badminton (Singles Girls) :**
1. Loni Saikia
2. Popy Gayan

**25. Chess Board (Boys) :**
1. Lakhi Majumdar
2. Nabajit Das

**26. Chess Board (Girls) :**
1. Udangsri Bhagawati
2. Jhorna Kalita

**27. Kabaddi (winner) Boys :**
1. Nur Md. Mis
2. Imdad Hussain
3. Habibullah
4. Faizur Ahmed
5. Abhijit Bhowmik
6. Sumit Thakur
7. Pobitra Biswas

**28. Kabaddi winner (Girls) :**
1. Binti Borah
2. Tanushree Sarmah
3. Karishma Bora
4. Alpana Hazarika
5. Ruprekha Saikia
6. Pujashri Borah
7. Sewali Daimary

**29. Kabaddi Runner's up (Girls) :**
1. Bandana Saikia
2. Pranayani Gogoi
3. Manija Begum
4. Halima Begum
5. Rafina Begum
6. Swapna Das
7. Nurewara Begum

**30. Tug-of-war winner (Girls) :**
1. Sewali Daimary
2. Ranjita Daimary
3. Mun Mun Gayan
4. Binti Bora
5. Karishma Bora
6. Pranayani Gogoi
7. Pujashree Bora
8. Bandana Saikia

**31. Cricket Boys (winner) :**
1. Amlanjyoti Bora
2. Amlandeep Saikia
3. Jyotirmoy Sarmah
4. Biplop Gogoi
5. Kalpa Gorah





6. Monjit Saikia
7. Nayan Moni Borah
8. Satyajit Gayan
9. Pranjal Saikia
10. Chintumoni Ali
11. Sanjib Borah
12. Abdul Masud
13. Raktim Bairagi

**32. Cricket Boys (Runners' up) :**
1. Ankur Hazarika
2. Himangshu Kalita
3. Tridip Sarmah
4. Pankaj Bora
5. Jakaria Alam
6. Sarat
7. Abinash Borah
8. Nirod
9. Manash Jyoti Zamidar
10. Raj Pratim
11. Prag Jyoti

**33. Musical Chair (Teacher) :**
1. Seema Sovita Das
2. Debita Kemprai

**34. Cricket Girls (Winner) :**
1. Binti Borah (captain)
2. Alpana Hazarika
3. Anita Acharjee
4. Runu Saikia
5. Prastuti Saikia
6. Debita Kemprai
7. Punyalata Gohain

**35. Cricket Girls (Runners' up) :**
1. Mousumi Gayan
2. Anurupa Bora
3. Piengmawi Changsan
4. Seema Sobita Das
5. Pujashri Borah
6. Ranjita Daimari
7. Munmun Gayan

**Womens of the Match :**
Anita Acharjee

**Best Bowler :**
Runa Saikia

**Best Athelete (Boys) :**
Sanjib Bora

**Best Athelete (Girls) :**
Karishma Bora
Pranayani Gogoi

**Achievement of College**

**Panchi Bora**

1st Prize in Asian Yoga Sports Championship 2018

**Cultural Event of 2017/2018 held on 9/2/2018 to 16/2/2018**

**1. Jyoti Sangeet :**
1st : Srutimala Boiragi
2nd : Lakhi Mozindar
3rd : Reema Barik

**2. Jayanta Hazarika Geet :**
1st : Srutimala Boiragi
2nd : Lakhi Mozinder
3rd : Suraj Nayak

**3. Bhupendra Sangeet :**
1st : Amlanjyoti Saikia
2nd : Srutimala Boiragi
3rd : Lakhi Mozinder

**4. Bishnu Rabha geet :**
1st : Srutimala Boiragi
2nd : Lakhi Mozinder
3rd : Amlanjyoti Saikia

**5. 1st best singer :**
Srutimala Boiragi
**2nd best singer :**
Lakhi Mozinder
**3rd best singer :**
Amlanjyoti Saikia

**6. Modern Dance :**

1st : Trishna Pathak
2nd : Praptilika Kalita
3rd : Ranjita Doimari

**Consolation Prize :**
Sweety Bora
Bhagyashri Bora

7. **Traditional Dress :**
1st : Kangkana Bora
2nd : Sujata Tanti
3rd : Papli Khakhlari
4th : Jhorna Kalita

8. **Groom Competition :**
1st : Suraj Nayak
2nd : Ekramul Hussain
3rd : Amlanjyoti Bora

9. **Bridal Competition :**
1st : Malabika Khakhlary
2nd : Mousumi Bora
3rd : Binti Bora

10. **Drama Competition :**
1st best drama group :
যেতিয়া সন্ধিয়া নামে সন্ধ্যা
Jetiya Sandhiya Name Sandhya
**Perticipants are :**
1. Sarat Sarmah
2. Mridu Paban Saikia
3. Raju Moni Borah
4. Sangeeta Borah

2nd best drama group : 8 to 11
Participants are :
1. Amlandeep Saikia
2. Amlanjyoti Saikia
3. Abinash Das
4. Deepjyoti Saikia
5. Manash Deka
6. Himangshu Saikia
7. Binti Borah
8. Pompi Hazarika

Best Director : Sarat Sarmah
Best Actor : Sarat Sarmah
Best Actress : Sangita Bora
Best co-actor : Abinash Das
Best co-actress : Pompi Hazarika
Best comic actor : Rajumoni Bora
**Second best co-actor :**
Amlandeep Saikia
**Second best co-actress :**
Binti Borah
**Special Jury award :**
Gitanjali Bora
Sunny Gayan

11. **Debate Competition :**
1st : Paban Gogoi
2nd : Sidhartha Sankar Das
3rd : Nayan Jyoti Gayan

12. **Essay competition :**
1st : Sidhartha Sankar Das
2nd : Sajina Yeashbin
3rd : Jhorna Kalita

13. **Quiz Competition :**
1st Group : Udangsri Bhagawati
Jhorna Kalita
Sidhartha Sankar Das
2nd Group : Lakhi Mozinder
Loni Saikia
Suravi Rabha
3rd Group : Lizamoni Bora
Mamata Begum
Niharika Keot

14. **Extempore speech :**
1st : Sarat Sarmah
2nd : Sajina Yeashbin
3rd : Liza Bora

15. **Speech :**
1st : Sajina Yeashbin
2nd : Sidhartha Sankar Das
3rd : Malabika Khakhlary

**Best of debating and literary section:**
Sidhartha Sankar Das

16. **Photography :**
1st : Sidhartha Sankar Das
2nd : Sarat Sharma
3rd : Udangsri Bhagawati

17. **Drawing competition :**
1st : Sajina Yeashbin
2nd : Loni Saikia
3rd : Udangsri Bhagawati

18. **College :**
1st : Udangsri Bhagawati
2nd : Popy Gayan
3rd : Sajina Yeashbin

19. **Rangoli :**
1st : Rinki Das
2nd : Pujashree Bora
3rd : Udangsri Bhagawati
Consolation : Rafina Begum
Nikita Das

20. **Mehendi Cometition :**
1st : Prastuti Saikia
2nd : Udangsri Bhagawati
3rd : Binti Bora

**Best of Fine Arts :**
Udangsri Bhagawati

21. **Wall Magazine :**
1st : Department of Economics
2nd : Department of Assamese
3rd : Department of Education

**Special Award :** Department of Sociology
Department of performing Arts (Sattriya)





22. **Culture Procession :**
1st : Department of Geography
2nd : Department of Education
3rd : Department of English
Special Jury Award : NCC.

Youth Festival held at GNDG Commerce College Nagaon from 27th June to 29th June, 2018.

Borgeet : 3rd Prize : Shrutimala Bania.
2nd prize : Debate : Sidhartha Das.
Paban Gogoi

Performance from Sattriya Department (Performing Art)
Dance Programme in Sishu Grantha Mela during by Dr. B.K.B. College student. (Durga Puja). Puranigudam on 17th October, 2018.
Dance Programme by Seema Sovita Das (Jr. Group)
Bapu Smaran at Andaman and Nicobar Administration sponsored by Sangeet Natak Akademi– New Delhi from 2 to 4 October, 2018.

## Dr. B.K.B. College , N.C.C
## B. Exam Pass List

Unit : 8 Assam B.N.N.C.C
Group H Q : Tezpur
N.E.R : Shillong

| SL No. | Name of the student | Grade | Regimental No. |
|---|---|---|---|
| 1 | Abhijit Kalita | A | AS17SDA/112674 |
| 2 | Dipanjal Daimari | B | AS17SDA/112665 |
| 3 | Bishnu Daimari | B | AS17SDA/112664 |
| 4 | Rupam Handique | B | AS17SDA/118672 |
| 5 | Adit Rabha | B | AS17SDA/112673 |
| 6 | Ruhit Keout | B | AS17SDA/112677 |
| 7 | Amor Guwala | B | AS17SDA/112667 |
| 8 | Jutika Gayan | A | AS15SWA/622021 |
| 9 | Parishmita Phukan | B | AS17SWA/112660 |
| 10 | Manisha Khaklari | B | AS17SWA/112654 |
| 11 | Radha Khaklari | A | AS17SWA/112662 |
| 12 | Merina Begum | B | AS17SWA/112647 |
| 13 | Mamoni Begum | B | AS17SWA/112645 |
| 14 | Gitika Saikia | B | AS17SWA/112656 |
| 15 | Junali END | B | AS17SWA/112676 |

## পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
## ২০১৭-১৮ বৰ্ষ

সভাপতি ঃ নয়নজ্যোতি গায়ন
সাধাৰণ সম্পাদক ঃ বিপুল কটোৱাৰ
সহঃ সাধাৰণ সম্পাদকঃ চিৰঞ্জিৎ মেধি
সাংস্কৃতিক সম্পাদিকা ঃ ৰাধা খাখলাৰী
সহঃ সাংস্কৃতিক সম্পাদক ঃ ত্ৰিদিপ ভূঞা
ক্ৰীড়া সম্পাদিকা ঃ মৌচুমী গায়ন
সহঃ ক্ৰীড়া সম্পাদক ঃ আনাৰুল হুছেইন
আলোচনী সম্পাদিকা ঃ ৰাফিনা বেগম
তৰ্ক সম্পাদিকা ঃ চেহনাজ বেগম
ছাত্ৰ জিৰণি কোঠা সম্পাদক ঃ লক্ষ্যজিৎ বৰা
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা ঃ আছমিনা বেগম
সমাজ সেৱা সম্পদিকা ঃ কংকনা বৰা
ব্যায়ামগাৰ সম্পাদক ঃ মিৰজ আনচাৰী



## মহাবিদ্যালয়ৰ অধ্যক্ষ




ড° নৃপেন চন্দ্ৰ দাস



## 'কৰ্ষণ'ৰ সম্পাদনা সমিতি

বাঁওফালৰপৰা (বহি) ক্ৰমে ঃ ড° কমল চন্দ্ৰ শইকীয়া (শিক্ষক সদস্য), ড° নৃপেন চন্দ্ৰ দাস, (সভাপতি),
ড° সোমনাথ বৰা (শিক্ষক সদস্য), ড° পুনা লতা গোহাঁই (তত্ত্বাৱধায়িকা)
বাঁওফালৰপৰা (থিয় হৈ ছাত্ৰ-ছাত্ৰী, সদস্য/ সদস্যা)



বিদায়ী প্ৰাক্তন অধ্যক্ষ ড° ভূপেন শইকীয়া





Mr. Ghanashyam Taid (Assistant Professor, Dept. of Education, 7th from left) attend Pre-commission Training Course at NCC OTA, Kamptee, Nagpur, 27th November, 2017 to 24th February, 2018



শ্ৰীজুলি ঠাকুৰীয়া
গ্ৰন্থাগাৰিকা



শ্ৰীমঞ্জু কটকী
গ্ৰন্থাগাৰ সহায়িকা



শ্ৰীজিতুমণি শইকীয়া
গ্ৰন্থাগাৰ সহায়িকা




মহাবিদ্যালয়ৰ ২০১৭-২০১৮ শৈক্ষিক বৰ্ষৰ সপ্তাহ সমাৰোহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ দৃশ্য, ৯-২-২০১৮



মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বঁটা বিতৰণী সভাৰ এটি দৃশ্য
১৬ ফেব্ৰুৱাৰী, ২০১৮




মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বঁটা বিতৰণী সভাত গীত পৰিৱেশন কৰা মুহূৰ্তত শ্ৰীযুত ৰঞ্জন বেজবৰুৱা, ১৬ ফেব্ৰুৱাৰী, ২০১৮




আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপনৰ এটি মুহূৰ্ত, ৮ মাৰ্চ, ২০১৮,
স্থান ঃ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহ




মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ এটি দৃশ্য, ৩১ মাৰ্চ, ২০১৮



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱৰ
বিদায় মুহূৰ্তৰ এটি দৃশ্য, ৩১ মাৰ্চ, ২০১৮



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱৰ
বিদায় মুহূৰ্তৰ এটি দৃশ্য, ৩১ মাৰ্চ, ২০১৮



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱৰ বিদায় আগমুহূৰ্তত
মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সৈতে, ৩১ মাৰ্চ, ২০১৮



বিদায়ী অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱে
মঃ আব্দুল হাছেমদেৱক দায়িত্বভাৰ অৰ্পণ কৰা মুহূৰ্তত, ৩১ মাৰ্চ, ২০১৮




বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণৰ আগমুহূৰ্তত
৫ জুন, ২০১৮




বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ২২৫ নং পুৰণিগুদাম নিম্ন বুনিয়াদী
বিদ্যালয়ত গছপুলি প্ৰদানৰ মুহূৰ্তত, ৫ জুন, ২০১৮




বিশ্ব পৰিৱেশ দিৱসত গছপুলি ৰোপণ কৰা মুহূৰ্তত
মঃ আব্দুল হাছেম (প্ৰাক্তন অধ্যক্ষ), ৫ জুন, ২০১৮



গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা
মাঙলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দলটি, ২৭-২৯ জুন, ২০১৮




ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ NSS গোটৰ দ্বাৰা
শালনাত অনুষ্ঠিত কৰা বিনামূলীয়া সিকিৎসাসেৱা শিবিৰত
অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ দলটি, ২৯ জুন, ২০১৮





ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ NSS গোটৰ দ্বাৰা শালনাত অনুষ্ঠিত কৰা বিনামূলীয়া সিকিৎসাসেৱা শিবিৰৰ দৃশ্য
২৯ জুন, ২০১৮



মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা শ্ৰীযুতা অঞ্জনা গোস্বামীৰ বিদায় সম্বৰ্ধনা অনুষ্ঠাৰ এটি দৃশ্য, ৩১ জুলাই, ২০১৮



মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা শ্ৰীযুতা অঞ্জনা গোস্বামীৰ বিদায় সম্বৰ্ধনা অনুষ্ঠাৰ এটি দৃশ্য, ৩১ জুলাই, ২০১৮



মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা শ্ৰীযুতা অঞ্জনা গোস্বামীৰ বিদায় সম্বৰ্ধনা অনুষ্ঠাৰ এটি দৃশ্য, ৩১ জুলাই, ২০১৮




মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ এটি মুহূৰ্ত
২৯ আগষ্ট, ২০১৮



মহাবিদ্যালয়ৰ দায়িত্বভাৰ লোৱা মুহূৰ্তত নৱ নিযুক্ত অধ্যক্ষ ডঃ নৃপেন চন্দ্ৰ দাসদেৱ, ১ ছেপ্তেম্বৰ, ২০১৮



বাণিজ্য বিভাগত নতুন লেপ্‌টপ প্ৰদানৰ এটি মুহূৰ্ত
৬ ছেপ্তেম্বৰ, ২০১৮



কেৰেলাত অনুষ্ঠিত এচিয়ান যোগ প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত মহাবিদ্যালয়ৰ ছাত্ৰী পঙ্কী বৰা, ২৩-৩০ ছেপ্টেম্বৰ, ২০১৮



ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা প্ৰদান অনুষ্ঠানত 'অসমীয়া আধুনিক সত্তাৰ নিৰ্মাণ আৰু যুৱ প্ৰজন্ম' বিষয়ত বক্তৃতা প্ৰদান কৰিছে শ্ৰীযুত ময়ূৰ বৰাদেৱে, ৬ অক্টোবৰ, ২০১৮



ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা প্ৰদান অনুষ্ঠানত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিছে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৃপেন চন্দ্ৰ দাসদেৱে, ৬ অক্টোবৰ, ২০১৮



আঞ্চলিক বুৰঞ্জী প্ৰণেতা শ্ৰীযুত সুশিল বৰাদেৱক ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা প্ৰদানৰ মুহূৰ্ত, ৬ অক্টোবৰ, ২০১৮



ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত দৰ্শকৰ একাংশ, ৬ অক্টোবৰ, ২০১৮




মহাবিদ্যালয়ত ৩১ অক্টোবৰ, ২০১৮ তাৰিখে
National Unity Day পালনৰ এটি মুহূৰ্ত



National Unity Dayৰ অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰীৰ একাংশ
৩১ অক্টোবৰ, ২০১৮





মহাবিদ্যালয় পুথিভঁৰালৰ সহায়ক পূৰ্ণানন্দ বৈৰাগীৰ
বিদায় সম্বৰ্ধনাৰ মুহূৰ্ত,৩১ অক্টোবৰ, ২০১৮




## মহাবিদ্যালয়ৰ কাৰ্যালয় কৰ্মচাৰীবৃন্দৰ একাংশ

**বাঁওফালৰপৰা (বহি) ক্ৰমে ঃ** মোঃ কুতুব উদ্দিন আহমেদ (মুখ্য সহায়ক, কাৰ্যালয়), ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ), শ্ৰীমীনা ভূঞা (কাৰ্যালয় সহায়িকা)
শ্ৰীপল্লৱলোচন শইকীয়া (হিচাপ ৰক্ষক), শ্ৰীভদ্ৰেশ্বৰ বৰা (৪ৰ্থ বৰ্গ কৰ্মচাৰী),
**বাঁওফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ** শ্ৰীমেঘনাথ ৰাভা (৪ৰ্থ বৰ্গ কৰ্মচাৰী), মোঃ আনোৱাৰ হুছেইন (৪ৰ্থ বৰ্গ কৰ্মচাৰী),
শ্ৰীৰিতুল বৰা (৪ৰ্থ বৰ্গ কৰ্মচাৰী), শ্ৰীমেঘালী গায়ন (কাৰ্যালয় সহায়িকা)
মোঃ তফিকুল আলি (ভূগোল বিভাগৰ বাহক), শ্ৰীকেশৱানন্দ বৰা (কাৰ্যালয় সহায়ক),



## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য/ সদস্যা (২০১৭-১৮ বৰ্ষ)

**বাঁওফালৰপৰা (বহি) ক্ৰমে ঃ** মিৰাজ আনচাৰী (ব্যায়ামাগাৰ সম্পাদক), আনাৰুল হুছেইন (সহঃ ক্ৰীড়া সম্পাদক), ত্ৰিদিপ ভূঞা (সহঃ সাংস্কৃতিক সম্পাদক)
নয়নজ্যোতি গায়ন (সভাপতি), চিৰঞ্জীৎ মেধী (ভাঃ সাধাৰণ সম্পাদক), মৌচুমী গায়ন (ক্ৰীড়া সম্পাদিকা),
**বাঁওফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ** শ্ৰীৰাধা খাকলাৰী (সাংস্কৃতিক সম্পাদিকা), ৰাফিনা বেগম (আলোচনী সম্পাদিকা),
আচমিনা বেগম (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা), কংকনা বৰা (সমাজসেৱা সম্পাদিকা),
**অনুপস্থিত ঃ** চেহনাজ বেগম (তৰ্ক সম্পাদিকা), লক্ষ্যজিৎ বৰা (ছাত্ৰ জিৰণি কোঠা সম্পাদক)



National Unity Day উপলক্ষে গছপুলি ৰোপণৰ এটি মুহূর্ত,৩১ অক্টোবৰ, ২০১৮



নগাঁও নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশ গ্ৰহণ কৰা
মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ দলটি, ২১ জুন, ২০১৮